सत्यमेव जयते

ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকৰ ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত 2022 চনৰ 31 মার্চত সমাপ্ত বর্ষৰ বাবে প্রতিবেদন

SUPREME AUDIT INSTITUTION OF INDIA

लोकहितार्थ सत्यनिष्ठा

Dedicated to Truth in Public Interest

অসম চৰকাৰ

2023 চনৰ প্রতিবেদন নং 3

ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকৰ
ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত
2022 চনৰ 31 মার্চত সমাপ্ত বর্ষৰ বাবে প্রতিবেদন

অসম চৰকাৰ

(2023 চনৰ প্রতিবেদন নং 3)

সূচীপত্র

বিৱৰণ	দ্রষ্টব্য	
	দফা	পৃষ্ঠা
পাতনি		iii
দৃষ্টিপাত		v
অধ্যায় I **ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত সাধাৰণ উদ্দেশ্যৰ বিত্তীয় প্ৰতিবেদন**		
ধাৰা 1:ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ বিত্তীয় প্ৰদৰ্শন		
সূচনা	1.1.1	1
আদেশ	1.1.2	1
এই প্ৰতিবেদনত কি আছে	1.1.3	2
এচ পি এচ ই-ৰ সংখ্যা	1.1.4	2
ৰাজ্যিক অৰ্থনীতিত অৱদান	1.1.5	3
এচ পি এচ ই-ত বিনিয়োগ	1.1.6	3
অসম চৰকাৰৰ বিত্তীয় একাউন্টৰ সৈতে সমিলমিলকৰণ	1.1.7	5
অসম চৰকাৰৰ বাজেটীয় বৰ্হিগমন	1.1.8	6
এচ পি এচ ই সমূহৰ পৰা বিটাৰ্ণ	1.1.9	7
কৰ্মৰত এচ পি এচ ই সমূহৰ দীৰ্ঘম্যাদী ঋণ	1.1.10	9
এচ পি এচ ই-ৰ কাৰ্যকৰী দক্ষতা	1.1.11	11
বিনিয়োগৰ বৰ্তমান মূল্যৰ আধাৰত অসম চৰকাৰৰ দ্বাৰা হোৱা বিনিয়োগৰ ওপৰত লাভ	1.1.12	15
একাউণ্টৰ কোনো বকেয়া নথকা এচ পি এচ ই-ৰ প্ৰদৰ্শন	1.1.13	16
ধাৰা 2: চি এ জি-ৰ পৰ্যৱেক্ষণ ভূমিকা		
ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ হিচাপ পৰীক্ষা	1.2.1	18
চি এ জি-ৰ দ্বাৰা এচ পি এচ ই সমূহৰ আইনী হিচাপ পৰীক্ষকৰ নিযুক্তি	1.2.2	18
এচ পি এচ ই সমূহৰ দ্বাৰা একাউন্ট দাখিল কৰা	1.2.3	18
এচ পি এচ ই সমূহৰ দ্বাৰা একাউন্ট প্ৰস্তুত কৰাৰ সময়বদ্ধতা	1.2.4	19
একাউন্ট বকেয়া থকা এচ পি এচ ই সমূহত অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ	1.2.5	20
একাউন্টৰ হিচাপ পৰীক্ষা আৰু পৰিপূৰক হিচাপ পৰীক্ষা	1.2.6	21
বিধিবদ্ধ হিচাপ পৰীক্ষকৰ দ্বাৰা চৰকাৰী কোম্পানীৰ একাউন্টৰ হিচাপ পৰীক্ষা	1.2.7	22
চৰকাৰী কোম্পনীবোৰৰ একাউন্টৰ পৰিপূৰক হিচাপ পৰীক্ষা	1.2.8	22
চি এ জি-ৰ পৰ্যৱেক্ষণ ভূমিকাৰ ফলাফল	1.2.9	22
ব্যৱস্থাপনা পত্ৰসমূহ	1.2.10	24

বিৱৰণ	দ্রষ্টব্য	
	দফা	পৃষ্ঠা
ধাৰা 3: কৰ্পোৰেট শাসন প্ৰণালী		
সূচনা	1.3.1	26
কৰ্পোৰেট শাসন প্ৰণালীৰ ওপৰত নিৰ্দেশনা	1.3.2	26
চৰকাৰী কোম্পানীসমূহক দিয়া ৰেহাই	1.3.3	26
কৰ্পোৰেট শাসন প্ৰণালীৰ বাবে ৰাজ্যিক পি এচ ই-ৰ ক'ভাৰেজ	1.3.4	27
কৰ্পোৰেট শাসন প্ৰণালীৰ সংক্ষিপ্ত ব্যৱস্থাসমূহ	1.3.5	27
সঞ্চালকমণ্ডলী	1.3.6	28
স্বতন্ত্ৰ সঞ্চালক	1.3.7	30
সঞ্চালকমণ্ডলীৰ সমিতিসমূহ	1.3.8	32
অন্যান্য বিধিবদ্ধ প্ৰয়োজনীয়তাসমূহ	1.3.9	34
ধাৰা 4: কৰ্পোৰেট সামাজিক দায়বদ্ধতা		
সূচনা	1.4.1	38
ক'ভাৰেজ	1.4.2	38
চি এচ আৰ-ৰ ব্যৱস্থাবোৰৰ পালনৰ স্থিতি	1.4.3	39
অধ্যায় II **এচ পি এচ ই সম্পৰ্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহ**		
মৈত্ৰী চ'ছাইটী **অসম আৰক্ষী গৃহ নিৰ্মাণ নিগম লিমিটেড** **অসম ৰাজ্যিক সমবায় গৃহ নিৰ্মাণ ফেডাৰেচন লিমিটেড**		
দায়িত্বশীল ভাৰমূৰ্ত্তীৰ বাবে থানাসমূহৰ সৰ্বাঙ্গীন উন্নয়ন অভিযানৰ ৰূপায়ন (মৈত্ৰী) আচঁনি	2.1	41
অসম শক্তি উৎপাদন নিগম লিমিটেড		
শক্তি প্ৰকল্প নিৰ্মাণ	2.2	62
কোম্পানীৰ বিনিয়োজন কৌশল নমনা	2.3	72
অসম খনিজ উন্নয়ন নিগম লিমিটেড		
খনন কাৰ্যকলাপ	2.4	75
অসম পেট্ৰ'কেমিকেলচ লিমিটেড		
অপচয়মূলক ব্যয়	2.5	97
অনুচিত লাভ	2.6	99
অসম বীজ নিগম লিমিটেড		
পৰিহাৰ্য ব্যয়	2.7	102
পৰিশিষ্ট		107

পাতনি

ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ সন্দর্ভত ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষক (চি এণ্ড এ জি) ৰ এই প্রতিবেদন ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 151 ৰ অধীনত ৰাজ্যিক বিধান সভাত উপস্থাপন কৰিবলৈ অসমৰ ৰাজ্যপালক দাখিল কৰিবৰ বাবে প্রস্তুত কৰা হৈছে।

কোম্পানী আইন, 2013 ৰ অনুচ্ছেদ 143 ৰ বিধান অনুসৰি চি এণ্ড এ জি ৰ দ্বাৰা চৰকাৰী কোম্পানীসমূহৰ হিচাপৰ হিচাপ পৰীক্ষা কৰা হয়। কোম্পানী আইনৰ অধীনত চি এণ্ড এ জি ৰ দ্বাৰা নিয়োজিত বিধিবদ্ধ হিচাপ পৰীক্ষকৰ (চনদপ্রাপ্ত গাণনিকসকল) দ্বাৰা প্রমাণিকৃত হিচাপসমূহৰ চি এণ্ড এ জি-ৰ দ্বাৰা পৰিপূৰক হিচাপ পৰীক্ষা কৰা হয়, যাৰ মন্তব্য বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্রতিবেদনৰ পৰিপূৰক হয়। বিধিবদ্ধ নিগমসমূহৰ হিচাপ পৰীক্ষা সংশ্লিষ্ট বিধানমণ্ডলৰ দ্বাৰা নিয়ন্ত্রিত হয়। এটা বিধিবদ্ধ নিগম অর্থাৎ অসম ৰাজ্যিক পৰিবহণ নিগম আৰু অসম বিদ্যুৎ নিয়ামক আয়োগ, এটা নিয়ামক সংস্থাৰ ক্ষেত্রত চি এণ্ড এ জি হৈছে একমাত্র হিচাপ পৰীক্ষক। ইয়াৰ উপৰিও চৰকাৰী কোম্পানী/ বিধিবদ্ধ নিগমসমূহো চি এণ্ড এ জি ৰ দ্বাৰা বাচনিমূলক হিচাপ পৰীক্ষাৰ অধীন।

চি এণ্ড এ জি (কর্তব্য, ক্ষমতা আৰু সেৱাৰ চর্তাৱলী)ৰ আইন, 1971 ৰ অনুচ্ছেদ 19-A ৰ অধীনত অসমৰ ৰাজ্যিক বিধানসভাত উপস্থাপন কৰাৰ বাবে চি এণ্ড এ জি দ্বাৰা চৰকাৰী কোম্পানী বা বিধিবদ্ধ নিগমৰ হিচাপৰ সন্দর্ভত প্রতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰা হয়।

এই প্রতিবেদনত উল্লেখ কৰা বিষয়সমূহ হৈছে এপ্রিল 2020 ৰ পৰা মার্চ 2022 ৰ সময়ছোৱাত বাচনিভিত্তিক হিচাপ পৰীক্ষাত লক্ষ্য কৰা আৰু পূর্বৰ বছৰসমূহত দষ্টিগোচৰ হোৱা কিন্তু পূর্বৰ হিচাপ পৰীক্ষা প্রতিবেদনত উল্লেখ কৰিব নোৱাৰা বিষয়সমূহ। মার্চ 2022 ৰ পৰৱর্ত্তী সময়ৰ বিষয়সমূহো প্রয়োজন সাপেক্ষে অন্তর্ভুক্ত কৰা হৈছে। সংশ্লিষ্ট ৰাজ্য চৰকাৰ/পি এচ ইৰ সঁহাৰি বিবেচনা কৰাৰ পিছত প্রতিবেদনখন চূড়ান্ত কৰা হৈছে।

ভাৰতৰ চি এণ্ড এ জি-এ জাৰী কৰা হিচাপ পৰীক্ষাৰ মাপকাঠিৰ সৈতে সমঞ্জস্য ৰাখি হিচাপ পৰীক্ষা পৰিচালনা কৰা হৈছে।

"Report of the Comptroller and Auditor General of India on State Public Sector Enterprises for the year ended 31 March 2022 – Government of Assam"ৰ অসমীয়ালৈ ভাষান্তৰ কৰি এই প্রতিবেদনখন প্রস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটো প্রামাণিক বুলি বিবেচিত হ'ব।

দৃষ্টিপাত

দৃষ্টিপাত

31 মার্চ 2022 (অসম চৰকাৰ)ত সমাপ্ত হোৱা বছৰটোৰ বাবে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ সম্পর্কে ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকৰ প্রতিবেদন দুটা অধ্যায়ত প্রকাশ কৰা হৈছে।

অধ্যায়-I-ত ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ (এচ পি এচ ই) সন্দর্ভত সাধাৰণ উদ্দেশ্যৰ বিত্তীয় প্রতিবেদনৰ চাৰিটা খণ্ড আছে।

অধ্যায়-II-ত এচ পি এচ ই-ৰ সন্দর্ভত অনুপালন হিচাপ পৰীক্ষাৰ দফাত এচ পি এচ ই-ৰ অনুপালন হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা সাতটা অনুপালন হিচাপ পৰীক্ষাৰ দফা আছে।

হিচাপ পৰীক্ষা প্রতিবেদনত অন্তর্ভুক্ত মুখ্য ফলাফলসমূহ নিম্নলিখিত ধৰণৰ :

অধ্যায়-I: ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ওপৰত সাধাৰণ উদ্দেশ্যৰ বিত্তীয় প্রতিবেদন

খণ্ড 1: ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ বিত্তীয় প্রদর্শন

31 মার্চ 2022 তাৰিখলৈকে, ৰাজ্যখনত ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষক (চি এ জি)ক প্রতিনিধিত্ব কৰা অসমৰ প্রধান মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ হিচাপ পৰীক্ষা অধিকাৰক্ষেত্রৰ অধীনত 51 টা এচ পি এচ ই (16 টা অ- কর্মৰত) আৰু এটা ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগ আছিল। এই 51 টা এচ পি এচ ই-ত তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই (সকলো কর্মৰত চৰকাৰী কোম্পানী) আৰু শক্তি খণ্ডৰ এচ পি এচ ই-ৰ বাহিৰে আন 48 টা (তিনিটা কর্মৰত বিধিবদ্ধ নিগমসহ) অন্তর্ভুক্ত আছিল। 30 চেপ্টেম্বৰ 2022 তাৰিখলৈকে কর্মৰত এচ পি এচ ই-ৰ শেহতীয়া চূড়ান্ত বিৱৰণ অনুসৰি, 35 টা কর্মৰত এচ পি এচ ই-ৰ টার্ণঅ'ভাৰ আছিল 7,556.36 কোটি টকা।

(দফা 1.1.4 আৰু 1.1.5)

51 টা এচ পি এচ ই-ত মুঠ বিনিয়োগ (ইকুইটি আৰু দীর্ঘম্যাদী ঋণ) 31 মার্চ 2022 তাৰিখলৈ 11,912.21 কোটি টকা হৈছিল। বিনিয়োগটোত ইকুইটিত 73.30 শতাংশ আৰু দীর্ঘম্যাদী ঋণত 26.70 শতাংশ আছিল। 11,912.21 কোটি টকা মুঠ বিনিয়োগৰ ভিতৰত, জি অ' এ-ৰ বিনিয়োগ আছিল 9,398.19 কোটি টকা য'ত ইকুইটিৰ বাবে 8,083.26 কোটি টকা আৰু দীর্ঘম্যাদী ঋণত 1,314.93 কোটি টকা আছিল। 2019-20 বর্ষৰ পৰা 2021-22 বর্ষলৈ এচ পি এচ ই-ত অসম চৰকাৰৰ মুঠ বিনিয়োগ 4,565.51 কোটি টকা (2019-20) ৰ পৰা 9,398.19 কোটি টকা (2021-22) লৈ 105.85 শতাংশ (4,832.68 কোটি টকা) বৃদ্ধি হৈছে।

(দফা 1.1.6)

2021-22 বর্ষত, অসম চৰকাৰে 14 টা এচ পি এচ ই-ক ইকুইটি (40.00 কোটি টকা), দীর্ঘম্যাদী ঋণ (87.17 কোটি টকা) আৰু অনুদান/ ৰাজসাহায্য (1,630.35 কোটি টকা) হিচাপে 1,757.52 কোটি টকা বাজেটীয় সমর্থন প্রদান কৰিছে। অসম চৰকাৰে 929.88 কোটি টকাৰ তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ অসম চৰকাৰ ঋণৰ ওপৰত 31 মার্চ 2021 লৈকে জমা হোৱা সূত (ফেব্রুৱাৰী 2022) ৰেহাই দিছিল। অসম চৰকাৰে শক্তি

খণ্ডৰ তিনিটা এচ পি এচ ই-ৰ ঋণ আৰু মূলধনী অনুদান যথাক্ৰমে 4684.18 কোটি টকা আৰু 1578.90 কোটি টকা ইকুইটি মূলধনলৈ ৰূপান্তৰিত কৰে (ফেব্ৰুৱাৰী 2022)।

(দফা 1.1.8)

2019-20 বৰ্ষত হোৱা 125.01 কোটি টকা লোকচানৰ বিপৰীতে কৰ্মৰত এচ পি এচ ই-সমূহে 2021-22 বৰ্ষত 171.31 কোটি টকা সামগ্ৰিক লাভ অৰ্জন কৰিছিল। 2019-22 বৰ্ষত, অসম চৰকাৰৰ দ্বাৰা পোনপটীয়া ইকুইটি ইনফিউচন থকা লাভজনক এচ পি এচ ই-ৰ সংখ্যা 14 ৰ পৰা 22 ৰ ভিতৰত আছিল, যাৰ ভিতৰত কেৱল অসম গেছ কোম্পানী লিমিটেডে তিনি বছৰৰ সময়ছোৱাত (2019-22) অসম চৰকাৰক মুঠ 15.21 কোটি টকা লাভ্যাংশ পৰিশোধ কৰিছিল।

(দফা 1.1.9.1 আৰু 1.1.9.2)

2020-21 বৰ্ষ (4,261.01 কোটি টকা)ৰ তুলনাত 2021-22 বৰ্ষত (3,918.79 কোটি টকা) কৰ্মৰত এচ পি এচ ই-ৰ দীৰ্ঘম্যাদী ঋণ (অসম চৰকাৰ আৰু অন্যান্য) 342.22 কোটি টকা হ্ৰাস পাইছে। 2021-22 বৰ্ষত, তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই-এ বেছিভাগ ঋণ লাভ কৰিছিল, যাৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি মুঠ 2,631.23 কোটি টকা (67.14 শতাংশ) বকেয়া ঋণ আছিল।

(দফা 1.1.10)

2021-22 বৰ্ষত, কৰ্মৰত এচ পি এচ ই-ৰ সঞ্চিত লোকচান 5,017.77 কোটি টকা (2020-21)ৰ পৰা 3,295.95 কোটি টকা (2021-22) লৈ 1,721.82 কোটি টকা (34.31 শতাংশ) হ্ৰাস হৈছিল। 2021-22 বৰ্ষত 2,867.67 কোটি টকা (87.01 শতাংশ) সঞ্চিত লোকচানৰ মুখ্য অৱদানকাৰী আছিল চাৰিটা এচ পি এচ ই (তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই আৰু অসম ৰাজ্যিক পৰিবহন নিগম)।

(দফা 1.1.11.1)

2021-22 বৰ্ষত, 35 টা কৰ্মৰত এচ পি এচ ই-ৰ ভিতৰত 24 টাত ধনাত্মক মূলধন নিয়োজিত হোৱাৰ বিপৰীতে বাকী 11 টা এচ পি এচ ই-ত ঋণাত্মক মূলধন নিয়োজিত হৈছিল। 2019-20ৰ পৰা 2021-22 বৰ্ষলৈ, ধনাত্মক মূলধন নিয়োজিত এচ পি এচ ই-সমূহে 4,180.30 কোটি টকা (2019-20) পৰা 5,423.04 কোটি টকা (2021-22)লৈ নিযুক্ত মুঠ মূলধনত 1,242.74 কোটি টকা (29.73 শতাংশ) বৃদ্ধি পাইছে। এই এচ পি এচ ই-সমূহৰ সূত আৰু কৰ (ই বি আই টি) আগৰ উপাৰ্জনও 107.70 কোটি টকা (2019-20)ৰ পৰা 369.53 কোটি টকা (2021-22) লৈ 261.83 কোটি টকা (243.11 শতাংশ) বৃদ্ধি পাইছে। ফলস্বৰূপে, ধনাত্মক মূলধন নিয়োজিত কৰ্মৰত এচ পি এচ ই-ৰ নিয়োজিত মূলধনৰ বিপৰীতে হোৱা আয় (আৰ অ' চি ই) 2.58 শতাংশৰ (2019-20) পৰা 6.81 শতাংশলৈ (2021-22) উন্নীত হৈছে।

(দফা 1.1.11.2)

2021-22 বৰ্ষত, 24 টা কৰ্মৰত এচ পি এচ ই-য়ে মুঠ 513.40 কোটি টকা লাভ অৰ্জন কৰিছিল। লাভ অৰ্জন কৰা 24 টা কৰ্মৰত এচ পি এচ ই-ৰ ভিতৰত 16 টাত ধনাত্মক ইকুইটি বা শ্বেয়াৰহোল্ডাৰৰ পুঁজি আছিল। 2021-22 বৰ্ষত, 16 টা এচ পি এচ ই-ৰ ৰিটার্ণ অন ইকুইটি (আৰ অ' ই) 2020-21 বৰ্ষত 15 টা এচ পি এচ ই-ৰ বাবে 6.77 শতাংশৰ আৰ অ' ই-ৰ তুলনাত 13.60 শতাংশ আছিল। 2021-22 বৰ্ষত লাভ অৰ্জন কৰা বাকী আঠটা এচ পি এচ ই-ৰ ক্ষেত্ৰত, সঞ্চিত লোকচানে (819.57 কোটি টকা) তেওঁলোকৰ পৰিশোধিত মূলধন (149.75 কোটি টকা) সম্পূৰ্ণৰূপে হ্ৰাস কৰিছিল।

(দফা 1.1.11.3)

বিনিয়োগৰ বিশ্লেষণ আৰু 35 টা কৰ্মৰত এচ পি এচ ই-ৰ মুঠ জমা হোৱা লোকচানে প্ৰকাশ কৰিছে যে 16 টা কৰ্মৰত এচ পি এচ ই-ৰ (3,142.23 কোটি টকা) সঞ্চিত লোকচানে (মুক্ত সংৰক্ষণ সমাযোজন কৰাৰ পিছৰ মুঠ) তেওঁলোকৰ পৰিশোধিত মূলধন (782.09 কোটি টকা) সম্পূৰ্ণৰূপে হ্ৰাস কৰিছে।

(দফা 1.1.11.5)

খণ্ড 2: চি এ জি-ৰ পৰ্যবেক্ষণৰ ভূমিকা

অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ হিচাপ পৰীক্ষা অধিকাৰক্ষেত্ৰৰ অধীনত 51 টা এচ পি এচ ই-ৰ (35 টা কৰ্মৰত এচ পি এচ ই আৰু 16 টা অ-কৰ্মৰত এচ পি এচ ই) ভিতৰত, মাত্ৰ নটা এচ পি এচ ই-য়ে (সাতটা কৰ্মৰত আৰু দুটা অ- কৰ্মৰত) তেওঁলোকৰ শেহতীয়া একাউন্ট (2021-22) চূড়ান্ত কৰিছিল। তদুপৰি, 22 টা এচ পি এচ ই-ৰ (18 টা কৰ্মৰত আৰু 4 টা অ- কৰ্মৰত) একৰ পৰা পাঁচ বছৰৰ বাবে 57 টা একাউণ্ট বকেয়া আছিল আনহাতে বাকী 20 টা এচ পি এচ ই-ৰ (10 টা কৰ্মৰত আৰু 10 টা অ- কৰ্মৰত) 30 চেপ্টেম্বৰ 2022 তাৰিখলৈকে পাঁচ বছৰতকৈ অধিক সময়ৰ বাবে মুঠ 331 টা একাউণ্ট বকেয়া আছিল। অসম চৰকাৰে 18 টা এচ পি এচ ই-ত 2,336.25 কোটি টকা বিনিয়োগ কৰিছিল যি বছৰসমূহৰ বাবে তেওঁলোকৰ একাউণ্ট বকেয়া আছিল।

(দফা 1.2.4 আৰু 1.2.5)

অক্টোবৰ 2021ৰ পৰা চেপ্টেম্বৰ 2022 লৈ, 33 টা এচ পি এচ ই-য়ে 62 টা একাউন্ট দাখিল কৰিছিল এইসমূহৰ ভিতৰত 26 টা এচ পি এচ ই-ৰ 51 টা একাউণ্ট (2021-22 বৰ্ষৰ বাবে আঠটা একাউণ্ট আৰু আগৰ বছৰবোৰৰ বাবে 43 টা একাউণ্ট) পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। আঠটা এচ পি এচ ই-ৰ বাকী থকা 11 টা একাউণ্টৰ (2021-22 বৰ্ষৰ এটা আৰু আগৰ বছৰসমূহৰ 10 টা একাউণ্ট)ৰ ক্ষেত্ৰত, অনা-সমীক্ষাৰ প্ৰমাণ-পত্ৰ (এন আৰ চি) জাৰী কৰা হৈছিল।

(দফা 1.2.9)

বিত্তীয় প্ৰতিবেদনত অনিয়ম আৰু অভাৱ বা পৰিপূৰক হিচাপ পৰীক্ষাৰ সময়ত লক্ষ্য কৰা প্ৰতিবেদন প্ৰক্ৰিয়াত যিসমূহ উপযুক্ত নাছিল, সেইসমূহৰ ক্ষেত্ৰত সংশোধনমূলক পদক্ষেপ লোৱাৰ বাবে 2021-22 বৰ্ষত 'ব্যৱস্থাপনা পত্ৰ'ৰ জৰিয়তে ছয়টা এচ পি এচ ই-ৰ ব্যৱস্থাপকক পৃথকে জনোৱা হৈছিল।

(দফা 1.2.10)

খণ্ড 3: কৰ্পোৰেট শাসন প্ৰণালী

কৰ্পোপেট শাসন প্ৰণালীৰ পৰ্যালোচনাত অসম চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা 31 টা কৰ্মৰত কোম্পানীক সামৰি লোৱা হৈছিল। বৰ্তমানৰ সমীক্ষাত কৰ্পোপেট শাসন প্ৰণালীৰ সাধাৰণ ব্যৱস্থাৰ অনুপালনৰ লগতে নিৰ্ধাৰিত বিত্তীয় চৰ্ত পূৰণৰ প্ৰয়োজনীয় ব্যৱস্থাবোৰ পালন কৰাটো সামৰি লোৱা হৈছে।

2021-22 বৰ্ষত, প্ৰয়োজনীয় তথ্য প্ৰদান কৰা 31 টা কৰ্মৰত কোম্পানীৰ ভিতৰত, 22 টা কৰ্মৰত কোম্পানীয়ে প্ৰতি বছৰে পৰিচালক মণ্ডলীৰ বাধ্যতামূলক চাৰিখন সভা অনুষ্ঠিত কৰা নাছিল।

(দফা 1.3.4 আৰু 1.3.6.2)

সাতটা কোম্পানীৰ ভিতৰত তিনিটা, যাৰ স্বতন্ত্ৰ সঞ্চালক থকাৰ প্ৰয়োজন আছিল তেওঁলোকৰ বোৰ্ডত কোনো স্বতন্ত্ৰ সঞ্চালক নাছিল বা বিধিসন্মত প্ৰয়োজনীয়তাতকৈ এনে সঞ্চালকৰ সংখ্যা কম আছিল।

(দফা 1.3.7.2)

হিচাপ পৰীক্ষা কমিটি গঠন কৰিব লগা আঠটা কোম্পানীৰ ভিতৰত, কোম্পানী আইন, 2013-ৰ প্ৰয়োজনীয়তাৰ বিপৰীতে দুটা কোম্পানীয়ে সমিতি গঠন কৰা নাছিল। আনহাতে, হিচাপ পৰীক্ষা কমিটি গঠন কৰাৰ কোনো আইনী বাধ্যবাধকতা নোহোৱা তিনিটা কোম্পানীয়েও তেওঁলোকৰ ফালৰ পৰা ভাল কৰ্পোপেট শাসন প্ৰণালীৰ ইংগিত দি এইসমূহ গঠন কৰিছিল।

(দফা 1.3.8.1)

বাৰ্ষিক সাধাৰণ সভা (এ জি এম) অনুষ্ঠিত কৰাৰ সন্দৰ্ভত তথ্য প্ৰদান কৰা 28 টা কৰ্মৰত কোম্পানীৰ ভিতৰত, মাত্ৰ ছয়টা কোম্পানীয়ে চলিত বৰ্ষৰ (2021-22) বাবে এ জি এম সমাপ্ত কৰিছিল, কিয়নো তেওঁলোকৰ একাউণ্টসমূহ 2021-22 বিত্তীয় বৰ্ষলৈকেহে চূড়ান্ত কৰা হৈছিল। একাউণ্টৰ বকেয়া থকা বাকী 22 টা কোম্পানীয়ে আগৰ বছৰসমূহৰ বাবে এ জি এম সমাপ্ত কৰিছিল।

(দফা 1.3.9.2)

খণ্ড 4: কৰ্পোৰেট সামাজিক দায়বদ্ধতা

32 টা কৰ্মৰত কোম্পানীৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি, কৰ্পোৰেট সামাজিক দায়বদ্ধতা (চি এচ আৰ) সম্পৰ্কীয় কোম্পানী আইন, 2013-ৰ ধাৰা 135 আঠটা কোম্পানীৰ বাবে প্ৰযোজ্য আছিল।

আইনখনৰ 135 নং ধাৰাত সামৰি লোৱা আঠটা কৰ্মৰত কোম্পানীসমূহৰ ভিতৰত সাতটা কোম্পানীয়ে চি এচ আৰ কমিটী গঠন কৰিছে। চি এচ আৰ কমিটীৰ গঠনৰ সন্দৰ্ভত এটা কোম্পানীৰ ক্ষেত্ৰত 'স্বতন্ত্ৰ সঞ্চালক' নিযুক্তিৰ অভাৱ দেখা গৈছিল।

(দফা 1.4.2 আৰু 1.4.3.1)

চি এচ আৰ কাৰ্য্যকলাপত ব্যয় কৰিবলগীয়া হোৱা আঠটা কৰ্মৰত কোম্পানীসমূহৰ ভিতৰত চাৰিটা কোম্পানীয়ে চি এচ আৰ কাৰ্য্যকলাপত কোনো ধৰণৰ ব্যয় কৰা নাছিল। শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি পাঁচটা কৰ্মৰত কোম্পানীয়ে বাধ্যতামূলক চি এচ আৰ ব্যয়ৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে 5.31 কোটি টকা কমকৈ ব্যয় হৈছিল।

(দফা 1.4.3.2)

অধ্যায়-II: এচ পি এচ ই সম্পর্কীয় অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহ

এই অধ্যায়ত অন্তর্ভুক্ত কৰা অনুপালন হিচাপ পৰীক্ষাৰ দফাসমূহে এচ পি এচ ই-সমূহৰ পৰিচালনাৰ অভাৱসমূহ দাঙি ধৰিছে। গুৰুত্বপূর্ণ হিচাপ পৰীক্ষাৰ ফলাফলসমূহৰ চমু বিৱৰণ তলত দিয়া হৈছে :

মৈত্রী চ'ছাইটী
অসম পুলিচ গৃহ নির্মাণ নিগম লিমিটেড
অসম ৰাজ্যিক সমবায় গৃহ নির্মাণ ফেডাৰেচন লিমিটেড

দায়িত্বশীল ভাৱমূর্ত্তিৰ বাবে থানাসমূহৰ সর্বাঙ্গীন উন্নয়ন অভিযানৰ ৰূপায়ণ (মৈত্রী) আঁচনি

পাঁচ বছৰৰ ভিতৰত (2017-18ৰ পৰা 2021-22 চনলৈ) স্বচ্ছ আৰু প্রতিযোগিতামূলক পদ্ধতিৰে 345টা থানা (আৰক্ষী চকী)ত আধুনিক আৰু নাগৰিক অনুকূল আন্তঃগাঁথনি সৃষ্টি কৰাৰ লক্ষ্যৰে মৈত্রী আঁচনি আৰম্ভ কৰা হৈছিল। আঁচনিৰ উদ্দেশ্য ব্যর্থ হৈছিল কিয়নো আঁচনিখনৰ প্রথম আৰু দ্বিতীয় পর্যায়ৰ সময়ত গ্রহণ কৰা 119খন পি এছৰ ভিতৰত 48খন আৰক্ষী চকী 2022 চনৰ জুন মাহলৈকে অসম্পূর্ণ হৈ থকাৰ বিপৰীতে বাকী 226খন আৰক্ষী চকীৰ আঁচনিৰ কাম এতিয়াও পৰিকল্পনা পর্যায়ত আছিল। তদুপৰি, আঁচনিখনৰ অধীনত পৰিকল্পিত আন 155টা কাম (100টা বেৰেক আৰু আন 55টা আন্তঃগাঁথনি প্রকল্প)ৰ ভিতৰত মাত্র 16টা কাম (এটা বেৰেক আৰু আন 15টা প্রকল্প) হে সম্পূর্ণ কৰিব পাৰিছিল (জুন 2022)। বাকী 139টা কামৰ ভিতৰত 85টা কাম (45টা বেৰেক আৰু আন 40টা প্রকল্প) চলি আছিল (জুন 2022) আনহাতে বাকী 54টা বেৰেকৰ কাম এতিয়ালৈকে (চেপ্টেম্বৰ 2022) আৰম্ভ কৰিব পৰা নাছিল।

ইয়াৰ উপৰিও আচঁনি ৰূপায়নত বিভিন্ন অনিয়মৰ উদাহৰণ (যেনে নিবিদা প্রক্রিয়া অনুসৰণ নকৰাকৈ কাম প্রদান কৰা, ঠিকাদাৰৰ প্রমাণ-পত্র/ কার্যকৰী ক্ষমতাৰ মূল্যায়ন নকৰাকৈ একাধিক কাম প্রদান কৰা, ভৰিষ্যতৰ ত্রুটিৰ দায়বদ্ধতাৰ বিৰুদ্ধে সুৰক্ষা প্রদানৰ বাবে কার্যসম্পাদন আমানত/ আ�ৰদ্ধ ধন সংগ্রহ নকৰা ইত্যাদি) সমূহো লক্ষ্য কৰা হৈছিল যিয়ে কার্যবাহী সংস্থাসমূহৰ দ্বাৰা চুক্তিৰ দুর্বল ব্যৱস্থাপনাকে সূচায়।

অসম চৰকাৰৰ বাজেট নিয়ন্ত্রণ প্রণালীৰ অভাৱ আছিল কিয়নো অসম চৰকাৰে পুঁজিৰ প্রকৃত প্রয়োজনীয়তাৰ মূল্যায়ন নকৰাকৈ অশুদ্ধ ব্যৱহাৰৰ প্রমাণ-পত্রৰ ভিত্তিত মৈত্রী চ'ছাইটিক আঁচনিৰ ধন মুকলি কৰিছিল। ফলত উল্লেখযোগ্য চৰকাৰী ধন/ আঁচনিৰ পুঁজি অনিয়মিতভাৱে বাজেট প্রক্রিয়াৰ বাহিৰত দীর্ঘদিন ধৰি মৈত্রী চ'ছাইটিৰ লগত থাকিল।

(দফা 2.1)

অসম শক্তি উৎপাদন নিগম লিমিটেড

শক্তি প্রকল্প নির্মাণ

2017 চনৰ 1 এপ্রিললৈকে কোম্পানীটোৰ 361.70 মেগাৱাট সংস্থাপন ক্ষমতাৰ তিনিটা কার্যক্ষম শক্তি কেন্দ্র আছিল। 2017-18 চনৰ পৰা 2021-22 চনৰ ভিতৰত 371.66 মেগাৱাট (পাঁচটা প্রকল্প)ৰ পৰিকল্পিত ক্ষমতা সংযোজনৰ ভিতৰত কোম্পানীয়ে তিনিটা প্রকল্প (181.66 মেগাৱাট) আৰম্ভ কৰে। 2017-22 বর্ষৰ ভিতৰত

সম্পূৰ্ণ হোৱা তিনিটা প্ৰকল্পৰ ভিতৰত এটা প্ৰকল্প (69.76 মেগাৱাট) সময়মতে আৰম্ভ হোৱাৰ বিপৰীতে বাকী দুটা প্ৰকল্প 6 আৰু 9 বছৰৰ পলমকৈ আৰম্ভ কৰা হৈছিল। এটা সম্পূৰ্ণ হোৱা প্ৰকল্পৰ বিপৰীতে, যিটো আংশিকভাৱে সুত বহনকাৰী ঋণৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল আৰু মূলতঃ ঠিকাদাৰৰ দুৰ্বল কাৰ্যসম্পাদনৰ বাবে পলম হৈছিল (9 বছৰ), এই পলমৰ বাবে কোম্পানীয়ে 183.50 কোটি টকা অতিৰিক্ত সুতৰ দায়বদ্ধতা বহন কৰিবলগীয়া হৈছিল।

ইয়াৰ উপৰিও, অসম চৰকাৰে (মে' 2010 ৰ পৰা মে' 2013 লৈ) ছয়টা সৰু হাইড্ৰ' প্ৰকল্প হাতত লৈছিল যাৰ ভিতৰত বৰ্তমানলৈকে (জুন 2022) মাত্ৰ এটা প্ৰকল্প সম্পূৰ্ণ হৈছে। অসম চৰকাৰে প্ৰকল্প সম্পাদনত বিধিসন্মত আৰু নীতিগত প্ৰয়োজনীয়তা অনুসৰণ কৰা নাছিল যাৰ ফলত বাকী পাঁচটা হাইড্ৰ' প্ৰকল্প পৰিত্যাগ/ স্থগিত কৰা হৈছিল।

(দফা 2.2)

কোম্পানীৰ বিনিয়োগ নীতি অনুসৰণ নকৰা

কোম্পানীয়ে ঘোষিত বিনিয়োগ নীতিৰ বিপৰীতে কম সুতৰ হাৰ প্ৰদান কৰা এচ টি ডি-ত বিনিয়োগ কৰাৰ বাবে 2.44 কোটি টকাৰ সুতৰ ৰাজহ ত্যাগ কৰিবলগীয়া হৈছিল।

(দফা 2.3)

অসম খনিজ উন্নয়ণ নিগম লিমিটেড

খনন কাৰ্যকলাপ

কোম্পানীটোৱে দুটা কয়লা খনি ক্ৰমে গৰমপানী কয়লা নিষ্কাশন প্ৰকল্প (জি চি ই পি) আৰু খোটা আৰ্ধা কয়লা নিষ্কাশন প্ৰকল্প (কে এ চি ই পি) পৰিচালনা কৰিছিল। কোম্পানীটোক 'উমৰাংছু'ত (জুন 1992ৰ পৰা জুলাই 2012 লৈকে) পাঁচটা চূণশিল খনিৰ ব্লক (ক্ষেত্ৰফল: 861 হেক্টৰ) আবণ্টন দিয়া হৈছিল; ইয়াৰে চাৰিটা ব্লক (694 হেক্টৰ) আবণ্টনৰ পিছৰে পৰা কাৰ্যক্ষম নাছিল।

কোম্পানীয়ে কয়লা খনি আৰু এটা চূণশিল খনি দুয়োটাতে অকৰ্তৃত্বশীল খনন কাৰ্যকলাপ অব্যাহত ৰাখিছিল যদিও চৰকাৰে অনুমোদন জনোৱা খনন পৰিকল্পনা/ খনন লীজ বা পৰিৱেশ অনুমতি-পত্ৰ নাছিল। যদিও কোম্পানীটোৰ খনন কাৰ্যকলাপক অবৈধ বুলি অভিহিত কৰাৰ সময়ত চৰকাৰ আৰু চৰকাৰে এই অনিয়মৰ বিষয়ে জানিছিল, তথাপিও এই ক্ষেত্ৰত প্ৰতিৰোধমূলক শাস্তি আৰোপ কৰি অবৈধ খনন ৰোধৰ বাবে কোম্পানীটোৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। এইদৰে খনন স্থানসমূহ, সম্ভাব্য পৰিৱেশৰ ক্ষতি আৰু ফলস্বৰূপে চাৰিওফালৰ জনসাধাৰণৰ স্বাস্থ্যজনিত বিপদৰ আশংকাৰ সন্মুখীন হৈছিল।

(দফা 2.4)

অসম পেট্রো-কেমিকেল লিমিটেড

অপচয়মূলক ব্যয়

মিথানল ব্যৱহাৰৰ ক্ষেত্ৰত বিকল্প ইন্ধন হিচাপে প্ৰথম পাইলট অধ্যয়নৰ প্ৰতিবেদনলৈ অপেক্ষা নকৰি একেসময়তে দুটাকৈ পাইলট প্ৰজেক্টৰ কাম হাতত ল'বলৈ কোম্পানীয়ে লোৱা অযুক্তিৰ সিদ্ধান্তৰ ফলত 1.36 কোটি টকা অপচয়মূলক ব্যয় হয়।

(দফা 2.5)

অযথা লাভালাভ

কোম্পানীয়ে ই আই এলৰ পৰা কাম সম্পূৰ্ণ কৰাত বিলম্ব হোৱা বাবদ জৰিমনা আদায় নকৰি (6.85 কোটি টকা) আৰু ত্ৰুটিপূৰ্ণ আৰ্হি/ নক্সা বাবদ আৰু কামৰ ঠিকাদাৰক সংশোধিত নক্সা যোগান ধৰাত পলম হোৱা বাবে অতিৰিক্ত কামৰ খৰছ (0.79 কোটি টকা) আদায় নকৰি অনুচিত লাভ 7.64 কোটি টকা দিয়ে।

(দফা 2.6)

অসম বীজ নিগম লিমিটেড

পৰিহাৰ্য্য ব্যয়

অবিবেচক কৰ পৰিচালনাৰ বাবে, সময়মতে আই টি আৰ দাখিল নকৰাত আৰু অগ্ৰিম কৰ আদায় নিদিয়াত কোম্পানীয়ে আয়কৰ আৰু সুদ হিচাপে আদায় দি 2.31 কোটি টকা পৰিহাৰ্য ব্যয় কৰে।

(দফা 2.7)

অধ্যায় I

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত সাধাৰণ উদ্দেশ্যৰ বিত্তীয় প্ৰতিবেদন

অধ্যায়-I

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত সাধাৰণ উদ্দেশ্যৰ বিত্তীয় প্ৰতিবেদন

ধাৰা 1: ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ বিত্তীয় প্ৰদৰ্শন

1.1.1 সূচনা

এই প্ৰতিবেদনত চৰকাৰী কোম্পানী, বিধিবদ্ধ নিগম আৰু চৰকাৰ নিয়ন্ত্ৰিত অন্যান্য কোম্পানীৰ বিত্তীয় প্ৰদৰ্শন উপস্থাপন কৰা হৈছে। ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (এচ পি এচ ই) শব্দটোত কোম্পানী আইন, 2013-ৰ অধীনত স্থাপিত ৰাজ্য চৰকাৰৰ মালিকানাধীন কোম্পানী আৰু আইনসভাৰ দ্বাৰা প্ৰণয়ন কৰা আইনৰ অধীনত স্থাপিত বিধিবদ্ধ নিগমসমূহ অন্তৰ্ভুক্ত আছে। কোম্পানী আইন, 2013-ৰ ধাৰা 2(45)ত এটা চৰকাৰী কোম্পানীক এনে এক কোম্পানী হিচাপে সংজ্ঞায়িত কৰা হৈছে য'ত পৰিশোধ কৰা শ্বেয়াৰ মূলধনৰ 51 শতাংশতকৈ কম কেন্দ্ৰীয় চৰকাৰ, বা কোনো ৰাজ্য চৰকাৰ বা চৰকাৰৰ হাতত নাই, বা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰু আংশিকভাৱে এক বা একাধিক ৰাজ্য চৰকাৰৰ দ্বাৰা আৰু ইয়াত এটা কোম্পানী অন্তৰ্ভুক্ত আছে যি এটা চৰকাৰী কোম্পানীৰ সহায়ক। ইয়াৰ উপৰিও, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, বা যিকোনো ৰাজ্য চৰকাৰ বা চৰকাৰৰ দ্বাৰা, বা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰু আংশিকভাৱে এক বা একাধিক ৰাজ্য চৰকাৰৰ মালিকানাধীন বা নিয়ন্ত্ৰিত আন যিকোনো কোম্পানীক এই প্ৰতিবেদনত 'চৰকাৰ নিয়ন্ত্ৰিত আন কোম্পানী' বুলি উল্লেখ কৰা হৈছে।

1.1.2 আদেশ

কোম্পানী আইন, 2013ৰ ধাৰা 143(5) ৰ পৰা 143(7)ৰ অধীনত চি এ জি-ৰ দ্বাৰা 'চৰকাৰী কোম্পানী' আৰু 'চৰকাৰ নিয়ন্ত্ৰিত অন্যান্য কোম্পানী'ৰ হিচাপ পৰীক্ষা কৰা হয়, চি এ জি-ৰ (কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্তাৱলী) আইন, 1971 আৰু তাত প্ৰস্তুত কৰা নিয়মাৱলীৰ ধাৰা 19 ৰ অধীনত। কোম্পানী আইন, 2013-ৰ অধীনত, চি এ জি-য়ে চাৰ্টাৰ্ড একাউণ্টেণ্টসকলক 'চৰকাৰ নিয়ন্ত্ৰিত আন কোম্পানী'ৰ বাবে আইনী অডিটৰ হিচাপে নিযুক্ত কৰে আৰু একাউণ্টবোৰ কেনেদৰে হিচাপ পৰীক্ষা কৰিব লাগে তাৰ নিৰ্দেশনা দিয়ে। ইয়াৰ উপৰিও, চি এ জি-ৰ এক পৰিপূৰক হিচাপ পৰীক্ষা কৰাৰ অধিকাৰ আছে। কিছুমান বিধিবদ্ধ নিগমক নিয়ন্ত্ৰণ কৰা আইন অনুসৰি তেওঁলোকৰ একাউণ্টবোৰ কেৱল চি এ জি-ৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা প্ৰয়োজন। ইয়াৰ উপৰিও, অসম বিদ্যুৎ নিয়ামক আয়োগৰ (নিয়ামক আয়োগ) বাবে চি এ জি হৈছে একমাত্ৰ হিচাপ পৰীক্ষক। বিধিবদ্ধ নিগম আৰু নিয়ামক আয়োগৰ হিচাপ পৰীক্ষা ব্যৱস্থাবোৰ ***সাৰণী 1.1.1***-ত দেখুওৱাৰ দৰে।

সাৰণী 1.1.1 ঃ বিধিবদ্ধ নিগম আৰু নিয়ামক কৰ্তৃপক্ষৰ বিৱৰণ

ক্ৰমিক নং	নিগম/ নিয়ামক কৰ্তৃপক্ষৰ নাম	চি এণ্ড এ জি-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ কৰ্তৃত্ব	হিচাপ পৰীক্ষা ব্যৱস্থা
1	অসম ৰাজ্যিক পৰিবহন নিগম	পথ পৰিবহন নিগম আইন, 1950-ৰ ধাৰা 33(2)	ডি পি চি আইন, 1971ৰ ধাৰা 19(2) ৰ অধীনত চি এণ্ড এ জি-ৰ দ্বাৰা একমাত্ৰ হিচাপ পৰীক্ষা
2	অসম বিত্তীয় নিগম	ৰাজ্যিক বিত্তীয় নিগম আইন, 1951-ৰ ধাৰা 37(6)	চার্টার্ড একাউন্টেন্টৰ (চি এ) দ্বাৰা কৰা হিচাপ পৰীক্ষা আৰু ডি পি চি আইন, 1971-ৰ ধাৰা 19(2)-ৰ অধীনত চি এণ্ড এ জি-ৰ দ্বাৰা পৰিপূৰক হিচাপ পৰীক্ষা
3	অসম ৰাজ্যিক পন্যাগাৰ নিগম	ৰাজ্যিক পন্যাগাৰ নিগম আইন, 1962-ৰ ধাৰা 31(8)	চি এ-ৰ দ্বাৰা কৰা হিচাপ পৰীক্ষা আৰু ডি পি চি আইন, 1971-ৰ ধাৰা 19(2)-ৰ অধীনত চি এণ্ড এ জি-ৰ দ্বাৰা পৰিপূৰক হিচাপ পৰীক্ষা কৰা হৈছে
4	অসম বিদ্যুৎ নিয়ামক আয়োগ[1]	বিদ্যুৎ আইন, 2003-ৰ ধাৰা 104(2)	ডি পি চি আইন, 1971-ৰ ধাৰা 19(2)-ৰ অধীনত চি এণ্ড এ জি-ৰ দ্বাৰা একমাত্ৰ হিচাপ পৰীক্ষা

1.1.3 এই প্ৰতিবেদনত কি আছে

এই প্ৰতিবেদনে ৰাজ্য চৰকাৰৰ কোম্পানী আৰু নিগমবোৰৰ বিত্তীয় প্ৰদৰ্শনৰ এক সামগ্ৰিক ছবি প্ৰদান কৰে যিটো তেওঁলোকৰ বিত্তীয় বিবৃতিৰ পৰা প্ৰকাশিত হৈছে। 2020-21 আৰু 2021-22 বৰ্ষৰ (বা আগৰ বছৰবোৰৰ যিবোৰ চলিত বৰ্ষত চূড়ান্ত কৰা হৈছিল) বাবে চি এ জি-ৰ দ্বাৰা পৰিচালিত এচ পি এচ ই-ৰ বিত্তীয় বিৱৰণৰ পৰিপূৰক হিচাপ পৰীক্ষাৰ ফলস্বৰূপে জাৰী কৰা গুৰুত্বপূৰ্ণ মন্তব্য এই প্ৰতিবেদনত দিয়া হৈছে। এই প্ৰতিবেদনত বিধিবদ্ধ নিগমসমূহৰ বিত্তীয় বিবৃতিৰ ওপৰত চি এ জি-য়ে জাৰী কৰা মন্তব্যৰ প্ৰভাৱো অন্তৰ্ভুক্ত আছে য'ত চি এ জি হৈছে একমাত্ৰ হিচাপ পৰীক্ষক। এই প্ৰতিবেদনখনে অসম চৰকাৰৰ ৰাজহুৱা উদ্যোগ বিভাগ (ডি পি ই)ৰ দ্বাৰা জাৰী কৰা নিৰ্দেশনাৱলীৰ প্ৰতি এচ পি এচ ই-ৰ অনুসৰণৰ স্থিতি আৰু কৰ্পোৰেট প্ৰশাসন আৰু কৰ্পোৰেট সামাজিক দায়বদ্ধতা সম্পৰ্কীয় বিষয়ত কোম্পানী আইন, 2013-ৰ ব্যৱস্থা অনুসৰণৰ এক সামগ্ৰিক ছবিও প্ৰদান কৰে।

1.1.4 এচ পি এচ ই-ৰ সংখ্যা

31 মার্চ 2022 তাৰিখলৈকে, চি এ জি-ৰ হিচাপ পৰীক্ষা অধিকাৰক্ষেত্ৰৰ অধীনত 51 টা এচ পি এচ ই আৰু এটা ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগ আছিল। এই এচ পি এচ ই-বোৰৰ ভিতৰত আছে 48 টা চৰকাৰী কোম্পানী (বিভিন্ন ৰাজ্য চৰকাৰৰ কোম্পানীৰ 10[2] টা সহায়ক কোম্পানী আৰু দুটা[3] চৰকাৰ নিয়ন্ত্ৰিত অন্যান্য কোম্পানী সহ) আৰু তিনিটা বিধিবদ্ধ নিগম আছে। 51 টা এচ পি এচ ই-ৰ ভিতৰত, 35 টা কৰ্মৰত এচ পি এচ ই আৰু 16 টা অ-কৰ্মৰত এচ পি এচ ই (সকলো চৰকাৰী কোম্পানী) আছিল। এই চৰকাৰী কোম্পানীবোৰৰ এটাও ষ্টক এক্সচেঞ্জত তালিকাভুক্ত কৰা হোৱা নাছিল। কৰ্মৰত আৰু অ-কৰ্মৰত এচ পি এচ ই-ৰ সাৰাংশ ***সাৰণী 1.1.2***-ত দিয়া হৈছে।

[1] অসম বিদ্যুৎ নিয়ামক আয়োগে 2017-18 বিত্তীয় বৰ্ষলৈকে হিচাপ-নিকাচ চূড়ান্ত কৰিছিল, যাৰ বাবে পৃথক হিচাপ পৰীক্ষা প্ৰতিবেদন (মে' 2020) জাৰি কৰা হৈছিল। 2022 চনৰ 30 ছেপ্টেম্বৰলৈকে পৰৱৰ্তী চাৰি বছৰ (2018-19ৰ পৰা 2021-22)ৰ আয়োগৰ হিচাপ চূড়ান্ত হ'বলৈ বাকী আছিল।

[2] ***পৰিশিষ্ট-3*** ৰ ক্ৰমিক নং B25, B26, B31, D7, D9, D11, D12, D13, D15 আৰু D16।

[3] ***পৰিশিষ্ট-3*** ৰ ক্ৰমিক নং B22 আৰু D32।

সাৰণী 1.1.2 ঃ কৰ্মৰত আৰু অ-কৰ্মৰত এছ পি এছ ই-ৰ বিৱৰণ

এচ পি এচ ই-ৰ প্ৰকাৰ	কৰ্মৰত এছ পি এছ ই	অ-কৰ্মৰত এছ পি এছ ই[4]	মুঠ
চৰকাৰী কোম্পানীসমূহ	32	16	48
বিধিবদ্ধ নিগমসমূহ	03	-	03
মুঠ	**35**	**16**	**51**

1.1.5 ৰাজ্যিক অৰ্থনীতিত অৱদান

এচ পি এচ ই-বোৰে ৰাজ্যখনৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যখনৰ অৰ্থনীতিৰ বিকাশৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰদান কৰাৰ উপৰিও, এই খণ্ডটোৱে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (জি এচ ডি পি) বিকাশত অৰিহণা যোগাইছে। জি এচ ডি পি-ৰ সৈতে এচ পি এচ ই-টাৰ্ণঅ'ভাৰৰ অনুপাতে ৰাজ্যৰ অৰ্থনীতিত এচ পি এচ ই-কাৰ্যকলাপৰ পৰিমাণ দেখুৱায়। ***সাৰণী 1.1.3***-এ 2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ জি এচ ডি পি-ৰ বিপৰীতে এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰৰ বিৱৰণ প্ৰদান কৰে।

সাৰণী 1.1.3 ঃ জি এচ ডি পি-ৰ তুলনাত এচ পি এচত ই টাৰ্ণঅ'ভাৰৰ বিৱৰণ

(কোটি টকাত)

বিৱৰণসমূহ	2019-20	2020-21	2021-22
এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰ[5]	6,858.34	7,471.99	7,556.36
জি এচ ডি পি	3,46,850.68	3,40,177.45	4,33,925.44
জি এচ ডি পি-লৈ টাৰ্ণঅ'ভাৰৰ শতাংশ	1.98	2.20	1.74

উৎস ঃ এচ পি এচ ই-ৰ একাউন্ট আৰু অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা তথ্য;2021-22 সম্পৰ্কীয় জি এছ ডি পি-ৰ সংখ্যা বৰ্তমান মূল্যত।

সাৰণী 1.1.3-ৰ পৰা লক্ষ্য কৰিব পাৰি, কাৰ্যকৰী এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰ 6,858.34 কোটি টকাৰ (2019-20) পৰা 7,556.36 কোটি টকালৈ (2021-22) ক্ৰমান্বয়ে বৃদ্ধি হোৱা দেখা গৈছে। 2019-22 বৰ্ষত এচ পি এচ ই-টাৰ্ণঅ'ভাৰ বৃদ্ধিৰ গতি (10.18 শতাংশ) একে সময়ৰ জি এচ ডি পি-ৰ বিকাশৰ হাৰতকৈ যথেষ্ট কম আছিল (25.10 শতাংশ), যাৰ ফলত জি এচ ডি পি-ত এচ পি এচ ই-টাৰ্ণঅ'ভাৰৰ অৱদান 1.98 শতাংশৰ (2019-20) পৰা 1.74 শতাংশলৈ (2021-22) হ্ৰাস হৈছিল।

2021-22 বৰ্ষত এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰৰ মুখ্য অৱদান আছিল তিনিটা শক্তি খণ্ডৰ কোম্পানী যেনে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (5,695.97 কোটি টকা), অসম শক্তি উৎপাদন নিগম লিমিটেড (489.69 কোটি টকা) আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (379.29 কোটি টকা)। লগতে, অসম গেছ কোম্পানী লিমিটেড (253.24 কোটি টকা) আৰু অসম বীজ নিগম লিমিটেডেও (128.23 কোটি টকা) এচ পি এচ ই-ৰ সামগ্ৰিক টাৰ্ণঅ'ভাৰত যথেষ্ট অৰিহণা যোগাইছিল। এচ পি এচ ই-য়ে 31 মাৰ্চ 2022-ৰ শেষত 36,957 জন কৰ্মচাৰী নিযুক্ত কৰিছিল ***(পৰিশিষ্ট 2)***।

1.1.6 এচ পি এচ ই-ত বিনিয়োগ

সাৰণী 1.1.4-ত 31 মাৰ্চ 2022 পৰ্যন্ত এচ পি এচ ই-ত মুঠ বিনিয়োগ (অসম চৰকাৰ আৰু অন্যান্য) দেখুওৱা হৈছে।

[4] যিবোৰে নিজৰ কাম-কাজ চলোৱা বন্ধ কৰি দিছে সেইবোৰেই হ'ল অ-কৰ্মৰত এচ পি এচ ই।

[5] সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰ পৰ্য্যন্ত কাৰ্য্যকৰী এচ পি এচ ই-সমূহৰ শেহতীয়া চূড়ান্ত হিচাপ অনুযায়ী।

সাৰণী 1.1.4 ঃ এচ পি এচ ই-ত মুঠ বিনিয়োগৰ[6] বিৱৰণ


(কোটি টকাত)

বিৱৰণ	অসম চৰকাৰ	অন্যান্য	মুঠ
ইকুইটি	8,083.26	648.52	8,731.78
দীৰ্ঘম্যাদী ঋণ	1,314.93	1,865.50	3,180.43
মুঠ বিনিয়োগ	**9,398.19**	**2,514.02**	**11,912.21**

উৎস ঃ এচ পি এচ ই-ৰ দ্বাৰা প্ৰদান কৰা তথ্য অনুসৰি; 'অন্যান্য'বোৰৰ ভিতৰত আছে কেন্দ্ৰীয় চৰকাৰ, বেংক আৰু অন্যান্য वित्तीय প্ৰতিষ্ঠান।

সাৰণী 1.1.4-ৰ পৰা লক্ষ্য কৰিব পাৰি, 51 টা এচ পি এচ ই-ত মুঠ বিনিয়োগ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) 31 মার্চ 2022 তাৰিখলৈ 11,912.21 কোটি টকা আছিল (পৰিশিষ্ট-2)। বিনিয়োগটোত ইকুইটিত 73.30 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণত 26.70 শতাংশ আছিল। লগতে, অসম চৰকাৰৰ (9,398.19 কোটি টকা) বিনিয়োগত ইকুইটিৰ 86.01 শতাংশ আৰু দীৰ্ঘম্যাদী ঋণৰ 13.99 শতাংশ আছিল।

চিত্ৰ তালিকা 1.1.1-ত 2019-20 ৰ পৰা 2021-22 চনলৈ যোৱা তিনি বছৰৰ শেষত এচ পি এচ ই-ত অসম চৰকাৰৰ মুঠ বিনিয়োগৰ তুলনামূলক বিৱৰণ দেখুওৱা হৈছে।



চিত্ৰ তালিকা 1.1.1-ৰ পৰা লক্ষ্য কৰিব পাৰি, এচ পি এচ ই-ত অসম চৰকাৰৰ মুঠ বিনিয়োগে 4,565.51 কোটি টকাৰ (2019-20) পৰা 105.85 শতাংশৰ (4,832.68 কোটি টকা) মুঠ বৃদ্ধি পঞ্জীয়ন কৰিছে আৰু 9,398.19 কোটি টকালৈ (2021-22) বৃদ্ধি পাইছে যাৰ ভিতৰত আছে ইকুইটি বিনিয়োগত 6,303.08 কোটি টকা (354 শতাংশ) বৃদ্ধি আৰু এচ পি এচ ই-ক অসম চৰকাৰৰ ঋণত 1,470.40 কোটি টকা (53 শতাংশ) হ্ৰাস। অসম চৰকাৰৰ দ্বাৰা ইকুইটি বিনিয়োগ বৃদ্ধিৰ কাৰণ আছিল দুটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ[7] অনুদান/ ঋণ (6,263.08 কোটি টকা[8]) ইকুইটিলৈ ৰূপান্তৰ কৰাৰ লগতে 2021-22 বর্ষত অসম হাইড্ৰ'-কার্বন আৰু শক্তি কোম্পানী লিমিটেডত 40 কোটি টকা ইকুইটি মূলধন প্ৰদান কৰা। ঋণবোৰ ইকুইটিলৈ

[6] বিনিয়োগৰ পৰিসংখ্যা সাময়িক আৰু এচ পি এচ ই-সমূহে প্ৰদান কৰা অনুসৰি, নটা এচ পি এচ ই-ৰ (পৰিশিষ্ট 2 ৰ ক্ৰমিক নং A1, A2, B22, B30, B31, B32, C1, D4 আৰু D6)ৰ বাহিৰে, যিয়ে তেওঁলোকৰ একাউণ্ট 2021-22 চনৰ বাবে চূড়ান্ত কৰিছে।

[7] অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু অসম শক্তি উৎপাদন নিগম লিমিটেড।

[8] মূলধনী অনুদান ঃ 4,684.18 কোটি টকা আৰু ঋণ ঃ 1,578.90 কোটি টকা।

ৰূপান্তৰ কৰাৰ ফলস্বৰূপে শক্তি খণ্ডৰ এচ পি এচ ই-বোৰক অসম চৰকাৰৰ ঋণ 2,121.63 কোটি টকা (2020-21) ৰ পৰা 611.96 কোটি টকালৈ (2021-22) 1,509.67[9] কোটি টকা হ্ৰাস হৈছিল।

1.1.7 অসম চৰকাৰৰ বিত্তীয় একাউন্টৰ সৈতে সমিলমিলকৰণ

অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণৰ সন্দৰ্ভত আৰু এচ পি এচ ই-য়ে প্ৰদান কৰা তথ্য অনুসৰি বকেয়া থকা পৰিসংখ্যাবোৰ ৰাজ্যৰ বিত্তীয় একাউণ্টত প্ৰকাশিত পৰিসংখ্যাৰ সৈতে মিলা উচিত। যদি পৰিসংখ্যাবোৰ অমিল হয়, সংশ্লিষ্ট এচ পি এচ ই আৰু বিত্ত বিভাগে পৰিসংখ্যাৰ পাৰ্থক্যৰ মীমাংসা কৰিব লাগিব। 31 মাৰ্চ 2022 তাৰিখলৈকে এচ পি এচ ই-ৰ এই সন্দৰ্ভত স্থিতি ***সাৰণী 1.1.5***-ত সংক্ষিপ্ত কৰা হৈছে।

সাৰণী 1.1.5 ঃ এচ পি এচ ই-ৰ ৰেকৰ্ডৰ তুলনাত ৰাজ্যিক বিত্তীয় একাউন্ট অনুসৰি বকেয়া ইকুইটি আৰু ঋণ

(কোটি টকাত)

বিৱৰণ	অসম চৰকাৰৰ বিত্তীয় একাউন্ট অনুসৰি পৰিমাণ	এচ পি এচ ই-ৰ ৰেকৰ্ড অনুসৰি পৰিমাণ	পাৰ্থক্য
ইকুইটি	5,472.32	8,083.26	2,610.94
দীৰ্ঘম্যাদী ঋণ	2,586.69	1,314.93	1,271.76

উৎস: ৰাজ্যিক বিত্তীয় একাউন্ট, 2021-22 আৰু এছ পি এছ ই-ৰ দ্বাৰা প্ৰদান কৰা তথ্য

সাৰণী 1.1.5-ৰ পৰা, এইটো লক্ষ্য কৰিব পাৰি যে দুটা ৰেকৰ্ড অনুসৰি ইকুইটি (2,610.94 কোটি টকা) আৰু দীৰ্ঘম্যাদী ঋণ (1,271.76 কোটি টকা)ৰ পৰিসংখ্যাত গুৰুত্বপূৰ্ণ অমীমাংসিত পাৰ্থক্য আছিল। ইকুইটিৰ পৰিসংখ্যাৰ পাৰ্থক্য মুখ্যতঃ ৰাজ্যিক বিত্তীয় একাউণ্টত 40[10] টা এচ পি এচ ই-ৰ ভিতৰত 12[11] টাৰ ইকুইটিৰ বাবে অসম চৰকাৰৰ বিনিয়োগৰ অস্তিত্ব নোহোৱাৰ বাবে আছিল, য'ত অসম চৰকাৰে ইকুইটিৰ ৰূপত পুঁজি সঞ্চাৰ কৰিছিল। ঋণৰ পৰিমাণৰ পাৰ্থক্যৰ কাৰণ বিশ্লেষণ কৰাটো অৱশ্যে সম্ভৱ নাছিল কিয়নো বিত্তীয় একাউণ্টবোৰে অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা ঋণৰ এচ পি এচ ই-অনুসৰি বিৱৰণ প্ৰদান কৰা নাছিল।

অসম চৰকাৰ আৰু এচ পি এচই-ৰ সংশ্লিষ্ট বিভাগবোৰে এচ পি এচ ই ৰেকৰ্ডৰ তুলনাত ৰাজ্যিক বিত্তীয় একাউণ্টত প্ৰকাশ হোৱাৰ দৰে অসম চৰকাৰৰ বিনিয়োগৰ পৰিসংখ্যাৰ (ইকুইটি আৰু দীৰ্ঘম্যাদী ঋণ) পাৰ্থক্যবোৰ মিলাবলৈ সময়-সীমাবদ্ধ প্ৰকাৰে দৃঢ় পদক্ষেপ লোৱা উচিত।

ইকুইটি পাৰ্থক্যবোৰ মিলাবলৈ, অসম চৰকাৰে অসম চৰকাৰৰ সপক্ষে জাৰী কৰা সংশ্লিষ্ট এচ পি এচ ই-ৰ পৰা শ্বেয়াৰ প্ৰমাণপত্ৰ প্ৰাপ্ত কৰিব লাগে আৰু বিত্তীয় একাউণ্টৰ সৈতে পাৰ্থক্যবোৰ মিলাব লাগে। ঋণৰ পৰিসংখ্যাৰ সন্দৰ্ভত, অসম চৰকাৰে বিত্তীয় একাউণ্টত এচ পি এচ ই-অনুসৰি ঋণৰ পৰিসংখ্যা সংকলন/ অন্তৰ্ভুক্ত কৰিব লাগিব আৰু সংশ্লিষ্ট এচ পি এচ ই-ৰ পৰা বেলেন্স নিশ্চিতকৰণ প্ৰমাণপত্ৰ প্ৰাপ্ত কৰি পাৰ্থক্যবোৰ মিলাব লাগিব।

---

[9] অসম চৰকাৰৰ ইকুইটিলৈ ৰূপান্তৰিত মুঠ ঋণ ঃ 1,578.90 কোটি টকা বিয়োগ 2021-22 বৰ্ষত তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই লৈ নতুন ঋণৰ সঞ্চাৰণ ঃ 69.23 কোটি টকা।

[10] 11টা এচ পি এচ ই (***পৰিশিষ্ট 2***ৰ ক্ৰমিক নং B25, B26, B31, B32, D7, D9, D11, D12, D13, D15 আৰু D16)ক বাদ দি, যিবোৰত ৰাজ্য চৰকাৰৰ কোনো প্ৰত্যক্ষ ইকুইটি বিনিয়োগ নাছিল।

[11] ***পৰিশিষ্ট 2*** ৰ ক্ৰমিক নং A1, A2, A3, B6, B9, B12, B20, B21, B24, D2, D3 আৰু D5 ত এচ পি এচ ই-সমূহ।

1.1.8 অসম চৰকাৰৰ বাজেটীয় বৰ্হিগমন

অসম চৰকাৰে বাৰ্ষিক বাজেটৰ জৰিয়তে এচ পি এচ ই-বোৰক বিভিন্ন ৰূপত বিত্তীয় সমৰ্থন প্ৰদান কৰিছিল। 2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ এচ পি এচ ই-ৰ সন্দৰ্ভত ইকুইটি, ঋণ আৰু অনুদানৰ বাবে বছৰ অনুসৰি বাজেটৰ বৰ্হিগমনৰ বিৱৰণ ***সাৰণী 1.1.6***-ত দিয়া হৈছে।


সাৰণী 1.1.6: এচ পি এচ ই-ক অসম চৰকাৰৰ দ্বাৰা বছৰ অনুসৰি বাজেট সমৰ্থন

(কোটি টকাত)

বিৱৰণসমূহ	2019-20		2020-21		2021-22	
	এচ পি এচ ই	পৰিমাণ	এচ পি এচ ই	পৰিমাণ	এচ পি এচ ই	পৰিমাণ
ইকুইটি মূলধনৰ বাজেট ব্যয়	2	303.13	-	-	1	40.00
বাজেটৰ পৰা দিয়া ঋণ	7	312.86	4	64.43	5	87.17
বাজেটৰ পৰা দিয়া অনুদান[12]/ ৰাজসাহায্য	10	2,203.86	11	1,606.46	12	1,630.35
মুঠ ব্যয়[13]	**14**	**2,819.85**	**12**	**1,670.89**	**14**	**1,757.52**
সূত ৰেহাই	-	-	-	-	3	929.88
ঋণৰ পৰা ইকুইটিলৈ ৰূপান্তৰ[14]	-	-	-	-	2	1,578.90
ইকুইটিলৈ ৰূপান্তৰ কৰা মূলধন অনুদান	-	-	-	-	2	4,684.18

উৎস : এচ পি এচ ই-ৰ দ্বাৰা প্ৰদান কৰা তথ্য

2019-20 ৰ পৰা 2021-22 বৰ্ষৰ বাবে ইকুইটি, ঋণ আৰু অনুদান/ ৰাজসাহায্যৰ বাবে বাজেটীয় বৰ্হিগমন সম্পৰ্কীয় বিৱৰণ ***চিত্ৰ তালিকা 1.1.2***-ত উপস্থাপন কৰা হৈছে।



চিত্ৰ তালিকা 1.1.2-ৰ পৰা লক্ষ্য কৰিব পাৰি, পৰৱৰ্তী দুবছৰৰ তুলনাত 2019-20 বৰ্ষত (2,819.85 কোটি টকা) বাজেটৰ ব্যয় (ইকুইটি, ঋণ আৰু অনুদান/ ৰাজসাহায্য) সৰ্বাধিক আছিল। 2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ বাজেটীয় সাহায্যপ্ৰাপ্ত মুখ্য প্ৰাপ্তকৰ্তা আছিল তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই, যি

[12] মূলধন আৰু ৰাজহ অনুদান অন্তৰ্ভুক্ত।

[13] অসম চৰকাৰৰ পৰা ইকুইটি, ঋণ, অনুদান/ৰাজসাহার্য্য লাভ কৰা এচ পি এচ ই-ৰ প্ৰকৃত সংখ্যা।

[14] অসম চৰকাৰৰ দ্বাৰা (ফেব্ৰুৱাৰী 2022) ইকুইটিলৈ ৰূপান্তৰিত অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ ঋণ (638.41 কোটি টকা) আৰু মূলধনী অনুদান (1,955.05 কোটি টকা) বাদ দি যিটো কৰ্তৃত্বশীল শ্বেয়াৰ মূলধনৰ অপৰ্যাপ্ততাৰ বাবে 2021-22 বৰ্ষৰ বাবে ইয়াৰ হিচাপত কাৰ্যকৰী কৰা হোৱা নাছিল।

ক্ৰমান্বয়ে 2019-20, 2020-21 আৰু 2021-22 বৰ্ষত এচ পি এচ ই-ৰ মুঠ বাজেট আৱণ্টনৰ 89.75 শতাংশ (2,530.90 কোটি টকা), 85.52 শতাংশ (1,429.01 কোটি টকা) আৰু 82.22 শতাংশ (1,444.85 কোটি টকা) বাজেট আৱণ্টন প্ৰাপ্ত কৰিছিল। তদুপৰি, দেখা গৈছিল যে 2021-22 বৰ্ষত অসম চৰকাৰৰ দ্বাৰা মুকলি কৰা মুঠ অনুদান/ ৰাজসাহায্যৰ (1,444.85 কোটি টকা) 89.14 শতাংশ (1,288.00 কোটি টকা) এটা শক্তি খণ্ডৰ এচ পি এচ ই-ক (অসম শক্তি বিতৰণ কোম্পানী লিমিটেড) মূলধন অনুদান (365.30 কোটি টকা) আৰু ৰাজহ অনুদান/ ৰাজসাহায্য (922.70 কোটি টকা) হিচাপ প্ৰদান কৰা হৈছিল।


লগতে, ***সাৰণী 1.1.6***-ৰ পৰা দেখা যায় যে এচ পি এচ ই-ক বাজেটীয় সমৰ্থন মুকলি কৰাৰ উপৰিও, অসম চৰকাৰে তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ অসম চৰকাৰৰ 929.88 কোটি টকাৰ[15] ঋণৰ বিপৰীতে 31 মাৰ্চ 2021 লৈকে বকেয়া থকা সূত্ৰ ৰেহাই (ফেব্ৰুৱাৰী 2022) দিছিল। একে সময়তে অসম চৰকাৰে 31 মাৰ্চ 2021 তাৰিখে তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ মূলধন অনুদান আৰু অসম চৰকাৰৰ ঋণক ইকুইটি মূলধনলৈ ৰূপান্তৰ কৰাৰ (ফেব্ৰুৱাৰী 2022) অনুমোদন জনাইছিল। সেই অনুসৰি, দুটা[16] শক্তি খণ্ডৰ এচ পি এচ ই-য়ে 6,263.08 কোটি টকা মূলধন অনুদান আৰু ঋণক ইকুইটি মূলধনলৈ ৰূপান্তৰ কৰিছিল। অৱশ্যে, তৃতীয়টো শক্তি খণ্ডৰ এচ পি এচ ই-য়ে (অসম বিদ্যুৎ সংবহন নিগম লিমিটেড) অনুমোদিত শ্বেয়াৰ মূলধনৰ অপৰ্যাপ্ততাৰ বাবে তেওঁলোকৰ বাৰ্ষিক একাউণ্ট (2021-22)ত অনুদান (1,955.05 কোটি টকা) আৰু ঋণ (638.41 কোটি টকা) ইকুইটিলৈ ৰূপান্তৰ কৰা নাছিল।

1.1.9 এচ পি এচ ই সমূহৰ পৰা ৰিটাৰ্ণ

1.1.9.1 কৰ্মৰত এচ পি এচ ই-ৰ কাৰ্যকৰী প্ৰদৰ্শন

2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ কৰ্মৰত এচ পি এচ ই-ৰ দ্বাৰা উপাৰ্জন কৰা লাভ/লোকচানৰ[17] সামগ্ৰিক স্থিতি ***চিত্ৰ তালিকা 1.1.3***-ত দেখুওৱা হৈছে।

চিত্ৰ তালিকা 1.1.3: কৰ্মৰত এচ পি এচ ই-ৰ দ্বাৰা উপাৰ্জন কৰা লাভ/লোকচান



উৎস: 30 ছেপ্তেম্বৰ 2022 তাৰিখে এচ পি এচ ই-ৰ শেহতীয়া চূড়ান্ত একাউণ্ট

চিত্ৰ তালিকা 1.1.3-ৰ পৰা লক্ষ্য কৰিব পাৰি, 2020-22 বৰ্ষত কৰ্মৰত এচ পি এচ ই-ৰ প্ৰদৰ্শনে এক গুৰুত্বপূৰ্ণ উন্নতি দেখুৱাইছিল। 2020-21 বৰ্ষত, কাৰ্যকৰী এচ পি এচ ই-বোৰে 90.24 কোটি টকাৰ

[15] অসম শক্তি উৎপাদন নিগম লিমিটেড (455.08 কোটি টকা), অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (128.42 কোটি টকা) আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (346.38 কোটি টকা)।

[16] অসম শক্তি উৎপাদন নিগম লিমিটেড (মূলধনী অনুদান ঃ 1,324.86 কোটি টকা আৰু ঋণ ঃ 647.99 কোটি টকা) আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (মূলধনী অনুদান ঃ 3,359.32 কোটি টকা আৰু ঋণ ঃ 930.91 কোটি টকা)।

[17] সংশ্লিষ্ট বছৰৰ শেহতীয়া চূড়ান্ত হিচাপ অনুসৰি পৰিসংখ্যা।

সামগ্রিক লাভ পঞ্জীয়ন কৰিছিল, মুখ্যতঃ এটা শক্তি খণ্ডৰ এচ পি এচ ই-য়ে (অসম শক্তি বিতৰণ কোম্পানী লিমিটেড) পূর্বৱর্তী প্রতিবেদন বর্ষত (2019-20) পঞ্জীয়ন কৰা 21.01 কোটি টকা লাভৰ তুলনাত উপার্জন কৰা 202.69 কোটি টকা অধিক লাভৰ বাবে। চলিত বর্ষত (2021-22) 35 টা কর্মৰত এচ পি এচ ই-ৰ ভিতৰত, 24 টা এচ পি এচ ই-য়ে 513.40 কোটি টকাৰ লাভ অর্জন কৰিছিল আনহাতে 11 টা এচ পি এচ ই-য়ে 342.09 কোটি টকাৰ ***(পৰিশিষ্ট 3)*** লোকচান কৰিছিল। কর্মৰত এচ পি এচ ই-ৰ ক্ষেত্রত 90.24 কোটি টকাৰ (2020-21) পৰা 171.31 কোটি টকালৈ (2021-22) 81.07 কোটি টকাৰ সামগ্রিক লাভ বৃদ্ধি হৈছিল যাৰ মুখ্য কাৰণ আছিল অসম চৰকাৰৰ ঋণৰ ওপৰত সুত ৰেহাই (524.90 কোটি টকা[18]), যাক তেওঁলোকৰ 2021-22 বর্ষৰ হিচাপত আয় হিচাপে দেখুওৱা হৈছিল।

1.1.9.2 কর্মৰত এচ পি এচ ই-ৰ দ্বাৰা অর্জন কৰা লাভ আৰু লভ্যাংশ প্রদান

অসম চৰকাৰৰ ৰাজহুৱা উদ্যোগ নীতি, 2019 অনুসৰি, কোনো সঞ্চিত লোকচান নথকা আৰু সঞ্চালন লাভ অর্জন কৰা এচ পি এচ ই-য়ে পূর্বৱর্তী বিত্তীয় বর্ষত এচ পি এচ ই-ৰ দ্বাৰা কৰ পৰিশোধ কৰাৰ পিছত অর্জন কৰা লাভৰ পৰা ইয়াৰ অংশীদাৰসকলক নিম্নতম লভ্যাংশ পৰিশোধ কৰিব লাগে যদিহে এচ পি এচ ই-ৰ সংস্থাৰ নিয়মাৱলী/ নিগমৰ নিয়মাৱলী-ত এনে ব্যৱস্থা নির্ধাৰণ কৰা হয়। 2019-22 বর্ষত কর্মৰত এচ পি এচ ই সম্পর্কীয় লভ্যাংশ পৰিশোধ, য'ত অসম চৰকাৰৰ পোনপটীয়া ইকুইটি ইনফিউচন আছিল, তাৰ বিৱৰণ ***সাৰণী 1.1.7***-ত দিয়া হৈছে।

সাৰণী 1.1.7: কর্মৰত এচ পি এচ ই-ৰ দ্বাৰা অসম চৰকাৰক পৰিশোধ কৰা লাভ্যাংশৰ বিৱৰণ

বর্ষ	বছৰটোত লাভ অর্জন কৰা এচ পি এচ ই	অসম চৰকাৰৰ ইকুইটি (কোটি টকাত)	লাভ্যাংশ ঘোষণা/ পৰিশোধ কৰা[19] এছ পি এছ ই	ঘোষণা/ পৰিশোধ কৰা মুঠ লাভ্যাংশ (কোটি টকাত)	লাভ্যাংশ পৰিশোধৰ অনুপাত (শতাংশ)
i	**ii**	**iii**	**iv**	**V**	**vi = v ÷ iii × 100**
2019-20	14	830.09	1	5.07	0.61
2020-21	17	1,015.99	1	5.07	0.50
2021-22	22	999.56	1	5.07	0.51

সাৰণী 1.1.7-ৰ পৰা দেখা যায়, 2019-22 বর্ষত, অসম চৰকাৰৰ দ্বাৰা পোনপটীয়া ইকুইটি ইনফিউচন থকা লাভজনক এচ পি এচ ই-ৰ সংখ্যা 14 ৰ পৰা 22 ৰ ভিতৰত আছিল, যাৰ বিপৰীতে কেৱল অসম গেছ কোম্পানী লিমিটেডে অসম চৰকাৰক মুঠ 15.21 কোটি টকাৰ লাভ্যাংশ পৰিশোধ কৰিছিল। এই সময়ছোৱাত এচ পি এচ ই-ৰ লাভ্যাংশৰ পৰিশোধ অনুপাত 0.50 শতাংশৰ পৰা 0.61 শতাংশৰ ভিতৰত আছিল।

[18] অসম শক্তি উৎপাদন নিগম লিমিটেডৰ আংশিক সুত ৰেহাই (58.60 কোটি টকা) বাদ দি মূলধনী যাক ৰর্ক-ইন-প্রগ্রেছত হ্রাস হোৱা হিচাপে বুক কৰা হৈছিল আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ সৈতে জড়িত সুত ৰেহাই (346.38 কোটি টকা) বাদ দি, যিয়ে 2021- 22 বর্ষত কোনো একাউণ্ট চূড়ান্ত কৰা নাছিল।

[19] ***সাৰণী 1.1.8***ত এটা লাভ উপার্জনকাৰী এচ পি এচ ই (অসম খনিজ উন্নয়ন নিগম লিমিটেড)ৰ বিৱৰণ বাদ দিয়া হৈছে, যিয়ে ইয়াৰ শেহতীয়া চূড়ান্ত একাউণ্টত (2018-19) 0.49 কোটি টকাৰ 'প্রস্তাৱিত লাভ্যাংশ' প্রস্তাৱ কৰিছিল কিন্তু পৰৱর্তী বছৰবোৰত একাউণ্টবোৰ চূড়ান্ত নোহোৱাৰ বাবে ঘোষণা কৰা/পৰিশোধ কৰা লাভ্যাংশৰ প্রকৃতস্থিতি জানিব পৰা নগ'ল।

1.1.10 কৰ্মৰত এচ পি এচ ই সমূহৰ দীৰ্ঘম্যাদী ঋণ

2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ কৰ্মৰত এচ পি এচ ই-সমূহৰ বকেয়া দীৰ্ঘম্যাদী ঋণৰ স্থিতি তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি ***সাৰণী 1.1.8***-ত দিয়া হৈছে।

সাৰণী 1.1.8: এচ পি এচ ই-ৰ দীৰ্ঘম্যাদী ঋণৰ (অসম চৰকাৰ আৰু অন্যান্য) স্থিতি

(কোটি টকাত)

বিৱৰণসমূহ	2019-20	2020-21	2021-22
চৰকাৰী কোম্পানীসমূহ	4,798.06	4,202.76	3,854.67
বিধিবদ্ধ নিগমসমূহ	54.25	58.25	64.12
মুঠ	**4,852.31**	**4,261.01**	**3,918.79**

উৎস : 30 ছেপ্টেম্বৰ 2022 তাৰিখৰ শেহতীয়া চূড়ান্ত একাউন্ত অনুসৰি

সাৰণী 1.1.8-ৰ পৰা দেখা যায়, 2020-21 বৰ্ষৰ তুলনাত 2021-22 বৰ্ষত কৰ্মৰত এচ পি এচ ই-ৰ দীৰ্ঘম্যাদী ঋণ (অসম চৰকাৰ আৰু অন্যান্য) 342.22 কোটি টকা হ্ৰাস পাইছে। এই হ্ৰাসৰ মুখ্য কাৰণ আছিল অসম শক্তি উৎপাদন নিগম লিমিটেডৰ ঋণৰ পৰিমান 994.11 কোটি টকাৰ (2020-21) পৰা 424.34 কোটি টকালৈ (2021-22) মুঠ 569.77 কোটি টকাৰ হ্ৰাসহোৱাৰ লগতে অসম পেট্ৰো-কেমিকেলছ লিমিটেডৰ দীৰ্ঘম্যাদী ঋণৰ পৰিমান 692.47 কোটি টকাৰ (2020-21) পৰা 901.82 কোটি টকালৈ (2021-22) মুঠ 209.35 কোটি টকাৰ বৃদ্ধি।

2021-22 বৰ্ষত মুখ্য ঋণবোৰ (3,918.79 কোটি টকা) তিনিটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ দ্বাৰা লোৱা ঋণ আছিল যাৰ মুঠ বকেয়া ঋণৰ পৰিমাণ তেওঁলোকৰ 30 ছেপ্টেম্বৰ 2022 তাৰিখৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি 2,631.23 কোটি টকা (67.14 শতাংশ) আছিল।

1.1.10.1 কৰ্মৰত এচ পি এচ ই-ৰ দীৰ্ঘম্যাদী ঋণ পূৰণ কৰাৰ বাবে সম্পত্তিৰ পৰ্যাপ্ততা

মুঠ ঋণৰ লগত মুঠ সম্পত্তিৰ অনুপাত হৈছে কোম্পানী এটা দ্ৰাৰক থাকিব পাৰিব নে নাই নিৰ্ধাৰণ কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিবোৰৰ ভিতৰত এটা। *দ্ৰাৰক বুলি গণ্য কৰিবলৈ, এটা সংস্থাৰ সম্পত্তিৰ মূল্য ইয়াৰ অপৰিশোধিত মুঠ ঋণ/ ধাৰতকৈ অধিক হ'ব লাগিব।*

2022 চনৰ ছেপ্টেম্বৰ মাহৰ তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি, 35 টা কৰ্মৰত এচ পি এচ ই-ৰ ভিতৰত 22 টাৰ দীৰ্ঘম্যাদী ঋণ বকেয়া আছিল। 30 ছেপ্টেম্বৰ 2022 তাৰিখৰ তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি এই 22[20] টা কৰ্মৰত এচ পি এচ ই-ৰ সন্দৰ্ভত মুঠ সম্পত্তিৰ মূল্যৰ দ্বাৰা দীৰ্ঘম্যাদী ঋণৰ আৱৰণৰ বিৱৰণ ***সাৰণী 1.1.9***-ত দিয়া হৈছে।

সাৰণী 1.1.9: মুঠ সম্পত্তিৰ দ্বাৰা দীৰ্ঘম্যাদী ঋণৰ আৱৰণ

এচ পি এচ ই-ৰ প্ৰকৃতি	ধনাত্মক ক'ভাৰেজ				ঋণাত্মক ক'ভাৰেজ			
	এচ পি এচ ই-ৰ সংখ্যা	দীৰ্ঘম্যাদী ঋণ (কোটি টকাত)	সম্পদ (কোটি টকাত)	সম্পদত ঋণৰ শতাংশ	এচ পি এচ ই-ৰ সংখ্যা	দীৰ্ঘম্যাদী ঋণ (কোটি টকাত)	সম্পদ (কোটি টকাত)	সম্পদত ঋণৰ শতাংশ
বিধিবদ্ধ নিগমসমূহ	3	64.12	349.92	545.73	-	-	-	-
চৰকাৰী কোম্পানীসমূহ	17	3,832.85	28,354.38	739.77	2	21.82	9.48	43.45
মুঠ	**20**	**3,896.97**	**28,704.30**	**736.58**	**2**	**21.82**	**9.48**	**43.45**

উৎস: 30 ছেপ্তেম্বৰ 2022 তাৰিখৰ শেহতীয়া চূড়ান্ত একাউন্ট অনুসৰি

[20] ***পৰিশিষ্ট 3***ৰ ক্ৰমিক নং A1, A2, A3, B4, B7, B8, B9, B10, B11, B13, B14, B15, B16, B17, B22, B23, B26, B28, B30, C1, C2 আৰু C3।

সাৰণী 1.1.9-ৰ পৰা দেখা যায় যে 30 ছেপ্টেম্বৰ 2022 তাৰিখৰ তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি 22 টা কার্যকৰী এচ পি এচ ই-ৰ ভিতৰত দুটা[21] টা এচ পি এচ ই-ৰ সম্পদৰ তুলনাত অধিক ঋণ বকেয়া আছিল। বাকী 20 টা কৰ্মৰত এচ পি এচ ই-ৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী ঋণৰ তুলনাত তেওঁলোকৰ সম্পত্তি পৰ্যাপ্ত আৱৰা আছিল, যি তেওঁলোকৰ দ্ৰাৱকতা নিশ্চিত কৰাৰ এক ইতিবাচক ইংগিত।

1.1.10.2 সূতৰ কভাৰেজ

কোম্পানী এটাৰ বকেয়া ঋণৰ ওপৰত সূত পৰিশোধ কৰাৰ সামৰ্থ্য নিৰ্ধাৰণ কৰিবলৈ সুত কভাৰেজ অনুপাত (আই চি আৰ) ব্যৱহাৰ কৰা হয় আৰু সূত আৰু কৰৰ পূৰ্বে কোম্পানী এটাৰ উপাৰ্জনক (ই বি আই টি) একে সময়ৰ সুতৰ ব্যয়ৰ দ্বাৰা বিভাজন কৰি গণনা কৰা হয়। *অনুপাত যিমানে কম হয়, কোম্পানীৰ ঋণৰ ওপৰত সূত পৰিশোধ কৰাৰ সামৰ্থ্য সিমানে কম হয়।* একৰ তলৰ সূত ক'ভাৰেজ অনুপাতে সূচিত কৰে যে সূত পৰিশোধ কৰিব পৰাকৈ কোম্পানীয়ে পৰ্যাপ্ত ৰাজহ উপাৰ্জন কৰিব পৰা নাই।

2019-20 ৰ পৰা 2021-22 বৰ্ষলৈ দীৰ্ঘম্যাদী ঋণৰ বিপৰীতে সূতৰ বোজা থকা কৰ্মৰত এচ পি এচ ই-ৰ[22] সন্দৰ্ভত আই চি আৰ-ৰ বিৱৰণ ***সাৰণী 1.1.10***-ত দিয়া হৈছে।

সাৰণী 1.1.10: সূতৰ বোজা থকা কৰ্মৰত এচ পি এচ ই সম্পৰ্কীয় সূত ক'ভাৰেজ অনুপাত

বছৰ	সূত (কোটি টকাত)	ই বি আই টি (কোটি টকাত)	দীৰ্ঘম্যাদী ঋণৰ ওপৰত সূতৰ বোজা থকা এচ পি এচ ই	একতকৈ অধিক সূত ক'ভাৰেজ অনুপাত থকা এচ পি এচ ই	একতকৈ কম সূত ক'ভাৰেজ অনুপাত থকা এচ পি এচ ই
2019-20	267.39	84.02	9	3	6
2020-21	174.15	176.15	8	4	4
2021-22	120.74	78.51	11	7	4

উৎস: সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰৰ এছ পি এছ ই-ৰ শেহতীয়া চূড়ান্ত একাউন্ট

সাৰণী 1.1.10-ৰ পৰা লক্ষ্য কৰিব পাৰি যে, 2019-20 ৰ পৰা 2021-22 বৰ্ষত দীৰ্ঘম্যাদী ঋণৰ বিপৰীতে সূতৰ বোজা থকা 9 ৰ পৰা 11 টা এচ পি এচ ই-ৰ ভিতৰত 4 ৰ পৰা 6 টা এচ পি এচ ই-ৰ সংশ্লিষ্ট বছৰত 'একতকৈ কম' সূত ক'ভাৰেজ অনুপাত আছিল। ই সূচায় যে এই এচ পি এচ ই-বোৰ তেওঁলোকৰ দীৰ্ঘম্যাদী ঋণ পৰিশোধ কৰাৰ বাবে এক আৰামদায়ক স্থিতিত নাছিল। 2021-22 বৰ্ষত একতকৈ কম আই চি আৰ থকা চাৰিটা এচ পি এচ ই-ৰ বিশ্লেষণে দেখাইছিল যে 2019-20 ৰ পৰা 2021-22 বৰ্ষৰ সময়ছোৱাত এটা এচ পি এচ ই-ৰ (অসম বিত্তীয় নিগম) ক্ষেত্ৰত সূত ক'ভাৰেজ অনুপাত ধাৰাবাহিকভাৱে ঋণাত্মক আছিল, যাৰ পৰিসৰ (-) 1.73 আৰু (-) 0.31-ৰ মাজত আছিল।

[21] অসম পার্বত্য ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড আৰু অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড।

[22] তিনিটা এচ পি এচ ই (***পৰিশিষ্ট 3***ৰ ক্রমিক নং A1, B22 আৰু B30) বাদ দি, যি সুতৰ ব্যয়ক পুঁজিকৃত কৰিছিল আৰু অন্যান্য আঠটা এচ পি এচ ই-ক (***পৰিশিষ্ট 3***ৰ ক্রমিক নং . B4, B8, B11, B13, B14, B15, B16 আৰু B17) বাদ দি, যি তেওঁলোকৰ একাউণ্টত সুতৰ দায়বদ্ধতাৰ ব্যৱস্থা কৰা নাছিল।

1.1.11 এচ পি এচ ই-ৰ কার্যকৰী দক্ষতা

1.1.11.1 মুখ্য মাপকাঠিসমূহ

সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰৰ তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি 2019-20 ৰ পৰা 2021-22 বর্ষৰ বাবে কর্মৰত এচ পি এচ ই-ৰ কার্যকৰী দক্ষতাৰ কিছুমান মুখ্য মাপকাঠি ***সাৰণী 1.1.11***-ত দিয়া হৈছে।

সাৰণী 1.1.11: কর্মৰত এচ পি এচ ই-ৰ কার্যকৰী দক্ষতাৰ মুখ্য মাপকাঠিসমূহ

(কোটি টকাত)

বছৰ	কর্মৰত এচ পি এচ ই-ৰ সংখ্যা	পৰিশোধ কৰা মূলধন	সঞ্চিত লোকচান (-)	মুঠ সামগ্রিক লাভ (+)/লোকচান (-)	মুঠ সামগ্রিক লাভ (+)/লোকচান (-)	ই বি আই টি	নিয়োজিত মূলধন[23]
2019-20	35	1,982.27	(-) 5,113.57	1,069.20	(-) 125.01	182.66	2,790.21
2020-21	35	1,982.52	(-) 5,017.77	1,166.90	90.24	306.70	2,392.66
2021-22	35	2,266.02	(-) 3,295.95	1,371.18	171.31	374.42	4,260.04

উৎস: সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰৰ এছ পি এছ ই-ৰ শেহতীয়া চূড়ান্ত একাউন্ট

সাৰণী 1.1.11-ৰ পৰা দেখা যায় যে 2019-20 বর্ষত এচ পি এচ ই-ৰ মুঠ সামগ্রিক লোকচান (125.01 কোটি টকা) 90.24 কোটি টকাৰ (2020-21) লাভলৈ পৰিণত হৈছিল। ইয়াৰ মুখ্য কাৰণ হৈছে এটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ (অসম শক্তি বিতৰণ কোম্পানী লিমিটেড) লাভ 21.01 কোটি টকাৰ[24] পৰা (2019-20) 202.69 কোটি টকালৈ[25] (2020-21) বৃদ্ধি হোৱা, যিয়ে এচ পি এচ ই-ৰ প্রদর্শন উন্নত হোৱাৰ ইঙ্গিত দিয়ে। কর্মৰত এচ পি এচ ই-ৰ লাভ 90.24 কোটি টকাৰ (2020-21) পৰা 171.31 কোটি টকালৈ (2021-22) বৃদ্ধি হৈছিল যি মুখ্যতঃ প্রতিবেদন বর্ষ 2021-22-ত এটা শক্তি খণ্ডৰ এচ পি এচ ই-ৰ (অসম শক্তি উৎপাদন নিগম লিমিটেড) লাভ (203.56 কোটি টকা) বৃদ্ধি হোৱাৰ বাবে হৈছিল। ইয়াৰ ফলত কর্মৰত এচ পি এচ ই-সমূহৰ ই বি আই টি 306.70 কোটি টকাৰ (2020-21) পৰা 374.42 কোটি টকালৈ (2021-22) অনুৰূপভাৱে বৃদ্ধি হৈছে।

2021-22 বর্ষত কর্মৰত এচ পি এচ ই-ৰ সঞ্চিত লোকচান 5,017.77 কোটি টকাৰ (2020-21) পৰা 3,295.95 কোটি টকালৈ (2021-22), 1,721.82 কোটি টকা (34.31 শতাংশ) হ্রাস হৈছে। 2021-22 বর্ষত 2,867.67 কোটি টকাৰ (87.01 শতাংশ) সঞ্চিত লোকচানৰ মুখ্য অৱদানকাৰী আছিল চাৰিটা এচ পি এচ ই অর্থাৎ, অসম ৰাজ্যিক পৰিবহণ নিগম (1,037.83 কোটি টকা), অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড (1,232.67 কোটি টকা[26]), অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (313.14 কোটি টকা) আৰু অসম চাহ নিগম লিমিটেড (284.03 কোটি টকা)।

1.1.11.2 নিয়োজিত মূলধনৰ বিপৰীতে হোৱা আয়

নিয়োজিত মূলধনৰ বিপৰীতে হোৱা আয় (আৰ অ' চি ই) হৈছে এক লাভজনক মেট্রিক যিয়ে কোম্পানী এটাৰ দ্বাৰা নিয়োজিত মুঠ মূলধনৰ দীর্ঘম্যাদী লাভ আৰু দক্ষতাৰ জোখ লয়। *যেতিয়া মূলধনৰ ব্যয়তকৈ*

[23] নিয়োজিত মূলধন = পেইড-আপ শ্বেয়াৰ মূলধন যোগ মুক্ত সংৰক্ষণ আৰু ৰাহি যোগ দীর্ঘম্যাদী ঋণ বিয়োগ সঞ্চিত লোকচান বিয়োগ বিলম্বিত ৰাজহ ব্যয়।

[24] 2018-19 বর্ষৰ এচ পি এচ ই-ৰ শেহতীয়া চূড়ান্ত হিচাপ পৰীক্ষা অনুসৰি।

[25] 2019-20 বর্ষৰ এচ পি এচ ই-ৰ শেহতীয়া চূড়ান্ত হিচাপ পৰীক্ষা অনুসৰি।

[26] মুক্ত সংৰক্ষণ আৰু ৰাহি বিয়োগ কৰাৰ পিছত (18.54 কোটি টকা)।

নিয়োজিত মূলধনৰ বিপৰীতে হোৱা আয় অধিক হয়, তেতিয়া কোম্পানীবোৰে মূল্য সৃষ্টি কৰে। দীর্ঘম্যাদী ঋণদাতাৰ বাবে আৰ অ' চি ই এক গুৰুত্বপূর্ণ মেট্রিক। কোম্পানী এটাৰ ই বি আই টি পৰিমাণক কোম্পানীটোৰ নিয়োজিত মূলধনৰ পৰিমাণৰ দ্বাৰা বিভাজন কৰি আৰ অ' চি ই গণনা কৰা হয়।

ঋণাত্মক নিয়োজিত মূলধন থকা এচ পি এচ ই-সমূহৰ ক্ষেত্ৰত আৰ অ' চি ই কার্যকৰী নহয়। ***পৰিশিষ্ট 3***-ত বিতংভাৱে দেখুওৱা ধৰণে, 2021-22 বর্ষত, 35 টা কর্মৰত এচ পি এচ ই-ৰ ভিতৰত, 24[27] টা এচ পি এচ ই-ৰ নিয়োজিত মূলধন ধনাত্মক আছিল, আনহাতে বাকী 11 টা এচ পি এচ ই-ৰ নিয়োজিত মূলধন ঋণাত্মক আছিল। যোৱা তিনি বছৰত (2019-20 ৰ পৰা 2021-22 লৈ) ধনাত্মক নিয়োজিত মূলধন থকা কর্মৰত এচ পি এচ ই-ৰ সন্দর্ভত আৰ অ' চি ই-ৰ বিৱৰণ ***সাৰণী 1.1.12***-ত দিয়া হৈছে।

সাৰণী 1.1.12: নিয়োজিত মূলধনৰ বিপৰীতে হোৱা আয়

বছৰ	কর্মৰত এচ পি এচ ই	ধনাত্মক নিয়োজিত মূলধন থকা এচ পি এচ ই			
		সংখ্যা	ই বি আই টি (কোটি টকাত)	নিয়োজিত মূলধন (কোটি টকাত)	আৰ অ' চি ই *(শতাংশ)*
2019-20	35	24	107.70	4,180.30	2.58
2020-21	35	23	110.55	4,552.03	2.43
2021-22	35	24	369.53	5,423.04	6.81

উৎস : 30 ছেপ্তেম্বৰ 2022 তাৰিখৰ শেহতীয়া চূড়ান্ত একাউন্ট অনুসৰি।

সাৰণী 1.1.12-ৰ পৰা দেখা যায় যে যোৱা তিনি বছৰত, ধনাত্মক মূলধন নিয়োজিত এচ পি এচ ই-বোৰে তেওঁলোকৰ মুঠ মূলধনত 4,180.30 কোটি টকাৰ (2019-20) পৰা 5,423.04 কোটি টকালৈ (2021-22) 1,242.74 কোটি টকাৰ (29.73 শতাংশ) বৃদ্ধি পঞ্জীয়ন কৰিছিল। এই এচ পি এচ ই বোৰৰ ই বি আই টি 107.70 কোটি টকাৰ (2019-20) পৰা 261.83 কোটি টকা (243.11 শতাংশ) বৃদ্ধি হৈ 369.53 কোটি টকা (2021-22) হৈছে। ইয়াৰ ফলস্বৰূপে, ধনাত্মক মূলধন নিয়োজিত কর্মৰত এচ পি এচ ই-ৰ আৰ অ' চি ই যোৱা তিনি বছৰত 2.58 শতাংশৰ (2019-20) পৰা 6.81 শতাংশলৈ (2021-22) লৈ উন্নীত হৈছে।

1.1.11.3 ৰিটার্ণ অন ইকুইটি

ৰিটার্ণ অন ইকুইটি[28] (আৰ অ' ই) হৈছে 'উপার্জন কৰা মুঠ আয়'ক (আৰ অ' ই) ইকুইটিৰ দ্বাৰা বিভাজন কৰি গণনা কৰা কোম্পানীবোৰৰ বিত্তীয় প্রদর্শনৰ এক পৰিমাপ।

2020-21 বর্ষত 20 টা কর্মৰত এচ পি এচ ই-য়ে উপার্জন কৰা 363.11 কোটি টকাৰ লাভৰ তুলনাত 2021-22 বর্ষত 24 টা কর্মৰত এচ পি এচ ই-য়ে 513.40 কোটি টকাৰ লাভ অর্জন কৰিছিল। লগতে, 2021-22 বর্ষত লাভ অর্জন কৰা 24 টা এচ পি এচ ই-ৰ ভিতৰত 16 টা এচ পি এচ ই[29]-ৰ ধনাত্মক ইকুইটি বা শ্বেয়াৰ ধাৰকৰ পুঁজি আছিল। 2020-21 বর্ষত 15 টা এচ পি এচ ই-ৰ (ধনাত্মক ইকুইটি বা শ্বেয়াৰ ধাৰকৰ পুঁজি থকা) ক্ষেত্ৰত 6.77 শতাংশৰ আৰ অ' ই-ৰ তুলনাত 2021-22 বর্ষত এই 16 টা এচ পি এচ ই-ৰ আৰ অ' ই 13.60[30] শতাংশ আছিল। শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি, 2021-22 বর্ষত লাভ অর্জন কৰা বাকী

[27] ***পৰিশিষ্ট-3*** ৰ ক্রমিক নং A1, A2, A3, B5, B6, B8, B9, B12, B15, B16, B18, B19, B20, B21, B22, B24, B26, B27, B29, B30, B31, B32, C1 আৰু C3 ত এচ পি এচ ই-সমূহ।

[28] ইকুইটিৰ ওপৰত ৰিটার্ণ = (কৰ আৰু অগ্রাধিকাৰ লভ্যাংশ ÷ ইকুইটিৰ পিছত নিকা লাভ) x 100; য'ত, ইকুইটি = পেইড আপ কেপিটেল যোগ মুক্ত সংৰক্ষণ আৰু সঞ্চিত লাভ বিয়োগ সঞ্চিত লোকচান আৰু বিলম্বিত ৰাজহ ব্যয়।

[29] ***পৰিশিষ্ট-3*** ৰ ক্রমিক নং A1, B5, B9, B12, B16, B18, B19, B21, B22, B24, B27, B29, B30, B31, B32 আৰু C3 ত এচ পি এচ ই-সমূহ।

[30] নিকা লাভ (365.50 কোটি টকা) ÷ শ্বেয়াৰ হোল্ডাৰসকলৰ পুঁজি (2,688.10 কোটি টকা) x 100।

আঠটা[31] এচ পি এচ ই-ৰ ক্ষেত্ৰত, সঞ্চিত লোকচানে (819.57 কোটি টকা) তেওঁলোকৰ পৰিশোধিত মূলধন (149.75 কোটি টকা) সম্পূৰ্ণৰূপে ক্ষয় কৰিছিল।

1.1.11.4 লোকচান বহন কৰা এচ পি এচ ই-সমূহ

যোৱা তিনি বছৰত লোকচান বহন কৰা কৰ্মৰত এচ পি এচ ই-ৰ দ্বাৰা হোৱা মুঠ লোকচানৰ স্থিতি তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি ***সাৰণী 1.1.13***-ত দিয়া হৈছে।

সাৰণী 1.1.13 : লোকচান বহন কৰা কৰ্মৰত এচ পি এচ ই-সমূহৰ বিৱৰণ

বছৰ	2019-20	2020-21	2021-22
কৰ্মৰত এচ পি এচ ই-ৰ মুঠ সংখ্যা	35	35	35
লোকচান বহন কৰা কৰ্মৰত এছ পি এছ ই-ৰ সংখ্যা	19	15	11
মুঠ লোকচান (কোটি টকাত)	(-) 312.16	(-) 272.87	(-) 342.09

উৎস : 30 ছেপ্তেম্বৰ তাৰিখৰ শেহতীয়া চূড়ান্ত একাউন্ট অনুসৰি।

2021-22 বৰ্ষত হোৱা লোকচানৰ (342.09 কোটি টকা) মুখ্য অৱদানকাৰী কৰ্মৰত এচ পি এচ ই-সমূহৰ বিৱৰণ ***সাৰণী 1.1.14***-ত দিয়া হৈছে।

সাৰণী 1.1.14 : 2020-22 বৰ্ষত লোকচান বহন কৰা এচ পি এচ ইসমূহৰ লোকচান আৰু টাৰ্ণঅভাৰ

(কোটি টকাত)

ক্ৰমিক নং	কোম্পানীৰ নাম	শেহতীয়া চূড়ান্ত একাউন্ট	মুঠ লোকচান	টাৰ্ণঅভাৰ
1	অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড	2020-21	292.42	5,695.97
2	অসম ৰাজ্যিক পৰিবহন নিগম	2018-19	38.67	88.44
3	অসম বিত্তীয় নিগম	2021-22	3.94	6.24
4	অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড	2014-15	3.11	44.86
5	অসম পুলিচ হাউচিং কৰ্পোৰেচন লিমিটেড	2015-16	2.54	2.91
6	অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড	2015-16	0.47	0.03
7	অসম পশুধন আৰু কুকুৰা নিগম লিমিটেড	2017-18	0.36	0.28
8	অসম ৰাজ্যিক সাৰ আৰু ৰাসায়ন লিমিটেড	2011-12	0.20	1.98
9	অসম বৃক্ষৰোপণ শস্য বিকাশ নিগম লিমিটেড	2013-14	0.16	1.99
10	এমট্রন ইনফৰ্মেটিক্স (ভাৰত) লিমিটেড	2015-16	0.12	নাই
11	অসম পাহাৰ ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড	2004-05	0.10	0.01
মুঠ			**342.09**	**5,842.71**

উৎস : 30 ছেপ্তেম্বৰ 2022 তাৰিখৰ শেহতীয়া চূড়ান্ত একাউন্ট অনুসৰি।

সাৰণী 1.1.14-ৰ পৰা দেখা যায় যে 2021-22 বৰ্ষত কৰ্মৰত এচ পি এচ ই-সমূহৰ দ্বাৰা হোৱা লোকচানত (342.09 কোটি টকা) দুটা এচ পি এচ ই, অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল) আৰু অসম ৰাজ্যিক পৰিবহন নিগমে (এ এছ টি চি) 96.78 শতাংশ (331.09 কোটি টকা) অৰিহণা যোগাইছিল। এ পি ডি চি এলে লোকচানত (292.42 কোটি টকা) সৰ্বাধিক অৰিহণা যোগাইছিল, মুখ্যতঃ ইয়াৰ টাৰ্ণঅ'ভাৰ 175.99 কোটি টকা[32] হ্ৰাস হোৱাৰ লগতে 2021-22 বৰ্ষত বিদ্যুৎ ক্ৰয় ব্যয় 258.41কোটি টকা[33] বৃদ্ধি হোৱাৰ বাবে।

---

[31] ***পৰিশিষ্ট-3*** ৰ ক্ৰমিক নং A2, B4, B7, B10, B11, B13, B23 আৰু B28 ত এচ পি এচ ই-সমূহ।

[32] 5,871.96 কোটি টকা (2019-20) - 5,695.97 কোটি টকা (2020-21)।

[33] 5,807.24 কোটি টকা (2020-21) - 5,548.83 কোটি টকা (2019-20)।

লগতে, কর্মৰত এচ পি এচ ই-ৰ দ্বাৰা গ্রহণ কৰা মূল কার্যকলাপৰ ওপৰত আধাৰিত কৰি, লোকচান বহন কৰা 11 টা এচ পি এচ ই-ক কৃষি আৰু আনুষঙ্গিক খণ্ড (2 টা এছ পি এছ ই), বিত্ত খণ্ড (2 টা এচ পি এচ ই), আন্তঃগাঁথনি খণ্ড (3 টা এচ পি এচ ই), উৎপাদন খণ্ড (2 টা এচ পি এচ ই), শক্তি খণ্ড (1 টা এচ পি এচ ই) আৰু সেৱা খণ্ডৰ (1 টা এচ পি এচ ই) অধীনত শ্রেণীবদ্ধ কৰা হৈছে। লগতে দেখা গৈছিল যে শক্তি আৰু সেৱা খণ্ডৰ (এ পি ডি চি এল আৰু এ এচ টি চি) অধীনত থকা দুটা এচ পি এচ ই ৰ বাহিৰে, বাকী নটা এচ পি এচ ই তেওঁলোকৰ কার্যকলাপ অনুসৰি তুলনামূলকভাৱে কম প্রয়োজনীয়। ওপৰৰ ***সাৰণী 1.1.14***-ৰ পৰা লক্ষ্য কৰিব পাৰি যে 2021-22 বর্ষত (অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেডৰ বাহিৰে) এই নটা এচপি এচ ইৰ ভিতৰত আঠটাৰ টার্ণআ'ভাৰ শূন্য (এমট্রন ইনফর্মেটিক্স (ইণ্ডিয়া) লিমিটেড) আৰু 6.24 কোটি টকা (অসম বিত্তীয় নিগম)ৰ মাজত আছিল যি সূচায় যে তেওঁলোকৰ বর্তমানৰ মূল কার্যকলাপ নগণ্য স্তৰত আছে। *এই পৰিস্থিতিৰ পৰিপ্রেক্ষিতত, অসম চৰকাৰে লোকচান বহন কৰি থকা এছ পি এছ ইবোৰৰ স্থিৰতাৰ বাবে কাম-কাজ পর্যালোচনা কৰিব পাৰে আৰু উপযুক্ত পদক্ষেপ আৰম্ভ কৰিব পাৰে।*

1.1.11.5 মূলধন সম্পূর্ণৰূপে ক্ষয় হোৱা এচ পি এচ ই-সমূহ

সঞ্চিত লোকচানৰ দ্বাৰা ইকুইটি মূলধনৰ সম্পূর্ণ ক্ষয় (মুক্ত সংৰক্ষণ বাদ দিয়াৰ পিছত মুঠ) হোৱাটোৱে এই এচ পি এচ ই-সমূহৰ মুঠ মূল্যৰ ঋণাত্মকতা প্রতিনিধিত্ব কৰে।

30 ছেপ্টেম্বৰ 2022 পর্যন্ত তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট অনুসৰি 35 টা কর্মৰত এচ পি এচ ই-ৰ মুঠ পৰিশোধিত মূলধন আৰু সামগ্রিকভাৱে জমা হোৱা লোকচান (মুক্ত সংৰক্ষণ আৰু উদ্বৃত্ত সমাযোজিত কৰাৰ পিছত মুঠ) আছিল ক্রমে 2,266.02 কোটি টকা আৰু (-) 1,924.77 কোটি টকা। ***সাৰণী 1.1.15***-ত দেখুওৱা অনুসৰি এই এচ পি এচ ই-বোৰৰ বিনিয়োগ আৰু মুঠ জমা হোৱা লোকচানৰ বিশ্লেষণে প্রকাশ কৰিছে যে 16 টা কর্মৰত এচ পি এচ ই-ৰ সঞ্চিত লোকচানে (3,142.23 কোটি টকা) তেওঁলোকৰ পৰিশোধিত মূলধন (782.09 কোটি টকা) সম্পূর্ণৰূপে ক্ষয় কৰিছে।

সাৰণী 1.1.15: : এচ পি এচ ই এচ-সমূহৰ মূলধন ক্ষয়

(কোটি টকাত)

ক্রমিক নং	এচ পি এচ ই-ৰ নাম	শেহতীয়াকৈ চূড়ান্ত কৰা একাউন্ট	পৰিশোধিত মূলধন	জমা হোৱা লোকচান (মুক্ত সংৰক্ষণ সমাযোজিত কৰাৰ পিছত মুঠ)
1	অসম বিদ্যুত বিতৰণ কোম্পানী লিমিটেড	2020-21	445.90	(-)1,232.67
2	অসম ৰাজ্যিক পৰিবহন নিগম	2018-19	167.73	(-)1,037.83
3	অসম বিদ্যুৎ সংহবহন নিগম লিমিটেড	2021-22	99.93	(-)313.14
4	অসম চাহ নিগম লিমিটেড	2014-15	27.54	(-)284.03
5	অশোক কাগজ কল (অসম) লিমিটেড	2018-19	0.01	(-)99.43
6	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড	2020-21	2.95	(-)41.88
7	অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম লিমিটেড	2016-17	10.10	(-)32.39
8	অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্রেণী উন্নয়ন নিগম লিমিটেড	2020-21	3.40	(-)18.82
9	অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	2014-15	6.67	(-)17.63
10	অসম চৰকাৰী বিপণন নিগম লিমিটেড	2018-19	4.36	(-)17.50
11	অসম বৃক্ষৰোপন শস্য বিকাশ নিগম লিমিটেড	2013-14	5.00	(-)13.71
12	অসম পার্বত্য ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	2004-05	2.00	(-)11.47
13	অসম বীজ নিগম লিমিটেড	2016-17	1.46	(-)10.03
14	অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড	2011-12	4.93	(-)7.28
15	এমট্রন ইনফর্মেটিক্স (ইণ্ডিয়া) লিমিটেড	2015-16	0.01	(-)4.13

ক্রমিক নং	এচ পি এচ ই-ৰ নাম	শেহতীয়াকৈ চূড়ান্ত কৰা একাউন্ট	পৰিশোধিত মূলধন	জমা হোৱা লোকচান (মুক্ত সংৰক্ষণ সমাযোজিত কৰাৰ পিছত মুঠ)
16	অসম ৰাজ্যিক চলচিত্র (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড	2015-16	0.10	(-)0.29
মুঠ			**782.09**	**(-)3,142.23**

উৎস : 30 ছেপ্তেম্বৰ 2022 তাৰিখলৈকে শেহতীয়া চূড়ান্ত একাউন্ট অনুসৰি।

দেখা গৈছিল যে ওপৰত উল্লেখ কৰা 16 টা এচ পি এচ ই-ৰ ভিতৰত 13 টাৰ মুঠ মূল্য 10 বছৰতকৈ অধিক সময় ধৰি ঋণাত্মক হৈ আছিল, আনহাতে বাকী তিনিটা এচ পি এচ ই[34]-ৰ মুঠ সম্পত্তি 10 বছৰতকৈ কম সময়ৰ বাবে ঋণাত্মক আছিল। বিগত বছৰবোৰত ওপৰোক্ত এচ পি এচ ই-ৰ লোকচান বৃদ্ধিয়ে ৰাজ্যখনৰ অর্থনীতি আৰু সম্পদৰ ওপৰত ক্রমান্বয়ে বিৰূপ প্রভাৱ পেলায়।

এই এচ পি এচ ই-বোৰৰ দ্বাৰা বৃহৎ লোকচান জমা হোৱাৰ ফলত ৰাজহুৱা সম্পদ হ্রাস পাইছিল, যি এক উদ্বেগৰ কাৰণ আৰু ৰাজ্য চৰকাৰে তেওঁলোকৰ লাভজনকতা উন্নত কৰিবলৈ বা তেওঁলোকৰ কার্যকলাপ বন্ধ কৰিবলৈ এই এচ পি এচ ই-বোৰৰ কাম-কাজ পুনৰীক্ষণ কৰিব লাগে।

1.1.12 বিনিয়োগৰ বর্তমান মূল্যৰ আধাৰত অসম চৰকাৰৰ দ্বাৰা হোৱা বিনিয়োগৰ ওপৰত লাভ

ৰিয়েল ৰিটার্ণৰ হাৰে (আৰ অ' আৰ আৰ), বর্তমান সময়ৰ মূল্যৰ লগত মিলাই, ইকুইটি বা তেনেধৰণৰ অনা-সূত বহনকাৰী মূলধনৰ নিয়োগৰ লাভজনকতা আৰু দক্ষতাৰ মাপ দিয়ে।

বিনিয়োগৰ ওপৰত আৰ অ' আৰ আৰ নির্ধাৰণ কৰিবলৈ, ইকুইটি, সূতমুক্ত ঋণ আৰু অনুদান/ ৰাজসাহার্য্যৰ ৰূপত কার্যকৰী আৰু ব্যৱস্থাপনা ব্যয়ৰ বাবে ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগৰ পৰা নির্বিনিয়োগ (যদি থাকে) বাদ দিয়াৰ পাছত বর্তমান মূল্যত (পি ভি) বিবেচনা আৰু সূচীবদ্ধ কৰি যোগফল নির্ণয় কৰা হয়। তাৰ পিছত 'কৰ পৰিশোধৰ পাছত ৰোৱা লাভ'ৰ (পি এ টি) পৰিমাণক চৰকাৰী বিনিয়োগৰ বর্তমান মূল্যৰ যোগফলৰ দ্বাৰা হৰণ কৰি আৰ অ' আৰ আৰ গণনা কৰা হয়।

অসম চৰকাৰে 40 টা এচ পি এচ ই-ত ইকুইটি আৰু ঋণ (সকলো সুতযুক্ত) হিচাপে আৰু আটাইকেইটা 51 টা এচ পি এচ ই-ত আৰম্ভণিৰ পৰাই ৰাজহ অনুদান/ ৰাজসাহার্য্য হিচাপে পুঁজি সঞ্চাৰিত কৰিছিল। 2021-22 বর্ষত, 35 টা কর্মৰত এচ পি এচ ই-য়ে 171.31 কোটি টকাৰ সামগ্রিক লাভ অর্জন কৰিছিল, যাৰ ভিতৰত আছিল 513.40 কোটি টকাৰ (24 টা এচ পি এচ ই) লাভ আৰু 342.09 কোটি টকাৰ (11 টা এচ পি এচ ই) লোকচান। ইয়াৰ উপৰিও, 16 টা অ-কর্মৰত এচ পি এচ ই-য়ে তেওঁলোকৰ শেহতীয়া চূড়ান্ত একাউণ্ট (***পৰিশিষ্ট 4***) অনুসৰি 3.37 কোটি টকাৰ সামগ্রিক লোকচান বহন কৰিছে। বিনিয়োগৰ ঐতিহাসিক মূল্যৰ ওপৰত আধাৰিত কৰি, 2021-22 বর্ষত অসম চৰকাৰৰ দ্বাৰা হোৱা বিনিয়োগৰ বিপৰীতে লাভ আছিল 1.10 শতাংশ। আনহাতে, বিনিয়োগৰ বর্তমান মূল্যৰ আধাৰত বিবেচনা কৰিলে, 2021-22 বর্ষত অসম চৰকাৰৰ দ্বাৰা হোৱা বিনিয়োগৰ ওপৰত আৰ অ' আৰ আৰ ***পৰিশিষ্ট 4***-ত দেখুওৱাৰ দৰে 0.75 শতাংশ পোৱা যায়। অসম চৰকাৰৰ দ্বাৰা হোৱা বিনিয়োগৰ বিপৰীতে লাভৰ শতাংশৰ এই পার্থক্যটো ধনৰ বর্তমান মূল্য বিবেচনা কৰাৰ বাবে বিনিয়োগৰ পৰিমাণত হোৱা সাল-সলনিৰ বাবে হৈছিল।

[34] অসম ৰাজ্যিক চলচিত্র (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড।

1.1.13 একাউণ্টৰ কোনো বকেয়া নথকা এচ পি এচ ই-ৰ প্ৰদৰ্শন

35 টা কৰ্মৰত এচ পি এচ ই-ৰ ভিতৰত সাতটাই 2021-22 বিত্তীয় বৰ্ষলৈকে তেওঁলোকৰ একাউন্ট চূড়ান্ত কৰিছে। 2019-20 ৰ পৰা 2021-22 বৰ্ষৰ একাউণ্ট অনুসৰি সাতটা[35] এচ পি এচ ই-ৰ বিত্তীয় স্থিতি আৰু কাৰ্যকৰী ফলাফল ***সাৰণী 1.1.16***-ত দিয়া হৈছে।

সাৰণী 1.1.16 : একাউন্টৰ কোনো বকেয়া নথকা এচ পি এচ ই-সমূহৰ প্ৰদৰ্শন

(কোটি টকাত)

বিৱৰণসমূহ	বৰ্ষ		
	2019-20	**2020-21**	**2021-22**
টাৰ্ণঅ'ভাৰ[36]	1,226.27	1,240.20	1,340.09
লাভ/ (লোকচান)	(-)80.12	55.67	419.40
পৰিশোধ কৰা মূলধন	1,369.52	1,369.52	1,369.52
ৰাজসাহায্য/ অনুদান	15.28	320.14	87.72
দীৰ্ঘম্যাদী ঋণ (অসম চৰকাৰ)	1,225.93	1,244.72	590.27
দীৰ্ঘম্যাদী ঋণ (ভাৰত চৰকাৰ/ বিত্তীয় প্ৰতিষ্ঠান)	869.00	1,134.27	1,449.16
সূতৰ ব্যয়	102.40	117.61	26.26
জমা হোৱা লোকচান (-)	(-)527.73	(-)589.36	(-)350.43
মুক্ত সঞ্চয় আৰু উদ্বৃত্ত	940.31	1,024.13	1,193.26
জি এচ ডি পি	3,46,850.68	3,40,177.45	4,33,925.44
জি এচ ডি পি-লৈ টাৰ্ণঅ'ভাৰ শতাংশ	**0.35**	**0.36**	**0.31**

সাৰণী 1.1.16-ৰ পৰা দেখা যায় যে:

জি এচ ডি পি-লৈ এচ পি এচ ই-টাৰ্ণঅ'ভাৰ

সাতটা এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰে 1,226.27 কোটি টকাৰ (2019-20) পৰা 1,340.09 কোটি টকালৈ (2021-22) ক্ৰমান্বয়ে বৃদ্ধি দেখুৱাইছিল। 2021-22 বৰ্ষত এচ পি এচ ই-ৰ টাৰ্ণঅ'ভাৰৰ মুখ্য অৱদানকাৰী আছিল দুটা শক্তি খণ্ডৰ এচ পি এচ ই যেনে অসম শক্তি উৎপাদন নিগম লিমিটেড (এ পি জি চি এল) (489.69 কোটি টকা) আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (এ ই জি চি এল) (379.29 কোটি টকা)। লগতে, অসম গেছ কোম্পানী লিমিটেডেও (253.24 কোটি টকা) এচ পি এচ ই-ৰ সামগ্ৰিক টাৰ্ণঅ'ভাৰত যথেষ্ট অৱিহণা যোগাইছিল। 2019-22 বৰ্ষত জি এচ ডি পি-ৰ বৃদ্ধিৰ হাৰৰ 25.10 শতাংশ হোৱাৰ বিপৰীতে এচ পি এচ ই-টাৰ্ণঅ'ভাৰৰ বৃদ্ধিৰ হাৰ আছিল 8.49 শতাংশ, যাৰ ফলত জি এচ ডি পি-লৈ এচ পি এচ ই-টাৰ্ণঅ'ভাৰৰ অৱদান 0.35 শতাংশৰ (2019-20) পৰা 0.31 শতাংশলৈ (2021-22) হ্ৰাস পাইছিল।

কাৰ্যকৰী ফলাফল

2019-20 বৰ্ষত হোৱা 80.12 কোটি টকাৰ মুঠ লোকচানৰ বিপৰীতে 2021-22 বৰ্ষত সাতটা এচ পি এচ ই-য়ে মুঠ 419.40 কোটি টকাৰ লাভ অৰ্জন কৰিছিল। লাভ বৃদ্ধিৰ মুখ্য কাৰণ হৈছে অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ 181.60 কোটি টকাৰ (2019-20) লোকচান 105.46 কোটি টকাৰ (2021-22) লাভলৈ সলনি হোৱা আৰু অসম শক্তি উৎপাদন নিগম লিমিটেডৰ লাভ 4.28 কোটি টকাৰ (2019-20) পৰা 207.84

[35] অসম শক্তি উৎপাদন নিগম লিমিটেড, অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম পেট্ৰ'-কেমিকেলছ লিমিটেড, অসম গেছ কোম্পানী লিমিটেড, ডি এন পি লিমিটেড, পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড আৰু অসম বিত্তীয় নিগম।

[36] 'টাৰ্ণঅভাৰ'ই এচ পি এচ ই-সমূহৰ মূল কাৰ্য্যকলাপৰ পৰা আয়ক প্ৰতিনিধিত্ব কৰে আৰু 'অন্য আয়'ক বাদ দিয়ে।

কোটি টকালৈ (2021-22) বৃদ্ধি হোৱা। দুটা এচ পি এচ ই-ৰ কার্যকৰী ফলাফলত এই উন্নতিৰ মুখ্য কাৰণ হৈছে 2021-22 বর্ষত তেওঁলোকৰ অসম চৰকাৰৰ ঋণৰ ওপৰত সূত ৰেহাই (524.90 কোটি টকা) উপার্জন হিচাপে গণনা কৰা। ইয়াৰ ফলত ওপৰোক্ত সাতটা এচ পি এচ ই-ৰ সামগ্রিক সঞ্চিত লোকচান 527.73 কোটি টকাৰ (2019-20) পৰা 350.43 কোটি টকালৈ (2021-22) হ্রাস পাইছে। মুক্ত সংৰক্ষণ আৰু উদ্বৃত্ত 940.31 কোটি টকাৰ (2019-20) পৰা 1,193.26 কোটি টকালৈ (2021-22) বৃদ্ধি হোৱাৰ মুখ্য কাৰণ হৈছে অসম গেছ কোম্পানী লিমিটেড আৰু ডি এন পি লিমিটেডে উপার্জন কৰা ধাৰাবাহিক লাভ।

বিদ্যুৎ প্রকল্পৰ বাবে মূলধন অনুদান

2019-22 বর্ষত, একাউণ্টৰ বকেয়া নথকা সাতটা এচ পি এচ ই-ৰ ভিতৰত দুটা এচ পি এচ ই-য়ে (অসম বিদ্যুৎ সংবহন নিগম লিমিটেড আৰু অসম শক্তি উৎপাদন নিগম লিমিটেড) অসম চৰকাৰৰ পৰা 15.28 কোটি টকাৰ (2019-20) পৰা 320.14 কোটি টকাৰ (2021-22) পৰিসৰত বিদ্যুৎ খণ্ডৰ প্রকল্প সৃষ্টিৰ বাবে মুঠ 423.14 কোটি টকাৰ মূলধনী অনুদান লাভ কৰিছিল।

দীর্ঘম্যাদী ঋণ

1 এপ্রিল 2019 পর্যন্ত, ওপৰৰ সাতটা এচ পি এচ ই-ৰ ভিতৰত চাৰিটাৰ[37] বিপৰীতে 1,691.66 কোটি টকাৰ বকেয়া দীর্ঘম্যাদী ঋণ আছিল যাৰ ভিতৰত অসম চৰকাৰ (1,156.40 কোটি টকা) আৰু বেংক/বিত্তীয় প্রতিষ্ঠানৰ (535.26 কোটি টকা) পৰা প্রাপ্ত ঋণ আছে। অসম চৰকাৰৰ ঋণৰ মুখ্য অংশ এ ই জি চি এল (504.33 কোটি টকা), এ পি জি চি এল (602.07 কোটি টকা) আৰু এ এফ চি-ৰ (50 কোটি টকা) বিপৰীতে বকেয়া আছিল। যোৱা তিনি বছৰত (2019-20 ৰ পৰা 2021-22) অসম চৰকাৰে এ ই জি চি এল (47.19 কোটি টকা), এ পি জি চি এল (49.92 কোটি টকা) আৰু এ এফ চি-লৈ (4 কোটি টকা) মুঠ 101.11 কোটি টকাৰ ঋণ আগবঢ়াইছিল, আনহাতে আন দুটা এচ পি এচ ই-য়ে (অসম পেট্র'-কেমিকেলছ লিমিটেড আৰু অসম গেছ কোম্পানী লিমিটেড) বিত্তীয় প্রতিষ্ঠানৰ পৰা নতুন ঋণ (880.58 কোটি টকা) লৈছিল।

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে 1 এপ্রিল 2019 পর্যন্ত অসম চৰকাৰৰ 1,156.40 কোটি টকাৰ বকেয়া ঋণৰ বিপৰীতে তিনিটা এচ পি এচ ই[38]-ৰ ভিতৰত মাত্র এটা এচ পি এচ ই-য়ে (এ এফ চি) 2019-22 বর্ষত 19.25 কোটি টকা পৰিশোধ কৰিছিল, আনহাতে 31 মার্চ 2021 তাৰিখে এ পি জি চি এল-ৰ বকেয়া ঋণ (647.99 কোটি টকা) অসম চৰকাৰে ইকুইটিলৈ ৰূপান্তৰ কৰিছিল। এছ পি এছ ই-ৰ সূত ব্যয় 102.40 কোটি টকাৰ (2019-20) পৰা 26.26 কোটি টকালৈ (2021-22) হ্রাস হোৱাৰ মুখ্য কাৰণ আছিল অসম চৰকাৰৰ ঋণক ইকুইটিলৈ ৰূপান্তৰ কৰা।

[37] অসম শক্তি উৎপাদন নিগম লিমিটেড, অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম পেট্র'-কেমিকেলছ লিমিটেড আৰু অসম বিত্তীয় নিগম।

[38] অসম বিত্তীয় নিগম ঃ 50.00 কোটি টকা; অসম শক্তি উৎপাদন নিগম লিমিটেডে ঃ 602.07 কোটি টকা আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেডে ঃ 504.33 কোটি টকা।

ধাৰা 2: চি এ জি-ৰ পর্যবেক্ষণ ভূমিকা

1.2.1 ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ হিচাপ পৰীক্ষা

ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকে (চি এ জি) কোম্পানী আইন, 2013ৰ ধাৰা 139 (5) আৰু (7)ৰ অধীনত 'চৰকাৰী কোম্পানী' আৰু 'চৰকাৰী নিয়ন্ত্রিত অন্যান্য কোম্পানী'ৰ আইনী হিচাপ পৰীক্ষক নিয়োগ কৰে। আইনী হিচাপ পৰীক্ষকৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ওপৰত পৰিপূৰক হিচাপ পৰীক্ষা আৰু পৰিপূৰক বা মন্তব্য কৰাৰ অধিকাৰ চি এ জি-ৰ আছে। ইয়াৰ উপৰিও, কিছুমান বিধিবদ্ধ নিগমক নিয়ন্ত্রণ কৰা আইন অনুসৰি তেওঁলোকৰ একাউণ্টবোৰ চি এ জি-ৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা আৰু ৰাজ্যিক আইনসভাত প্ৰতিবেদন দাখিল কৰা প্ৰয়োজন।

1.2.2 চি এ জি-ৰ দ্বাৰা এচ পি এচ ই সমূহৰ আইনী হিচাপ পৰীক্ষকৰ নিযুক্তি

কোম্পানী আইন, 2013-ৰ ধাৰা 139 (5)ত উল্লেখ কৰা হৈছে যে চৰকাৰী কোম্পানী বা চৰকাৰী নিয়ন্ত্রিত অন্যান্য কোম্পানীৰ ক্ষেত্রত আইনী হিচাপ পৰীক্ষকসকলক বিত্তীয় বর্ষ আৰম্ভ হোৱাৰ 180 দিনৰ ভিতৰত চি এ জি-য়ে নিযুক্তি দিব লাগিব। অসমত মুঠ 51 টা এচ পি এচ ই-ৰ ভিতৰত 48 টা এচ পি এচ ই[39]-ৰ আইনী হিচাপ পৰীক্ষকক চি এ জি-ৰ দ্বাৰা নিযুক্ত কৰা হয়।

1.2.3 এচ পি এচ ই সমূহৰ দ্বাৰা একাউন্ট দাখিল কৰা

কোম্পানী আইন, 2013-ৰ ধাৰা 394 অনুসৰি, চৰকাৰী কোম্পানী এটাৰ কাম-কাজ আৰু বিষয়ৰ ওপৰত বার্ষিক প্রতিবেদন ইয়াৰ বার্ষিক সাধাৰণ সভাৰ (এ জি এম) তিনি মাহৰ ভিতৰত প্রস্তুত কৰিব লাগিব আৰু যিমান সোনকালে সম্ভৱ, সংসদৰ দুয়োখন সদনৰ সন্মুখত হিচাপ পৰীক্ষা প্রতিবেদনৰ প্রতিলিপি আৰু হিচাপ পৰীক্ষা প্রতিবেদনৰ ওপৰত চি এ জি-ৰ যিকোনো মন্তব্য বা পৰিপূৰকৰ সৈতে এনে প্রস্তুতি ৰখা হ'ব। ৰাজ্যৰ মালিকানাধীন চৰকাৰী কোম্পানীবোৰৰ ক্ষেত্রত, ৰাজ্য চৰকাৰে হিচাপ পৰীক্ষা প্রতিবেদনৰ প্রতিলিপি আৰু চি এ জি-য়ে ইয়াৰ ওপৰত কৰা মন্তব্যৰ সৈতে বার্ষিক প্রতিবেদনৰ এটা প্রতিলিপি ৰাজ্যিক আইনসভাৰ দুয়োখন সদনৰ সন্মুখত ৰাখিব লাগিব। বিধিবদ্ধ নিগমসমূহ নিয়ন্ত্রণ কৰা সংশ্লিষ্ট আইনসমূহতো একে ধৰণৰ ব্যৱস্থা বিদ্যমান।

কোম্পানী আইন, 2013-ৰ ধাৰা 96 অনুসৰি প্রত্যেকটো কোম্পানীয়ে প্রতি কেলেণ্ডাৰ বর্ষত এবাৰকৈ শ্বেয়াৰধাৰকৰ এ জি এম অনুষ্ঠিত কৰিব লাগিব। এইটোও কোৱা হৈছে যে এখন বার্ষিক সাধাৰণ সভাৰ (এ জি এম) তাৰিখ আৰু পৰৱর্তী এ জি এম তাৰিখৰ মাজত 15 মাহতকৈ বেছি সময় অতিবাহিত হ'ব নালাগিব। লগতে, কোম্পানী আইন, 2013-ৰ ধাৰা 129-ত নির্ধাৰণ কৰা হৈছে যে বিত্তীয় বর্ষৰ বাবে হিচাপ পৰীক্ষা কৰা বিত্তীয় বিৱৰণবোৰ উক্ত (এ জি এম) তেওঁলোকৰ বিবেচনাৰ বাবে ৰাখিব লাগিব।

কোম্পানী আইন, 2013-ৰ ধাৰা 129 অনুসৰণ নকৰাৰ বাবে দায়বদ্ধ কোম্পানীৰ সঞ্চালকসহ অন্যান্য ব্যক্তিসকলৰ ওপৰত জৰিমনা আৰোপ আৰু কাৰাদণ্ডৰ দৰে ব্যৱস্থাও কোম্পানী আইন, 2013-ৰ ধাৰা 129(7)ত কৰা হৈছে। ওপৰত কোৱাৰ দৰে ব্যৱস্থা থকা স্বত্বেও, বিভিন্ন এচ পি এচ ই-ৰ বার্ষিক একাউণ্ট

[39] অসম ৰাজ্যিক পৰিবহণ নিগমক বাদ দি কেগ হ'ল একমাত্র নিৰীক্ষক আৰু আন দুটা নিগম অর্থাৎ অসম বিত্তীয় নিগম, যাৰ নিৰীক্ষক ভাৰতীয় ৰিজার্ভ বেংকে প্রদান কৰা নিৰীক্ষকৰ পেনেলৰ পৰা নিগমে নিয়োগ কৰে আৰু অসম ৰাজ্যিক পণ্যাগাৰ নিগম, যাৰ নিৰীক্ষক কেগৰ পৰামর্শ অনুসৰি ৰাজ্য চৰকাৰে নিযুক্তি দিয়ে।

30 ছেপ্টেম্বৰ 2022 তাৰিখ পর্যন্ত বকেয়া হৈ আছিল, যাৰ বিষয়ে পৰৱর্তী অনুচ্ছেদবোৰত আলোচনা কৰা হৈছে।

1.2.4 এচ পি এচ ই সমূহৰ দ্বাৰা একাউন্ট প্ৰস্তুত কৰাৰ সময়বদ্ধতা

31 মার্চ 2022 তাৰিখলৈকে, অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা)-ৰ হিচাপ পৰীক্ষা অধিকাৰ ক্ষেত্ৰৰ অধীনত 51 টা এচ পি এচ ই আছিল। এই এচ পি এচ ই-বোৰৰ ভিতৰত আছে 48[40] টা চৰকাৰী কোম্পানী/ চৰকাৰ নিয়ন্ত্রিত অন্যান্য কোম্পানী আৰু তিনিটা বিধিবদ্ধ নিগম। এচ পি এচ ই-ৰ দ্বাৰা একাউণ্ট দাখিল কৰাৰ বিৱৰণ আৰু 30 ছেপ্টেম্বৰ 2022 তাৰিখে এচ পি এচ ই-ৰ একাউণ্টৰ বকেয়াৰ বয়স অনুসৰি বিশ্লেষণ তলৰ ***সাৰণী 1.2.1*** আৰু ***সাৰণী 1.2.2***-ত দিয়া হৈছে :

সাৰণী 1.2.1 : এচ পি এচ ই-সমূহৰ দ্বাৰা একাউন্ট দাখিল কৰাৰ বিৱৰণ

বিৱৰণসমূহ	এচ পি এচ ই-ৰ সংখ্যা
চি এ জি-ৰ হিচাপ পৰীক্ষাৰ অধীনত অহা মুঠ এছ পি এচ ই-ৰ সংখ্যা	51
একাউন্টৰ কোনো বকেয়া নথকা এচ পি এচ ই-ৰ সংখ্যা	09[41]
অক্টোবৰ 2021 ৰ পৰা ছেপ্টেম্বৰ 2022 লৈ চি এ জি-ৰ হিচাপ পৰীক্ষাৰ বাবে তেওঁলোকৰ একাউন্ট দাখিল কৰা এচ পি এচ ই-ৰ সংখ্যা	33

সাৰণী 1.2.2: এচ পি এচ ই-সমূহৰ একাউন্টৰ বকেয়াৰ বয়স অনুসৰি বিশ্লেষণ

বিৱৰণসমূহ		বকেয়া থকা একাউন্টৰ সংখ্যা	এচ পি এচ ই-ৰ সংখ্যা
বকেয়া থকা একাউন্টৰ বিভাজন	**কর্মৰত এচ পি এচ ই**	**185**	**28**
	কোম্পানীসমূহ	178	26
	বিধিবদ্ধ নিগমসমূহ	7	2
	অ-কর্মৰত এ পি এচ ই	**203**	**14**
	সকলো কোম্পানী	203	14
	মুঠ	**388**	**42**
বয়স অনুসৰি বকেয়াৰ বিশ্লেষণ (একাউন্টৰ সংখ্যা)	**কোনো বকেয়া নাই**	**-**	**09**
	কর্মৰত	-	07
	অ-কর্মৰত	-	02
	এবছৰ (2020-21)	**07**	**07**
	কর্মৰত	06	06
	অ-কর্মৰত	01	01
	দুইৰ পৰা পাঁচ বছৰৰ বকেয়া (2016-17 আৰু 2020-21)	**50**	**15**
	কর্মৰত	41	12
	অ-কর্মৰত	09	03
	পাঁচ বছৰতকৈ অধিক	**331**	**20**
	কর্মৰত	138	10
	অ-কর্মৰত	193	10

উৎস : অক্টোবৰ 2021 ৰ পৰা ছেপ্টেম্বৰ 2022 লৈ প্ৰাপ্ত এচ পি এচ ই-ৰ একাউন্টৰ ওপৰত আধাৰত সংকলিত

[40] ***পৰিশিষ্ট-3***ৰ চৰকাৰী কোম্পানীসমূহৰ ক্ৰমিক নং A1, A2, A3, B4, B5, B6, B7, B8, B9, B10, B11, B12, B13, B14, B15, B16, B17, B18, B19, B20, B21, B23, B24, B27, B28, B29, B30, D1, D2, D3, D4, D5, D6, D8, D10 আৰু D14; চৰকাৰী কোম্পানীৰ সহযোগী কোম্পানীসমূহৰ ক্ৰমিক নং B25, B26, B31, D7, D9, D11, D12, D13, D15 আৰু D16; চৰকাৰৰ দ্বাৰা নিয়ন্ত্রিত অন্যান্য কোম্পানীসমূহৰ ক্ৰমিক নং B22 আৰু B32।

[41] ***পৰিশিষ্ট-3*** ৰ ক্ৰমিক নং A1, A2, B22, B30, B31, B32, C1 (সকলো কর্মৰত) D4 আৰু D6 ত (অ-কর্মৰত) এচ পি এচ ই-সমূহ।

আগতে উল্লেখ কৰা অনুসৰি, কোম্পানী আইন, 2013 (ধাৰা 96, 129 আৰু 143)-ৰ ব্যৱস্থা অনুসৰি সকলো কোম্পানীয়ে তেওঁলোকৰ হিচাপ পৰীক্ষা কৰা একাউণ্ট আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন (চৰকাৰী কোম্পানী/ চৰকাৰ নিয়ন্ত্ৰিত অন্যান্য কোম্পানীৰ ক্ষেত্ৰত চি এ জিৰ পৰিপূৰক মন্তব্যৰ সৈতে) তেওঁলোকৰ বিবেচনাৰ বাবে সংশ্লিষ্ট বিত্তীয় বৰ্ষ সমাপ্ত হোৱাৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত শ্বেয়াৰ ধাৰকৰ এ জি এমৰ সন্মুখত ৰখাটো বাধ্যতামূলক কৰে। ***সাৰণী 1.2.2***-ৰ পৰা লক্ষ্য কৰিব পাৰি, 30 ছেপ্টেম্বৰ 2022 তাৰিখলৈকে 42 টা এচ পি এচ ই-ৰ (28 টা কৰ্মৰত আৰু 14 টা অ-কৰ্মৰত) মুঠ 388 টা একাউণ্ট চূড়ান্ত নোহোৱাকৈ আছিল। একাউণ্ট চূড়ান্ত একৰ পৰা 39 বছৰ পৰ্যন্ত বিলম্ব হৈছিল। কৰ্মৰত আৰু অ-কৰ্মৰত এচ পি এচ ই-সমূহৰ ভিতৰত ক্ৰমান্বয়ে অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড (29 টা একাউণ্ট) আৰু অসম টেনাৰিজ লিমিটেডৰ (39 টা একাউণ্ট) বিপৰীতে চূড়ান্ত কৰিবলৈ সৰ্বাধিক সংখ্যক একাউন্ট বাকী আছিল।

একাউণ্ট চূড়ান্ত কৰাত পলম হ'লে প্ৰাসঙ্গিক আইনৰ ব্যৱস্থা উলংঘন হোৱাৰ উপৰিও ৰাজহুৱা ধনৰ প্ৰৱঞ্চনা/ অপব্যৱহাৰ আৰু লিকেজ হোৱাৰ আশংকা থাকি যায়। লগতে, এচ পি এচ ই-ৰ শেহতীয়া একাউণ্টৰ অনুপস্থিতিত, এই এচ পি এচ ই-বোৰত বিনিয়োগ কৰা ৰাজহুৱা ধনৰ ব্যৱহাৰ আৰু বৰ্তমানৰ মূল্য সম্পৰ্কে প্ৰকৃত স্থিতি নিশ্চিত কৰিব আৰু আইনসভা আৰু ৰাজ্য চৰকাৰৰ লগতে অন্যান্য অংশীদাৰসকলক জনাব পৰা নগ'ল।

সংশ্লিষ্ট প্ৰশাসনিক বিভাগবোৰৰ হাতত এই প্ৰতিষ্ঠানবোৰৰ কাৰ্যকলাপ তদাৰক কৰাৰ আৰু তেওঁলোকৰ নিয়ন্ত্ৰনাধীন এচ পি এচ ই-সমূহৰ একাউণ্টবোৰ নিৰ্ধাৰিত ম্যাদৰ ভিতৰত এচ পি এচ ই-সমূহৰ দ্বাৰা চূড়ান্ত কৰি গ্ৰহণ কৰাটো নিশ্চিত কৰাৰ দায়িত্ব আছে। এচ পি এচ ই-সমূহৰ দ্বাৰা একাউণ্ট চূড়ান্ত কৰাৰ ক্ষেত্ৰত থকা বৃহৎ বকেয়াৰ পৰিপ্ৰেক্ষিতত, প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষক), অসমে এচ পি এচ ই-সমূহৰ একাউণ্টৰ বকেয়া মীমাংসা কৰাৰ বাবে বিষয়টো নিয়মীয়াকৈ (ফেব্ৰুৱাৰী 2021, ছেপ্টেম্বৰ 2021, ডিচেম্বৰ 2021, এপ্ৰিল 2022 আৰু জুন 2022) অসম চৰকাৰ আৰু সংশ্লিষ্ট প্ৰশাসনিক বিভাগৰ ওচৰত উত্থাপন কৰি আহিছিল। অৱশ্যে, অসম চৰকাৰ আৰু সংশ্লিষ্ট এচ পি এচ ই-সমূহে সময়সীমাৰ ভিতৰত এচ পি এচ ই-সমূহৰ অমীমাংসিত একাউণ্টৰ সমস্যাটো সমাধান কৰিব নোৱাৰিলে।

1.2.5 একাউন্ট বকেয়া থকা এচ পি এচ ই সমূহত অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ

একাউণ্ট চূড়ান্ত কৰাত নিৰন্তৰ বিলম্বৰ ফলত কোম্পানী আইন, 2013-ৰ ব্যৱস্থা উলংঘন হোৱাৰ উপৰিও ৰাজহুৱা ধনৰ প্ৰৱঞ্চনা আৰু লিকেজৰ আশংকাৰে পৰিপূৰ্ণ। হিচাপ পৰীক্ষা বিশ্লেষণে প্ৰকাশ কৰিছে যে অসম চৰকাৰে ***পৰিশিষ্ট 1***-ত বিৱৰণ দিয়া ধৰণে 18 টা এচ পি এচ ই-ত তেওঁলোকৰ একাউণ্ট বকেয়া থকা বছৰবোৰত 2,336.25[42] কোটি টকা বিনিয়োগ কৰিছিল। একাউণ্ট বকেয়া থকা সময়ছোৱাত অসম চৰকাৰৰ 2,253.02 কোটি টকা পুঁজিৰ মুখ্য প্ৰাপ্তকৰ্তা আঠটা এচ পি এচ ই-ৰ বিৱৰণ ***সাৰণী 1.2.3***-ত দিয়া হৈছে।

[42] ইকুইটি ঃ 43.50 কোটি টকা (2টা এচ পি এচ ই), ঋণ ঃ 388.35 কোটি টকা (5টা এচ পি এচ ই) আৰু অনুদান ঃ 1,904.40 কোটি টকা (14টা এচ পি এচ ই)।

সাৰণী 1.2.3 : অসম চৰকাৰৰ পুঁজিৰ মুখ্য প্ৰাপ্তকৰ্তা (এচ পি এচ ই), যাৰ একাউন্ট বকেয়া আছে

(কোটি টকাত)

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	যিটো বৰ্ষ পৰ্যন্ত একাউন্টসমূহ চূড়ান্ত কৰা হৈছে	বকেয়া থকা একাউন্টৰ সংখ্যা	বকেয়াৰ সময়ছোৱাত অসম চৰকাৰৰ দ্বাৰা কৰা বিনিয়োগ		
				ইকুইটি	ঋণ	অনুদান
1	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	2020-21	1	-	56.44	1,288.00
2	অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম লিমিটেড	2017-18	4	-	-	21.43
3	অসম চাহ নিগম লিমিটেড	2014-15	7	-	295.23	25.00
4	অসম ৰাজ্যিক অনুসূচীত জাতিৰ উন্নয়ন নিগম লিমিটেড	2016-17	5	-	-	32.30
5	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	2019-20	2	-	-	35.00
6	অসম হাউড্ৰ'কাৰ্বন আৰু শক্তি কোম্পানী লিমিটেড	2020-21	1	40.00	-	-
7	অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড	2020-21	1	-	-	58.29
8	অসম ৰাজ্যিক পৰিবহন নিগম	2018-19	3	-	-	401.33
মুঠ				**40.00**	**351.67**	**1,861.35**

সাৰণী 1.2.3-ৰ পৰা দেখা যায়, পাঁচ বছৰ বা ততোধিক সময়ৰ বাবে একাউণ্টৰ বকেয়া থকা দুটা এচ পি এচ ই-য়ে ঋণ (295.23 কোটি টকা) আৰু অনুদান (57.30 কোটি টকা) যোগে 352.53 কোটি টকাৰ বাজেটীয় সমৰ্থন লাভ কৰিছিল, যাৰ ভিতৰত বাজেট সমৰ্থনৰ 318.73 কোটি টকা[43] তেওঁলোকৰ কৰ্মচাৰীৰ দৰমহা সম্পৰ্কীয় ব্যয় পূৰণ কৰাৰ বাবে আছিল, যি ৰাজ্যিক বাজেটৰ ওপৰত এক বোজা আছিল। একাউণ্ট আৰু সেইবোৰৰ পৰৱৰ্তী অডিট অবিহনে, বিনিয়োগ আৰু তাৰ বিপৰীতে হোৱা ব্যয় সঠিকভাৱে হিচাপ ৰখা হৈছিলনে নাই তাক সত্যাপন কৰিব পৰা নগ'ল।

অসম চৰকাৰে এচ পি এচ ই-ৰ একাউণ্টৰ বকেয়াৰ দ্ৰুত নিস্পত্তিৰ তদাৰক কৰিবলৈ বিত্ত বিভাগৰ অধীনত এটা বিশেষ কোষ স্থাপন কৰাৰ কথা বিবেচনা কৰিব পাৰে। য'ত কৰ্মচাৰীৰ দক্ষতাৰ অভাৱ থাকে, অসম চৰকাৰে একাউণ্ট প্ৰস্তুত কৰা সম্পৰ্কীয় কামবোৰ আউটচৰ্চ কৰাৰ কথা বিবেচনা কৰিব পাৰে আৰু একাউণ্ট বকেয়া ৰখাৰ বাবে দায়বদ্ধ এচ পি এচ ই-ৰ প্ৰৱন্ধনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। একাউণ্টবোৰ যিমান সম্ভৱ সাম্প্ৰতিক কৰি নোতোলালৈকে, অসম চৰকাৰে এনে এচ পি এচ ই-ক অধিক বিত্তীয় সহায় প্ৰদান নকৰাৰ বিষয়ে বিবেচনা কৰিব পাৰে।

1.2.6 একাউন্টৰ হিচাপ পৰীক্ষা আৰু পৰিপূৰক হিচাপ পৰীক্ষা

বিত্তীয় প্ৰতিবেদনৰ ফ্ৰেমৱৰ্ক

কোম্পানীবোৰে কোম্পানী আইন, 2013-ৰ অনুসূচী III-ত নিৰ্ধাৰিত বিন্যাসত আৰু ৰাষ্ট্ৰীয় পৰামৰ্শদাতা সমিতিৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰিত কৰা বাধ্যতামূলক একাউণ্টিং মানদণ্ড অনুসৰণ কৰি, একাউণ্টিং বিৱৰণ প্ৰস্তুত কৰিব লাগিব। বিধিবদ্ধ নিগমবোৰে চি এ জি-ৰ সৈতে আলোচনা কৰি প্ৰস্তুত কৰা আৰু এনে নিগমবোৰ নিয়ন্ত্ৰণ কৰা আইনৰ একাউণ্ট সম্পৰ্কীয় আন যিকোনো নিৰ্দিষ্ট ব্যৱস্থা অনুসৰণ কৰি নিৰ্ধাৰিত বিন্যাসত তেওঁলোকৰ একাউণ্টবোৰ প্ৰস্তুত কৰিব লাগিব।

[43] অসম চাহ নিগম লিমিটেডক চৰকাৰী ঋণ (295.23 কোটি টকা) আৰু অনুসূচীত জাতি লিমিটেডৰ বাবে অসম ৰাজ্যিক উন্নয়ন নিগমলৈ অনুদান (23.50 কোটি টকা)।

1.2.7 বিধিবদ্ধ হিচাপ পৰীক্ষকৰ দ্বাৰা চৰকাৰী কোম্পানীৰ একাউন্টৰ হিচাপ পৰীক্ষা

কোম্পানী আইন 2013-ৰ ধাৰা 139-ৰ অধীনত চি এ জি-ৰ দ্বাৰা নিযুক্ত বিধিবদ্ধ হিচাপ পৰীক্ষকসকলে চৰকাৰী কোম্পানীবোৰৰ একাউণ্টৰ হিচাপ পৰীক্ষা কৰে আৰু কোম্পানী আইন, 2013-ৰ ধাৰা 143 অনুসৰি তাত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে।

ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ হিচাপ পৰীক্ষাত বিধিবদ্ধ হিচাপ পৰীক্ষকসকলৰ প্ৰদৰ্শন নিৰীক্ষণ কৰি চি এ জি-য়ে এক পৰ্যবেক্ষকৰ ভূমিকা পালন কৰে যাতে বিধিবদ্ধ হিচাপ পৰীক্ষকসকলে তেওঁলোকক আৱণ্টন কৰা কাৰ্যবোৰ সঠিক আৰু কাৰ্যকৰীভাৱে পালন কৰে।

নিম্নলিখিত ক্ষমতাবোৰ প্ৰয়োগ কৰি এই ভূমিকা পালন কৰে:

- কোম্পানী আইন, 2013ৰ ধাৰা 143(5)ৰ অধীনত বিধিবদ্ধ হিচাপ পৰীক্ষকসকলক নিৰ্দেশনা জাৰী কৰা আৰু
- কোম্পানী আইন, 2013-ৰ ধাৰা 143(6)ৰ অধীনত বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ ওপৰত পৰিপূৰক বা মন্তব্য দিয়া।

1.2.8 চৰকাৰী কোম্পনীবোৰৰ একাউন্টৰ পৰিপূৰক হিচাপ পৰীক্ষা

কোম্পানী আইন, 2013 বা অন্যান্য প্ৰাসঙ্গিক আইনৰ অধীনত নিৰ্ধাৰিত বিত্তীয় প্ৰতিবেদন পৰিকাঠামো অনুসৰি বিত্তীয় বিৱৰণ প্ৰস্তুত কৰাৰ মুখ্য দায়িত্ব হৈছে সংশ্লিষ্ট সংস্থাটোৰ (এচ পি এচ ই) প্ৰবন্ধনৰ।

কোম্পানী আইন, 2013ৰ ধাৰা 139-ৰ অধীনত চি এ জি-ৰ দ্বাৰা নিযুক্ত বিধিবদ্ধ হিচাপ পৰীক্ষকসকল ভাৰতীয় চার্টার্ড একাউণ্টেণ্ট প্ৰতিষ্ঠানৰ (আই চি এ আই) মানক অডিটিং পদ্ধতি আৰু চি এ জি-ৰ দ্বাৰা প্ৰদান কৰা নিৰ্দেশনা অনুসৰি স্বতন্ত্ৰ হিচাপ পৰীক্ষাৰ ওপৰত আধাৰ কৰি কোম্পানী আইন, 2013 ৰ ধাৰা 143-ৰ অধীনত বিত্তীয় বিৱৰণৰ ওপৰত মতামত প্ৰকাশ কৰাৰ বাবে দায়বদ্ধ। বিধিবদ্ধ হিচাপ পৰীক্ষকসকলে কোম্পানী আইন, 2013ৰ ধাৰা 143-ৰ অধীনত তেওঁলোকৰ হিচাপ পৰীক্ষা প্ৰতিবেদন চি এ জি-ৰ ওচৰত দাখিল কৰিব লাগে।

নিৰ্বাচিত চৰকাৰী কোম্পানীবোৰৰ প্ৰত্যায়িত একাউণ্টৰ লগতে বিধিবদ্ধ হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ এক পৰিপূৰক হিচাপ পৰীক্ষা কৰি চি এ জি-ৰ দ্বাৰা সমীক্ষা কৰা হয়। এনে সমীক্ষাৰ ওপৰত আধাৰিত কৰি, যদি কোনো গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষা পৰ্যৱেক্ষণ থাকে, তেন্তে তাক কোম্পানী আইন, 2013-ৰ ধাৰা 143 (6)ৰ অধীনত সংশ্লিষ্ট কোম্পানীৰ বাৰ্ষিক সাধাৰণ সভাৰ সন্মুখত ৰাখিব লাগিব।

1.2.9 চি এ জি-ৰ পৰ্যৱেক্ষণ ভূমিকাৰ ফলাফল

অক্টোবৰ 2021 ৰ পৰা ছেপ্টেম্বৰ 2022 লৈ, 33 টা এচ পি এচ ই-য়ে তেওঁলোকৰ 62 টা একাউণ্ট অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা)-লৈ প্ৰেৰণ কৰিছিল। ইয়াৰ ভিতৰত, 26 টা এচ পি এচ ই-ৰ 51 টা একাউণ্ট (2021-22 বৰ্ষৰ বাবে আঠটা একাউণ্ট আৰু আগৰ বছৰবোৰৰ 43 টা একাউণ্ট) পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। আঠটা এচ পি এচ ই[44]-ৰ বাকী 11 টা একাউণ্টৰ (2021-22 বৰ্ষৰ বাবে এটা আৰু আগৰ বছৰৰ বাবে 10 টা একাউণ্ট) বাবে অনা-সমীক্ষা প্ৰমাণ-পত্ৰ (এন আৰ চি) জাৰী কৰা

[44] কাচাৰ চেনিকল লিমিটেডে তিনিটা একাউণ্ট (2014-15, 2015-16 আৰু 2016-17) দাখিল কৰিছিল যাৰ বাবে 2014-15 চনৰ বাবে পৰিপূৰক হিচাপ পৰীক্ষা কৰা হৈছিল আৰু 2015-16 আৰু 2016-17 বৰ্ষৰ বাবে এন আৰ চি জাৰি কৰা হৈছিল।

হৈছিল। ওপৰত দিয়াৰ উপৰিও, তিনিটা এচ পি এচ ই[45]-ৰ দ্বাৰা প্ৰেৰণ কৰা তিনিটা একত্ৰিত বিত্তীয় বিৱৰণ (চি এফ এছ) পৰিপূৰক হিচাপ পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল।

এচ পি এচ ই-ৰ বিত্তীয় বিৱৰণৰ ওপৰত জাৰী কৰা কিছুমান গুৰুত্বপূৰ্ণ মন্তব্য ***সাৰণী 1.2.4*** ত দিয়া হৈছে।

A. চৰকাৰী কোম্পানীসমূহ

সাৰণী 1.2.4 : লাভজনকতাৰ ওপৰত মন্তব্য

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	মন্তব্য
1	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (2021-22 বিত্তীয় বৰ্ষ)	(ক) 2020-21 বিত্তীয় বৰ্ষৰ বাবে নিয়ামকে (অসম বিদ্যুৎ নিয়ামক আয়োগ) জাৰী কৰা শুল্ক আদেশৰ (মাৰ্চ 2022) ওপৰত আধাৰিত কৰি, কোম্পানীটোৱে 2022-23 বিত্তীয় বৰ্ষত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক (এ পি ডি চি এল) 29.76 কোটি টকাৰ ৰাজহ উদ্বৃত্ত বাৰটা সমান কিস্তিত ঘূৰাই দিবলৈ দায়বদ্ধ আছিল। কোম্পানীয়ে অৱশ্যে ইয়াৰ একাউন্টবোৰত এই নিয়মক দায়বদ্ধতাৰ ব্যৱস্থা কৰা নাছিল যাৰ ফলত বছৰটোৰ বাবে লাভৰ অতিৰিক্ত বিবৃতি দিয়া হৈছিল আৰু সেই পৰিমাণে নিয়মক দায়বদ্ধতা কম কৈ দিয়া হৈছিল। খ) 31 মাৰ্চ 2021 তাৰিখলৈকে বকেয়া চৰকাৰী ঋণৰ (ডিচেম্বৰ 2021) ইকুইটিলৈ ৰূপান্তৰ কৰাৰ পিছত আৰু ইয়াৰ ওপৰত অসম চৰকাৰৰ প্ৰাপ্য সূত বেহাইৰ ফলত, কোম্পানীটোৱে 2021-22 বৰ্ষৰ অনুমোদিত শুল্ক আদেশৰ ওপৰত আধাৰিত কৰি ইতিমধ্যে এ পি ডি চি এল-ৰ পৰা উদ্ধাৰ কৰা সূতৰ উপাদান (24.06 কোটি টকা) ঘূৰাই দিবলৈ দায়বদ্ধ আছিল। কোম্পানীয়ে অৱশ্যে ইয়াৰ একাউণ্টবোৰত এই নিয়ামক দায়বদ্ধতাৰ ব্যৱস্থা কৰা নাছিল যাৰ ফলত 'বছৰটোৰ বাবে লাভ' অতিৰিক্ত ভাৱে বিবৃতি দিয়া হৈছিল আৰু সেই পৰিমাণে 'নিয়ামক দায়বদ্ধতা' কম কৈ দিয়া হৈছিল।
2	অসম শক্তি উৎপাদন নিগম লিমিটেড (2021-22 বিত্তীয় বৰ্ষ)	কোম্পানীটোৱে অসম চৰকাৰৰ দ্বাৰা এই ব্যয়ৰ বেহাইৰ (ডিচেম্বৰ 2021) পিছত 'সম্পত্তি, উদ্যোগ আৰু যন্ত্ৰপাতি'-ৰ (পি পি ই) অধীনত মূলধনী কৰা ঋণ ব্যয় (14.72 কোটি টকা) স্বীকৃতি দিয়া নাছিল, কিন্তু পি পি ই-ৰ ওপৰত আৰোপ কৰা মূল্যহ্ৰাসৰ (7.37 কোটি টকা) অনুৰূপ মূল্য পুনৰ্লিখন কৰা নাছিল। ইয়াৰ ফলত 'পি পি ই' আৰু 'অন্যান্য ইকুইটি' একে পৰিমাণত নিম্নবিবৃতি হৈছে।
3	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (2020-21 বিত্তীয় বৰ্ষ)	কোম্পানীটোৱে 2020-21 বৰ্ষৰ একাউণ্ট অনুমোদনৰ (ডিচেম্বৰ 2021) আগতে তিনিটা শক্তি যোগানকৰ্তাৰ পৰা 2020-21 বৰ্ষৰ বাবে 15.67 কোটি টকাৰ পৰিপূৰক বিল (ছেপ্তেম্বৰ 2021) প্ৰাপ্ত কৰিছিল কিন্তু বিত্তীয় বিবৃতিবোৰত সেই হিচাপ অন্তৰ্ভুক্ত কৰা নাছিল। ইয়াৰ ফলত 'বছৰটোৰ বাবে লোকচান' আৰু 'বৰ্তমানৰ দায়বদ্ধতা' একে পৰিমাণত কমকৈ উদ্ধৃতি হৈছে।

সাৰণী 1.2.5 : বিত্তীয় স্থিতিৰ ওপৰত মন্তব্য

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	মন্তব্য
1	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (2021-22 বিত্তীয় বৰ্ষ)	31 মাৰ্চ 2022 তাৰিখলৈকে, কোম্পানীটোৱে এছিয়ান ইনফ্ৰাষ্ট্ৰাক্চাৰ ইনভেষ্টমেণ্ট বেঙ্কৰ পৰা পুঁজি যোগান ধৰা প্ৰকল্পবোৰত 162.66 কোটি টকা ব্যয় কৰিছিল, কিন্তু 31 মাৰ্চ 2022 লৈকে কেৱল 119.26 কোটি টকাৰ (112.28 কোটি টকা: মূলধনী কৰ্মৰ অগ্ৰগতি আৰু 6.98 কোটি টকা: সম্পত্তিলৈ ৰূপান্তৰ) হিচাপহে দেখুৱাইছিল। ইতিমধ্যে হোৱা প্ৰকল্প ব্যয়ৰ অল্প মূলধনীকৰণৰ ফলত 'বৰ্তমানৰ দায়বদ্ধতা'ৰ সংশ্লিষ্ট নিম্নবিবৃতিৰ লগতে 'ৰূপায়িত মূলধনী কৰ্মৰ অগ্ৰগতি'-ৰো 43.40

[45] অসম গেছ কোম্পানী লিমিটেড, অসম ইলেক্ট্ৰনিকছ উন্নয়ন নিগম লিমিটেড আৰু অসম খনিজ উন্নয়ন নিগম লিমিটেড।

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	মন্তব্য
		কোটি টকাৰ নিম্নবিবৃতি হৈছে।
2	অসম শক্তি উৎপাদন নিগম লিমিটেড (2021-22 বিত্তীয় বৰ্ষ)	2020-21 বিত্তীয় বৰ্ষৰ বাবে নিয়ামকে (অসম বিদ্যুৎ নিয়ামক আয়োগ) জাৰী কৰা শুল্ক আদেশৰ (মাৰ্চ 2022) ওপৰত আধাৰিত কৰি, কোম্পানীটোৱে 2022-23 বিত্তীয় বৰ্ষত 32.32 কোটি টকাৰ ৰাজহ উদ্বৃত্ত (2022-23 বৰ্ষৰ 1.35 কোটি টকাৰ সূত উপাদান সহ) অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক (এ পি ডি চি এল) বাৰটা সমান কিস্তিত ঘূৰাই দিবলৈ দায়বদ্ধ আছিল। কোম্পানীটোৱে 2021-22 বৰ্ষৰ একাউণ্টত 30.97 কোটি টকাৰ এই নিয়ামক দায়বদ্ধতা (2022-23 বৰ্ষৰ সৈতে সম্পৰ্কিত মুঠ সূতৰ উপাদানসহ) প্ৰদান কৰাৰ পৰিৱৰ্তে, 'বিদ্যুৎ বিক্ৰীৰ পৰা ৰাজহ' ডেবিট কৰি 'বৰ্তমানৰ সম্পদ-বাণিজ্য প্ৰাপ্তিযোগ্য'ৰ বিপৰীতে সমগ্ৰ পৰিমাণ (32.32 কোটি টকা) মিলাই থৈছিল। ইয়াৰ ফলত 'বছৰটোৰ বাবে লাভ' 1.35 কোটি টকা, 'নিয়ামক দায়বদ্ধতা' 30.97 কোটি টকাৰ নিম্নবিবৃতিৰ লগতে 'বাণিজ্য প্ৰাপ্তিযোগ্য'ৰ 32.32 কোটি টকাৰ অনুৰূপ নিম্নবিবৃতি হয়।
3	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (2020-21 বিত্তীয় বৰ্ষ)	কোম্পানীটোৱে (ডিচেম্বৰ 2015- মাৰ্চ 2020) 78.44 কোটি টকা ব্যয় কৰা 'অমূৰ্ত সম্পদ' আৰম্ভ কৰিছিল, কিন্তু 'অসাম্প্ৰতিক সম্পদ'ৰ অধীনত কেৱল 17.36 কোটি টকাহে স্বীকাৰ কৰিছিল আৰু বাকী পৰিমাণ (61.08 কোটি টকা) 'মূলধনী কৰ্মৰ অগ্ৰগতি'ৰ অধীনত ভুলকৈ ৰাখিছিল। ইয়াৰ ফলত প্ৰতিটোতে 61.08 কোটি টকাকৈ, 'অসাম্প্ৰতিক সম্পদ-অমূৰ্ত সম্পদ'ৰ নিম্নবিবৃতি আৰু 'অসাম্প্ৰতিক সম্পদ-মূলধনী কৰ্মৰ অগ্ৰগতি'ৰ অতিৰিক্ত বিবৃতি হৈছে।

B. বিধিবদ্ধ নিগমসমূহ

সাৰণী 1.2.6: লাভজনকতাৰ ওপৰত মন্তব্যসমূহ

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	মন্তব্য
1	অসম ৰাজ্যিক পন্যাগাৰ নিগম (2017-18 বিত্তীয় বৰ্ষ)	নিগমে চলিত বৰ্ষৰ (2017-18) বাবে কণ্ট্ৰিবিউটৰী প্ৰভিডেণ্ট ফাণ্ডৰ (চি পি এফ) বাবে পৰিশোধ কৰিবলগা সূতৰ দায়বদ্ধতাৰ হিচাপ 1.21 কোটি টকা কমকৈ কৰে যাৰ ফলত 'বছৰটোৰ বাবে লাভ'ৰ অতিৰিক্ত বিবৃতি হয় আৰু সেই একে পৰিমাণে 'অন্যান্য দায়বদ্ধতা'ৰ নিম্নবিবৃতি হয়।

1.2.10 ব্যৱস্থাপনা পত্ৰসমূহ

বিত্তীয় হিচাপ পৰীক্ষাৰ এটা উদ্দেশ্য হৈছে বিত্তীয় বিৱৰণৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা হিচাপ পৰীক্ষাৰ বিষয়ত হিচাপ পৰীক্ষক আৰু কৰ্পোৰেট সংস্থাৰ শাসনৰ দায়িত্বৰ সৈতে দায়বদ্ধসকলৰ মাজত যোগাযোগ স্থাপন কৰা।

এচ পি এচ ই-ৰ বিত্তীয় বিৱৰণৰ ওপৰত সামগ্ৰিক পৰ্যৱেক্ষণবোৰ কোম্পানী আইন, 2013-ৰ ধাৰা 143(5)ৰ অধীনত চি এ জি-ৰ দ্বাৰা 'একাউণ্টৰ ওপৰত মন্তব্য' ৰূপত প্ৰতিবেদিত কৰা হৈছিল। এই মন্তব্যবোৰৰ উপৰিও, বিত্তীয় প্ৰতিবেদন বা প্ৰতিবেদন প্ৰক্ৰিয়াত চি এ জি-য়ে লক্ষ্য কৰা অনিয়ম বা খুঁতসমূহো সংশোধনমূলক পদক্ষেপ লোৱাৰ বাবে 'ব্যৱস্থাপনা পত্ৰ'ৰ জৰিয়তে প্ৰবন্ধনক পৃথকে জনোৱা হৈছিল। এই খুঁতসমূহ সাধাৰণতে এনেধৰণৰ:

- একাউণ্টিং নীতি আৰু পদ্ধতিৰ প্ৰয়োগ আৰু ব্যাখ্যা;

- হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ ফলত উদ্ভৱ হোৱা সমাযোজন যিয়ে বিত্তীয় বিৱৰণৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে; আৰু
- সংশ্লিষ্ট এচ পি এচ ই-ৰ প্ৰবন্ধনে পৰৱৰ্তী বছৰত সংশোধনমূলক পদক্ষেপ লোৱা হ'ব বুলি নিশ্চিতি প্ৰদান কৰা কিছুমান তথ্য অপৰ্যাপ্ত বা প্ৰকাশ নকৰা।

সংশ্লিষ্ট বছৰৰ 30 ছেপ্টেম্বৰত শেহতীয়া চূড়ান্ত কৰা একাউণ্ট অনুসৰি, ***সাৰণী 1.2.7***-ত দেখুওৱাৰ দৰে ছয়টা এচ পি এচ ই-ক 'ব্যৱস্থাপনা পত্ৰ' জাৰী[46] কৰা হৈছিল।

সাৰণী 1.2.7 : এচ পি এচ ই-ৰ তালিকা যাক ব্যৱস্থাপনা পত্ৰ জাৰী কৰা হৈছিল

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	একাউন্টৰ বৰ্ষ
1	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড	2019-20
2	অসম ইলেক্ট্ৰনিক্স ডেভেলপমেণ্ট লিমিটেড	2016-17
3	ডি এন পি লিমিটেড	2021-22
4	অসম মীন উন্নয়ন নিগম লিমিটেড	2017-18
5	অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম	2004-05
6	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড	2019-20

[46] 2020-21 আৰু 2021-22 ত জাৰি কৰা হৈছে।

ধাৰা 3: কৰ্পোৰেট শাসন প্ৰণালী

1.3.1 সূচনা

29 আগষ্ট 2013 তাৰিখে কোম্পানী আইন, 1956-ৰ সলনি কোম্পানী আইন, 2013 প্ৰণয়ন কৰা হৈছিল। ইয়াৰ উপৰিও, কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰালয়ে পৰিচালনা আৰু প্ৰশাসন, সঞ্চালকৰ নিযুক্তি আৰু অৰ্হতা, পৰিষদৰ সভা আৰু ইয়াৰ ক্ষমতা আৰু একাউণ্টৰ সম্বন্ধে কোম্পানী বিধি, 2014 জাৰি কৰে। কোম্পানী বিধিৰ সৈতে কোম্পানী আইন, 2013-এ কৰ্পোৰেট শাসন প্ৰণালীৰ বাবে এক শক্তিশালী পৰিকাঠামো প্ৰদান কৰে। লগতে ব্যৱস্থা কৰা অন্যান্য প্ৰয়োজনসমূহ হ'ল:

- সঞ্চালক মণ্ডলীৰ (বি অ' ডি) গঠন, অৰ্হতা, পাৰিশ্ৰমিক, সঞ্চালকৰ অৱসৰ, বি অ' ডি-ৰ সভাৰ মাজৰ ব্যৱধান আদি বিষয় সম্পৰ্কে।
- তালিকাভুক্ত কোম্পানীবোৰৰ লগতে নিৰ্দিষ্ট বিত্তীয় চৰ্ত পূৰণ কৰা কোম্পানীবোৰৰ ক্ষেত্ৰত বিভিন্ন সমিতি যেনে, হিচাপ পৰীক্ষা সমিতি, কৰ্পোৰেট সামাজিক দায়বদ্ধতা সমিতি, মনোনয়ন আৰু পাৰিশ্ৰমিক সমিতি, অংশীদাৰ সম্পৰ্ক সমিতি আদিৰ গঠন কৰা।
- বিশেষ শ্ৰেণীৰ সঞ্চালক যেনে স্বতন্ত্ৰ পৰিচালক, মনোনীত সঞ্চালক, ইত্যাদিৰ নিযুক্তি।

1.3.2 কৰ্পোৰেট শাসন প্ৰণালীৰ ওপৰত নিৰ্দেশনা

কোম্পানী আইন, 2013-ত সন্নিবিষ্ট ব্যৱস্থাবোৰৰ উপৰিও ভাৰতীয় ছিকিউৰিটি আৰু বিনিময় বোৰ্ডে (এচ ই বি আই) ছেবি (তালিকাভুক্তিৰ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, 2015 জাৰি কৰিছে[47] (2 ছেপ্টেম্বৰ 2015)। এই নিয়মাৱলী তালিকাভুক্ত কোম্পানীবোৰৰ বাবে প্ৰযোজ্য। বৰ্তমানে, ষ্টক এক্সচেঞ্জত কোনো এচ পি এচ ই তালিকাভুক্ত কৰা হোৱা নাই আৰু সেয়েহে, প্ৰতিবেদনৰ উদ্দেশ্যৰ বাবে নিয়মাৱলী আৰু তালিকাভুক্ত চুক্তিৰ ব্যৱস্থাবোৰ প্ৰযোজ্য নহয়।

অসম চৰকাৰৰ ৰাজহুৱা উদ্যোগ বিভাগে (পি ই ডি, জি অ' এ) ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ বাবে সঞ্চালক আৰু জ্যেষ্ঠ ব্যৱস্থাপনাৰ বাবে 'আচৰণ বিধি' জাৰী (ছেপ্টেম্বৰ 2011) কৰিছে। ইয়াৰ পিছত 2012-13 বৰ্ষত পি ই ডি, জি অ'এ-ৰ দ্বাৰা কৰ্পোৰেট শাসনৰ নিৰ্দেশনা জাৰী কৰা হৈছিল। কোম্পানী আইন 1956 বলবৎ থকাৰ সময়ত এই দুয়োটা নিৰ্দেশনা জাৰী কৰা হৈছিল। কোম্পানী আইন 2013 প্ৰণয়ন কৰাৰ পিছত, কোড আৰু নিৰ্দেশনাবোৰ সংশোধন কৰা হোৱা নাছিল।

1.3.3 চৰকাৰী কোম্পানীসমূহক দিয়া ৰেহাই

কোম্পানী আইন, 2013ৰ ধাৰা 462-ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা স্বাৰ্থত কোম্পানীৰ নিৰ্দিষ্ট শ্ৰেণী বা শ্ৰেণীসমূহৰ সন্দৰ্ভত আইনখনৰ বিভিন্ন ব্যৱস্থাৰে ৰেহাই বা সংশোধন কৰিব পাৰে। ভাৰত চৰকাৰে চৰকাৰী কোম্পানীসমূহৰ সন্দৰ্ভত কোম্পানী আইনৰ বিভিন্ন ব্যৱস্থাৰে ৰেহাই সংশোধন আৰু গ্ৰহণ সন্দৰ্ভত অধিসূচনা জাৰি (5 জুন 2015) কৰিছে। অধিসূচনাখনত, অন্যান্য বিষয়ৰ লগতে, নিযুক্তি, অৱসৰ, পৰিচালকৰ পাৰিশ্ৰমিক, পৰিচালক সমিতি, সম্পৰ্কিত দলীয় লেন-দেন আদি ব্যৱস্থাসমূহ সামৰি লোৱা

[47] এচ ই বি আই এল অ' ডি আৰ নিয়মাৱলী 2015 চনৰ 22 ডিচেম্বৰ, 2016 চনৰ 25 মে', 2016 চনৰ 8 জুলাই, 2017 চনৰ 4 জানুৱাৰী, 2017 চনৰ 15 ফেব্ৰুৱাৰীত সংশোধন কৰা হৈছিল আৰু সময়ে সময়ে সংশোধন কৰা হৈছিল।

হৈছিল। ৰাজ্যিক পি এচ ই-ত কৰ্পোৰেট শাসন প্ৰণালীৰ স্থিতি মূল্যাঙ্কন কৰাৰ সময়ত এই ৰেহাই, সংশোধন আৰু গ্ৰহণসমূহৰ বিবেচনা কৰা হৈছিল।

1.3.4 কৰ্পোৰেট শাসন প্ৰণালীৰ বাবে ৰাজ্যিক পি এচ ই-ৰ ক'ভাৰেজ

কৰ্পোৰেট শাসন প্ৰণালীৰ নীতি অনুসৰণৰ স্থিতি মূল্যাঙ্কন কৰোঁতে, কোম্পানী আইনৰ[48] বাহিৰে আন আইনৰ অধীনত স্থাপিত এচ পি এচ ই-বোৰক সমীক্ষাৰ পৰা বাদ দিয়া হৈছে। লগতে, কেৱল ন্যুনতম পৰিচালন গাঁথনিৰে কাম কৰা অ-কৰ্মৰত এচ পি এচ ই-বোৰকো হিচাপ পৰীক্ষাৰ পৰা বাদ দিয়া হৈছে কিয়নো এই এচ পি এচ ই-বোৰে এই ব্যৱস্থাবোৰ পালন কৰিব বুলি আশা কৰা নাযায়। লগতে, কৰ্পোৰেট শাসন প্ৰণালী সম্পৰ্কীয় কিছুমান নীতি, নিৰ্দেশনা আদিৰ ব্যৱস্থা নিৰ্ধাৰিত বিত্তীয় চৰ্ত পূৰণ কৰা কোম্পানীবোৰৰ মাজতে সীমাবদ্ধ। যিহেতু এচ পি এচ ই-ৰ দ্বাৰা কৰ্পোৰেট শাসন প্ৰণালী সম্পৰ্কীয় অনুপালনৰ তথ্য/ নথিসমূহ ৰাজহুৱাভাৱে উপলব্ধ নাই, এই এচ পি এচ ই-বোৰৰ দ্বাৰা কৰ্পোৰেট শাসন প্ৰণালীৰ নীতি অনুসৰণৰ স্থিতি মূল্যাঙ্কন কৰিবলৈ প্ৰয়োজনীয় তথ্যসমূহ ৰাজ্যিক পি এচ ই-ৰ পৰা সংগ্ৰহ কৰা হৈছিল। ৰাজ্যখনৰ 32 টা কৰ্মৰত চৰকাৰী কোম্পানীৰ ভিতৰত, প্ৰয়োজনীয় তথ্য 31 টা কোম্পানীয়ে প্ৰদান কৰিছিল। সেয়েহে, এই অধ্যায়টোৱে মূলতঃ কৰ্পোৰেট শাসন প্ৰণালীৰ সাধাৰণ ব্যৱস্থাৰ বাবে এই 31[49] টা কোম্পানীক সামৰি লৈছিল, আনহাতে নিৰ্ধাৰিত বিত্তীয় চৰ্ত পূৰণ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থাবোৰ নিৰ্ধাৰিত সংখ্যক কোম্পানীৰ বিপৰীতে মূল্যায়ন কৰা হৈছিল।

1.3.5 কৰ্পোৰেট শাসন প্ৰণালীৰ সংক্ষিপ্ত ব্যৱস্থাসমূহ

ৰাজ্যিক এচ পি এচ ই-ৰ বাবে প্ৰযোজ্য কৰ্পোৰেট শাসন প্ৰণালী সম্পৰ্কীয় বিষয়বোৰৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাবোৰৰ এক সংক্ষিপ্ত স্থিতি ***সাৰণী 1.3.1***-ত দিয়া হৈছে।

সাৰণী 1.3.1: কৰ্পোৰেট প্ৰশাসন প্ৰণালীৰ ব্যৱস্থাসমূহ

ক্ৰমিক নং	বিৱৰণ	উপাদানসমূহ
1	আগ্ৰহী পক্ষসমূহ	• অংশীদাৰ
2	গাঁথনিগত প্ৰয়োজনীয়তা	• পৰিচালক মণ্ডলী • হিচাপ পৰীক্ষা সমিটি • কৰ্পোৰেট সামাজিক দায়বদ্ধতা সমিতি (চি এচ আৰ সমিতি) • মনোনয়ন আৰু পাৰিশ্ৰমিক সমিতি • শ্বেয়াৰ ধাৰক সম্পৰ্ক সমিতি • স্বতন্ত্ৰ পৰিচালক • মহিলা পৰিচালক
3	কাৰ্যকৰী প্ৰয়োজনীয়তা	• উপস্থিতি • সভাৰ মাদৰ ব্যৱধান • আচৰণ বিধি, পৰিচালকৰ প্ৰশিক্ষণ
4	কৰ্পোৰেট শাসনৰ প্ৰয়োগ সীমিত কৰা কাৰকসমূহ	• 27 টা চৰকাৰী কোম্পানী হৈছে প্ৰাইভেট লিমিটেড কোম্পানী। • 48 টা এচ পি এচ ই-ৰ সকলোকেইটা তালিকাভুক্ত নোহোৱা কোম্পানী। • সৰু আকাৰৰ কোম্পানী। • 16 টা চৰকাৰী কোম্পানী অ-কৰ্মৰত। • চৰকাৰী কোম্পানীক ৰেহাইৰ অনুমতি দিয়া হয়।

[48] কোম্পানী আইন, 1956 আৰু কোম্পানী আইন, 2013।

[49] অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেড বাদ দি।

1.3.6 সঞ্চালকমণ্ডলী

1.3.6.1 সঞ্চালক মণ্ডলীৰ গঠন আৰু ভূমিকা

কোম্পানী আইন, 2013 (আইন)ৰ ধাৰা 149 অনুসৰি প্রতিটো কোম্পানীৰ সঞ্চালক মণ্ডলী থাকিব আৰু সঞ্চালকৰ সংখ্যাৰ নিম্ন আৰু উচ্চ সীমাৰ বিধান আছে। লগতে, ধাৰা 179 অনুসৰি, ব'ৰ্ডে এনে সকলো ক্ষমতা প্রয়োগ কৰাৰ অধিকাৰ প্রাপ্ত কৰিব, আৰু এনে সকলো কথাৰ আৰু কাম কৰাৰ অধিকাৰ থাকিব যিবোৰ কোম্পানীটোৱে প্রয়োগ আৰু ব্যৱহাৰ কৰাৰ বাবে কর্তৃত্বপ্রাপ্ত।

1.3.6.2 সঞ্চালক মণ্ডলীৰ বৈঠক

কোম্পানী আইন, 2013-ৰ ধাৰা 173(1) অনুসৰি, সকলো কোম্পানীয়ে প্রতি বছৰে ইয়াৰ বোৰ্ডৰ নিম্নতম চাৰিখন সভা এনেদৰে অনুষ্ঠিত কৰিব লাগিব যাতে বোৰ্ডৰ ক্রমাগত দুখন বৈঠকৰ মাজত 120 দিনতকৈ অধিক ব্যৱধান নাথাকে। ধাৰা 8 কোম্পানীৰ[50] ক্ষেত্রত, বোৰ্ডৰ[51] দুখন বৈঠকৰ মাজত ছয়টা কেলেণ্ডাৰ মাহৰ ব্যৱধান ৰখাৰ অনুমতি দিয়া হয়।

প্রয়োজনীয় তথ্য প্রদান কৰা 31 টা এচ পি এচ ই-ৰ ভিতৰত, 9 টা[52] এচ পি এচ ই-য়ে 2017-18 ৰ পৰা 2021-22 বর্ষলৈ প্রতি বছৰে প্রয়োজনীয় সংখ্যক বোৰ্ড মিটিং অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। বাকী 22 টা এচ পি এচ ই-ৰ ভিতৰত, 10 টা এচ পি এচ ই-য়ে পাঁচ বছৰৰ কোনো এটা বছৰতে প্রয়োজনীয় সংখ্যক বৈঠক অনুষ্ঠিত কৰিব নোৱাৰিলে। ***সাৰণী 1.3.2***-ৰ অধীনত বোৰ্ড সভাৰ সংগঠনৰ এক সংক্ষিপ্ত স্থিতি দেখুওৱা হৈছে।

সৰণী 1.3.2: কার্যকৰী কোম্পানীৰ দ্বাৰা ব'ৰ্ড মিটিঙৰ স্থিতি

ক্রমিক নং	এচ পি এচ ই-ৰ নাম	অনুষ্ঠিত কৰা বোৰ্ডৰ বৈঠকৰ সংখ্যা				
		2017-18	2018-19	2019-20	2020-21	2021-22
1	অসম শক্তি উৎপাদন নিগম লিমিটেড	5	7	8	4	5
2	অসম বিদ্যুৎ গ্রিড নিগম লিমিটেড	5	7	6	4	4
3	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	5	8	7	4	8
4	অসম বীজ নিগম লিমিটেড	1	1	1	1	3
5	অসম মীন উন্নয়ন নিগম লিমিটেড	2	2	2	2	3
6	অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম লিমিটেড	3	3	5	2	0
7	অসম চাহ নিগম লিমিটেড	2	4	4	2	4
8	অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড	1	2	3	1	0
9	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	3	3	4	4	9
10	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড	4	4	3	2	2
11	অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্রেণী উন্নয়ন নিগম লিমিটেড	2	0	1	2	2
12	অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম লিমিটেড	0	0	1	4	2
13	অসম ৰাজ্যিক চলচিত্র (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড	2	3	3	2	2
14	অসম পার্বত্য ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	2	1	3	1	1
15	অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড	4	6	4	3	6
16	অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	3	5	3	2	2

[50] বাণিজ্য, শিল্প, বিজ্ঞান, ক্রীড়া, শিক্ষা, গৱেষণা, সমাজ কল্যাণ, ধর্ম, দাতব্য, পৰিৱেশ সুৰক্ষা বা এনে কোনো বস্তুৰ প্রসাৰৰ উদ্দেশ্যেৰে অলাভজনক সংস্থা (এন পি অ') হিচাপে পঞ্জীয়ন কৰা কোম্পানী আৰু ইয়াৰ লাভ প্রয়োগ কৰাৰ উদ্দেশ্যেৰে (যদি আছে) বা ইয়াৰ উদ্দেশ্যক প্রসাৰিত কৰাত অন্যান্য আয়।

[51] ভাৰত চৰকাৰে 2015 চনৰ 5 জুনত জাৰি কৰা ৰাজপত্র (অসাধাৰণ) নং 375 অনুসৰি।

[52] অসম বাণিজ্য প্রসাৰ সংস্থাকে ধৰি ধাৰা 8 ৰ কোম্পানী যি ছয় মাহৰ ব্যৱধানত দুখনকৈ ব'ৰ্ডৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে অনুমতি লাভ কৰিছে।

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	অনুষ্ঠিত কৰা বোৰ্ডৰ বৈঠকৰ সংখ্যা				
		2017-18	2018-19	2019-20	2020-21	2021-22
17	অসম ইলেক্ট্ৰোনিক ডেভেল'পমেণ্ট কৰ্পোৰেচন লিমিটেড	3	7	4	6	4
18	অসম খনিজ উন্নয়ন নিগম লিমিটেড	5	5	6	6	4
19	অসম আৰক্ষী গৃহ নিৰ্মাণ নিগম লিমিটেড	3	5	4	2	3
20	অসম বাণিজ্য প্ৰচাৰ সংস্থা	2	2	3	2	3
21	অসম পেট্ৰ'-কেমিকেলছ্ লিমিটেড	9	11	6	5	9
22	অশোক কাগজ কল (অসম) লিমিটেড	2	3	1	2	1
23	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড	3	3	4	3	4
24	এমট্ৰন ইনফ'মেটিক্স (ইণ্ডিয়া) লিমিটেড	4	4	6	4	4
25	অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড	3	5	4	3	4
26	অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড	2	1	1	0	1
27	অসম চৰকাৰী বিপণন নিগম লিমিটেড	1	2	2	3	2
28	অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড	3	0	1	1	1
29	অসম গেছ কোম্পানী লিমিটেড	6	7	10	6	7
30	ডি এন পি লিমিটেড	10	10	6	7	8
31	পূৰ্বা ভাৰতী গেছপ্ৰাইভেট লিমিটেড	অন্তৰ্ভুক্ত কৰা হোৱা নাই		2	7	6

উৎস: কোম্পানীৰ দ্বাৰা প্ৰদান কৰা তথ্য

2017-18 ৰ পৰা 2021-22 বৰ্ষৰ সময়ছোৱাত দুখন বৈঠকৰ মাজত 120 দিনৰ অনুমোদিত ব্যৱধানৰ বিপৰীতে, 27 টা কোম্পানীয়ে 124 ৰ পৰা 1,349 দিনলৈকে মধ্যৱৰ্তী সময়ৰ সৈতে প্ৰায় 113 খন বৈঠক অনুষ্ঠিত কৰিছিল। একেদৰে, 2017-18 ৰ 2021-22 বৰ্ষৰ সময়ছোৱাত, 6 মাহৰ অনুমোদিত ব্যৱধানৰ বিপৰীতে অসম বাণিজ্য প্ৰচাৰ সংস্থাৰ[53] দ্বাৰা অনুষ্ঠিত কৰা 3 খন বৈঠকৰ ক্ষেত্ৰত 235 ৰ পৰা 320 দিনৰ ব্যৱধান আছিল। 2017-18 ৰ পৰা 2021-22 বৰ্ষৰ সময়ছোৱাত অনুমোদিত মধ্যৱৰ্তী সময়তকৈ অধিক ব্যৱধানত তেওঁলোকৰ ব'ৰ্ডৰ বৈঠক আয়োজন কৰা কোম্পানীসমূহৰ সংক্ষিপ্ত স্থিতি ***সাৰণী 1.3.3***-ত দেখুওৱা হৈছে।

সাৰণী 1.3.3: দুখন বৈঠকৰ মাজত 120 দিনৰ অধিক ব্যৱধানৰ পৰিসৰৰ সংক্ষিপ্ত স্থিতি

ক্ৰমিক নং.	এচ পি এচ ই-ৰ নাম	সভাৰ সংখ্যা	দুখন সভাৰ মাজত থকা ব্যৱধান (দিন)
1	এমট্ৰন ইনফৰ্মেটিক্স (ইণ্ডিয়া) লিমিটেড	1	141
2	অশোক কাগজ কল (অসম) লিমিটেড	8	139 ৰ পৰা 433 লৈ
3	অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড	2	156 ৰ পৰা 163 লৈ
4	অসম ইলেকট্ৰনিক্স ডেভেলপ্‌মেণ্ট কৰ্পোৰেচন লিমিটেড	2	141 ৰ পৰা 177 লৈ
5	অসম মীন উন্নয়ন নিগম লিমিটেড	6	171 ৰ পৰা 371 লৈ
6	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	6	124 ৰ পৰা 251 লৈ
7	অসম চৰকাৰী মাৰ্কেটিং কৰ্পোৰেচন লিমিটেড	6	124 ৰ পৰা 272 লৈ
8	অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড	7	129 ৰ পৰা 388 লৈ
9	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড	6	133 ৰ পৰা 173 লৈ
10	অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড	1	165
11	অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম লিমিটেড	3	154 ৰ পৰা 270 লৈ
12	অসম খনিজ উন্নয়ন নিগম লিমিটেড	1	159
13	অসম পেট্ৰ'-কেমিকেলছ্ লিমিটেড	1	145
14	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড	4	125 ৰ পৰা 350 লৈ

[53] ধাৰা 8 ৰ কোম্পানী।

ক্ৰমিক নং.	এচ পি এচ ই-ৰ নাম	সভাৰ সংখ্যা	দুখন সভাৰ মাজত থকা ব্যৱধান (দিন)
15	অসম বৃক্ষৰোপণ শস্য উন্নয়ন নিগম লিমিটেড	5	145 ৰ পৰা 526 লৈ
16	অসম পুলিচ হাউচিং কৰ্পোৰেচন লিমিটেড	4	152 ৰ পৰা 219 লৈ
17	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	2	151 ৰ পৰা 189 লৈ
18	অসম শক্তি উৎপাদন নিগম লিমিটেড	1	173
19	অসম বীজ নিগম লিমিটেড	5	328 ৰ পৰা 536 লৈ
20	অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড	5	159 ৰ পৰা 229 লৈ
21	অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন নিগম লিমিটেড	7	145 ৰ পৰা 617 লৈ
22	অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম লিমিটেড	4	169 ৰ পৰা 1349 লৈ
23	অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড	1	178
24	অসম ৰাজ্যিক চলচিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড	8	130 ৰ পৰা 287 লৈ
25	অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড	6	191 ৰ পৰা 605 লৈ
26	অসম চাহ নিগম লিমিটেড	6	126 ৰ পৰা 198 লৈ
27	অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড	6	152 ৰ পৰা 502 লৈ
28	অসম বাণিজ্য প্ৰচাৰ সংস্থা	3	235 ৰ পৰা 320 লৈ
মুঠ		**116**	

উৎস: এচ পি এচ ই-ৰ দ্বাৰা প্ৰদান কৰা তথ্য

1.3.7 স্বতন্ত্ৰ সঞ্চালক

1.3.7.1 স্বতন্ত্ৰ সঞ্চালকৰ ভূমিকা

আইনখনৰ ধাৰা 149 (6) অনুসৰি, এজন স্বতন্ত্ৰ সঞ্চালক হৈছে এজন পৰিচালনা সঞ্চালক বা সম্পূৰ্ণ সময়ৰ সঞ্চালক বা মনোনীত সঞ্চালকৰ বাহিৰে আন এজন সঞ্চালক, যি ব'ৰ্ডৰ মতে, এজন সত্যবাদী ব্যক্তি আৰু প্ৰাসঙ্গিক দক্ষতা আৰু অভিজ্ঞতাৰ অধিকাৰী। স্বতন্ত্ৰ পৰিচালকসকলে বিশেষকৈ ৰণনীতি, প্ৰদৰ্শন, বিপদাশংকা ব্যৱস্থাপনা, সম্পদ, মুখ্য নিযুক্তি আৰু আচৰণৰ মানদণ্ডৰ বিষয়বোৰৰ ওপৰত বহন কৰিবলৈ এক স্বতন্ত্ৰ ৰায় অনাত সহায় কৰিব।

1.3.7.2 স্বতন্ত্ৰ সঞ্চালকৰ সংখ্যা

কোম্পানী (সঞ্চালকৰ নিযুক্তি আৰু অৰ্হতা) বিধি, 2014-ৰ বিধি-4 অনুসৰি, 10 কোটি টকা বা তাতোধিক পেইড আপ শ্বেয়াৰ কেপিটেল থকা; 100 কোটি বা ততোধিক টকাৰ লেনদেন আৰু 50 কোটি টকাৰ অধিক মুঠ বকেয়া ঋণ, ঋণপত্ৰ আৰু জমা থকা ৰাজহুৱা কোম্পানীসমূহৰ স্বতন্ত্ৰ সঞ্চালক হিচাপে কমেও দুজন সঞ্চালক থাকিব।

ওপৰত উল্লেখ কৰা বিত্তীয় চৰ্তৰ আধাৰত, সাতটা চৰকাৰী কোম্পানীৰ[54] ব'ৰ্ডত স্বতন্ত্ৰ সঞ্চালক থাকিব লাগে। ***সাৰণী 1.3.4***-ত দিয়া বিৱৰণ অনুসৰি এই সাতটা কোম্পানীৰ ভিতৰত তিনিটা কোম্পানীৰ হয় তেওঁলোকৰ ব'ৰ্ডত কোনো স্বতন্ত্ৰ সঞ্চালক নাছিল বা আইনী প্ৰয়োজনীয়তাতকৈ কম সংখ্যক স্বতন্ত্ৰ সঞ্চালক আছিল।

[54] অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম পেট্ৰ'-কেমিকেলছ লিমিটেড, অসম শক্তি উৎপাদন নিগম লিমিটেড, অসম হাইড্ৰ'-কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড, অসম চাহ নিগম লিমিটেড আৰু অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড।

সাৰণী 1.3.4: স্বতন্ত্ৰ সঞ্চালকৰ স্থিতি

ক্ৰমিক নং	এচ পি এচ ই-ৰ নাম	বোৰ্ডৰ শক্তি	স্বতন্ত্ৰ সঞ্চালকৰ সংখ্যা	
			প্ৰয়োজনীয়	প্ৰকৃত
1	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনার্জি কোম্পানী লিমিটেড	6	2	নাই
2	অসম চাহ নিগম লিমিটেড	4	2	নাই
3	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	7	2	1

উৎস: এচ পি এচ ই-ৰ দ্বাৰা প্ৰদান কৰা তথ্য

1.3.7.3 স্বতন্ত্ৰ সঞ্চালকৰ পৃথক সভা

কোম্পানী আইন, 2013-ৰ অনুসূচী IV-ৰ অধীনত নিৰ্ধাৰিত স্বতন্ত্ৰ নিৰ্দেশকৰ কোড অনুসৰি, কোম্পানী এটাৰ স্বতন্ত্ৰ সঞ্চালকসকলে অ-স্বতন্ত্ৰ সঞ্চালক আৰু পৰিচালন সদস্যসকলৰ উপস্থিতি অবিহনে এবছৰত কমেও এখন সভা অনুষ্ঠিত কৰিব লাগিব।

2021-22 বৰ্ষত স্বতন্ত্ৰ পৰিচালকসকলৰ পৃথক সভাৰ এক সংক্ষিপ্ত স্থিতি ***সাৰণী 1.3.5***-ত দিয়া হৈছে।

সাৰণী 1.3.5: স্বতন্ত্ৰ সঞ্চালকৰ আচৰণ বিধি অনুসৰণৰ স্থিতি

ক্ৰমিক নং	কোম্পানীৰ নাম	স্বতন্ত্ৰ সঞ্চালক	
		সংখ্যা	পৃথক সভা
1	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড	3	কোনো পৃথক সভা অনুষ্ঠিত হোৱা নাই
2	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	3	কোনো পৃথক সভা অনুষ্ঠিত হোৱা নাই
3	অসম পেট্ৰো-কেমিকেলছ্ লিমিটেড	2	কোনো পৃথক সভা অনুষ্ঠিত হোৱা নাই
4	অসম শক্তি উৎপাদন নিগম লিমিটেড	2	এখন পৃথক সভা অনুষ্ঠিত হৈছিল

উৎস: কোম্পানীৰ দ্বাৰা প্ৰদান কৰা তথ্য

আইনখনৰ প্ৰয়োজনীয়তা অনুসৰি স্বতন্ত্ৰ সঞ্চালক নিযুক্ত কৰা পাঁচটা কোম্পানীৰ ভিতৰত, 2021-22 বৰ্ষত কেৱল এটা কোম্পানীয়ে[55] স্বতন্ত্ৰ সঞ্চালকসকলৰ পৃথক বৈঠক আয়োজন কৰিছিল। অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ ক্ষেত্ৰত, অৱশ্যে কোনো পৃথক বৈঠক সম্ভৱ নাছিল যিহেতু ব'ৰ্ডত মাত্ৰ এজন স্বতন্ত্ৰ সঞ্চালক আছিল।

1.3.7.4 মহিলা সঞ্চালকৰ নিযুক্তি

কোম্পানী বিধি, 2014-ৰ বিধি 3 (নিযুক্তি আৰু সঞ্চালকৰ অৰ্হতা) অনুসৰি, তালিকাভুক্ত কোম্পানীবোৰৰ বাহিৰে, আন প্ৰতিটো ৰাজহুৱা কোম্পানীয়ে যাৰ 100 কোটি টকা বা ততোধিক টকাৰ পৰিশোধ কৰা শ্বেয়াৰ মূলধন আছে; বা 300 কোটি বা ততোধিক টকাৰ টাৰ্ণ অ'ভাৰ আছে, ইয়াৰ পৰিষদত কমেও এগৰাকী মহিলা সঞ্চালক নিযুক্ত কৰিব লাগে।

ওপৰত উল্লেখ কৰা চৰ্তৰ আধাৰত, যি পাঁচটা কোম্পানীৰ[56] ক্ষেত্ৰত তেওঁলোকৰ ব'ৰ্ডত মহিলা-সঞ্চালক থকাৰ প্ৰয়োজনীয়তা আছিল, আটাইকেইটাই ওপৰোক্ত সেই প্ৰয়োজনীয়তা পালন কৰিছে। ইয়াৰ উপৰিও, 13 টা কোম্পানীয়ে স্বেচ্ছাই তেওঁলোকৰ ব'ৰ্ডত মহিলা সঞ্চালক নিযুক্ত কৰিছিল, যদিও এই

[55] অসম শক্তি উৎপাদন নিগম লিমিটেড।

[56] অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম শক্তি উৎপাদন নিগম লিমিটেড, ডি এন পি লিমিটেড আৰু অসম পেট্ৰ'-কেমিকেলছ লিমিটেড।

কোম্পানাবোৰে আইনীভাৱে এনে কৰাৰ প্ৰয়োজন নাছিল। এইটোৱে আইনী ব্যৱস্থাৰ অনুপালন আৰু লিংগ সংবেদনশীলতাৰ উদ্যমৰ ইংগিত দিছিল।

1.3.8 সঞ্চালকমণ্ডলীৰ সমিতিসমূহ

1.3.8.1 হিচাপ পৰীক্ষা সমিতি

কোম্পানী বিধি, 2014-ৰ বিধি-6 (ব'ৰ্ডৰ বৈঠক আৰু ইয়াৰ ক্ষমতাসমূহ) অনুসৰি সকলো ৰাজহুৱা কোম্পানীয়ে যাৰ 10 কোটি টকা বা ততোধিক টকাৰ পৰিশোধ কৰা শ্বেয়াৰ মূলধন আছে; 100 কোটি টকা বা ততোধিক টকাৰ টাৰ্ণঅ'ভাৰ আৰু অন্তিম হিচাপ পৰীক্ষা কৰা বিত্তীয় বিৱৰণ অনুসৰি 50 কোটি টকা বা ততোধিক টকাৰ বকেয়া ঋণ বা ধাৰ বা ঋণপত্ৰ বা জমা আছে, সেইবোৰে এখন হিচাপ পৰীক্ষা সমিতি গঠন কৰিব লাগিব। লগতে, কোম্পানী আইন, 2013-ৰ ধাৰা 177 অনুসৰি, হিচাপ পৰীক্ষা সমিতিত নিম্নতম তিনিজন সঞ্চালক থাকিব য'ত স্বতন্ত্ৰ সঞ্চালকৰ সংখ্যাগৰিষ্ঠতা থাকিব।

ওপৰত উল্লেখ কৰা চৰ্তৰ আধাৰত, যি আঠটা কোম্পানীৰ হিচাপ পৰীক্ষা সমিতি গঠন কৰাৰ প্ৰয়োজন আছিল, তাৰ ভিতৰত ***সাৰণী 1.3.6***-ত দেখুওৱাৰ ধৰনে ছয়টা কোম্পানীয়ে 2021-22 বৰ্ষত হিচাপ পৰীক্ষা সমিতি গঠন কৰিছিল।

সাৰণী 1.3.6: 2021-22 বৰ্ষত হিচাপ পৰীক্ষা সমিতি গঠনৰ স্থিতি

ক্ৰমিক নং	কোম্পানী	হিচাপ পৰীক্ষা সমিতিৰ (এ চি) সদস্যৰ সংখ্যা	হিচাপ পৰীক্ষা কমিটিৰ স্বতন্ত্ৰ সঞ্চালকৰ সংখ্যা		প্ৰযোজ্য কৰা মানদণ্ড
			প্ৰয়োজনীয়	প্ৰকৃত	
1	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	3	2	2	ঋণ, শ্বেয়াৰ মূলধন আৰু টাৰ্ণঅ'ভাৰ
2	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড	4	2	3	ঋণ, শ্বেয়াৰ মূলধন আৰু টাৰ্ণঅ'ভাৰ
3	অসম শক্তি উৎপাদন নিগম লিমিটেড	3	2	2	ঋণ, শ্বেয়াৰ মূলধন আৰু টাৰ্ণঅ'ভাৰ
4	অসম পেট্ৰো-কেমিকেলছ্ লিমিটেড	3	2	2	ঋণ, শ্বেয়াৰ মূলধন আৰু টাৰ্ণঅ'ভাৰ
5	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনার্জি কোম্পানী লিমিটেড	3	2	--	শ্বেয়াৰ মূলধন
6	অসম চাহ নিগম লিমিটেড	গঠন হোৱা নাই	2	--	ঋণ আৰু শ্বেয়াৰ মূলধন
7	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	3	2	1	শ্বেয়াৰ মূলধন
8	অসম বাণিজ্য প্ৰচাৰ সংস্থা	গঠন হোৱা নাই	--[57]	--	শ্বেয়াৰ মূলধন

উৎস : কোম্পানীৰ দ্বাৰা প্ৰদান কৰা তথ্য

সাৰণী 1.3.6-ৰ পৰা দেখা যায় যে, তিনিওটা শক্তি খণ্ডৰ[58] কোম্পানীয়ে হিচাপ পৰীক্ষাৰ সমিতিত স্বতন্ত্ৰ সঞ্চালক গঠন আৰু গাঁথনি সম্পৰ্কীয় ব্যৱস্থাবোৰ পালন কৰিছে। লগতে, হিচাপ পৰীক্ষা সমিটি গঠন কৰাৰ কোনো আইনী বাধ্যবাধকতাৰ অধীনত নথকা তিনিটা ব্যক্তিগত সীমিত কোম্পানী/ যুটীয়া উদ্যোগেও[59] 2021-22 বৰ্ষত হিচাপ পৰীক্ষা সমিতিও গঠন কৰিছিল, যি তেওঁলোকৰ ফালৰ পৰা ভাল কৰ্পোৰেট প্ৰশাসনৰ এক ভঙ্গী সূচায়।

[57] ধাৰা 8 ৰ কোম্পানীসমূহৰ বাবে প্ৰযোজ্য নহয় স্বতন্ত্ৰ সঞ্চালকৰ ব্যৱস্থা।

[58] অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম শক্তি উৎপাদন নিগম লিমিটেড।

[59] অসম গেছ কোম্পানী লিমিটেড, অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড আৰু ডি এন পি লিমিটেড।

1.3.8.2 মনোনয়ন আৰু পাৰিশ্ৰমিক সমিতি

কোম্পানী বিধি, 2014-ৰ বিধি-6 (ব'ৰ্ডৰ বৈঠক আৰু ইয়াৰ ক্ষমতাসমূহ) অনুসৰি তালিকাভুক্ত কোম্পানীবোৰৰ বাহিৰে, আন প্ৰতিটো ৰাজহুৱা কোম্পানীয়ে যাৰ 10 কোটি টকা বা ততোধিক টকাৰ পৰিশোধ কৰা শ্বেয়াৰ মূলধন আছে; 100 কোটি টকা বা ততোধিক টকাৰ টাৰ্ণঅ'ভাৰ আৰু শেহতীয়া হিচাপ পৰীক্ষা কৰা বিত্তীয় বিৱৰণ অনুসৰি 50 কোটি টকা বা ততোধিক টকাৰ বকেয়া ঋণ বা ধাৰ বা ঋণপত্ৰ বা জমা আছে, সেইবোৰে মনোনয়ন আৰু পাৰিশ্ৰমিক (এন এণ্ড আৰ) সমিতি গঠন কৰাৰ প্ৰয়োজন। লগতে, কোম্পানী আইন, 2013-ৰ ধাৰা 178(1) অনুসৰি, এন এণ্ড আৰ সমিতিত তিনি বা ততোধিক অ-কাৰ্যবাহী সঞ্চালক থাকিব য'ত স্বতন্ত্ৰ সঞ্চালকৰ সংখ্যা আধাতকৈ কম হ'ব নালাগিব।

ওপৰোক্ত চৰ্তৰ প্ৰযোজ্য আঠটা কোম্পানীৰ ভিতৰত, 2021-22 বৰ্ষত ***সাৰণী 1.3.7***-ত দেখুওৱাৰ দৰে, তিনিটা কোম্পানীয়ে এই সমিতি গঠন কৰা নাছিল।

সাৰণী 1.3.7: পাৰিশ্ৰমিক সমিতি গঠনৰ স্থিতি

ক্ৰমিক নং	কোম্পানী	প্ৰযোজ্য কৰা মানদণ্ড	সদস্যৰ সংখ্যা
1	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	ঋণ, শ্বেয়াৰ মূলধন, টাৰ্ণঅ'ভাৰ	3
2	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড	ঋণ, শ্বেয়াৰ মূলধন, টাৰ্ণঅ'ভাৰ	2
3	অসম শক্তি উৎপাদন নিগম লিমিটেড	ঋণ, শ্বেয়াৰ মূলধন, টাৰ্ণঅ'ভাৰ	3
4	ডি এন পি লিমিটেড	শ্বেয়াৰ মূলধন, টাৰ্ণঅ'ভাৰ	3
5	অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেড	শ্বেয়াৰ মূলধন	গঠন হোৱা নাই
6	অসম পেট্ৰো-কেমিকেলছ্ লিমিটেড	ঋণ, শ্বেয়াৰ মূলধন, টাৰ্ণঅ'ভাৰ	3
7	অসম চাহ নিগম লিমিটেড	ঋণ, শ্বেয়াৰ মূলধন	গঠন হোৱা নাই
8	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	শ্বেয়াৰ মূলধন	গঠন হোৱা নাই

উৎস : কোম্পানীৰ দ্বাৰা প্ৰদান কৰা তথ্য

লগতে, এটা কোম্পানী (যেনে অসম গেছ কোম্পানী লিমিটেড), যি এটা ব্যক্তিগত সীমিত কোম্পানী হোৱা বাবে ওপৰোক্ত সমিতিখন গঠন কৰাৰ প্ৰয়োজন নাছিল, স্বেচ্ছাই চাৰিজন সদস্যৰে সমিতিখন গঠন কৰিছিল।

1.3.8.3 অংশীদাৰ সম্পৰ্কৰক্ষী সমিতি

আইনখনৰ ধাৰা 178(5) অনুসৰি, বিত্তীয় বৰ্ষত যিকোনো সময়তে এক হাজাৰতকৈ অধিক শ্বেয়াৰহোল্ডাৰ, ঋণপত্ৰ ধাৰক, জমা ধাৰক আৰু আন যিকোনো সুৰক্ষা ধাৰকৰে গঠিত কোম্পানী এটাৰ বোৰ্ডে এনে এগৰাকী অধ্যক্ষক লৈ এক অংশীদাৰ সম্পৰ্কৰক্ষী সমিতি গঠন কৰিব যিগৰাকী এজন অ-কাৰ্যবাহী সঞ্চালক হ'ব আৰু এনে আন সদস্য হ'ব যিটো বোৰ্ডে সিদ্ধান্ত ল'ব পাৰে।

ওপৰত উল্লেখ কৰা চৰ্তৰ ওপৰত আধাৰিত কৰি, কোনো কোম্পানীয়ে অংশীদাৰ সম্পৰ্কৰক্ষী সমিতি গঠন কৰাৰ প্ৰয়োজন নাছিল। এটা কোম্পানীয়ে (অসম পেট্ৰ'-কেমিকেলছ লিমিটেড) যদিও ওপৰোক্ত ব্যৱস্থাবোৰৰ অধীনত অন্তৰ্ভুক্ত নহয়, ইয়াৰ 368 জন শ্বেয়াৰহোল্ডাৰৰ অভিযোগ চোৱাচিতা কৰিবলৈ স্বেচ্ছাই অংশীদাৰ সম্পৰ্কৰক্ষী সমিতি গঠন কৰিছিল।

1.3.9 অন্যান্য বিধিবদ্ধ প্রয়োজনীয়তাসমূহ

1.3.9.1 বার্ষিক ৰিটার্ণ

আইনখনৰ ধাৰা 92 অনুসৰি, প্রতিটো কোম্পানীয়ে, নির্ধাৰিত প্র-পত্রত থকা নির্ধাৰিত বিষয়বোৰৰ ওপৰত বিভিন্ন তথ্য অন্তর্ভুক্ত কৰি, বিত্তীয় বর্ষৰ অন্তিম বিৱৰণবোৰৰ সৈতে বার্ষিক ৰিটার্ণ প্রস্তুত কৰিব লাগে। নির্ধাৰিত কৰা ধৰণে বার্ষিক ৰিটার্ণৰ এটা সংক্ষিপ্ত ব'র্ডৰ প্রতিবেদনৰ অংশ হ'ব। বার্ষিক সাধাৰণ সভা অনুষ্ঠিত হোৱা তাৰিখৰ 60 দিনৰ ভিতৰত বা য'ত বছৰত কোনো বার্ষিক সাধাৰণ সভা (এ জি এম) অনুষ্ঠিত হোৱা নাছিল, নির্দিষ্ট কৰা এনে কোনো মাচুল বা অতিৰিক্ত মাচুলৰ সৈতে এ জি এম অনুষ্ঠিত নকৰাৰ নির্দিষ্ট বিবৃতিৰ সৈতে এ জি এম অনুষ্ঠিত হ'বলগীয়া তাৰিখৰ পৰা 60 দিনৰ ভিতৰত কোম্পানী পঞ্জীয়কৰ (আৰ অ' চি) ওচৰত বার্ষিক ৰিটার্ণৰ এটা প্রতিলিপি দাখিল কৰিব লাগিব।

32 টা কর্মৰত কোম্পানীৰ ভিতৰত 30[60] টাই প্রদান কৰা তথ্য অনুসৰি, 7 টা কোম্পানীয়ে[61] 2021-22 বর্ষৰ বাবে বার্ষিক ৰিটার্ণ দাখিল কৰিছিল। বাকী 23 টা কোম্পানীৰ ক্ষেত্রত, ***সাৰণী 1.3.8***-ত বিৱৰণ অনুসৰি বার্ষিক ৰিটার্ণ দাখিল কৰাৰ ক্ষেত্রত একৰ পৰা 17 বছৰ বকেয়া আছিল।

সাৰণী 1.3.8: এচ পি এচ ই-ৰ দ্বাৰা বার্ষিক ৰিটার্ণ দাখিল কৰাত বকেয়াৰ স্থিতি

ক্রমিক নং	এচ পি এচ ই-ৰ নাম	বার্ষিক ৰিটার্ণ	
		কোন বর্ষ পর্যন্ত দাখিল কৰা হৈছে	বকেয়া (বছৰ)
1	অসম বাণিজ্য প্রচাৰ সংস্থা লিমিটেড	2020-21	1
2	অসম শক্তি উৎপাদন নিগম লিমিটেড	2020-21	1
3	অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড	2019-20	1
4	অসম ইলেকট্রনিক্স ডেভেলপ্‌মেন্ট নিগম লিমিটেড	2019-20	2
5	অসম খনিজ উন্নয়ন নিগম লিমিটেড	2019-20	2
6	অশোক কাগজ কল (অসম) লিমিটেড	2019-20	2
7	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেড	2019-20	2
8	এমট্রন ইনফর্মেটিক্স (ইণ্ডিয়া) লিমিটেড	2019-20	2
9	অসম শক্তি বিতৰণ কোম্পানী লিমিটেড	2020-21	1
10	অসম হাইড্র'কার্বন এণ্ড এনার্জি কোম্পানী লিমিটেড	2020-21	1
11	অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্রেণী উন্নয়ন নিগম লিমিটেড	2019-20	2
12	অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম লিমিটেড	2019-20	2
13	অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড	2019-20	2
14	অসম পর্যটন উন্নয়ন নিগম লিমিটেড	2019-20	2
15	অসম আৰক্ষী গৃহ নির্মাণ নিগমলিমিটেড	2019-20	2
16	অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	2018-19	3
17	অসম চাহ নিগম লিমিটেড	2017-18	4
18	অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম লিমিটেড	2016-17	5
19	অসম মীন উন্নয়ন নিগম লিমিটেড	2015-16	6

[60] দুটা কোম্পানীয়ে (অসম বৃক্ষৰোপন শস্য উন্নয়ন নিগম লিমিটেড আৰু অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেডে) বার্ষিক ৰিটার্ণ দাখিল কৰাৰ প্রকৃত তাৰিখৰ তথ্য প্রদান কৰা নাছিল।

[61] 1.অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, 2.অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড, 3.অসম পেট্র'-কেমিকেলছ লিমিটেড, 4.অসম গেছ কোম্পানী লিমিটেড, 5.ডি এন পি লিমিটেড, 6.পূর্বা ভাৰতী গেছ প্রাইভেট লিমিটেড আৰু 7.অসম ৰাজ্যিক চলচিত্র ফিল্ম (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেড।

ক্রমিক নং	এচ পি এচ ই-ৰ নাম	ৰাৰ্ষিক ৰিটাৰ্ণ	
		কোন বর্ষ পর্যন্ত দাখিল কৰা হৈছে	বকেয়া (বছৰ)
20	অসম বীজ নিগম লিমিটেড	2019-20	2
21	অসম পার্বত্য ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম লিমিটেড	2008-09	13
22	অসম গভর্ণমেন্ট মার্কেটিং কর্পোৰেচন লিমিটেড	2008-09	13
23	অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড	2004-05	17

উৎস :এচ পি এচ ই-ৰ দ্বাৰা প্রদান কৰা তথ্য

লগতে, 24 টা কোম্পানীয়ে ***সাৰণী 1.3.9***-ত বিৱৰণ দিয়া অনুসৰি নির্ধাৰিত সময়সীমাতকৈ 13 ৰ পৰা 1,532 দিনলৈকে[62] বিলম্বৰ সৈতে 88 বাৰ তেওঁলোকৰ বার্ষিক ৰিটার্ণ পলমকৈ দাখিল কৰিছিল।

সাৰণী 1.3.9 : কোম্পানীৰ দ্বাৰা বার্ষিক ৰিটার্ণ দাখিল কৰাত বিলম্বৰ পৰিসৰ

ক্রমিক নং	কোম্পানীৰ নাম	শেহতীয়া ৰিটার্ণ	পলমকৈ দাখিল কৰা ৰিটার্ণৰ সংখ্যা	বিলম্বৰ পৰিসৰ
1	অসম বিদ্যুৎ সংবহন নিগম লিমিটেড	2021-22	6	21 ৰ পৰা 881 লৈ
2	অসম গেছ কোম্পানী লিমিটেড	2021-22	1	27
3	অসম বাণিজ্য প্রচাৰ সংস্থা লিমিটেড	2021-22	5	13 ৰ পৰা 1177 লৈ
4	ডি এন পি লিমিটেড	2021-22	1	20
হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে হাউচফেডে (এপ্রিল 2021 ৰ পৰা মার্চ 2022 লৈ) কামসমূহ সম্পাদন কৰাৰ বাবে এফ এচ চি-ক 51.03 কোটি টকা পৰিশোধ মুকলি কৰিছিল, যাৰ বিপৰীতে শ্ৰমিক উপকৰৰ বাবে 0.51 কোটি টকা পৰিমাণ পুনৰুদ্ধাৰ যোগ্য আছিল। অৱশ্যে, হাউচফেডে এফ এচ চি-ৰ বিলৰ পৰা উপকৰৰ পৰিমাণ (0.51 কোটি টকা) কৰ্তন কৰা নাছিল বা ইয়াৰ নিজা সম্পদৰ পৰা উপকৰ কৰ্তৃপক্ষৰ ওচৰত জমা কৰা নাছিল। সেয়েহে, উপকৰ কৰ্তন/জমা নকৰাৰ দ্বাৰা, হাউচফেডে কেৱল ৰাজ্যিক কোষাগাৰৰ ক্ষতি সাধন কৰা প্ৰযোজ্য নিয়মসমূহ উলংঘা কৰাই নহয় ঠিকাদাৰক অযথা লাভালাভো প্ৰদান কৰে।

হাউচফেডে পৰ্যবেক্ষণটো গ্ৰহণ কৰিছিল আৰু এফ এচ চি-ৰ পৰৱৰ্তী বিলৰ পৰা উপকৰৰ পৰিমাণ পুনৰুদ্ধাৰ কৰাৰ আশ্বাস দিছিল।

2.1.10 বিত্তীয় ব্যৱস্থাপনা

2.1.10.1 তাৎক্ষণিক প্ৰয়োজনীয়তা অবিহনে আচঁনি পুঁজি আহৰণ কৰা (মৈত্ৰী চ'চাইটি)

অসম বিত্তীয় নিয়মৰ নিয়ম 62 আৰু 63 ৰ সৈতে পথিতব্য অসম কোষাগাৰৰ নিয়ম আৰু সহায়ক আদেশ (নিয়ম 16) ত কোৱা হৈছে যে তাৎক্ষণিক বিতৰণৰ বাবে প্ৰয়োজন নোহোৱালৈকে কোষাগাৰৰ পৰা কোনো ধন সংগ্ৰহ কৰা নহ'ব। গৃহ আৰু ৰাজনৈতিক বিভাগ, অসম চৰকাৰৰ দ্বাৰা জাৰী কৰা আদেশ (4 অক্টোবৰ 2018) অনুসৰি, পূৰ্বতে মোকলাই দিয়াৰ বিপৰীতে কাৰ্যকৰী সংস্থাসমূহে দাখিল কৰা প্ৰকৃত প্ৰয়োজনীয়তা/ ব্যৱহাৰ প্ৰমাণ-পত্ৰ (ইউ চি) দাখিলৰ ওপৰত আধাৰিত কৰি চৰকাৰী পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ বিপৰীতে পুঁজি কিস্তিত মঞ্জুৰ কৰিব লাগিব। ***সাৰণী 2.1.8***-ত প্ৰকৃততে ৰোকড় বহী অনুসৰি ব্যৱহাৰ কৰা পুঁজিৰ বছৰ অনুসৰি বিৱৰণ দেখুওৱা হৈছে আৰু ইউ চি-সমূহত 'ব্যৱহৃত' বুলি প্ৰতিবেদন দিয়া হৈছে।

সাৰণী 2.1.8: পুঁজিৰ ব্যৱহাৰৰ বিৱৰণ

(কোটি টকাত)

বছৰ	আহৰণ কৰা পৰিমাণ	ইউ চি অনুসৰি ব্যৱহাৰ কৰা পৰিমাণ	ৰোকড় বহী অনুসৰি ব্যৱহৃত পৰিমাণ	ৰোকড় বহী অনুসৰি অব্যৱহৃত পৰিমাণ
2016-17	20.00	20.00	0.00	20.00
2017-18	125.00	125.00	16.85	128.15
2018-19	100.00	100.00	124.91	103.24
2019-20	12.61	12.09	2.20	113.65
2020-21	27.75	28.01	77.63	63.77
2021-22	120.00	ইউ চি দাখিল কৰা নাই	85.62	**98.15**
মুঠ	**405.36**	**285.10**	**-**	**-**

সাৰণী 2.1.8-ৰ পৰা দেখা যায়, 2016-22 বৰ্ষত মৈত্ৰী চ'চাইটিলৈ 405.36 কোটি টকা পৰিমাণ মুকলি কৰা হৈছিল। ৰোকড় বহীত লিপিবদ্ধ কৰা লেনদেন অনুসৰি, মার্চ 2022 লৈকে মৈত্ৰী চ'চাইটিৰ অব্যৱহৃত পৰিমাণ আছিল 98.15 কোটি টকা। হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে যদিও মৈত্ৰী চ'চাইটিৰ 2016-17 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ 20 কোটি টকাৰ পৰা 128.15 কোটি টকা ভিতৰত অব্যৱহৃত পৰিমাণ আছিল, মৈত্ৰী চ'চাইটিয়ে শূন্য বা নগণ্য অব্যৱহৃত পুঁজি উল্লেখ কৰা প্ৰতিটো অনুমোদনৰ বিপৰীতে অশুদ্ধ ইউ চি দাখিল কৰিছিল। ইয়াৰ ফলত চ'ছাইটীয়ে পূৰ্বৱৰ্তী কিস্তিৰ বিপৰীতে অসম চৰকাৰক দাখিল কৰা অশুদ্ধ ইউ চি-ৰ ওপৰত আধাৰিত কৰি আঁচনি পুঁজিৰ পৰৱৰ্তী কিস্তিসমূহ অনিয়মীয়াকৈ মুকলি কৰিবলৈ সক্ষম হৈছিল।

সামৰণি বৈঠকৰ সময়ত, মৈত্রী চ'চাইটিক প্রতিনিধিত্ব কৰা বিষয়াসকলে (জুলাই 2022) সংশ্লিষ্ট সময়ৰ ইউ চি-সমূহ পুনৰ পৰীক্ষা কৰাৰ আশ্বাস দিছিল।

2.1.11 হিচাপ পৰীক্ষাৰ উদাহৰণৰ ভিত্তিত পুনৰুদ্ধাৰ (এ পি এইচ চি এল)

হিচাপ পৰীক্ষাই 2016-17 বর্ষৰ পৰা 2019-20 বর্ষত বিভিন্ন ঠিকাদাৰৰ বিৰুদ্ধে 1.93 কোটি টকা কম পুনৰুদ্ধাৰ/ অতিৰিক্ত পৰিশোধৰ ঘটনাসমূহ আঙুলিয়াই দিছিল। ইয়াত অন্তর্ভুক্ত আছিল ঠিকাভিত্তিক চুক্তি উলংঘা কৰি ঠিকাদাৰসকলক অতিৰিক্ত পৰিশোধ, অগ্রহণযোগ্য বিভাগীয় মাচুলৰ বিপৰীতে পৰিশোধ আৰু ঠিকাদাৰে ব্যৱহাৰ কৰা বন সামগ্রীৰ বিপৰীতে বন ৰয়েলটিৰ কম পুনৰুদ্ধাৰ। এ পি এইচ চি এল-য়ে পর্যবেক্ষণবোৰ গ্রহণ কৰিছিল আৰু হিচাপ পৰীক্ষাৰ উদাহৰণৰ ভিত্তিত ***সাৰণী 2.1.9***-ত বিৱৰণ দিয়া ধৰণে 1.60 কোটি টকা পুনৰুদ্ধাৰ কৰিছিল।

সাৰণী 2.1.9

ক্ৰ. নং.	হিচাপ পৰীক্ষা পর্যবেক্ষণসমূহ	উদ্ধাৰ হোৱা পৰিমাণ (কোটি টকাত)
1	**অতিৰিক্ত পৰিশোধ** : এ পি এইচ চি এল-এ (জানুৱাৰী 2018) এজন ঠিকাদাৰক 1.56 কোটি টকাত নলবাৰী আৰক্ষী চকীৰ অসামৰিক কাম প্রদান কৰে। কামসমূহত অন্তর্ভুক্ত আছিল এটা সামগ্রী (যেনে যোগান, ফিটিং আৰু ফিক্সিং ইন পজিচন ৰিইনফর্চমেণ্ট বাৰ), যাক কামৰ বিভিন্ন উপাদানৰ বাবে বিভিন্ন হাৰত বিবেচনা কৰা হৈছিল, অর্থাৎ ভৱন নির্মাণৰ বাবে (প্রতি কুইন্টালত 1,545 টকা) আৰু সীমা বেৰ আৰু চেপ্টিক টেংকৰ বাবে (প্রতি কুইন্টলত 6,902 টকা)। অৱশ্যে, এ পি এইচ চি এল-য়ে ভৱন নির্মাণত ব্যৱহৃত সামগ্রীৰ (285.23 কুইণ্টল) বাবে পৰিশোধ (অক্টোবৰ 2019) কৰাৰ সময়ত উচ্চ হাৰ (প্রতি কুইন্টলত 6,902 টকা) বিবেচনা কৰিছিল যাৰ ফলত ঠিকাদাৰক অতিৰিক্ত পৰিশোধ কৰা হৈছিল।	0.19
2	**অতিৰিক্ত ব্যয়** : উত্তৰ লখিমপুৰ আৰক্ষী চকীৰ ক্ষেত্রত, চি এল চি বি[84]-ৰ বাবে সন্মত হাৰ আয়তন আধাৰত উপলব্ধ আছিল (প্রতি কিউ এম-ত 756 টকা)। অৱশ্যে, এ পি এইচ চি এল-য়ে এলেকাৰ আধাৰত এছ অ' আৰ হাৰত পৰিশোধৰ অনুমতি দিছিল যাৰ ফলত ঠিকাদাৰক অতিৰিক্ত পৰিশোধ কৰা হৈছিল।	0.05
3	**বন ৰয়েলটি পুনৰুদ্ধাৰ নকৰা** : হিচাপ পৰীক্ষাৰ দ্বাৰা পৰীক্ষা কৰা 20 টা আৰক্ষী চকী পৰীক্ষাৰ ভিতৰত ছয়খনত, এ পি এইচ চি এল-এ জুলাই 2015-ৰ পৰা কার্যকৰী হোৱা নতুন হাৰৰ পৰিৱর্তে পূর্ব-সংশোধিত হাৰত ফৰেষ্ট ৰয়েলটি কর্তন কৰিছিল। তদুপৰি, বাকী 14 খন আৰক্ষী চকীৰ ক্ষেত্রত, এ পি এইচ চি এল-য়ে অসম চৰকাৰলৈ ৰয়েলটিৰ পৰিমাণ প্রেৰণ নিশ্চিত কৰিবলৈ ঠিকাদাৰৰ দ্বাৰা নথিপত্র দাখিল নকৰা স্বত্বেও বন ৰয়েলটি কর্তন কৰা নাছিল যাৰ ফলত 0.18 কোটি টকা পৰিমাণলৈকে বন ৰয়েলটি কম পুনৰুদ্ধাৰ হৈছিল।	0.18
4	**অগ্রহণযোগ্য বিভাগীয় মাচুল** : আঁচনিৰ চর্তাৱলী অনুসৰি, এ পি এইচ চি এল পৰামর্শদাতাৰ মাচুলৰ বাহিৰে অসামৰিক আৰু বৈদ্যুতিক কামৰ অনুমোদিত ব্যয়ৰ 10 শতাংশ[85] হাৰত বিভাগীয় মাচুলৰ বাবে অধিকাৰপ্রাপ্ত আছিল। এ পি এইচ চি এল-য়ে সময়ে সময়ে আঁচনিৰ পুঁজিৰ পৰা বিভাগীয় মাচুল নিজৰ চলিত একাউণ্টলৈ স্থানান্তৰ কৰে। হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে বিভাগীয় মাচুল গণনা কৰোঁতে, এ পি এইচ চি-য়ে আঁচনিৰ চর্তাৱলীৰ বিপৰীতে অসামৰিক আৰু বৈদ্যুতিক কামৰ ব্যয়ৰ অংশ হিচাপে পৰামর্শ মাচুলৰ বাবে কৰা পৰিশোধ (2.63 কোটি টকা) বিবেচনা কৰিছিল। ইয়াৰ ফলত এ পি এইচ চি-ৰ দ্বাৰা আঁচনিৰ পুঁজিৰ পৰা 0.31 কোটি টকা[86] অতিৰিক্ত বিনিয়োগ হৈছে।	0.31
5	**ঠিকাদাৰক অযথা লাভালাভ প্রদান** : প্রথম পর্যায়ত 71 খন আৰক্ষী চকীত পৰামর্শ দাতাসকলে প্রথমে বাহ্যিক বৈদুতিকৰণ কামৰ বাবে ভুলকৈ প্রাক্কলন প্রস্তুত কৰিছিল আৰু ইউনিট ব্যয় 51,485 টকা	0.87

[84] চেলুলাৰ লঘু কংক্রিট ব্লক।

[85] এজেন্সীৰ চার্জ, কামৰ চার্জ আৰু কনটিংজেন্সি ক্রমে 7 শতাংশ, 2 শতাংশ আৰু 1 শতাংশ।

[86] পৰামর্শদাতা মাচুল (2.63 কোটি টকা) × বিভাগীয় চার্জ (10 শতাংশ) + 18 শতাংশ জি এচ টি।

ক্ৰ. নং.	হিচাপ পৰীক্ষা পৰ্যবেক্ষণসমূহ	উদ্ধাৰ হোৱা পৰিমাণ (কোটি টকাত)
	(যোগান ঃ 31,285 টকা যোগ স্থাপন ঃ 20,200 টকা) 'সৌৰ ষ্ট্ৰীট লাইট'ৰ পৰিৱৰ্তে ইউনিট ব্যয় 33,810 টকা (যোগান ঃ 31,285 টকা যোগ স্থাপন ঃ 2,525 টকা)ৰ বিপৰীতে 'সৌৰ শক্তি কেন্দ্ৰ' অন্তৰ্ভুক্ত কৰিছিল। ভুলটো অনুভৱ কৰাৰ পিছত, সামগ্ৰীৰ নাম সংশোধন কৰা হৈছিল (ডিচেম্বৰ 2017) আৰু 71 খন আৰক্ষী চকীৰ ভিতৰত কেৱল 3 খন আৰক্ষী চকী (হাফলং, হাইলাকান্দি আৰু উত্তৰ লখিমপুৰ আৰক্ষী চকী)ত হাৰ প্ৰতিটো লাইটত 33,810 টকালৈ সংশোধন কৰা হৈছিল। সেয়েহে, পৃথক হাৰৰ ফলত 1.20 কোটি টকা[87] অপ্ৰয়োজনীয় লাভালাভ হ'ল। এ পি এইচ চি এল-য়ে (জুন 2020) পৰ্যৱেক্ষণটো স্বীকাৰ কৰিছিল আৰু ইতিমধ্যে জুন 2022 লৈকে 0.87 কোটি টকা পুনৰুদ্ধাৰ কৰিছিল আৰু সংশ্লিষ্ট ঠিকাদাৰৰ পৰা বাকী থকা পৰিমাণ (0.33 কোটি টকা) পুনৰুদ্ধাৰ কৰাৰ আশ্বাস দিছিল।	

পৰামৰ্শ: *যিসকল বিষয়াই তেওঁলোকৰ নির্ধাৰিত কৰ্তব্য পালন কৰোঁতে কোনো নিয়ামক পৰীক্ষা কৰাত ব্যৰ্থ হৈছে তেওঁলোকৰ বিৰুদ্ধে দায়বদ্ধতা নির্ধাৰণ কৰিব পাৰে। তদুপৰি, ভৱিষ্যতে একে ধৰণৰ ত্ৰুটি পৰিহাৰ কৰিবলৈ আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰণালী শক্তিশালী কৰিব লাগে। হিচাপ পৰীক্ষাই আঁচনিখনৰ অধীনত সম্পাদন কৰা সকলো কামৰ সন্দৰ্ভত এ পি এইচ চি এল-ৰ দ্বাৰা একে ধৰণৰ সমীক্ষাৰ বাবেও পৰামৰ্শ আগবঢ়ায়।*

2.1.12 আভ্যন্তৰীণ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ (মৈত্ৰী চ'চাইটি)

চৰকাৰী পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ ৰূপায়ণত অৰ্থনীতি, দক্ষতা আৰু কাৰ্যকৰীতা নিশ্চিত কৰাৰ লগতে কাৰ্যবাহী সকলক অনিয়মীয়া কাৰ্যকলাপত লিপ্ত হোৱাত বাধা দিয়াৰ বাবে আভ্যন্তৰীণ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ পূৰ্বচর্ত। কামৰ মানদণ্ড আৰু প্ৰগতি মূল্যাঙ্কন কৰাৰ বাবে কামৰ নিৰীক্ষণ এক গুৰুত্বপূৰ্ণ আহিলা। ই সময়মতে প্ৰতিকাৰমূলক কাৰ্যৰ বাবে কামসমূহ সম্পাদনত সীমাবদ্ধতা সময়মতে চিনাক্ত কৰাত সহায় কৰে। যিহেতু, আঁচনিখন ৰূপায়নৰ ক্ষেত্ৰত একাধিক সংস্থা জড়িত আছিল, সেয়েহে আঁচনি ৰূপায়ণৰ সৈতে জড়িত বিভিন্ন সংস্থাসমূহৰ মাজত ফলপ্ৰসু সমন্বয় নিশ্চিত কৰাত মৈত্ৰী চ'চাইটিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আছিল। পুঁজি চেনেলাইজিং সংস্থা হিচাপে কাম কৰাৰ উপৰিও, মৈত্ৰী চ'চাইটিয়ে আঁচনিখনৰ সূচাৰুৰূপে ৰূপায়ণ নিশ্চিত কৰাৰ বাবে সময়ে সময়ে ই এ-সকলক প্ৰয়োজনীয় নির্দেশনা জাৰি কৰে।

মৈত্ৰী চ'চাইটিৰ দ্বাৰা আঁচনিৰ কামৰ নিৰীক্ষণ অত্যন্ত দুৰ্বল আছিল, যাৰ ফলত আঁচনিৰ কামৰ অগ্ৰগতি লেহেমীয়া হৈছিল। আৰু ফলস্বৰূপে অসম চৰকাৰে আঁচনিখন সম্পূৰ্ণ কৰিবলৈ চিন্তা কৰা পাঁচ বছৰৰ সময়সীমা মানি চলাত ব্যৰ্থ হৈছিল, যিটো তলত উল্লেখ কৰা কথাসমূহৰ পৰা স্পষ্ট হৈ পৰে।

- চ'চাইটীৰ উপধাৰা অনুসৰি, ইয়াৰ পৰিচালনা সমিতিয়ে কমেও বার্ষিক ভিত্তিত (*নিয়ম 5.3.1*) মিলিত হ'ব লাগিছিল আনহাতে ইয়াৰ কাৰ্যকৰী সমিতিয়ে মাহত কমেও এবাৰ (*নিয়ম 5.6.5*) মিলিত হ'ব লাগিছিল। দেখা গৈছিল যে চ'ছাইটীৰ পঞ্জীয়ন (মার্চ 2017) হোৱাৰ পিছত, পৰিচালনা সমিতিয়ে নিম্নতম নির্ধাৰিত ছয়খন সভাৰ বিপৰীতে (মার্চ 2022 লৈকে) কেৱল এবাৰ (12 জুলাই 2017) মিলিত হৈছিল। একে সময়তে, নির্ধাৰিত 62 খন বৈঠকৰ বিপৰীতে, কার্যবাহী সমিতিয়ে মে 2022 লৈকে মাত্ৰ 12 খন বৈঠক অনুষ্ঠিত কৰিছিল। পৰিচালনা সমিতি আৰু কার্যকৰী সমিতিৰ নিম্নতম প্ৰয়োজনীয় সভা অনুষ্ঠিত কৰাৰ অভাৱত চ'ছাইটীৰ নিৰীক্ষণ প্ৰণালী আৰু দৈনন্দিন কার্যকলাপৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল।

[87] 680 লাইট x (51,485 টকা - 33,810 টকা) = 1.20 কোটি টকা

- হাউচফেডে জাৰী কৰা কৰ্ম নির্দেশ অনুসৰি, প্রকল্প অভিযন্তাই বিভিন্ন সামগ্রী/ কামৰ মানদণ্ড নিয়ন্ত্রণ পৰীক্ষা কৰিব লাগিছিল আৰু যথাস্থানত প্রাসঙ্গিক নথি-পত্রসমূহ ৰাখিব লাগিছিল। হাউচফেডৰ দ্বাৰা আঁচনিৰ কামসমূহৰ ওপৰত কোনো মানদণ্ড নিয়ন্ত্রণ পৰীক্ষা কৰা নিশ্চিত কৰিবলৈ নথি-পত্রত কোনো প্রমাণ পোৱা নগ'ল।
- চিমেণ্টৰ তীখা, মর্টাৰ আৰু ৰাসায়নিক বিশ্লেষণ আদিৰ পৰীক্ষাৰ ক্ষেত্রত কোনো কার্যবাহী সংস্থাৰ কোনো সুবিধা নাছিল। সেয়েহে, সকলো ধৰণৰ মানদণ্ড নিয়ন্ত্রণ পৰীক্ষাৰ বাবে কার্যবাহী সংস্থাৰ মানদণ্ড নিয়ন্ত্রণ প্রণালী সম্পূর্ণৰূপে ব্যক্তিগত পৰীক্ষাগাৰ/ প্রতিষ্ঠানৰ ওপৰত নির্ভৰশীল আছিল।

2.1.12.1 আচঁনিৰ অধীনত অন্তর্ভুক্ত নমুনা সংগ্রহ কৰা আৰক্ষী চকীৰ কায়িক প্রমাণীকৰণ

অসামৰিক কামৰ সৈতে সম্পর্কিত অংকন অনুসৰি, আৰক্ষী চকী ভৱনসমূহত অভ্যর্থনা কোঠা, বেতাঁৰ আৰু যোগাযোগ কোঠা, ৰেকর্ড ৰুম, বেৰেক, জেৰা কৰা কোঠা, পুৰুষ আৰু মহিলাৰ বাবে পৃথক বিশ্রাম কোঠা, মহিলাৰ বাবে পৃথক শৌচাগাৰ, স্বাস্থ্যসন্মত ল'কআপ, পাকঘৰৰ সৈতে কেণ্টিন আদিৰ সুবিধা অন্তর্ভুক্ত থাকিব লাগে।

হিচাপ পৰীক্ষা দলে আঁচনিখনৰ অধীনত নির্মাণ কৰা 119 খন আৰক্ষী চকীৰ ভিতৰত 31 খন আৰক্ষী চকী[88] (23 খন সম্পূর্ণ আৰু 8 খন চলি থকা) পৰিদর্শন কৰিছিল। কায়িক প্রমাণীকৰণৰ সময়ত, নিম্নলিখিত অভাৱবোৰ লক্ষ্য কৰা হৈছিল:

- 31 খন আৰক্ষী চকীৰ ভিতৰত 21 খন আৰক্ষী চকীত বাসস্থান (যেনে শৌচাগাৰৰ সুবিধা থকা বেৰেক) উপলব্ধ নাছিল।
- নমুনাকৃত 31 খন আৰক্ষী চকীৰ কোনো এটাতে পাকঘৰৰ কোঠা থকা কোনো কেণ্টিন নাছিল।
- নমুনাকৃত 31 খন আৰক্ষী চকীৰ ভিতৰত 21 খন আৰক্ষী চকীত কোনো ৰেকর্ড কোঠা উপলব্ধ নাছিল।
- অস্ত্রাগাৰ কোঠা দুখন আৰক্ষী চকীত উপলব্ধ নাছিল (ক্ষেত্রী আৰু গড়চুক আৰক্ষী চকী)।

সামৰণি

পাঁচ বছৰৰ ভিতৰত (2017-18 ৰ পৰা 2021-22) 345 খন আৰক্ষী থানাত (আৰক্ষী চকী) আধুনিক আৰু নাগৰিক অনুকূল আন্তঃগাঁথনি সৃষ্টি কৰাৰ লক্ষ্যৰে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। আঁচনিখনৰ উদ্দেশ্য ব্যর্থ হৈছিল কিয়নো আঁচনিখনৰ প্রথম আৰু দ্বিতীয় পর্যায়ত গ্রহণ কৰা 119 খন আৰক্ষী চকীৰ ভিতৰত 48 খন জুন 2022 লৈকে অসম্পূর্ণ হৈ আছিল আনহাতে বাকী 226 আৰক্ষী চকীত আঁচনিৰ কাম এতিয়াও পৰিকল্পনা পর্যায়ত আছিল। তদুপৰি, আঁচনিখনৰ অধীনত পৰিকল্পনা কৰা 155 টা অন্যান্য কামৰ (100 টা বেৰেক আৰু 55 টা অন্যান্য আন্তঃগাঁথনি প্রকল্প) ভিতৰত, মাত্র 16 টা কাম (এটা বেৰেক আৰু 15 টা আন প্রকল্প) সম্পূর্ণ কৰিব পাৰিছিল (জুন 2022)। বাকী থকা 139 টা কামৰ ভিতৰত, 85 টা কাম (45 টা বেৰেক আৰু 40 টা অন্যান্য প্রকল্প) চলি আছিল (জুন 2022) আনহাতে বাকী 54 টা বেৰেকত কাম এতিয়ালৈকে আৰম্ভ কৰিব পৰা নাছিল (ছেপ্টেম্বৰ 2022)।

[88] 1) সোণাপুৰ 2) ক্ষেত্রী 3) জাগীৰোড 4) কলিয়াবৰ 5) ডেৰগাঁও 6) পুলিবৰ 7) টীয়ক 8) বোকাখাট 9) ঢেকীয়াজুলি 10) বশিষ্ঠ 11) গড়চুক 12) জালুকবাৰী 13) আজাৰা 14) পান বজাৰ 15) উত্তৰ গুৱাহাটী 16) হাজো 17) শুৱালকুছি 18) ওদালগুৰি 19) মঙ্গলদৈ 20) চাংসাৰি 21) মাণিকপুৰ 22) বঙাইগাঁও 23) কাজলগাঁও 24) সর্থেবাৰী 25) লক্ষিপুৰ 26) গোৱালপাৰা 27) অভয়াপুৰী 28) লংকা 29) হোজাই 30) দবকা 31) যোৰাবাট

ইয়াৰ উপৰিও, আঁচনি ৰূপায়নত বিভিন্ন অনিয়মৰ উদাহৰণ (যেনে নিবিদা প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ কাম প্ৰদান কৰা, ঠিকাদাৰৰ প্ৰমাণপত্ৰ/ কাৰ্যকৰী ক্ষমতা মূল্যাঙ্কন নকৰাকৈ একাধিক কাম প্ৰদান কৰা, ভৱিষ্যতৰ ত্ৰুটি দায়বদ্ধতাৰ বিৰুদ্ধে সুৰক্ষা প্ৰদানৰ বাবে কাৰ্যসম্পাদন আমানত/ আৱদ্ধ ধন সংগ্ৰহ নকৰা ইত্যাদি) সমূহো লক্ষ্য কৰা হৈছিল যিয়ে কাৰ্যকৰী সংস্থাসমূহৰ দ্বাৰা দুৰ্বল চুক্তি ব্যৱস্থাপনাকে সূচায়।

অসম চৰকাৰৰ বাজেট নিয়ন্ত্ৰণ প্ৰণালীৰ অভাৱ আছিল কিয়নো অসম চৰকাৰে পুঁজিৰ প্ৰকৃত প্ৰয়োজনীয়তা মূল্যাঙ্কন নকৰাকৈ, অশুদ্ধ ব্যৱহাৰ প্ৰমাণপত্ৰৰ ওপৰত আধাৰিত কৰি মৈত্ৰী চ'চাইটিলৈ আঁচনিৰ পুঁজি মুকলি কৰিছিল। ফলস্বৰূপে, গুৰুত্বপূৰ্ণ চৰকাৰী ধন/ আঁচনি পুঁজি অনিয়মীয়াভাৱে মৈত্ৰী চ'চাইটি/ কাৰ্যবাহী সংস্থাৰ সৈতে দীঘলীয়া সময়ৰ বাবে বাজেট প্ৰক্ৰিয়াৰ বাহিৰত আছিল।

পৰামৰ্শসমূহ

অসম চৰকাৰ/ মৈত্ৰী চ'চাইটি বিবেচনা কৰিব পাৰে:

- *স্বচ্ছ আৰু কাৰ্যকৰী চুক্তি ব্যৱস্থাপনা নিশ্চিত কৰাৰ বাবে 50 লাখ টকা বা তাতকৈ অধিক মূল্যৰ সকলো ৰাজ্যিক পৃষ্ঠপোষকতা আঁচনিৰ কাম প্ৰদানৰ বাবে ই-টেণ্ডাৰিং প্ৰক্ৰিয়া কঠোৰভাৱে অনুসৰণ কৰা;*
- *অৰ্থনতিক লাভালাভ আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে কামসমূহ নিষ্পাদনৰ সকলো প্ৰযোজ্য আইন, নিয়ম, হাতপুথি, নিৰ্দেশনা আদিৰ মানসম্পন্ন বিধানসমূহ অনুসৰণ কৰাটো নিশ্চিত কৰা;*
- *প্ৰকৃত প্ৰয়োজনীয়তাৰ ওপৰত আধাৰিত কৰি আৰু পূৰ্বৱৰ্তী কিস্তিৰ ব্যৱহাৰ প্ৰমাণপত্ৰৰ প্ৰমাণীকৰণৰ পিছত আঁচনিৰ পুঁজি মুকলি কৰা।*

অসম শক্তি উৎপাদন নিগম লিমিটেড

2.2 শক্তি প্রকল্প নির্মাণ

2.2.1 পাতনি

অসমত বিদ্যুৎ উৎপাদনৰ বাবে অসম শক্তি উৎপাদন নিগম লিমিটেডে (কোম্পানী / এ পি জি চি এল) অসম চৰকাৰৰ শক্তি বিভাগৰ অধীনত কার্যনির্বাহ কৰে। কোম্পানীৰ 1 এপ্রিল 2017 পর্যন্ত 361.70 মেগাৱাট শক্তি ক্ষমতা সম্পন্ন তিনিটা প্ল্যান্ট আছিল। বিগত 2017-18 ৰ পৰা 2021-22 লৈ কোম্পানীয়ে 181.66 মেগাৱাট শক্তি ধাৰণ ক্ষমতাৰ তিনিটা নতুন প্রকল্পৰ কমিছন কৰে। সংশ্লিষ্ট সময়ছোৱাত কোম্পানীয়ে পুৰণা হোৱাৰ হোৱাৰ বাবে 123.50 মেগাৱাট ধাৰণ ক্ষমতাৰ উদ্যোগসমূহ ডি কমিচন / ডি ৰেটিং কৰে আৰু নতুন প্রকল্প স্থাপন কৰে। বিগত 31 মার্চ 2022 পর্যন্ত কোম্পানীৰ ***সাৰণী 2.2.1*** ত দেখুওৱা ধৰণে মুঠ 419.86 মেগাৱাট উৎপাদন ক্ষমতাৰ ছয়টা প্রকল্প চলি আছে।

সাৰণী 2.2.1: 31 **মার্চ** 2022 **পর্যন্ত উৎপাদন ক্ষমতা**

প্রকল্প	কমিছন বর্ষ	সংস্থাপন ক্ষমতা (এম ডব্লিউ)	সংস্থাপিত গোটৰ সংখ্যা	বর্তমান চলি থকা গোট	উৎপাদন ক্ষমতা বর্তমান (এম ডব্লিউ)
চলি থকা প্রকল্প					
নামৰূপ থার্মেল পাৱাৰ ষ্টেচন (এন টি পি এচ)	1965	119.50	6	3	41.00
লাকুৱা থার্মেল পাৱাৰ ষ্টেচন (এল টি পি এচ)	1981	142.20	8	4	97.20
কার্বি-লাংপী হাইদ্র' ইলেকট্রিক প্রজেক্ট (কে এল এইচ ই পি)	2007	100.00	2	2	100.00
চলি থকা প্রকল্পৰ মুঠ		*361.70*	*16*	*9*	*238.20*
নতুন প্রকল্প					
লাকুৱা ৰিপ্লেচমেন্ট পাৱাৰ প্রজেক্ট (এল আৰ পি পি)	2018	69.76	7	7	69.76
নামৰূপ ৰিপ্লেচমেন্ট পাৱাৰ প্রজেক্ট (এন আৰ পি পি)	2021	98.40	2	2	98.40
মাইন্ট্রিয়াং স্মল হাইদ্র' ইলেকট্রিক প্রজেক্ট (এম এচ এইচ ই পি)	2022	13.50	6	6	13.50
নতুন প্লান্টৰ মুঠ		*181.66*	*15*	*15*	*181.66*
সর্ব্ব মুঠ		**543.36**	**31**	**24**	**419.86**

কোম্পানীয়ে 2017-18 ৰ পৰা 2021-22 লৈ সময়ছোৱাত হাতত লোৱা পাঁচটা শক্তি প্রকল্পৰ ভিতৰত তিনিটা প্রকল্প সম্পূর্ণ হৈছে আনহাতে ***সাৰণী 2.2.2*** ত দেখুওৱা ধৰণে দুটা প্রকল্পৰ কাম চলি আছে।

সাৰণী 2.2.2: নতুন শক্তি প্ৰকল্পৰ স্থিতি

প্ৰকল্পৰ নাম	পৰিকল্পিত ক্ষমতা (মেগাৱাট)	কাম আৰম্ভন দিয়া তাৰিখ	আৱন্টিত মূল্য (কোটি টকাত)	সম্পূৰ্ণ কৰাৰ নিৰ্দ্ধাৰিত তাৰিখ	আৰম্ভ কৰাৰ তাৰিখ
লাকুৱা ৰিপ্লেচমেন্ট পাৱাৰ প্লান্ট (এল আৰ পি পি)	69.76	ডিচেম্বৰ 2015	231.84	মাৰ্চ 2018	এপ্ৰিল 2018
নামৰূপ ৰিপ্লেচমেন্ট পাৱাৰ প্ৰজেক্ট (এন আৰ পি পি)	98.40	ডিচেম্বৰ 2008	564.60	জানুৱাৰী 2012	জুলাই 2021
মাইক্ৰিয়াং স্মল হাইড্ৰ' ইলেকট্ৰিক প্ৰজেক্ট (এম এছ এইচ ই পি)	13.50	মাৰ্চ 2008	107.33	মাৰ্চ 2016	মাৰ্চ 2022
ল'ৱাৰ কপিলি হাইড্ৰ' ইলেক্ট্ৰিক প্ৰজেক্ট (এল কে এইচ ই পি)	120.00	আগষ্ট 2020	2188.56	মাৰ্চ 2025	চলি আছে
আমগুৰি চ'লাৰ প্ৰজেক্ট (এ এছ পি)	70.00	ডিচেম্বৰ 2019	300.00	ডিচেম্বৰ 2021	চলি আছে
মুঠ	**371.66**	**--**	**3392.33**	**--**	

সাৰণী 2.2.2 ৰ পৰা দেখা যায় যে 371.66 মেগাৱাট পৰিকল্পিত ক্ষমতাৰ পাঁচটা প্ৰকল্পৰ ভিতৰত তিনিটা প্ৰকল্প[89] (ক্ষমতা ঃ 181.66 মেগাৱাট) কমিছন কৰা হয় (মাৰ্চ 2022)। ইয়াৰ ভিতৰত তিনিটা প্ৰকল্প 2017-22 সময়ছোৱাত সম্পূৰ্ণ হয়, এটা প্ৰকল্প (এল আৰ পি পি) সময়মতে কমিছন কৰা হয় আৰু আনহাতে অন্য দুটা প্ৰকল্প কমিছন কৰোতে 6 বছৰ (এম এচ এইচ ই পি) আৰু 9 বছৰ (এন আৰ পি পি) সময় লয়।

তদুপৰি, অসম চৰকাৰে ছয়টা ক্ষুদ্ৰ হাইড্ৰ' প্ৰজেক্টৰ কাম ৰাজহুৱা ব্যক্তিগত অংশীদাৰীত হাতত লয় যাৰ ভিতৰত বৰ্তমানানলৈ মাত্ৰ এটা প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ (জুন 2022) বিপৰীতে অৱশিষ্ট পাঁচটা প্ৰকল্পৰ নিৰ্মাণ কাৰ্য ***দফা 2.2.6***ত বিতংভাৱে উল্লেখ কৰা অনুসৰি প্ৰত্যাহাৰ (এটা প্ৰকল্প) কৰা হৈছিল/ স্থগিত ৰখা হৈছিল (চাৰিটা প্ৰকল্প)।

2.2.2 হিচাপ পৰীক্ষাৰ উদ্দেশ্য, পৰিসৰ আৰু মাপকাঠি

হিচাপ পৰীক্ষাৰ কৰ্ম পদ্ধতিৰ ভিতৰত আছিল প্ৰকল্পটোৰ উৎপাদন বৃদ্ধিৰ ক্ষমতা আৰু লগতে তাৰ পৰিপালনৰ ক্ষেত্ৰত আৰ্থিক আৰু দক্ষতা নিৰ্ণয় কৰা। অসম চৰকাৰ আৰু কোম্পানীয়ে 2017-22 সময়ছোৱাত হাতত লোৱা সকলো শক্তি উৎপাদনকাৰী 11 টা[90] প্ৰকল্প হিচাপ পৰীক্ষাত সামৰি লোৱা হয়। হিচাপ পৰীক্ষাৰ কৰ্মপদ্ধতিত অসম চৰকাৰৰ শক্তি বিভাগ, কোম্পানীৰ কৰ্প'ৰেট কাৰ্যালয় আৰু ইয়াত উৎপাদন কেন্দ্ৰসমূহৰ নথিপত্ৰ পৰীক্ষা কৰিবলৈ লোৱা হয়।

বৰ্তমানৰ হিচাপ পৰীক্ষাৰ আদৰ্শ প্ৰমাণ হিচাপে বিচৰা হয় পৰিৱেশ আৰু বন বিভাগৰ পৰা শক্তি খণ্ডৰ প্ৰকল্প স্থাপনৰ বাবে লাভ কৰা অনুমতি পত্ৰ, সঞ্চালকৰ সভাৰ বক্তব্যৰ প্ৰতিলিপি, নিবিদাৰ নথিপত্ৰ, শক্তি প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ বাবে ঠিকাদাৰৰ সৈতে হোৱা চুক্তিপত্ৰ আদি।

[89] এল আৰ পি পি (69.76 মেগাৱাট) , এন আৰ পি পি (98.40 মেগাৱাট) আৰু এম এচ এইচ ই পি (13.50 মেগাৱাট)।
[90] 5 টা নতুন শক্তি প্ৰকল্প + 6 টা ক্ষুদ্ৰ হাইড্ৰ' প্ৰকল্প।

হিচাপ পৰীক্ষাৰ ফলাফলসমূহ

2017-18 ৰ পৰা 2021-22 লৈ সময়ছোৱাত নিৰ্মাণ কৰিবলৈ লোৱা শক্তি প্ৰকল্পসমূহৰ ক্ষেত্ৰত হিচাপ পৰীক্ষাত হোৱা প্ৰাপ্তিসমূহ তলত আলোচনা কৰা হ'ল:

2.2.3 লাকুৱা ৰিপ্লেচমেন্ট শক্তি প্ৰকল্প (এল আৰ পি পি)

2.2.3.1 আমদানীকৃত অতিৰিক্ত বস্তু যোগান

চলি থকা লাকুৱা থাৰ্মেল শক্তি আস্থান (এল টি পি এচ) সলনি কৰিবলৈ এচিয়ান ডেভেলপমেন্ট বেংকৰ অসম শক্তি খণ্ডত বিনিয়োগ আচঁনিৰ অধীনত 70 মেগাৱাটৰ লাকুৱা ৰিপ্লেচমেন্ট শক্তি প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছিল (জুন 2013)। এচিয়ান ডেভেলপমেন্ট বেংকৰ অনুমোদনৰ ভিত্তিত (জুলাই 2014) কোম্পানীয়ে নিবিদা আহ্বান কৰে (ডিচেম্বৰ 2014) আৰু ওৱাৰষ্টিলা ইণ্ডিয়া প্ৰাইভেট লিমিটেড (ডব্লিউ আই পি এল)ক 231.84 কোটি টকাত[91] মার্চ 2018 ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সময় নিৰ্দিষ্ট কৰি দি নক্সা, ইঞ্জিনিয়াৰিং, প্ৰস্তুতকৰণ, যোগান, গঠন, পৰীক্ষা কৰা আৰু কমিছন কৰা আদিৰ লগতে অসামৰিক আৰু পৰিপূৰক কামৰ বাবে আৱণ্টন (ডিচেম্বৰ 2015) দিয়ে। প্ৰকল্পটো 268.21 কোটি টাকাৰ চূড়ান্ত মূল্যত এপ্ৰিল 2018 ত কমিছন কৰা হয়।

কামৰ আদেশ (ডিচেম্বৰ 2015) অনুসৰি ডব্লিউ আই পি এল-ৰ কামৰ উদ্দেশ্যৰ ভিতৰত আছিল চলা আৰু ৰখা (অ' এণ্ড এম)ৰ বাবে আমদানীকৃত অতিৰিক্ত বস্তুৰ যোগান যাৰ ইউৰোমূল্য 19,36,618 টকা (13.17 কোটি টকা[92]ৰ সমান) যাক ছেপ্তেম্বৰ 2017 ৰ ভিতৰত যোগান ধৰিব লগা আছিল। হিচাপ পৰীক্ষাত লক্ষ্য কৰা যায় যে

- যদিও প্ৰকল্পটো কমিছন হোৱাৰ পূৰ্বে আমদানীকৃত অ' এণ্ড এম অতিৰিক্ত বস্তু যোগান ধৰাৰ বিপৰীতে সমুদায় ধন (ইউৰো 19,36,618 অৰ্থাৎ 13.17 কোটি টকা) আদায় দিছিল, হিচাপ পৰীক্ষাত মাথোঁ পৰীক্ষাৰ বাবে অতিৰিক্ত বস্তু যোগানৰ বাবদ তাৰ মূল্য 12,24,632 ইউৰো (8.33 কোটি টকাৰ সমান)ৰ জাহাজত কঢ়িওৱা ৰছিদ দাখিল কৰিব পাৰিলে। এতেকে, অৱশিষ্ট অতিৰিক্ত বস্তুৰ (মূল্য 4.84 কোটি টকা) সমৰ্পনৰ বিষয়ে হিচাপ পৰীক্ষাত কোনো তথ্য পোৱা নগ'ল।
- ভাৰত চৰকাৰৰ অধিসূচনা (11 নৱেম্বৰ 1997) অনুসৰি, এ ডি বি-ৰ বিত্তীয় সাহায্যত ৰাজ্য চৰকাৰে ৰূপায়ন কৰিব লগা প্ৰকল্পৰ বাবে ভাৰতলৈ আমদানি হ'ব লগা সামগ্ৰীৰ ক্ষেত্ৰত প্ৰকল্প ৰূপায়ণ এজেন্সী/ ৰাজ্য চৰকাৰৰ পৰা পোৱা প্ৰয়োজনীয় প্ৰমাণ-পত্ৰৰ ভিত্তিত সীমা শুল্ক ৰেহাই পাবৰ যোগ্য। সেই অনুসাৰে, অসম চৰকাৰে উপৰোক্ত কামৰ বাবে এখন ৰেহাই প্ৰমাণ-পত্ৰ দাখিল কৰে (নৱেম্বৰ 2016)। যাহওঁক, দেখা যায় যে 'ডব্লিউ আই পি এল'ৰ মুকলি কৰা এজেন্টে দাখিল কৰা সীমাশুল্ক আদায় দিয়া ৰচিদৰ ভিত্তিত প্ৰকল্পটো কমিছন হোৱাৰ পিছত অতিৰিক্ত বস্তু যোগান ধৰাৰ বিনিময়ত সীমাশুল্ক হিচাপে 2.04 কোটি টকা কোম্পানীয়ে পৰিশোধ কৰে (মে' 2018-জুন 2021)।

উত্তৰত কোম্পানীয়ে কৈছিল যে (জানুৱাৰী 2023) যে অ' এণ্ড এম চুক্তি আৰু নিবিদাত থকা ব্যৱস্থাৱলী মতে এ পি জি চি এল সকলো কৰ বহন কৰিব লাগে আৰু সেয়েহে সীমাশুল্ক আদায় দিয়া হয়।

---

[91] আমদানিকৃত উপাদানৰ বাবে 2.0022 মিলিয়ন ইউৰো (নিবিদা দাখিল কৰাৰ সময়ত (7 মার্চ 2015) বিনিময় হাৰৰ ওপৰত ভিত্তি কৰি 136.20 কোটি টকাৰ সমতুল্য) আৰু অ-আমদানিকৃত উপাদানৰ বাবে 95.64 কোটি টকাৰে গঠিত।

[92] 7 মার্চ 2015 তাৰিখে দাখিল কৰা নিবিদাৰ নথিপত্ৰত উল্লেখ কৰা প্ৰতি ইউৰোত 68.0275 বিনিময় হাৰ বিবেচনা কৰি।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে এ ডি বি আচঁনিৰ অধীনত সম্পাদন কৰা কামৰ ক্ষেত্ৰত ইতিমধ্যে সীমাশুল্ক ৰেহাই দিয়া হৈছে। সেয়েহে কোম্পানীয়ে সীমাশুল্ক হিচাপে সেই ধনৰাশি পৰিশোধ/ আদায় দিয়া অনুচিত আছিল। যাহওঁক, সম্পূৰ্ণৰূপে জাহাজত কঢ়িওৱা ৰচিদ দাখিল নকৰা সন্দৰ্ভত হিচাপ পৰীক্ষাত বিচাৰ কৰাৰ বাবে দিয়া নাই।

পৰামৰ্শ: *যিহেতু এ ডি পি আচঁনিৰ অধীনত আমদানীকৃত অতিৰিক্ত বস্তুসমূহ প্ৰকল্পত ব্যৱহাৰৰ বাবে অনা হৈছিল, কোম্পানীয়ে সীমাশুল্কসমূহ ঘূৰাই দিয়াৰ ক্ষেত্ৰত বিষয়টো ভাৰত চৰকাৰক জনোৱা উচিত। তদুপৰি ভৱিষ্যতে ঠিকাদাৰক এনেধৰণৰ কোনো পৰিশোধ কৰিব নালাগে।*

2.2.4 নামৰূপ ৰিপ্লেচমেন্ট শক্তি প্ৰকল্প

2.2.4.1 চুক্তি বাতিল নকৰাত লোকচান

চলি থকা নামৰূপ থাৰ্মেল শক্তি প্ৰকল্প (এন টি পি এচ)ৰ স্থানত 100 মেগাৱাট নামৰূপ ৰিপ্লেচমেন্ট শক্তি প্ৰকল্পৰ কাম 693.93 কোটি টকাৰ[93] নিৰ্ধাৰিত খৰছত কৰাৰ কথা ভবা হৈছিল য'ত প্ৰধানকৈ অসম চৰকাৰৰ বিত্তীয় বৰঙণি (208.93 কোটি টকা[94]) আৰু শক্তি বিত্ত নিগম লিমিটেডৰ (পি এফ চি এল)ৰ পৰা (485 কোটি টকা) লোৱা হৈছিল। সেই অনুসাৰে কোম্পানীয়ে ভাৰত হেভী ইলেক্ট্ৰিকেলচ্ লিমিটেড (বি এইচ ই এল)ক 2012 চনৰ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ ইঞ্জিনিয়াৰিং, সংগ্ৰহ আৰু নিৰ্মাণৰ[95] দায়িত্ব দি পত্ৰ প্ৰেৰণ কৰে (31 ডিচেম্বৰ 2008)। প্ৰকল্পটো 887.09 কোটি টকাত[96] জুলাই 2021 ত কমিছন কৰা হয়। যিহেতু প্ৰকল্পটো বি এইচ ই এল-ৰ লেহেম গতি আৰু দুৰ্বল কাৰ্যসম্পাদনৰ বাবে নিৰ্মাণত বিলম্ব হৈছিল, কোম্পানীয়ে ক্ষতিৰ পৰিশোধৰ বাবে বি এইচ ই এল-ৰ পৰা 42.35 কোটি টকা দাবী আৰু আদায় কৰে (ডিচেম্বৰ 2021 ৰ পৰা জানুৱাৰী 2022 ৰ ভিতৰত)। এই ক্ষেত্ৰত তলত উল্লেখ কৰা ধৰণে নিৰীক্ষণ কৰা যায়:

- বি এইচ ই এল-ৰ লেহেম গতি কাৰ্যসম্পাদনৰ বিষয়ে কোম্পানী অৱগত আছিল আৰু দেখিছিল (জুলাই 2013) যে বি এইচ ই এল-এ নিয়োগ কৰা অন্যান্য ঠিকাদাৰসকলে কাম সম্পূৰ্ণ কৰাৰ নিৰ্ধাৰিত সময় (জানুৱাৰী 2012) উকলি যোৱাৰ পিছত অসামৰিক কাম মাথোঁ 29 শতাংশৰ পৰা 42 শতাংশহে আছিল। বি এইচ ই এল-ৰ ট্ৰেক ৰেকৰ্ড সন্তোষজনক নাছিল যিহেতু অন্য এটা প্ৰকল্প (এল টি পি এচ-ওৱেষ্ট হিট ৰিক'ভাৰী প্ৰজেক্ট)ৰ কাম পূৰ্বতে লাভ কৰা (ছেপ্তেম্বৰ 2006) দিনৰ পৰা সম্পূৰ্ণ কৰোতে বি এইচ ই এল-এ বিলম্ব ঘটাইছিল (চাৰে তিনিবছৰ)।
- যিহেতু প্ৰকল্পৰ কামত পি এফ চি এল-ৰ বিত্তীয় সাহায্য সুদঁত ঋণ হিচাপে লোৱা হৈছিল, কোম্পানীয়ে 262.84 কোটি টকা সুঁদ আদায়ৰ বাবে দায়বদ্ধ হৈছিল য'ত 183.50 কোটি টকা আছিল নিৰ্দ্ধাৰিত সময় পাৰ হৈ যোৱা কালছোৱাৰ বাবে (ফেব্ৰুৱাৰী 2012 ৰ পৰা জুলাই 2021)। এই অতিৰিক্ত সুঁদৰ (183.50 কোটি টকা) দায়বদ্ধতাই প্ৰকল্প নিৰ্মাণৰ খৰছ সেই পৰিমাণে বৃদ্ধি কৰিছিল।

---

[93] অসম চৰকাৰৰ ইকুইটি ঃ 198.81 কোটি টকা আৰু অসম চৰকাৰৰ ঋণ 10.12 কোটি টকা।

[94] চুক্তিবদ্ধ মূল্য 564.60 কোটি টকাত।

[95] 807.07 কোটি টকা চি অ' দি পৰ্যন্ত + 80.09 কোটি টকা পৰৱৰ্তী সময় 31 মাৰ্চ 2022 পৰ্যন্ত

[96] নতুন প্ৰকল্প এন আৰ পি পি (1951 কেল/ কে ডব্লিউ এইচ)ৰ বাবে প্ৰয়োজনতকৈ এন টি পি এছ-ৰ বাবে অধিক মাত্ৰাৰ তাপৰ প্ৰয়োজন (3900 কেল/ কে ডব্লিউ এইচ)।

- পুৰণি/ চলি থকা প্ৰকল্প (এন টি পি এচ) যাক ছটা গোটৰ (ক্ষমতা 119.50 মেগাৱাট) সৈতে 1965 ত কমিছন কৰা হৈছিল তাৰ নক্সা মতে জীৱনী শক্তি 1990 চনতেই পাৰ হৈছিল। প্ৰকল্পটো মাত্ৰাধিক ইন্ধন খৰছী[97] আছিল আৰু কোম্পানীয়ে নতুন এন আৰ পি পি কৃতকাৰ্যতাৰে সম্পূৰ্ণ কৰাৰ পিছত এন টি পি এছ-ৰ ছয়টা গোটৰ ভিতৰত চাৰিটা গোট (76 মেগাৱাট)ৰ কমিছন উঠাই লোৱাৰ পৰিকল্পনা কৰিছিল। এন আৰ পি পি কমিছন কৰাত বিলম্ব হোৱা হেতু কোম্পানীয়ে 2017-18 ৰ পৰা মাৰ্চ 2019-20 লৈ পাঁচটা ইউনিট[98] (ক্ষমতা ঃ 99.5 মেগাৱট)ৰে পুৰণি প্লাণ্ট চলাবলৈ বাধ্য হয়। পৰিকল্পিত ডি কমিচনিঙৰ বাহিৰেও ইউনিট সমূহৰ পৰিচালনাৰ ফলত 2017 চনৰ এপ্ৰিলৰ পৰা 2020ৰ মাৰ্চলৈকে[99] 39.71 কোটি টকা[100] মূল্যৰ 68.07 মিলিয়ন এছ চি এম প্ৰাকৃতিক গেছ অধিক খৰছ কৰিব লগা হয়।

ওপৰত উল্লেখ কৰা বাস্তৱ তথ্যৰ পৰা দেখা যায় যে প্ৰকল্পটো কমিছন কৰাত বিলম্ব হোৱা সময়ছোৱাত (ফেব্ৰুৱাৰী 2012 ৰ পৰা জুলাই 2021) কোম্পানীয়ে বহন কৰা খৰছ বি এইচ ই এলৰ ওপৰত ক্ষতিৰ পৰিশোধ হিচাপে আৰোপ কৰা পৰিমানতকৈ ভালেমান বেছি আছিল। এতেকে, কোম্পানীয়ে 2012-13 চনতেই বি এইচ ই এল-ৰ সৈতে চুক্তি বীতিল কৰিব লাগিছিল আৰু নিৰ্ধাৰিত পৰিসীমাত কাৰ্যসম্পাদন কৰিব পৰা বিকল্প আন কোনো এজেন্সীৰ লগত চুক্তি সম্পাদনেৰে প্ৰকল্পৰ কাৰ্যসম্পাদনৰ ক্ষেত্ৰত আগবাঢ়িব লাগিছিল।

উত্তৰত, কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে এই নিৰীক্ষণৰ বক্তব্য সন্দৰ্ভত তেওঁলোকে মনোযোগ দিছে আৰু ভৱিষ্যতে এনে বিলম্বসমূহৰ বাবে নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব।

যাহওঁক, সত্য কথাটো এই যে কোম্পানীয়ে বিলম্ব হোৱাৰ ক্ষেত্ৰত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল আৰু যেতিয়া প্ৰকল্প সম্পূৰ্ণ হোৱাৰ নিৰ্ধাৰিত সময় উকলি গৈছিল তেতিয়া বি এইচ ই এল-ৰ দ্বাৰা কাৰ্য সম্পাদনৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিছিল।

2.2.4.2 বি এইচ ই এল-ৰ ত্ৰুটিপূৰ্ণ কাৰিকৰী কৌশলৰ বাবে লোকচান

প্ৰকল্পটো নিৰ্মাণৰ সময়ত কোম্পানীয়ে লক্ষ্য কৰিছিল (জুন 2018) যে তাত ভালেমান ত্ৰুটি (চালৰ সুৰুঙা, ভঙা আদি) আছিল যিবোৰ চুইচ ইয়ার্ড নিয়ন্ত্ৰণ কোঠা ভৱনত আছিল আৰু কোম্পানীয়ে বি এইচ ই এল-ক অতি সোনকালে সেইবোৰ মেৰামতি কৰিবলৈ অনুৰোধ জনাইছিল। সেই ক্ষেত্ৰত বি এইচ ই এল-য়ে অপাৰগতা প্ৰকাশ কৰিছিল (জুলাই 2018) যিহেতু সেই স্থানত তেওঁলোকৰ অসামৰিক ঠিকাদাৰ নাছিল। তাৰ পিছত কোম্পানীয়ে বাধ্য হৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল (জুলাই 2019) যে ভৱনৰ ওপৰত টুবুলাৰ ট্ৰাচ ব্যৱহাৰ কৰি গেলভেনাইজড শ্বীটৰ দ্বাৰা এঢলীয়া চাল নিৰ্মাণ কৰিব আৰু তাৰ বাবে উইলকো ইণ্ডিয়া ইঞ্জিনিয়াৰিং (ডব্লিউ আই ই)ক অসম চৰকাৰে বিত্তৰ যোগান ধৰিব লগা সেই কামৰ ঠিকা 18.20 লাখ টকাত অৰ্পন কৰিছিল (18 নৱেম্বৰ 2020)। উইলকো ইণ্ডিয়া ইঞ্জিনিয়াৰিং-য়ে সেই কাম সম্পূৰ্ণ কৰে (15 মে' 2021) আৰু সেই হিচাপে আদায় দিব লগা ধন (18.20 লাখ টকা) মোকলাই দিয়ে (11 নৱেম্বৰ 2021)।

---

[97] নতুন প্ৰকল্প এন আৰ পি পি (1951 কেল/ কে ডব্লিউ এইচ)ৰ বাবে প্ৰয়োজনতকৈ এন টি পি এছ-ৰ বাবে অধিক মাত্ৰাৰ তাপৰ প্ৰয়োজন (3900 কেল/ কে ডব্লিউ এইচ)।

[98] গোট I (20 মেগাৱাট) এ 2017-18 সময়ছোৱাত শক্তি উৎপাদন কৰা নাছিল আৰু 24 অক্টোবৰ 2017 ত প্ৰত্যাহাৰ কৰা হৈছিল।

[99] 31 মাৰ্চ 2020 পৰ্যন্ত গণনা কৰা হৈছে, যিহেতু নতুন এন আৰ পি পি-ৰ মে 2020 পৰ্যন্ত নিৰ্ভৰযোগ্য গতিৰ বাবে এন টি পি এচৰ দুটা গোট (35 মেগাৱাট) প্ৰত্যাহাৰ হৈছিল (জুলাই 2020) যাৰ পিছত 3 টা গোটৰ নিৰিখ 23.4 মেগাৱাটলৈ নিম্ন হৈছিল (ছেপ্তেম্বৰ 2020)।

[100] 79.73 মিলিয়ন এচ চি এম গেছ X 5.57 টকা প্ৰতি এচ চি এম-ত (গেছৰ গড় মূল্য)।

যাহওঁক, কোম্পানীয়ে বি এইচ ই এল-ক ঠিকাৰ চর্ত মতে সেই খৰছৰ ধনৰ বাবে দাবী নকৰিলে যদিও ঠিকাৰ চর্তমতে বি এইচ ই এল-য়ে নিজা খৰছত সেই কাম কৰি দিব লাগিছিল।

উত্তৰত কোম্পানীয়ে হিচাপ পৰীক্ষাৰ সেই নিৰীক্ষণ মানি লৈছিল আৰু কৈছিল (জানুৱাৰী 2023) যে অতিৰিক্ত খৰছ কৰা বাবদ বি এইচ ই এল-ৰ পৰা 18.20 লাখ টকা আদায় কৰাৰ প্ৰক্ৰিয়া চলি আছে।

অন্যান্য পর্যবেক্ষণসমূহ

2.2.5 লাকুৱা ওৱেষ্ট হিট ৰিক'ভাৰী প্ৰজেক্ট

2.2.5.1 ডি-মিনাৰালাইজেচন প্ৰকল্পৰ স্বয়ংক্ৰিয়কৰণ নকৰা

কোম্পানীয়ে লাকুৱা ওৱাষ্ট হিট ৰিক'ভাৰী প্ৰজেক্ট (37.2 মেগাৱাট) কমিচন কৰিছিল (জানুৱাৰী 2012) আৰু স্বয়ংক্ৰিয় খনিজমুক্ত প্লান্ট (ডি এম প্লান্ট) এই প্ৰকল্পৰ এক লাগতিয়াল অংশ আছিল। যিহেতু ডি এম প্লান্টৰ স্বয়ংক্ৰিয় অংশ সংস্থাপন কৰা হোৱা নাছিল, সেয়েহে প্লান্টটো হাতেৰে চলোৱা আৰম্ভ কৰিছিল।

ইয়াৰ পাছত কোম্পানীয়ে ডি এম প্লান্টৰ স্বয়ংক্ৰিয়কৰণৰ কামৰ বাবে দ'চিয়ন ভেঅ'লিয়া ৱাটাৰ চলিউচন (দি ভি ডব্লিউ এছ)ক দিয়ে (এপ্ৰিল 2015) য'ত হাৰ্ডৱেৰ/ ছফ্টৱেৰ যোগান আৰু সংস্থাপন (মূল্য : 0.26 কোটি টকা) আৰু প্লেণ্ট চলাবৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত সামগ্ৰী (মূল্য : 0.59 কোটি টকা) অন্তৰ্ভূক্ত আছিল।

উপৰোক্ত সামগ্ৰীসমূহৰ যোগান আৰু সংস্থাপনৰ বাবে সময় নির্ধাৰণ কৰা হৈছিল কামৰ আদেশ দিয়া দিনৰ পৰা যথাক্ৰমে 12 সপ্তাহ (যোগান) আৰু 120 দিন (সংস্থাপন)। কামৰ আদেশৰ বিপৰীতে যোগান ধৰিব লগা সামগ্ৰীৰ ম্যাদ ধৰি দিয়া হৈছিল যোগান ধৰা দিনৰ পৰা 18 মাহ অথবা কমিছন হোৱা তাৰিখৰ পৰা 12 মাহ। দি ভি ডব্লিউ এছ এ কামৰ আদেশ দিয়া দিনৰ পৰা (এপ্ৰিল 2015) প্ৰায় দুবছৰ পিছত (জানুৱাৰী 2017) হাৰ্ডৱেৰ আৰু ছফ্টৱেৰ সামগ্ৰী যোগানৰ কাম সমাপ্ত কৰে। যাহওঁক, ডি এম প্লান্টৰ স্বয়ংক্ৰিয়কৰণৰ কাম আৰম্ভ কৰিব পৰা নাছিল প্লান্ট পুৰণা হোৱা আৰু এই সময়ছোৱাত তাক হাতেৰে চলোৱা বাবে সি পূৰ্বতকৈ বেয়া হোৱা হেতু।

ওপৰত উল্লেখ কৰা সামগ্ৰীসমূহ সংস্থাপন কৰাৰ বাবে ডি এম প্লান্টৰ মেৰামতি কৰাৰ প্ৰয়োজন হৈছিল আৰু কোম্পানীয়ে তাৰ মেৰামতি খৰছ 1.15 কোটি টকা নির্ধাৰণ কৰিছিল (মে 2018)। যাহওঁক, পুঁজিৰ অভাৱত মেৰামতি কাম কৰিব পৰা নাছিল আৰু ডি ভি ডব্লিউ এচ-এ যোগান ধৰা (জানুৱাৰী 2017) হাৰ্ডৱেৰ/ ছফ্টৱেৰ আৰু অন্যান্য সামগ্ৰীসমূহ সংস্থাপন কৰিব নোৱাৰিলে।

ডি এম প্লান্টৰ মেৰামতি কামৰ খৰছৰ বাবে কোম্পানীয়ে অসম চৰকাৰৰ পৰা বিত্তীয় সাহায্য বিচাৰিছিল (ছেপ্তেম্বৰ 2018) আৰু তাৰ বাবে অনুমোদন লাভ কৰাৰ (জুন 2019)ৰ পিছত কোম্পানীয়ে মেৰামতি কামৰ বাবে পূৰ্বৰ দুৰ্বল কার্যসম্পাদনৰ বাবে ডি ভি ডব্লিউ এছ-ৰ পৰিৱর্তে নতুন নিবিদা আহ্বান কৰাৰ সিদ্ধান্ত লৈছিল (ছেপ্তেম্বৰ 2019)। একমাত্ৰ নিবিদা লাভ কৰাৰ ভিত্তিত কোম্পানীয়ে ডি এম প্লান্ট মেৰামতিৰ কাম অমিত ইঞ্জিনিয়াৰিংক 1.58 কোটি টকাত প্ৰদান কৰে (জানুৱাৰী 2020)। ডি এম প্লান্টৰ মেৰামতিৰ কাম জানুৱাৰী 2021 ত সমাপ্ত হয়।

হিচাপ পৰীক্ষাত দৃষ্টিগোচৰ হৈছিল যে:

- ডি ভি ডব্লিউ এছ-ৰ পৰা হার্ডৱেৰ আৰু ছফ্টৱেৰ সামগ্ৰীসমূহ ক্ৰয় কৰাৰ (জানুৱাৰী 2017) পিছতো ডি এম প্লান্টৰ স্বয়ংক্ৰিয়কৰণৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে আৰু সেইসমূহ বৰ্তমানলৈকে (জানুৱাৰী 2023) এনেয়ে অকামিলা হৈ পৰি থাকিল। বহুদিন অকামিলা হৈ পৰি থকাত হার্ডৱেৰ আৰু ছফ্টৱেৰ সামগ্ৰীসমূহ পুৰণা হ'ল আৰু তাৰ বাবে ম্যাদ লাভৰ সুযোগ নোহোৱা হ'ল।
- স্বয়ংক্ৰিয় নিয়ন্ত্ৰণ ভাল্ভ, চুম্বক কার্য বিৱৰণৰ ল'জিকেল নিয়ন্ত্ৰণ পেনেল আদি যিবোৰ স্বয়ংক্ৰিয়কৰণৰ পদ্ধতিৰ অংশ আছিল আৰু প্ৰথমে ডি এম প্লান্টত সংস্থাপন কৰা হৈছিল সেইবোৰো ব্যৱহাৰৰ অযোগ্য হৈছিল আৰু মেৰামতি কৰা সময়ত তাক আতঁৰাব লগা হৈছিল।
- ডি এম প্লান্ট স্বয়ংক্ৰিয়কৰণৰ উদ্দেশ্য আছিল প্লাণ্ট সময় বচোৱাৰ লগতে মানুহে কৰা ভুল হ্ৰাস কৰা আৰু তাৰ ফলস্বৰূপে ডি এম পানীৰ গুণাগুণ উন্নত কৰা। যাহওঁক, কোম্পানীয়ে সংস্থাপন কৰা দিন (জানুৱাৰী 2012)ৰ পৰা বৰ্তমানলৈকে (জানুৱাৰী 2023) হাতেৰে প্লান্টৰ কাম কৰি গ'ল যাৰ ফলত তাক সংস্থাপন কৰাৰ মূল উদ্দেশ্যটোৱেই বিফল হ'ল। তাৰোপৰি, একেৰাহে ডি এম প্লান্ট হাতেৰে চলাই থকাত প্লান্ট অধিক বেয়া হোৱাৰ আশংকাৰ সন্মুখীন হৈছিল যাৰ বাবে প্লান্ট পুনৰ মেৰামতি কৰা বাবদ হ'বলগীয়া হৈছিল পুনৰ পৰিহাৰযোগ্য খৰচৰ সৃষ্টি কৰিব পাৰে।

পৰিচালন কর্তৃপক্ষই কৈছিল (ফেব্ৰুৱাৰী 2023) যে উপযুক্ত সেৱা আগবঢ়োৱা নতুন লোক নিয়োগ কৰি ডি এম প্লান্ট স্বয়ংক্ৰিয়কৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব।

পৰামর্শসমূহ: *কোম্পানীয়ে অনতিপলমে ডি এম প্লান্ট স্বয়ংক্ৰিয়ভাৱে চলোৱাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে।*

2.2.6 ক্ষুদ্ৰ জলশক্তি প্ৰকল্প ৰূপায়ণ

অসম চৰকাৰে এক ক্ষুদ্ৰ জলশক্তি কৌশল (এচ এইচ ডি কৌশল) অৱলম্বন কৰে (মার্চ 2007) যাৰ দ্বাৰা 117 মেগাৱাটৰ জলশক্তিৰ সম্ভাৱনীয়তা থকা 88 স্থান চিনাক্ত কৰে আৰু য'ত 25 মেগাৱাট ক্ষমতা পর্যন্ত প্ৰকল্প উন্নয়ন অন্তর্ভুক্ত কৰা হয়। অসম চৰকাৰে চিনাক্ত কৰা প্ৰকল্পসমূহ নির্মাণৰ বাবে নির্মাণ সংস্থাৰ লগত পৰিপালন চুক্তি সম্পাদন কৰে (মে' 2010 ৰ পৰা মে' 2013)। মে' 2010 ৰ পৰা মার্চ 2022 ৰ ভিতৰত আনুমানিক মূল্য 232.89 কোটি টকাত ছয়টা প্ৰকল্পৰ কাম হাতত লয়। এই প্ৰকল্পসমূহৰ কামৰ স্থিতি ***সাৰণী 2.2.3*** ত সংক্ষেপতে দেখুওৱা হ'ল।

সাৰণী 2.2.3

ক্ৰমিক সংখ্যা	প্ৰকল্পৰ নাম	ক্ষমতা (মেগাৱাট)	বাছনিকৃত নির্মাণ সংস্থা	চুক্তি ৰূপায়ণৰ তাৰিখ	প্ৰকল্প মূল্য (কোটি টকাত)	বৰ্তমান স্থিতি (31 মার্চ 2022 পর্যন্ত)
1	ৰবদিকৰাই	4.70	নিকন পাৱাৰ এণ্ড ইনফ্ৰা লিমিটেড	18 মে' 2010	46.03	বন অনুমতি লাভ নকৰা বাবে পৰিত্যক্ত।
2	দিচাং	9.00	এল ডি পাৱাৰ ভেন্সাৰ লিমিটেড	10 নৱেম্বৰ 2010	73.86	বন অনুমতি লাভ নকৰাৰ বাবে স্থগিত
3	দ্রোণপাৰা	1.60	চুপ্রিম ইনফ্রাষ্টাকচাৰ ইণ্ডিয়া	23 মে' 2013	13.85	ঠিকাদাৰৰ অসমর্থতাৰ

ক্ৰমিক সংখ্যা	প্ৰকল্পৰ নাম	ক্ষমতা (মেগাৱাট)	বাছনিকৃত নিৰ্মাণ সংস্থা	চুক্তি ৰূপায়ণৰ তাৰিখ	প্ৰকল্প মূল্য (কোটি টকাত)	বৰ্তমান স্থিতি (31 মাৰ্চ 2022 পৰ্যন্ত)
			লিমিটেড			বাবে স্থগিত
4	পহুমাৰা	2.00	অশোক অনিল কনচ'ৰটিয়াম	18 মে' 2010	15.66	
5	কলং	6.00	ট্ৰান্সষ্ট'ৰি ইণ্ডিয়া লিমিটেড	17 আগষ্ট 2011	51.99	স্থগিত। নথি-পত্ৰত কোনো কাৰণ উল্লেখ নাই।
6	চম্পামতী	4.00	ই চি আই ইঞ্জিনিয়াৰিং এণ্ড কন্সষ্ট্ৰাকচন কোম্পানী লিমিটেড	সবিশেষ নাই	31.50	সম্পূৰ্ণ
মুঠ		**27.30**			**232.89**	

এই সন্দৰ্ভত হিচাপ পৰীক্ষাত নিম্নলিখিতসমূহ পৰ্যবেক্ষণ কৰিছিল:

2.2.6.1 ন'ডেল এজেন্সী নিয়োগ নকৰা

এচ এইচ ডি কৌশল আৰু লগতে ৰূপায়ন চুক্তি অনুসৰি অন্যান্য চৰকাৰী বিভাগৰ সৈতে মত বিনিময়ৰ দ্বাৰা দক্ষতা বৃদ্ধিৰ বাবে অসম চৰকাৰে ৰাজ্যৰ নিজস্ব শক্তি উৎপাদন গোটক (যেনে অসম শক্তি উৎপাদন নিগম লিমিটেড/ কোম্পানী) ন'ডেল এজেন্সী হিচাপে ঘোষণা কৰিব লাগে। কোম্পানীয়ে প্ৰাৰম্ভিক সম্ভাৱনীয়তা প্ৰতিবেদন প্ৰস্তুত কৰা, প্ৰকল্প পৰিপালনৰ ক্ষেত্ৰত চকু দিয়া, প্ৰকল্পৰ বাবে আপত্তিহীন বিধিসন্মত ব্যৱস্থা গ্ৰহণত চৰকাৰী এজেন্সীৰ সৈতে সহযোগীতা কৰা আদি কাম কৰিব লাগে।

অসম চৰকাৰে কোম্পানীক ন'ডেল এজেন্সী হিচাপে ঘোষণা কৰাৰ সলনি ইন্‌ফ্ৰাষ্ট্ৰাকচাৰ লীজ এণ্ড ফাইনেন্সচিয়েল চাৰ্ভিছেজ (আই এল এণ্ড এফ এচ এল)ৰ লগত কৌশলত চিনাক্ত হোৱা সকলো জলশক্তি প্ৰকল্পৰ উন্নয়নৰ বাবে এক চুক্তিপত্ৰত (এম অ' এ) স্বাক্ষৰ কৰে (জুলাই 2007)। তাৰপিছত এটা যৌথ উদ্যোগ (জে ভি) কোম্পানী যথা অসম শক্তি প্ৰকল্প নিগম লিমিটেড (এ পি পি ডি চি এল) অসম চৰকাৰ আৰু আই এল এণ্ড এফ এচ এল-ৰ সমানুপাতিক 50:50 অনুপাতত গঠিত হয় যিয়ে ছয়টা প্ৰকল্পৰ বিপৰীতে ছয়টা নিৰ্মাণ সংস্থা নিৰ্বাচন কৰি (মে' 2010-মে' 2013) ডি পি আৰ প্ৰস্তুত কৰে।

হিচাপ পৰীক্ষাত লক্ষ্য কৰা হয় যে কোম্পানী (এ পি জি চি এল) যিটো সম্পূৰ্ণৰূপে ৰাজ্যৰ অধীনস্থ আৰু যি জলশক্তি প্ৰকল্প পৰিপালনত পাৰ্গত, এচ এইচ ডি কৌশলৰ অধীনত জলশক্তি প্ৰকল্পৰ কাৰ্যসম্পাদন আৰু চোৱাচিতাৰ বাবে ন'ডেল এজেন্সী হিচাপে আদেশ কৰা হৈছিল। এতেকে, অসম চৰকাৰে আই এল এণ্ড এফ এচ এলক জলশক্তি প্ৰকল্পৰ যুটীয়া অংশদাৰিত্ব হিচাপে বাছনি কৰাটো এচ এইচ ডি কৌশলৰ পৰিপন্থী।

2.2.6.2 বিধিসন্মত অনুমোদন লাভত ব্যৰ্থতা

এচ এইচ ডি কৌশল অনুসৰি অসম চৰকাৰে যথাক্ৰমে প্ৰকল্পৰ একক অনুমোদন আৰু সমস্যা সমাধানৰ লগতে কৌশলৰ ক্ষেত্ৰত এক কৰ্ণধাৰ সমিতি[101] আৰু উচ্চ ক্ষমতা সম্পন্ন সমিতি[102] (এইচ পি চি) গঠন কৰিব লাগে।

[101] সচিব (শক্তি), সচিব (বন) বা তেওঁৰ প্ৰতিনিধি, সচিব (জলসিঞ্চন) বা তেওঁৰ প্ৰতিনিধি, সচিব (ৰাজহ) বা তেওঁৰ প্ৰতিনিধি, পৰিচালন সঞ্চালক, এ পি জি চি এল-ৰে গঠিত।

[102] মুখ্য সচিব, অসম চৰকাৰ, সচিব (শক্তি), সচিব (বন), সচিব (লোক নিৰ্মাণ), সচিব (উদ্যোগ), সচিব (ৰাজহ), সচিব (জলসিঞ্চন), সচিব (জলসম্পদ), পৰিচালন সঞ্চালক এ পি জি চি এল-ৰে গঠিত।

হিচাপ পৰীক্ষাত দেখা যায় যে অসম চৰকাৰে দুয়োখন কমিটিৰ এখনো গঠন নকৰিলে, যাৰ অবিহনে বিধিসন্মত অনুমোদনৰ ক্ষেত্ৰত সময়মতে সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল আৰু যাৰ ফলত পাঁচোটাকৈ প্ৰকল্প নিলম্বিত/ পৰিত্যক্ত হ'ল।

2.2.6.3 নির্মাণ সংস্থাক অপ্রাপ্য অনুগ্রহ

বন (সংৰক্ষণ) আইন 1980 আৰু বন্যপ্ৰাণী (সুৰক্ষা) আইন 1972 অনুসৰি অন্যান্য উদ্দেশ্যত বনভূমি ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ পৰা অনুমতি প্ৰয়োজন। ৰূপায়ন চুক্তি অনুসৰি নিৰ্দিষ্ট পদ্ধতি অৱলম্বন কৰি ভাৰত চৰকাৰ/ অসম চৰকাৰৰ পৰা প্ৰয়োজনীয়া অনুমোদন লাভৰ দায়িত্ব নিৰ্মাণকাৰীৰ ওপৰত ন্যস্ত থাকে।

তাৰোপৰি, এচ এইচ ডি কৌশল অনুসৰি নিৰ্মাণকাৰী আৱন্টিত প্ৰকল্প ওভতাই অসম চৰকাৰক সমৰ্পন কৰিব লাগে, যদিহে ডি পি আৰ প্ৰস্তুত হোৱাৰ সময়ত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এনে থল আছে যে প্ৰকল্পটো কা�ৰিকৰী আৰু আৰ্থিকভাৱে সক্ষম নহয়। তেনে ক্ষেত্ৰত নিৰ্মাণ সংস্থাই অতিৰিক্ত আদায় দিয়া পূৰ্বৰ প্ৰিমিয়ামৰ ধন অসম চৰকাৰে ঘূৰাই দিব লাগে।

এটা পৰিত্যক্ত প্ৰকল্প বৰদিকৰাই প্ৰকল্প (4.7 মেগাৱাট)ৰ ক্ষেত্ৰত দেখা যায় ইয়াৰ কাৰ্যসম্পাদনৰ বাবে অসম চৰকাৰে এন ই চি চি ও এন পাৱাৰ এণ্ড ইনফ্ৰা লিমিটেড (এন ই চি চি অ' এন)ক আৱন্টন দিছিল (মাৰ্চ 2009)। যাহওঁক, এন ই চি চি অ' এন-য়ে চুক্তি বাতিল কৰাটো বিচাৰিছিল (এপ্ৰিল 2015) কিয়নো বিভাগে সময়মতে বন আৰু জলসিঞ্চন বিভাগৰ পৰা আপত্তিহীন পত্ৰ লাভ কৰা নাছিল। এন ই চি চি অ' এন-ৰ অনুৰোধৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰে প্ৰকল্পটো বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লয় (জুন 2015)। অসম চৰকাৰৰ পৰৱৰ্তী নিৰ্দেশ অনুসৰি প্ৰকল্প কামৰ বাবে ভাৰতীয় ষ্টেট বেংক (এচ বি আই)ৰ পৰা লাভ কৰা সমুদায় ঋণ (24.82 কোটি টকা) কোম্পানীয়ে আদায় দিয়ে (ডিচেম্বৰ 2020)।

হিচাপ পৰীক্ষাত লক্ষ্য কৰা হৈছিল যে প্ৰকল্প সম্পূৰ্ণ কৰাৰ বাবে কামৰ আদেশত যিহেতু সময় নিৰ্ধাৰণ কৰা আছিল (24 মাহ) আৰু প্ৰকল্প সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তাক সকলো বিধিসন্মত আপত্তিবিহীন পত্ৰ পোৱাৰ দিনাৰ পৰা বিবেচনা কৰিব লগা আছিল, তেনে স্থলত এন ই চি চি অ' এন-এ বিধিসন্মত পত্ৰ/ অনুমোদন লাভ নকৰাকৈ প্ৰকল্পটোৰ কোনো প্ৰধান কাম কৰিব লগা নাছিল। যিহেতু প্ৰকল্পটোৰ ক্ষেত্ৰত আপহিহীন পত্ৰ লাভ কৰাত বিলম্ব হৈছিল, এন ই চি চি অ' এন-এ প্ৰকল্পৰ কোনো কাম কৰিব নালাগিছিল আৰু প্ৰকল্পৰ কামত ধন খৰছ কৰাৰ পূৰ্বে প্ৰকল্পটো সমৰ্পন কৰিব লাগিছিল। এতেকে; এছ বি আইৰ পৰা লোৱা ঋণ পৰিশোধ কৰাৰ বাবে এন ই চি চি অ' এন-এ কৰা দাবী যুক্তিসংগত নাছিল আৰু অসম চৰকাৰেও তাক মানি ল'ব নালাগিছিল।

এইদৰে, বিধিসন্মত আপত্তিহীন পত্ৰ লাভ কৰাৰ পূৰ্বে নিৰ্মাণ কাৰ্যত খৰছ কৰা এচ বি আই-ৰ পৰা লোৱা ঋণৰ ধন পৰিশোধ কৰি অসম চৰকাৰে এন ই চি চি অ' এন-ক অনুচিত লাভ প্ৰদান কৰিলে।

এই সন্দৰ্ভত অসম চৰকাৰৰ পৰা উত্তৰ লাভ কৰা নাই (ফেব্ৰুৱাৰী 2023)।

পৰামৰ্শ: *অসম চৰকাৰে ৰাজ্যৰ ক্ষুদ্ৰ জলশক্তি উন্নয়ন কৌশল অনুসৰি জাৰি কৰা ন'ডেল এজেন্সীৰ জৰীয়তে সকলো ক্ষুদ্ৰ জলশক্তি প্ৰকল্প ৰূপায়নৰ দিশত নিশ্চিত হোৱা উচিত।*

সামৰণি

1 এপ্রিল 2017 ত কোম্পানীৰ 361.70 মেগাৱাট সংস্থাপন ক্ষমতাৰ তিনিটা কার্য চলিত প্লান্ট আছিল। 2017-18 ৰ পৰা 2021-22 লৈ সময়ছোৱাত 371.66 মেগাৱাট পৰিকল্পিত ক্ষমতাৰ (পাঁচটা প্রকল্প) ভিতৰত ; কোম্পানীয়ে তিনিটা প্রকল্প (ক্ষমতা 181.66 মেগাৱাট) কমিছন কৰিলে। 2017-22 সময়ছোৱাত সম্পূর্ণ কৰা তিনিটা প্রকল্পৰ ভিতৰত এটা প্রকল্প (69.76 মেগাৱাট) সময়মতে কমিছন কৰা হয়, আনহাতে অন্য দুটা প্রকল্প 6 ৰ পৰা 9 বছৰ পলমকৈ কমিছন কৰা হয়। এটা সম্পূর্ণ কৰা প্রকল্পৰ বিপৰীতে য'ত আংশিকভাৱে সুদযুক্ত ঋণৰ দ্বাৰা বিত্তৰ যোগান ধৰা হৈছিল আৰু ঠিকাদাৰৰ নিম্ন পর্যায়ৰ কার্যসম্পাদনৰ বাবে ঘাইকৈ বিলম্ব হৈছিল (9 বছৰ), সেই বিলম্বৰ বাবে কোম্পানীয়ে অতৰিক্ত সুদৰ বোজা 183.50 কোটি টকা বহন কৰিব লগা হৈছিল।

তাৰোপৰি, অসম চৰকাৰে ছয়টা জলবিদ্যুৎ প্রকল্পৰ কাম হাতত লৈছিল (মে' 2010 ৰ পৰা মে' 2013 লৈ) যাৰ ভিতৰত মাথোঁ এটা প্রকল্পৰ কাম বর্তমানলৈ (জুন 2022) সম্পূর্ণ হৈছে। অসম চৰকাৰে প্রকল্পৰ কার্য সম্পাদনৰ ক্ষেত্রত বিধিসম্মত আৰু কৌশলৰ প্রয়োজনীয় দিশ মনা নাছিল আৰু সেয়েহে তাৰ ফলস্বৰূপে অৱশিষ্ট পাঁচটা প্রকল্পৰ কাম পৰিত্যক্ত/নিলম্বিত হৈছিল।

পৰামর্শসমূহ

অসম চৰকাৰে/ কোম্পানীয়ে এইবোৰ কাম কৰিব পাৰে:

- *ঠিকাদাৰৰ দ্বাৰা বিলম্ব হোৱা সকলো কামৰ পুনৰীক্ষণ/ পুনৰ নির্ধাৰণ কৰিব পাৰে আৰু প্রকল্প সম্পূর্ণকৰণত অধিক বিলম্ব ৰোধ কৰিবলৈ বিকল্প ব্যৱস্থাৰে সময় সাপেক্ষে শুধৰণিমূলক ব্যৱস্থা গ্রহণ কৰিব পাৰে;*
- *প্রকল্প সম্পূর্ণকৰণত বিলম্ব এৰাই চলিবলৈ ক্ষুদ্র জলবিদ্যুৎ উন্নয়নৰ নীতিৰ অধীনত স্থিৰ কৰা ধৰণে সকলো বিধিসম্মত আপত্তিবিহীন পত্র পৰিকল্পনা পর্যায়তে লাভ কৰাৰ ক্ষেত্রত নিশ্চিত হ'ব লাগে।*

2.3 কোম্পানীৰ বিনিয়োজন কৌশল নমনা

কোম্পানীয়ে ইয়াৰ ঘোষণাকৃত বিনিয়োজন কৌশলৰ বিপৰীতে নিম্ন নিৰিখৰ সুদ দিয়া এছ টি ডি-ত বিনিয়োগ কৰা বাবে 2.44 কোটি টকা সুদ ৰাজহ হেৰুৱাব লগা হয়।

অসম শক্তি উৎপাদন নিগম লিমিটেড (কোম্পানী), অসম কোম্পানী অধিনিয়ম 1956 ৰ অধীনত গঠিত হয় যাৰ উদ্দেশ্য আছিল অসম ৰাজ্যত বিদ্যুৎ উৎপাদন কৰা। মূল উদ্দেশ্যৰ লগত জড়িত এটা উদ্দেশ্য আছিল পুঁজি সংগ্রহ কৰা আৰু কোম্পানীয়ে ৰাহি কৰা পুঁজি ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)ৰ দ্বাৰা স্বীকৃত কোনো বেংকত বিনিয়োগ কৰা। কোম্পানীৰ সঞ্চালক মণ্ডলী (বি অ' ডি)ও এই ক্ষেত্রত কোম্পানীৰ হাতত পৰি থকা অকামিলা আঁচনিৰ পুঁজি সহ এক পুঁজি পৰিচালন আৰু বিনিয়োজন কৌশল ৰাহি পুঁজি বিনিয়োজনৰ বাবে অনুমোদন জনায় (মার্চ 2017)। অনুমোদিত পুঁজি বিনিয়োজন আৰু বিনিয়োজন কৌশলৰ অধীনত ৰাহি পুঁজি বিনিয়োজনৰ আদর্শ প্রমানসমূহ তলত দিয়া ধৰণৰ:

- ৰাহি পুঁজি বিনিয়োজনৰ সিদ্ধান্ত ৰাষ্ট্রীয়কৃত বেংকৰ মাজত ঠাইতে হোৱা নিবিদা প্রক্রিয়াৰ জৰীয়তে হোৱা উচিত। উত্তম নিৰিখৰ নিবিদা পাবৰ বাবে এক তুলনামূলক তালিকা প্রস্তুত কৰিব লাগে।
- 30 কোটি টকাৰ অধিক বিনিয়োজনৰ ক্ষেত্রত পৰিচালন সঞ্চালকৰ অনুমোদনৰ প্রয়োজন।

কোম্পানীৰ দ্বাৰা এপ্রিল 2017 ৰ পৰা মার্চ 2022 লৈ সময়ছোৱাৰ বাবে কৰা হ্রস্বকালীন জমা (এচ টি ডি)ৰ বিনিয়োজন ***সাৰণী 2.3.1***-ত দেখুওৱা হ'ল।

সাৰণী 2.3.1

(কোটি টকাত)

বছৰ	বিনিয়োজনৰ পৰিমাণ (বছৰৰ শেষত জমা)	অনুমোদনৰ সংখ্যা	নিম্ন কর্তৃপক্ষৰ দ্বাৰা অনুমোদন	কোনো নিবিদা* অবিহনে বিনিয়োগ কৰা পৰিমাণ	কম নিৰিখ* দিয়া ৰাষ্ট্রীয়কৃত বেংকত বিনিয়োজন	ব্যক্তিগত বেংকত* কৰা বিনিয়োজন
2017-18	709.36	18	6	374.62	59.00	0
2018-19	770.50	15	6	788.87	69.00	0
2019-20	763.13	20	7	598.38	43.00	10.02
2020-21	834.14	11	3	479.00	101.00	4.00
2021-22	754.87	13	2	190.00	21.00	52.60
মুঠ		**77**	**24**	**2,430.87**	**293.00**	**66.62**

**বিনিয়োজনৰ মূল্যৰ ভিতৰত অন্তর্ভুক্ত পূর্ণতাপ্রাপ্ত হোৱাৰ পিছত কৰা নবীকৰণ / পুনৰ বিনিয়োজন।*

হিচাপ পৰীক্ষাত দৃষ্টিগোচৰ হোৱা কোম্পানীৰ অনুমোদিত বিনিয়োজন কৌশল/ সতর্কতাবাণী মানি নচলা উদাহৰণসমূহ তলত দাঙি ধৰা হ'ল:-

(a) এচ টি ডি-ত বিনিয়োগৰ ক্ষেত্রত কোনো বেংক নির্বাচন কৰাৰ পূর্বে একেধৰণৰ চর্তত একেসময়ৰ বাবে দিব খোজা সুদৰ নিৰিখৰ এক তুলনা কৰা প্রয়োজন, যাতে সর্বাধিক লাভ পোৱা যায়। এইক্ষেত্রত দেখা যায় যে যদিও কোম্পানীয়ে ঠাইতে নিবিদা আহ্বানৰ যোগেদি নিৰিখৰ ক্ষেত্রত নিশ্চিত হ'ব লাগিছিল, এচ টি ডি-ত বিনিয়োগৰ বাবে ভিন ভিন অংশৰ 77 টা অনুমোদনৰ ভিতৰত এপ্রিল 2017 ৰ পৰা মার্চ 2022 লৈ

সময়ছোৱাত, 49 টাৰ ক্ষেত্ৰত কোম্পানীয়ে এক কোটি টকা আৰু 290.32 কোটি টকাৰ মাজত কোনো নিবিদা আহ্বান নকৰি বিনিয়োগ কৰিছিল।

(b) 15 বাৰকৈ কোম্পানীয়ে কোনো যুক্তিসঙ্গত কাৰণ নোহোৱাকৈ একেদিনাই একেটা বেংকত ভিন ভিন সুঁদৰ হাৰত বিনিয়োগ কৰিছিল (এপ্ৰিল 2017ৰ পৰা ডিচেম্বৰ 2021)। দেখা গৈছিল যে 95 টা এচ টি ডি-ত 0.05 শতাংশৰ পৰা 2.35 শতাংশ সুদৰ হাৰৰ ব্যৱধানত নিম্ন হাৰৰ সুদত মুঠ 293 কোটি টকা বিনিয়োগ কৰিছিল। ইয়াৰ ফলত 1.04 কোটি টকা সুদ লোকচান হয়।

(c) 3 টা ক্ষেত্ৰত এপ্ৰিল 2017 ৰ পৰা মার্চ 2021 ৰ ভিতৰত য'ত কোম্পানীয়ে এটাতকৈ অধিক বেংকৰ পৰা সংগ্ৰহ কৰা নিৰিখ বিচাৰ কৰি চাইছিল, কোম্পানীয়ে উচ্চ নিৰিখৰ সুঁদ দিব খোজা ৰাষ্ট্ৰীয়কৃত বেংক থকা স্বত্বেও 27 টা এচ টি ডি-ত নিম্ন সুঁদৰ হাৰত 390 কোটি টকা বিনিয়োগ কৰিছিল। ইয়াৰ ফলত 1.40 কোটি টকা সুদ হেৰুৱাব লগা হয়।

(d) নিয়ম অনুসৰি, 30 কোটি টকাৰ অধিক বিনিয়োগৰ ক্ষেত্ৰত কোম্পানীৰ পৰিচালন সঞ্চালকৰ পৰা অনুমোদন ল'ব লাগে। জুন 2017 ৰ পৰা এপ্ৰিল 2021 ৰ ভিতৰত 24 টাৰ ক্ষেত্ৰত গাইগুটীয়া পৰিমান হিচাপে 31 কোটি টকা আৰু 290.32 কোটি টকাৰ বিনিয়োগ কৰিছিল পৰিচালন সঞ্চালকৰ অনুমোদন অবিহনে।

(e) যদিও কোম্পানীৰ বিনিয়োজন নীতি অনুসৰি ৰাষ্ট্ৰীয়কৃত বেংকত বিনিয়োগ কৰিব লাগে, কোম্পানীয়ে ডিচেম্বৰ 2019 ৰ পৰা নৱেম্বৰ 2021 ৰ ভিতৰত মুঠ 66.62 কোটি টকা ব্যক্তিগতখণ্ডৰ 5 টা বেংক (যেনে- এক্সিচ বেংক, ফেডাৰেল বেংক, এইচ ডি এফ চি বেংক, নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংক আৰু ইয়েছ বেংক)ত বিনিয়োজন নিয়ম বিধি ভঙ্গ কৰি বিনিয়োগ কৰিছিল।

এইদৰে, কোম্পানীয়ে ইয়াৰ ঘোষিত বিনিয়োজন নীতিৰ বিপৰীতে নিম্ন সুঁদৰ হাৰত এচ টি ডি-ত বিনিয়োগ কৰাত 2.44 কোটি টকা সুদ ৰাজহ হেৰুৱাব লগা হয়।

উত্তৰত কোম্পানীয়ে কৈছিল (জানুৱাৰী 2023) যে:

- যিহেতু সমুদায় আয় অসম বিদ্যুৎ নিয়মাৱলী কমিছনৰ যোগেদি উপভোক্তালৈ মাচুলৰ সমিলমিলকৰণৰ যোগেদি হস্তান্তৰ কৰিব লাগে সেয়েহে এচ টি ডি-ৰ পৰা হোৱা আয় মুখ্য ব্যৱসায় নহয়।
- ব্যক্তিগত খণ্ডৰ বেংকত বিনিয়োগ কৰা হৈছিল হিচাপ পৰীক্ষাত সামৰি লোৱা সময়ছোৱাৰ বাবে। যাহওঁক, বৰ্তমান হ্ৰস্বকালীন প্ৰতিশ্ৰুতিৰ বাবে লেটাৰ অৱ ক্ৰেডিটৰ বিপৰীতে এচ টি ডি-ৰ বাহিৰে ব্যক্তিগত খণ্ডৰ বেংকত এচ টি ডি নাই।
- একেটা বেংকত নবীকৰণ কৰাটো নতুন বিনিয়োজন হিচাপে গণ্য কৰা নহয়, আৰু সেয়েহে যোগ্য কৰ্তৃপক্ষৰ অনুমোদনৰ প্ৰয়োজন নাই।

উত্তৰটো গ্ৰহণযোগ্য নহয় কিয়নো:

- বিনিয়োজনৰ ক্ষেত্ৰ বাচি লৈ প্ৰদান কৰা এক দায়বদ্ধ পৰ্যায়ত সৰ্বাধিক লাভ অৰ্জন কৰাটো বিত্তীয় দিশৰ পৰা সুবিবেচনাপূৰ্বক। এতেকে, কোম্পানীৰ অযোগ্য কাৰ্যৰ ফলত উচ্চ হাৰৰ মাচুল উপভোক্তাৰ ওপৰত জাপি দিয়াটো সঠিক/ গ্ৰহণযোগ্য নহয়।

- কোম্পানীৰ অনুমোদিত বিনিয়োজন নীতি অনুসৰি ৰাহি পুঁজি ঠাইতে হোৱা নিবিদাৰ যোগেদি ৰাজহুৱা খণ্ডৰ উদ্যোগত বিনিয়োগ কৰিব লাগে। ইয়ে ব্যক্তিগতখণ্ডৰ বেংকত বিনিয়োগ কৰাত অনুমোদন নিদিয়ে।

- বিনিয়োজন নীতিয়ে নতুন বিনিয়োজন আৰু নবীকৰণৰ মাজত ব্যৱধান নেদেখুৱায়। তাৰোপৰি, কোম্পানীয়ে লাভ আৰু শংকা উভয় ক্ষেত্ৰতে একে স্তৰতে অৱস্থান কৰে।

পৰামৰ্শ: *কোম্পানীয়ে ৰাহি পুঁজি বিনিয়োজনৰ ক্ষেত্ৰত আৰ বি আই-ৰ নিৰ্দেশনা আৰু বিনিয়োজন নীতি মানি চলা উচিত আৰু সৰ্বাধিক লাভ পাবৰ বাবে ভিন ভিন বেংকৰ নিৰিখসমূহ বিচাৰ কৰি চাব লাগে।*

অসম খনিজ উন্নয়ন নিগম লিমিটেড


2.4 খনন কার্যকলাপ

2.4.1 পাতনি

অসম খনিজ উন্নয়ন নিগম লিমিটেড (কোম্পানী) 1983 চনত সম্পূৰ্ণৰূপে ৰাজ্যিক কোম্পানী হিচাপে গঠন কৰা হৈছিল। ই অসম চৰকাৰৰ খনি আৰু খনিজ বিভাগৰ অধীনত কার্য নির্বাহ কৰে। কোম্পানীৰ লক্ষ্য আছিল-(i) কয়লা, লিগনাইট, চূণশিল, খনিজ তেল, গেছ আৰু অন্যান্য খনিজ আৰু মূল্যবান শিলৰ সন্ধান কৰা; (ii) খনিৰ কাম কৰাৰ বাবে চৰকাৰৰ পৰা খনন অধিকাৰ লাভ কৰা; আৰু (iv) অধিগ্রহণ, খনিৰ, খনিজৰ আৰু অন্যান্যৰ কোনো কাম কৰা আৰু তাৰ নিষ্পত্তি কৰা। কোম্পানীৰ পৰিচালনৰ দায়িত্ব এগৰাকী অধ্যক্ষ মূৰব্বী হিচাপে থকা সঞ্চালক মণ্ডলী (বি অ' ডি)ৰ হাতত ন্যস্ত আছিল। পৰিচালন সঞ্চালক (এম ডি)গৰাকী আছিল মুখ্য কার্যবাহী বিষয়া।

খনিৰ কাম কৰাৰ প্রক্রিয়া তলৰ ***চিত্র তালিকা 2.4.1***ত দেখুওৱা হৈছে:

চিত্র তালিকা 2.4.1: খনি কামৰ প্রক্রিয়া



খনিৰ কাম কৰাৰ সংক্ষিপ্ত স্থিতিসমূহ ***সাৰণী 2.4.1*** ত দিয়া হৈছে।

সাৰণী 2.4.1: 2017-2022 সময়ছোৱাত খনন কার্যৰ সবিশেষ

খনিজ	এলেকা (হেক্টৰত)	খনিৰ সংখ্যা	মুঠ উৎপাদন 2017-2021 লৈ সময়ছোৱাত (লাখ মেত্রিক টন)	বর্তমানলৈ নিৰূপিত সংৰক্ষণ (লাখ মেত্রিক টন)	অনুমানিক ৰাজহ (কোটি টকাত)
কয়লা	563	2	11.23	4.68	35.90
চূণশিল	861	5	নাই[103]	3,479.93	37.68[104]

2.4.2 বিত্তীয় স্থিতি আৰু কার্যকৰী ফল

কোম্পানীৰ হিচাপ 2019-20 পর্যন্ত চূড়ান্ত হৈছে লগতে প্রমাণ-পত্র দিয়া হৈছে আৰু 30 ছেপ্তেম্বৰ 2022 পর্যন্ত দুবছৰৰ (2020-21 আৰু 2021-22) হিচাপ বাকী আছে। যাহওঁক, কোম্পানীয়ে 2020-21 বর্ষৰ বাবে সাময়িক হিচাপ প্রস্তুত কৰিছে। হিচাপ চূড়ান্ত হ'বলৈ বাকী থকাৰ ক্ষেত্রত প্রধান মহাগাণনিক (হিচাপ পৰীক্ষা)য়ে বিষয়টো সন্দর্ভত নিয়মিতভাৱে অসম চৰকাৰ আৰু সংশ্লিষ্ট প্রশাসনিক বিভাগক হিচাপৰ বকেয়াৰ উপশম ঘটাবলৈ অৱগত কৰি আহিছে (ফেব্রুৱাৰী 2021/ ছেপ্তেম্বৰ 2021/ জুন 2022)।

কোম্পানীৰ বিত্তীয় সংক্ষিপ্ত স্থিতি আৰু কার্যকৰী ফল 2017-18 ৰ পৰা 2020-21 লৈ সবিস্তাৰে ***সাৰণী 2.4.2*** ত দাঙি ধৰা হ'ল।

সাৰণী 2.4.2: বিত্তীয় স্থিতি আৰু কার্যকৰী ফল

(কোটি টকাত)

ক্র. নং.	বিৱৰণসমূহ	2017-18	2018-19	2019-20	2020-21 (P)
বিত্তীয় স্থিতি					
1	শ্বেয়াৰ কেপিটেল	4.89	4.89	4.89	4.89
2	জমা আৰু ৰাহি	39.61	64.96	89.01	104.33
3	চলিত নোহোৱা দেনা	4.92	4.93	4.87	4.87
4	চলিত দেনা	9.04	7.13	7.05	4.24
5	মুঠ দেনা (1+2+3+4)	58.46	81.91	105.82	118.33
6	সম্পদ যি চলিত নহয়	3.09	3.22	3.14	3.27
7	চলিত সম্পদ	55.37	78.69	102.68	115.06
8	মুঠ সম্পদ (6+7)	58.46	81.91	105.82	118.33
9	কয়লা বিক্রীৰ পৰা পোৱা ৰাজহ	102.05	127.87	123.25	72.25
10	অন্যান্য উপার্জন	7.23	4.41	4.55	5.59
11	মুঠ উপার্জন (9+10)	109.28	132.28	127.80	77.84
12	মুঠ ব্যয়	77.84	95.05	92.38	55.80
13	কৰ দিয়াৰ পূর্বে লাভ (11-12)	31.44	37.23	35.42	22.04
14	কৰৰ বাবে ব্যৱস্থা	8.99	11.48	10.71	6.71
15	সময়ছোৱাৰ বাবে লাভ (13-14)	22.45	25.76	24.71	15.33

[103] কোম্পানীক আৱণ্টন দিয়া মুঠ পাঁচটা খণ্ডৰ (861 হেক্টৰ), মাথোঁ এটা খণ্ড (নং 2) 167 হেক্টৰ ভূমিৰ ডিচেম্বৰ 2011 লৈ চলি আছিল। এই খণ্ডটো চলি থকা কালত (1994-95 ৰ পৰা 2010-11 লৈ) চূণশিলৰ মুঠ উৎপাদন আছিল 5.09 মেত্রিক টন।

[104] 661 হেক্টৰৰ বিপৰীতে থকা তথ্য অনুসৰি পৰিমাণ।

সাৰণী 2.4.2-ৰ পৰা দেখা যায় যে পূৰ্বৰ বছৰৰ তুলনাত কয়লা বিক্ৰী বৃদ্ধি হোৱা বাবে 2018-19 বৰ্ষত 2017-18 তকৈ 14.74 শতাংশ (3.31 কোটি টকা) লাভ বৃদ্ধি পালে। শেষত, 2019-20 ৰ তুলনাত 2020-21 বৰ্ষত লাভ 37.96 শতাংশ (9.38 কোটি টকা) নিম্নগামী হৈছে। ইয়াৰ কাৰণ আছিল জানুৱাৰী 2021 ৰ পৰা কয়লাৰ লাভজনক বিক্ৰী আৰু উদ্‌ঘাটন বন্ধ ৰখা যিয়ে 2020-21 চনৰ ভিতৰত কোম্পানীটোৰ মুঠ বিক্ৰীৰ লগতে কাৰ্যকৰী লাভৰ ক্ষেত্ৰত ৰাজহুত বিৰূপ প্ৰভাৱ পেলাইছিল।

2.4.3 হিচাপ পৰীক্ষাৰ পৰিসৰ, পদ্ধতি আৰু মাপকাঠি

জুলাই 2021 আৰু জুলাই-আগষ্ট 2022ত চলা বৰ্তমান হিচাপ পৰীক্ষাত এপ্ৰিল 2017 ৰ পৰা মাৰ্চ 2022 লৈ সকলো খনি এলেকাত (কয়লা : 563 হেক্টৰ; চূণশিল : 861 হেক্টৰ) কোম্পানীৰ দ্বাৰা সম্পাদন কৰা সকলো খনন কাৰ্য সামৰি লোৱা হৈছে যিবোৰ সেই কোম্পানীক বৰ্তমানলৈ আৱণ্টন দিয়া হৈছে। হিচাপ পৰীক্ষাৰ নিৰীক্ষণসমূহ আগষ্ট 2022 লৈকে কৰা হৈছে। হিচাপ পৰীক্ষাৰ পদ্ধতিত কোম্পানীৰ মুখ্য কাৰ্যালয়ত ৰখা নথি-পত্ৰসমূহৰ পৰীক্ষা সামৰি লোৱা হৈছে। হিচাপ পৰীক্ষাত অন্তৰ্ভুক্ত হৈছে ব'ৰ্ড কাৰ্যসূচী/ সংক্ষিপ্ত বিৱৰণ, খনন কাৰ্যৰ পৰিকল্পনা, পৰিৱেশ প্ৰভাৱৰ নিৰূপণ প্ৰতিবেদন, প্ৰকৃত খনি কাৰ্যৰ সংখ্যা আৰু আভ্যন্তৰীণ নিয়ন্ত্ৰণ আদি।

বৰ্তমানৰ এই হিচাপ পৰীক্ষাৰ মাপকাঠিৰ আহিলা হিচাপে লোৱা হৈছে (i) খনি আৰু খনিজ (উন্নয়ন আৰু নিয়মীয়াকৰণ) আইন, 1957 (এম এম ডি আৰ) (ii) খনিজ ৰেহাই আইন, 1960 (এম চি আৰ), (iii) খনিজ (সংৰক্ষণ আৰু উন্নয়ন)আইন, 1988 (এম চি ডি আৰ) (v) পৰিৱেশ (সুৰক্ষা) আইন, 1986 (ই পি) আৰু লগতে তাৰ অধীনত প্ৰণয়ন কৰা বিধি ব্যৱস্থাসমূহ।

হিচাপ পৰীক্ষাৰ ফলাফলসমূহ

2.4.4 খনিজ পদাৰ্থ নিষ্কাষন

খনন কাৰ্যৰ বিধিসম্মত ব্যৱস্থাৱলী

খনিজাত সামগ্ৰীৰ ক্ষেত্ৰত খনন কাৰ্য সম্পাদন কৰাৰ বাবে আইন আৰু বিধিত সন্নিবিষ্ট প্ৰধান ব্যৱস্থাৱলী বিশেষ ধৰণে তলত উল্লেখ কৰা হ'ল:

এম এম ডি আৰ আইন, 1957 ৰ ধাৰা 5(2)(b) : খনন কাৰ্যৰ লীজ পাবৰ বাবে খনন কাৰ্যৰ পৰিকল্পনাৰ দৰকাৰ। ইয়াত পাঁচবছৰ কালৰ বাবে খনন কাৰ্য আৰু বাৰ্ষিক খননৰ এক পৰীক্ষামূলক আঁচনি অন্তৰ্ভুক্ত। প্ৰতিটো পাঁচ বছৰ কাল সমাপ্ত হোৱাৰ পিছত খনি কাৰ্যৰ আঁচনিৰ নতুন অনুমোদন লাগে।

এম এম ডি আৰ আইন, 1957 ৰ ধাৰা 21 : আইনৰ ধাৰা (এম এম ডি আইন 1957) ভঙ্গ কৰিলে পাঁচ বছৰ পৰ্যন্ত বৰ্দ্ধিত সময়ৰ বাবে জেল বা 5 লাখ টকা পৰ্যন্ত জৰিমনা অথবা দুয়োটাই শাস্তি পোৱাৰ যোগ্য আৰু আইন ভঙ্গৰ পুনৰাবৃত্তি ঘটি থাকিলে 50,000 টকা পৰ্যন্ত অতিৰিক্ত জৰিমনা প্ৰতিদিন যি কেইদিন প্ৰথম আইন ভঙ্গ কৰা বাবে শাস্তি পোৱাৰ পিছত আইন ভঙ্গ কাৰ্য চলি থাকে।

এম চি আৰ আইন 1960 ৰ নিয়ম 2(iia) : 'অবৈধ খনন কাৰ্য' ই বুজায় খনি কাৰ্যৰ লীজৰ বাবে প্ৰয়োজনীয় এম এম ডি আৰ আইনৰ ধাৰা 4(1) অনুসৰি খনন কাৰ্যৰ বাবে জৰীপ অথবা আকৰ বিচৰা অথবা খনন কাৰ্যৰ

বাবে অনুমোদন অবিহনে যেতিয়া কোনো ব্যক্তি অথবা কোম্পানীয়ে কোনো এলেকাত জৰীপ, আকৰ বিচৰা অথবা খনন কার্য সম্পাদন কৰে।

এম চি আৰ আইন, 1960 ৰ অধিনিয়ম 22A আৰু 28 : সকলো খনন কার্য খননকার্যৰ পৰিকল্পনা মতে কৰা হয়। যেতিয়া লীজ কার্যকৰী হোৱাৰ দুবছৰৰ ভিতৰত খনন কার্য কৰা নহয় অথবা সেই কাম আৰম্ভ কৰাৰ পিছত দুবছৰৰ বাবে একেৰাহে খনন কার্য বন্ধ ৰাখে তেতিয়া ৰাজ্য চৰকাৰে এক ঘোষণাপত্রযোগে সেই লীজ বাতিল কৰিব পাৰে আৰু সেই ঘোষণাটো লেচীক জনাব লাগে।

এম চি ডি আৰ, 1988 ৰ আইন 13 (2) : অনুমোদিত পৰিকল্পনা মতে যদি কোনো খনন কার্য কৰাত অপাৰগ হয়, তেতিয়া 'ইণ্ডিয়ান ব্যুৰ' অৰ মাইনচ, ভাৰত চৰকাৰে পৰিকল্পনা মতে সেই খনন কার্য আৰম্ভ নকৰা পর্যন্ত খনন কার্য স্থগিত ৰাখিব পাৰে।

ই পি এক্ট, 1986 ৰ অনুচ্ছেদ 15 : কোনোবাই যেতিয়া এই আইন অনুসৰে কাম নকৰে অথবা তাৰ বিৰোধ কৰে, বা তাৰ অধীনত তৈয়াৰ কৰা আইন অথবা নির্দেশনা নামানে তেতিয়া প্রতিবাৰ তেনে অপাৰগতা বা অমান্যৰ বাবে পাঁচ বছৰ পর্যন্ত কাৰাবাসৰ শাস্তি পাবৰ যোগ্য, এক লাখ টকা পর্যন্ত জৰিমনাসহ অথবা দুয়োটাই পাবৰ যোগ্য আৰু যদিহে তেনে অপাৰগতা বা অমান্য প্রথম অপাৰগতা বা অমান্যতাৰ বাবে শাস্তি পোৱাৰ পিছত অব্যাহত থাকে তেন্তে তেনে অপৰাগতা বা অমান্যতাৰ কালছোৱাত প্রতিদিনে অতিৰিক্ত 5,000 টকা পর্যন্ত জৰিমনা বৃদ্ধি হ'ব পাৰে।

খনন কার্য সম্পাদনৰ বাবে প্রয়োজন হোৱা অনুমোদনৰ সংক্ষিপ্ত বিৱৰণ ***সাৰণী 2.4.3*** ত দিয়া হৈছে।

সাৰণী 2.4.3: কোম্পানীৰ খনন কার্যৰ সৰিশেষ

নাম (এলেকা)	আৱণ্টনৰ তাৰিখ	খনিৰ পৰিকল্পনাৰ অনুমোদন/(নৱীকৰণ) তাৰিখ	খননকার্যৰ লীজ অনুমোদন তাৰিখ	লীজৰ সময় পাৰ হোৱা তাৰিখ	মন্তব্য
কয়লা					
জি চি ই পি[105] (500 হেক্টৰ)	21-04-1984	29-01-2001	মঞ্জুৰ হোৱা নাই	প্রযোজ্য নহয়	এপ্রিল 1984ৰ পৰা জানুৱাৰী 2001 লৈ যিহেতু খনন কার্যৰ পৰিকল্পনা প্রস্তুত / অনুমোদন হোৱা নাছিল ৰীতিমতে নিয়ম অনুসাৰে লীজৰ অনুমোদন দিয়া হোৱা নাছিল। যদিও এক খনন কার্যৰ লীজ জানুৱাৰী 2001ত 5 বছৰৰ বাবে অনুমোদন কৰা হৈছিল, খনন কার্যৰ অনুমোদন দিয়া হোৱা নাছিল কিয়নো এ এম ডি চি এল এ অসম চৰকাৰক 1995 ৰ পৰা 2001 লৈ আদায় দিব লগা ৰয়েল্টী আদায় দিয়া নাছিল। ***যাহওঁক, কোম্পানীয়ে আৱণ্টন পোৱাৰ পৰা (21 এপ্রিল 1984) ৰ পৰা জানুৱাৰী 2021 লৈ কোনো ৰীতিমতে খনন কার্যৰ লীজ নোহোৱাকৈ সমগ্র সময়ছোৱাত খনন কার্য চলাই গৈছিল।***

[105] গৰমপানী কয়লা নিষ্কাষণ প্রকল্প।

নাম (এলেকা)	আৱণ্টনৰ তাৰিখ	খনিৰ পৰিকল্পনাৰ অনুমোদন/(নৱীকৰণ) তাৰিখ	খননকাৰ্যৰ লীজ অনুমোদন তাৰিখ	লীজৰ সময় পাৰ হোৱা তাৰিখ	মন্তব্য
কে এ চি ই পি[106] (63 হেক্টৰ)	04-03-1994	অনুমোদন হোৱা নাই	মঞ্জুৰ হোৱা নাই	প্ৰযোজ্য নহয়	এ এম ডি চি এল এ খনন কাৰ্যৰ পৰিকল্পনা অনুমোদনৰ বাবে দাখিল কৰিছিল (আগষ্ট 1999) য'ত ভাৰত চৰকাৰে (ইণ্ডিয়ান ব্যুৰো অৱ মাইনচ) কিছুমান শুধৰণি দিছিল (মাৰ্চ 2000)। যাহওঁক কোম্পানীয়ে কোনো সংশোধিত পৰিকল্পনা দাখিল কৰা নাছিল যাৰ তথ্য সমৃদ্ধ যুক্তি নাই। ***কোম্পানীয়ে ৰীতিমতে খনন কাৰ্যৰ লীজ অবিহনে আৱণ্টনৰ দিন (4 মাৰ্চ 1994)ৰ পৰা জানুৱাৰী 2021 লৈ খনন কাৰ্য চলাই গৈছিল।***
চূণশিল					
খণ্ড 1 (33 হেক্টৰ)	চেপ্তেম্বৰ 1995	উপলব্ধ নাই (01-12-2016)	21-09-1985	30-09-2008[107]	***আৰম্ভণিৰ পৰা কাৰ্যকৰী হোৱা নাই যাৰ কাৰণ জনা নাযায়।*** যিহেতু পৰিৱেশ অনুমোদন লাভ কৰা নাই, ছেপ্তেম্বৰ 2008 ৰ পিছত খনন কাৰ্যৰ লীজ মঞ্জুৰ কৰা নাই।
খণ্ড 2 (167 হেক্টৰ)	জুন 1992	25-04-1991 (01-12-2016)	17-06-1992	24-08-2012[108]	ডিচেম্বৰ 2011 লৈ কাৰ্যকৰী হৈছিল। ***পৰিৱেশ অনুমোদন নোহোৱা হেতু আগষ্ট 2012 ৰ পিছত লীজ মঞ্জুৰ কৰা নাই।***
খণ্ড 3 (31 হেক্টৰ)	03-05-2010	01-12-2016	মঞ্জুৰ হোৱা নাই	প্ৰযোজ্য নহয়	***যিহেতু পৰিৱেশ অনুমোদন আগষ্ট 2022 ত পোৱা হৈছে আৰম্ভণিৰ পৰা অ'পাৰেচন চলা নাই।*** পৰিৱেশ অনুমোদন নোহোৱাত খনন কাৰ্যৰ লীজ দিয়া নাই।
খণ্ড 4 (200 হেক্টৰ)	03-05-2010	02-12-2016	মঞ্জুৰ হোৱা নাই	প্ৰযোজ্য নহয়	***আৰম্ভণিৰ পৰাই*** খনন কাৰ্যৰ লীজ মঞ্জুৰী নিদিয়াত অ'পাৰেচন চলা নাই, যিহেতু পৰিৱেশ অনুমোদন পাবলৈ বাকী।
খণ্ড 5 (430 হেক্টৰ)	24-07-2012	02-12-2016	মঞ্জুৰ হোৱা নাই	প্ৰযোজ্য নহয়	***আৰম্ভণিৰ পৰাই কাৰ্যকৰী হোৱা নাই*** যিহেতু খনি কাৰ্যৰ লীজ মঞ্জুৰী পোৱা নাই। যিহেতু পৰিৱেশ অনুমোদন পাবলৈ বাকী।

হিচাপ পৰীক্ষাত দেখা যায় যে:

1. ***সাৰণী 2.4.3*** ৰ পৰা দেখা যায় যে কোম্পানীক দুটা কয়লা খানৰ আৱণ্টন দিয়া হৈছিল যি দুটা আছিল 563 হেক্টৰৰ ক্ৰমে গৰমপানী কয়লা খনন প্ৰকল্প (জি চি ই পি) আৰু খোটা অৰ্দ্ধ কয়লা খনন প্ৰকল্প (কে এ চি ই পি)। যাহওঁক, কয়লা খনিসমূহ এপ্ৰিল 1984 (জি চি ই পি) আৰু মাৰ্চ 1994 (কে এ চি ই পি) ৰ পৰা জানুৱাৰী 2021 পৰ্যন্ত খনন কাৰ্যৰ লীজ অবিহনে ***2.4.5 দফা***ত আলোচনা কৰা ধৰণে নীতি বহির্ভূতভাৱে চলি আছিল। চুণশিল খনিসমূহ ***দফা 2.4.6*** ত আলোচনা কৰা ধৰণে সময়ে সময়ে দাখিল কৰা প্ৰস্তাৱ ত্ৰুটিপূৰ্ণ হোৱাত ঘাইকৈ পৰিৱেশ অনুমোদন নোপোৱাত চলা নাছিল। এক অনুমোদিত খনন কাৰ্যৰ পৰিকল্পনা

[106] খোটা অৰ্দ্ধ কয়লা উদ্‌ঘাটন প্ৰকল্প

[107] 30 চেপ্তেম্বৰ 1988 ত চুক্তি সম্পাদিত হয়।

[108] 24 আগষ্ট 1992 ত চুক্তি সম্পাদিত হয়।

খনন কার্যৰ বাবে লীজ আৱণ্টন আৰু পৰিৱেশ অনুমোদন অবিহনে অবৈধভাৱে খনন কার্য চলাই যোৱাৰ পিছতো ভাৰত চৰকাৰ অথবা অসম চৰকাৰে কোম্পানীৰ বিৰুদ্ধে কোনো কঢ়া ব্যৱস্থা গ্ৰহণ নকৰিলে।

2. ***সাৰণী 2.4.3*** ত দিয়া ধৰণে এইটো প্ৰতীয়মান হয় যে আৱণ্টন দিয়া সকলো খনিৰ খনন কার্যৰ পৰিকল্পনা প্ৰস্তুত আৰু সময়মতে খনন কার্যৰ লীজ পোৱাৰ ক্ষেত্ৰত কোম্পানী ব্যর্থ হৈছিল। যাহওঁক, কোম্পানী দুয়োটা কয়লা খনি আৰু এটা চূণশিল খনি(খণ্ড-2)ৰ কাম ভাৰত চৰকাৰৰ পৰা খনি কার্যৰ পৰিকল্পনা অথবা খনন কার্যৰ লীজ বা পৰিৱেশ অনুমোদন সময়ে সময়ে নোপোৱা স্বত্বেও কৰি গৈছিল। কোম্পানীৰ খনন কার্য অবৈধ হোৱা স্বত্বেও আৰু ভাৰত চৰকাৰ বা অসম চৰকাৰে অনিয়মবোৰৰ কথা জনাৰ পিছতো কোম্পানীৰ বিৰুদ্ধে অবৈধ খননকার্যত বাধা প্ৰদান কৰাৰ লগতে প্ৰতিৰোধ জৰিমনা বিহা নাই।

এইদৰে, কোম্পানীৰ অবৈধ খনন কার্যৰ বিৰুদ্ধে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে কোনো বিহিত ব্যৱস্থা নোলোৱাত, খনন স্থানত পৰিৱেশ বিনষ্ট হোৱাৰ লগতে তাৰ ফলত আশে-পাশে থকা বাসিন্দাসকলৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি অহাৰ সম্ভাৱনা নোহোৱা নহয়।

উত্তৰত কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে বিত্তীয় নাটনি আৰু অসম চৰকাৰৰ পৰা বাজেট সমর্থন নোপোৱা বাবে খনন কার্যৰ পৰিকল্পনা প্ৰস্তুত কৰিব পৰা নাছিল। বর্তমান ভাৰত চৰকাৰৰ পৰা চূণশিল খণ্ডৰ আটাইবোৰৰ পাঁচোটাৰে খনি কার্য পৰিকল্পনাৰ অনুমোদন পোৱা হৈছে আৰু কয়লা খণ্ডৰ খনন কার্যৰ পৰিকল্পনা চলি আছে।

প্ৰকৃত সত্যটো আছিল যে খনি কার্যৰ বৈধ পৰিকল্পনা/ লীজ অবিহনে খনন কার্য চলোৱাটো ন্যায়সংগত নহয় আৰু কোম্পানীয়ে খনন কার্য সম্পাদন কৰিবলৈ যোৱাৰ পূৰ্বে যিকোনো পৰিস্থিতিত বিধিসম্মত সকলো প্ৰয়োজন পূৰাব লাগে।

2.4.5 কয়লা খনিৰ কার্য সম্পাদন

A. গৰমপানী কয়লা নিষ্কাষণ প্ৰকল্প

কোম্পানীয়ে এপ্ৰিল 1984 ৰ পৰা বৈধ খনন কার্য/ পৰিকল্পনা অবিহনে খননৰ কাম আৰম্ভ কৰিছিল। বিত্তীয় নাটনিৰ কথা কৈ কোম্পানীয়ে খনি কার্যৰ পৰিকল্পনাৰ খৰছ বহন কৰাৰ সামর্থ্য নাই বুলি কৈছিল আৰু খনন কার্যৰ পৰিকল্পনা প্ৰস্তুতৰ ক্ষেত্ৰত বিলম্ব ঘটাইছিল। অৱশেষত কোম্পানীয়ে খনন কার্যৰ এক পৰিকল্পনা ভাৰত চৰকাৰক দাখিল কৰিলে (মার্চ 1999) আৰু জানুৱাৰী 2006 পর্যন্ত মিয়াদ থকা পৰিকল্পনাটোত জানুৱাৰী 2001 ত অনুমোদন জনালে।

কোম্পানীয়ে নৱীকৰণৰ এক প্ৰস্তাৱ মার্চ 2001 ত অসম চৰকাৰৰ খনি আৰু খনিজ বিভাগক দাখিল কৰিছিল যাৰ বিপৰীতে বিভাগে অসম চৰকাৰক পূর্বতে আদায় দিব লগা[109] ৰয়েল্টীৰ এক 'আদায় দিব নলগা' প্ৰমাণ পত্ৰ কোম্পানীৰ পৰা বিচাৰিছিল (এপ্ৰিল 2003)। কোম্পানীয়ে বিত্তীয় নাটনিৰ কথা কৈ বকেয়া ৰয়েল্টী আদায়ত বিলম্ব কৰে আৰু অৱশেষত অসম চৰকাৰৰ খনি বিভাগৰ সঞ্চালক প্ৰধানৰ পৰা 'আদায় দিব

[109] অসম চৰকাৰক আদায় দিব লগা টকাৰ পৰিমাণ জুলাই 2001 ৰ 1.21 কোটি টকাৰ পৰা ছেপ্তেম্বৰ 2021 ত 2.96 কোটি টকালৈ বৃদ্ধি হয় যাক কোম্পানীয়ে আপত্তিবিহীন প্ৰমাণ-পত্ৰ প্ৰাপ্ত কৰিবলৈ ছেপ্তেম্বৰ 2021 ত আদায় দিয়ে।

নলগা' প্ৰমাণ পত্ৰ লাভ কৰে (ছেপ্তেম্বৰ 2021)। যাহওঁক, কোম্পানীয়ে এক অনুমোদিত খনন কার্যৰ পৰিকল্পনা বা খনন কার্যৰ লীজ অথবা পৰিৱেশ অনুমতি-পত্ৰ নোহোৱাকৈ অবৈধভাৱে খনন কার্য জি চি ই পি-ত এপ্ৰিল 1984 ৰ পৰা জানুৱাৰী 2021 লৈ সম্পাদন কৰি থাকিল।

পিছত ভাৰত চৰকাৰে কয়লা খণ্ডৰ নতুন নিলামৰ সিদ্ধান্ত কৰে (অক্টোবৰ 2021) য'ত কোম্পানীয়ে অংশগ্ৰহণ কৰে আৰু জি চি ই পি এক কৃতকার্য নিলামকাৰী ৰূপে ঘোষিত হয় (মার্চ 2022)। ভাৰত চৰকাৰৰ সৈতে চুক্তি সম্পাদন চূড়ান্ত হোৱাৰ প্ৰক্ৰিয়া চলি আছে (জুলাই 2022)।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে আর্থিক নাটনিৰ বাবে অসম চৰকাৰক দেনা আদায় দিব পৰা নাছিল যদিও ছেপ্তেম্বৰ 2021ত দেনা আদায় দি ভাৰত চৰকাৰৰ নিবিদাত অংশ লয় আৰু জি চি ই পি-ৰ খনন কার্যত বাছনিভুক্ত হয় আৰু তাৰ নিয়ম প্ৰক্ৰিয়া চলি আছে।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে ৰয়েল্টী এক বিধিসন্মত দেনা আৰু কোম্পানীয়ে কয়লা বিক্ৰীত পোৱা ৰয়েল্টীৰ কথাটো বিবেচনাৰে নিলগাই ৰাখি ভাল বিত্তীয় পৰিচালনাৰে কর্তৃপক্ষৰ দেনা আদায় দিব লাগিছিল। যদিও কোম্পানীয়ে 2002-03 ৰ পৰা 2019-20 লৈ সময়ছোৱাত 99.42 কোটি টকা[110] লাভ উপার্জন কৰিছিল কিন্তু ই বিধিসন্মত দেনা আদায় দিয়াত ব্যর্থ হৈছিল।

B. খোটা অর্ধ কয়লা নিষ্কাষণ প্ৰকল্প

অসম চৰকাৰে কোম্পানীক খনন কার্যৰ পৰিকল্পনা ভাৰত চৰকাৰৰ অনুমোদনৰ বাবে দাখিল কৰিবলৈ নির্দেশনা দি আৱণ্টন দিছিল (মার্চ 1994)। যদিও কোম্পীয়ে খনন পৰিকল্পনা ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিছিল (জানুৱাৰী 1995) ভাৰত চৰকাৰে তাত অনুমোদন নিদিলে কিয়নো ভাৰত চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত কোনো পৰামর্শ দাতাৰ দ্বাৰা সি প্ৰস্তুত হোৱা নাছিল।

ভাৰত চৰকাৰে স্বীকৃতি দিয়াৰ পিছত স্বীকৃত পৰামর্শ দাতাই ভাৰত চৰকাৰৰ অনুমোদনৰ বাবে এক খনন কার্যৰ পৰিকল্পনা ভাৰত চৰকাৰক দাখিল কৰে (আগষ্ট 1999), যাক ভাৰত চৰকাৰে অনুমোদন নকৰিলে (মার্চ 2000) যিহেতু তাত কিছুমান ত্ৰুটি আছিল। ইয়াৰ পিছত কোম্পানীয়ে কোনো শুধৰণী খনন কার্যৰ পৰিকল্পনা দাখিল নকৰিলে যাৰ বাবে যুক্তিৰ তথ্য নাই। ফলস্বৰূপে, কোম্পানীয়ে অসম চৰকাৰৰ পৰা এক খনন কার্যৰ লীজ নাপালে (ডিচেম্বৰ 2022)। দৃষ্টিগোচৰ হৈছিল যে কোম্পানীয়ে আৱন্টন দিয়া দিনৰ পৰা (4 মার্চ 1994) জানুৱাৰী 2021 লৈ কোনো নীতিগত খনন কার্যৰ লীজ নোপোৱাকৈ কে এ চি ই পি-ত অকর্তৃত্বশীলভাৱে খনি কার্য চলাই গৈছিল।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে পৰামর্শদাতাই সময়মতে খনন কার্যৰ পৰিকল্পনা দাখিল নকৰিলে যাৰ কাৰণে পৰামর্শদাতাক জৰিমনা বিহা হৈছে।

উত্তৰটো গ্ৰহণযোগ্যৰ নহয় এই কাৰণেই যে খনন কার্যৰ পৰিকল্পনাত ত্ৰুটি দেখুৱাই দিয়াৰ পাছতো কোম্পানীয়ে কোনো শুধৰণিমূলক খনন পৰিকল্পনা দাখিল নকৰিলে। তাৰোপৰি, কোম্পানীয়ে বৈধ খনন

[110] 2002-03 ৰ পৰা 2005-06 আৰু 2009-10 ৰ পৰা 2019-20 লৈ উপার্জন কৰা মুঠ লাভঃ 100.55 কোটি টকা বিয়োগ 2006-07 ৰ পৰা 2008-09 লৈ হোৱা মুঠ লোকচান ঃ 1.13 কোটি টকা।

কার্য পৰিকল্পনা/ লীজ অবিহনে খনন কার্য চলাই যাব নালাগিছিল যাৰ দ্বাৰা অসম চৰকাৰৰ নির্দেশনা উলংঘন কৰা হৈছে যিটো আইন বিৰুদ্ধ আছিল।

সাৰাংশ

সঠিক আৰু ভাৰত চৰকাৰৰ অনুমোদিত খনন কার্যৰ পৰিকল্পনা দাখিলত অপাৰগ হোৱা বাবে জি ই চি পি (এপ্রিল 1984) আৰু কে এ চি পি (মার্চ 1994)ক আৱণ্টনৰ পৰা জানুৱাৰী 2021 লৈকে কোম্পানীয়ে অসম চৰকাৰৰ পৰা খনন লীজ লাভ কৰিছিল। এক অনুমোদিত খনন কার্যৰ পৰিকল্পনা, নীতিমতে খনি কার্যৰ লীজ চুক্তি আৰু পৰিৱেশ প্রমাণ-পত্র নোহোৱা স্বত্বেও কোম্পানীয়ে উভয় খনি প্রকল্পত (জি চি ই পি আৰু কে এ চি ই পি) ইয়াৰ খনন কার্য জানুৱাৰী 2021 লৈ চলাই থাকিল। সঠিক কর্তৃত্ব অবিহনে আৰু অসম চৰকাৰৰ ভূতত্ব আৰু খনি সঞ্চালকালয়ৰ পৰা খনন কার্য বন্ধ ৰাখিবলৈ নির্দেশনা দিয়াৰ (22 এপ্রিল 1998, 15 জুন 1998 আৰু 01 আগষ্ট 1998) পিছতো কোম্পানীয়ে দুয়োটা খনিৰ পৰা 2017-2021 ৰ ভিতৰত 11,22,862 মেট্রিক টন কয়লা খান্দি উলিয়ায়। পুনৰ দেখা গৈছিল যে এপ্রিল 1984 ত আৱণ্টন পোৱা দিনৰ পৰা জানুৱাৰী 2021 লৈ 36 বছৰৰ অধিক কাল অবৈধভাৱে খনন কার্য চলাই যোৱাৰ ক্ষেত্রত অৱগত হোৱাৰ পিছতো ভাৰত চৰকাৰ অথবা অসম চৰকাৰে কোম্পানীৰ বিৰুদ্ধে কোনো কার্য ব্যৱস্থা গ্রহণ নকৰিলে। তাৰোপৰি, অপৰিকল্পিতভাৱে খনন উদ্‌ঘাটন কার্যই বিৰূপভাৱে পৰিৱেশৰ ওপৰত প্রভাৱ পেলোৱাৰ লগতে খনি কর্মীসকলৰ বাবে জীৱনৰ সংশয় আনিব পাৰে।

2.4.5.1 কয়লাৰ দৰ নির্ধাৰণ

অসম চৰকাৰৰ খনি কার্যৰ লীজ মঞ্জুৰ কৰাৰ চর্ত অনুসৰি কয়লাৰ দৰ মূল্য ভাৰত চৰকাৰে সময়ে সময়ে জাৰি কৰা শ্রেণী অনুসৰি নির্ধাৰণ কৰা হয়।

কোম্পানীয়ে বাহিৰৰ এজেন্সীৰ জৰিয়তে 30 বিধ কয়লাৰ নমুনা পৰীক্ষা কৰিছিল (মার্চ 2018) য'ত নমুনাৰ কেলৰিযুক্ত মূল্য জি ই চি পি আৰু কে এ চি ই পি এলেকাত 2,440 আৰু 6,505 প্রতি কিঃকেলৰি/ কেজিত পোৱা গৈছিল। তাৰ পিছত পৰীক্ষাৰ ফল অসমৰ ডি জি এম-ক দাখিল কৰিছিল (জুলাই 2019) আৰু অনুৰোধ কৰিছিল যাতে কয়লাৰ মূল্য কেলৰিযুক্ত মূল্যৰ গড়ৰ ভিত্তিত কৰা হয়। ডি জি এমে প্রস্তাৱটো নাকচ কৰি কোম্পানীক দুটা কয়লাখনিৰ পৰা কয়লা উঠাই ডি জি এম-ৰ লেবৰেটৰীত নমুনা দাখিল কৰিবলৈ নির্দেশ দিছিল (নৱেম্বৰ 2019) যাতে তাক পৰীক্ষা কৰি মাহিলি ভিত্তিত কেলৰিযুক্ত মূল্য পাব পৰা যায়। তাৰোপৰি, ডি জি এমে নির্দেশ দিছিল যে কয়লাৰ বিক্রীমূল্য যাতে ক'ল ইণ্ডিয়া লিমিটেডে (চি আই এল) নির্ধাৰণ কৰা অনুসৰি নির্ধাৰণ কৰা হয়।

এই নির্দেশৰ পৰিপন্থী ৰূপে কোম্পানীয়ে উদ্‌ঘাটন কৰি অনা কয়লাৰ কেলৰিযুক্ত মূল্য আৰু চি আই এলে জাৰি কৰা সংশ্লিষ্ট বিক্রী মূল্য হিচাপত নলৈ কয়লাৰ বিক্রীমূল্য নির্ধাৰণ কৰি গ'ল। হিচাপ পৰীক্ষাত দেখা গৈছিল যে কোম্পানীয়ে কয়লাৰ ভিত্তিমূল্য আন্দাজতে প্রতি মেট্রিক টনত 483 টকাৰ পৰা 3,080 টকাৰ ভিতৰত নির্ধাৰণ কৰিছিল (জানুৱাৰী 2005-জানুৱাৰী 2017) যাক শেহতীয়াকৈ নির্ধাৰণ (3,080 টকা প্রতি মেট্রিকটন) জানুৱাৰী 2017 ত কৰা হৈছিল। যদিও চি আই এলে জানুৱাৰী 2018 আৰু নৱেম্বৰ 2020 ত দুবাৰ কয়লাৰ দৰ বৃদ্ধি কৰিছিল কোম্পানীয়ে তাক কার্যকৰী কৰা নাছিল।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে ডি জি এম অসমৰ ওৱেবচাইটত উপলব্ধ তথ্য অনুসৰি জি চি ই পি-ৰ খনিৰ পৰা উদ্‌ঘাটন কৰা কয়লাৰ কেলৰিযুক্ত মূল্য আছিল প্ৰতি কিঃকেলৰি/ কেজিত 5,590 ৰ পৰা 7,380 ৰ ভিতৰত যাৰ বাবে চি আই এল (মে' 2016)এ কয়লাৰ দৰ যথাক্ৰমে 2,750 টকা আৰু 3,698 টকা হিচাপে জাৰি কৰিছিল। এই কথা বিবেচনা কৰি আৰু ডি জি এম-ৰ নিৰ্দেশনা মতে কোম্পানীয়ে প্ৰকৃত কেলৰিযুক্ত মূল্য অনুসৰি আৰু চি আই এল-এ জাৰি কৰা দৰ অনুসৰি কয়লাৰ ভিত্তি মূল্য নিৰ্ধাৰণ কৰিব লাগিছিল যাতে সৰ্বাধিক ৰাজহ পাব পৰা যায়।

উত্তৰত কোম্পানীয়ে জনাইছিল (ফেব্ৰুৱাৰী 2023) যে কয়লাৰ গড় কেলৰি যুক্তি মূল্য পৰীক্ষা G6 হিচাপে পোৱাৰ পিছত কয়লাৰ মূল্য ইয়াৰ সঞ্চালক মণ্ডলীয়ে নিৰ্দ্ধাৰণ কৰিছিল আৰু মূল মূল্য চি আই এল-ৰ অধিসূচিত মূল্যতকৈ বেছি আছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় যিহেতু ডি জি এম এ কেলৰিযুক্ত মূল্যৰ গড় ভিত্তিত কয়লাৰ দৰ নিৰ্ধাৰণৰ প্ৰস্তাৱটো পোনচাটেই নাকচ কৰিছিল। তাৰোপৰি, G6 কয়লাৰ কেলৰিযুক্ত মূল্য প্ৰতি কিঃকেলৰি/কেজি 5,500 ৰ পৰা 5,800 ৰ ভিতৰত যি ডি জি চি ই পি খাদত পোৱা কয়লাৰ কেলৰিযুক্ত মূল্য (7,380 প্ৰতি কিঃকেলৰি/কেজি)তকৈ ভালেখিনি কম। কোম্পানীয়ে গড় হিচাপত কয়লাৰ কেলৰিযুক্ত মূল্যৰ ওপৰত দৰ নিৰ্ধাৰণ কৰাৰ সমৰ্থনত কোনো তথ্য ভিত্তিক প্ৰমাণো দিব পৰা নাছিল। এতেকে, কোম্পানীয়ে কয়লাৰ নমুনা ডি জি এম অসমৰ বা ডি জি এম, অসমৰ দ্বাৰা নিৰ্দেশ অনুসৰি অন্য এজেঞ্চীৰ পৰীক্ষাগাৰত পৰীক্ষা কৰা ফলৰ ভিত্তিত প্ৰকৃত কেলৰিযুক্ত মূল্যৰ ক্ষেত্ৰত নিশ্চিত হোৱাৰ পিছতহে কয়লাৰ দৰ নিৰ্ধাৰণ কৰিব লাগিছিল।

2.4.5.2 'অনুমোদিত গ্ৰাহক' নিয়োগ

অসম চৰকাৰে খনি কাৰ্যৰ লীজ মঞ্জুৰ কৰাৰ চৰ্ত অনুসৰি, কোম্পানীয়ে ঠিকাদাৰৰ জৰিয়তে নকৰি পোনপটীয়াকৈ খনন চলাব লাগিছিল। অসম চৰকাৰৰ খনি কাৰ্যৰ লীজৰ চৰ্তৰ বিপৰীতে কোম্পানীয়ে খনন কাৰ্য চলাবৰ বাবে অনুমোদিত গ্ৰাহক[111] নিয়োগ কৰে। অনুমোদিত গ্ৰাহকসকলে তেওঁলোকৰ আৱণ্টিত এলেকাৰ পৰা খনন কাৰ্য চলায়, সেইসমূহ উঠাই গৰমপানীত থকা কোম্পানীৰ কেন্দ্ৰীয় গুদামলৈ সৰবৰাহ কৰে, আৰু কোম্পানীয়ে নিৰ্ধাৰণ কৰা বিক্ৰী দৰত অগ্ৰিম আদায়ৰ বিপৰীতে কয়লাসমূহ ক্ৰয় কৰে।

কোম্পানীয়ে আগষ্ট 2022 ত 18 গৰাকী অনুমোদিত গ্ৰাহক জি চি ই পি (16 গ্ৰাহক) আৰু কে এ চি ই পি (2 গ্ৰাহক) নিয়োগ কৰে, যিসকলে আৱণ্টন পোৱা দিনৰ পৰা (এপ্ৰিল 1984/ মাৰ্চ 1994) খনন কাৰ্য চলাই আহিছে। 'অনুমোদিত গ্ৰাহক' নিয়োগৰ এই প্ৰক্ৰিয়াই অসম চৰকাৰৰ সৈতে হোৱা চুক্তিৰ উলংঘন হৈছে যিহেতু চুক্তি অনুসৰি খনন কাৰ্য ঠিকাদাৰৰ জৰিয়তে নকৰি পোনপটীয়াকৈহে কৰিব লাগিছিল।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে অনুমোদিত গ্ৰাহকৰ দ্বাৰা খনন কাৰ্য কৰা হৈছিল আৰু কয়লা উদ্‌ঘাটনত/ খনন কাৰ্যত কোনো বিনিয়োগ কৰা হোৱা নাছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে কোম্পানীয়ে ঠিকাদাৰৰ জৰিয়তে নকৰাকৈ পোনপটীয়াকৈ নিজে খনন চলাব লাগিছিল।

[111] অনুমোদিত গ্ৰাহকসকলক জিলা পৰিষদৰ পৰা লাভ কৰা এন অ' চি-ৰ সৈতে বাতৰি কাকতৰ বিজ্ঞাপনৰ জৰিয়তে আবেদন আহ্বান কৰি নিৰ্বাচিত কৰা হৈছিল আৰু শেষত কোম্পানীটোৰ বাচনি সমিতিৰ দ্বাৰা নিৰ্বাচিত কৰা হৈছিল।

ওপৰৰ বক্তব্যৰ উপৰিও এই সন্দর্ভত তলৰ নিৰীক্ষণসমূহো কৰা হ'ল:

2.4.5.3 ডি এম এফ ন্যাস বৰঙণি আদায় নোহোৱা

এম এম ডি আৰ আইন, 2015 (কেন্দ্রীয় আইন)ৰ অনুচ্ছেদ-9B এ সূচায় যে খনি কার্যৰ দ্বাৰা ক্ষতিগ্রস্ত হোৱা কোনো জিলাত অসম চৰকাৰে এক বিশেষ ন্যাস অর্থাৎ জিলা খনিজ সংস্থাপন (ডি এম এফ ন্যাস) গঠন কৰিব। খনন কার্যৰ দ্বাৰা ক্ষতিগ্রস্ত হোৱা এলেকা বা লোকসকলৰ স্বার্থ আৰু লাভৰ বাবে ডি এম এফ এ কাম কৰিব লাগে। সেই অনুসাৰে, অসম চৰকাৰে ডি এম এফ ন্যাস গঠন হোৱা বুলি 26 আগষ্ট 2016 ত অধিসূচনা জাৰি কৰিছিল।

ইতিমধ্যে, ভাৰত চৰকাৰে 12 জানুৱাৰী 2015 ৰ পূর্বে মঞ্জুৰ হোৱা খনি লীজৰ ক্ষেত্রত সেই আইনৰ দ্বিতীয় অনুসূচী অনুসৰি ৰয়েল্টীৰ 30 শতাংশ বৰঙণি ডি এম এফ ন্যাসক দিব লাগে বুলি খনি আৰু খনিজ (জিলা খনিজ সংগঠনলৈ বৰঙণি) আইন, 2015 অধিসূচনা জাৰি কৰিছিল (ছেপ্তেম্বৰ 2015)।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে 30 ছেপ্তেম্বৰ 2017 পর্যন্ত বিক্রী হোৱা কয়লাৰ মূল্যৰ ওপৰত সংগ্রহ কৰা ৰয়েল্টীৰ অংশ হিচাপে এ এম ডি চি এল এ ইয়াৰ 'অনুমোদিত গ্রাহক' ৰ পৰা ওপৰত উল্লেখ কৰা বাধ্যতামূলক বৰঙণি আদায় কৰা নাছিল। এ এম ডি চি এল এ মাথো ইয়াৰ অনুমোদিত গ্রাহকৰ পৰাহে 01 অক্টোবৰ 2017 ৰ পৰা কয়লা বিক্রীৰ ওপৰত ডি এম এফ ন্যাসক আদায় দিব লগা ধন সংগ্রহ কৰিছিল। যাহওঁক, কোম্পানীয়ে (মার্চ 2018) 26 আগষ্ট 2016 ৰ পৰা 31 জুলাই 2017 লৈ জি চি ই পি আৰু কে এ চি ই পি-ৰ ডি এম এফ ন্যাসৰ বৰঙণি হিচাপে নিজা পুঁজিৰ পৰা 1.63 কোটি টকা[112] আদায় দিয়ে, যাক অনুমোদিত গ্রাহকৰ পৰা আদায় কৰি তাৰ পিছত ডি এম এফ ন্যাসত জমা কৰিব লাগিছিল। কোম্পানীয়ে সেই ধনৰাশি 'অনুমোদিত গ্রাহক'ৰ ভৰিষ্যত বিলৰ লগতো সমাযোজন নকৰিলে।

এইদৰে, কোম্পানীয়ে ডি এম এফ পুঁজিত বাধ্যতামূলক বৰঙণি অনুমোদিত গ্রাহকৰ পৰা আদায় নকৰাত অনুমোদিত গ্রাহকক 1.63 কোটি টকা অনুচিত লাভ দিয়ে।

উত্তৰত, কোম্পানীয়ে কৈছিল (ফেব্রুৱাৰী 2023) যে ডি এম এফ ন্যাস বৰঙণি হিচাপে আদায় দিয়া পৰিমাণ (1.63 কোটি টকা) ভৰিষ্যত দেনাৰ বিপৰীতে সমাযোজন কৰিবলৈ কোম্পানীয়ে অসম চৰকাৰ (জিলা উপায়ুক্ত, ডিমা হাচাও জিলা)ক অনুৰোধ জনাইছে (অক্টোবৰ 2022)।

উত্তৰটো গ্রহণযোগ্য নহয় এই কাৰণেই যে ডি এম এফ ন্যাসৰ বৰঙণি বিধিসন্মত দেনা প্রকৃতিৰ আৰু কোম্পানীয়ে গ্রাহকৰ হকে আদায় দিয়া বৰঙণি পিছৰটোৰ পৰা আদায় কৰিব লাগিছিল। এতেকে, ভৰিষ্যত দেনাৰ বিপৰীতে অসম চৰকাৰক কোম্পানীয়ে জমা কৰা পৰিমাণ (1.63 কোটি টকা) সমাযোজন কৰিবলৈ কৰা অনুৰোধ বৈধ নহয় যিহেতু ইয়াৰ দ্বাৰা ৰাজ্যৰ কৰদাতাৰ লোকচান হ'ব।

[112] জি চি ই পি (1,54,387 মেঃ টঃ কয়লাৰ বিপৰীতে) ঃ 5.28 কোটি টকা (ৰয়েল্টী) X 30 শতাংশ + কে এ চি ই পি (5,159 মেঃ টঃ কয়লাৰ বিপৰীতে) ঃ 0.14 কোটি টকা X 30 শতাংশ।

2.4.5.4 সেৱা কৰ আদায় নোহোৱা

প্ৰাকৃতিক সম্পদ[113] ব্যৱহাৰ কৰিবলৈ কৰ্তৃত্ব বা অধিকাৰ প্ৰাপ্তিৰে চৰকাৰ বা স্থানীয় কৰ্তৃপক্ষই প্ৰদান কৰা সেৱাৰ বাবে সেৱা কৰ আদায় দিব লাগে।

2016-17 বৰ্ষত কোম্পানীয়ে ৰয়েল্টী (6.34 কোটি টকা) আৰু ৰাষ্ট্ৰীয় খনিজ উদ্‌ঘাটন ন্যাস পুঁজি[114] (0.12 কোটি টকা)ত 6.46 কোটি টকা জমা কৰে। 2017-18 বৰ্ষৰ সময়ছোৱাত কোম্পানীয়ে সামগ্ৰী আৰু সেৱা কৰ (জি এচ টি) ব্যৱস্থা প্ৰৱৰ্তন (জুন, 2017) লৈকে ৰয়েল্টী (1.30 কোটি টকা) আৰু এন এম ই টি (0.03 কোটি টকা) লৈ পুনৰ 1.33 কোটি টকা জমা কৰে। যাহওঁক, কোম্পানীয়ে তেনে জমাৰ বিপৰীতে সেৱা কৰ আদায় দিয়াটো এৰাই চলে। সেৱা কৰ কৰ্তৃপক্ষই 2016 চনৰ এপ্ৰিলৰ পৰা 2017 চনৰ জুনলৈকে কোম্পানীটোৰ পৰা সেৱা কৰ (1.17 কোটি টকা)ৰ লগতে পলমকৈ পৰিশোধ কৰাৰ সুত/ জৰিমনা (0.39 কোটি টকা) হিচাপে 1.56 কোটি টকা দাবী (জুন 2018) কৰিছিল। কোম্পানীয়ে ওপৰত উল্লেখ কৰা বিধিসন্মত ব্যৱস্থাৰ প্ৰতি সজাগ নাছিল বুলি কৈ সমুদায় ধন আদায় দিয়ে (মাৰ্চ 2018)।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে কোম্পানীয়ে অনাদায় হৈ থকা 1.17 কোটি টকা সেৱা কৰ 'অনুমোদিত গ্ৰাহক'ৰ পৰা ৰয়েল্টীসহ আদায় কৰাৰ অধিকাৰী। যাহওঁক, কোম্পানীয়ে তাক আদায় নকৰি 'অনুমোদিত গ্ৰাহক'ক অনুচিত দৰদ দেখুৱাই 1.17 কোটি টকা প্ৰদান কৰিলে।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে তেওঁলোকে সেৱা কৰা আদায়ৰ পৰা ৰেহাই বিচাৰিছিল, কিন্তু কৰ্তৃপক্ষই সেই কথা গ্ৰহণ নকৰিলে।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে সেৱা কৰ এটা বিধিসন্মত দায়বদ্ধতা আৰু তাক 'অনুমোদিত গ্ৰাহক'ৰ পৰা আদায় কৰিব লাগিছিল।

2.4.5.5 ৰয়েল্টী আদায়ত বিলম্ব

এম এম ডি আৰ আইন 1957 ৰ অনুচ্ছেদ-9 অনুসৰি লেছী (কোম্পানী)য়ে লীজ এলেকাৰ পৰা আহৰণ কৰা খনিজৰ পৰিমাণ অনুযায়ী ৰয়েল্টী প্ৰদান কৰাটো নিয়ন্ত্ৰণ কৰে। খনিজ ৰেহাই আইন, 1960 ৰ নিয়ম 64A ৰ মতে লেছীয়ে ৰয়েল্টী আদায়ত বিলম্ব কৰিলে প্ৰতিবছৰ 24 শতাংশ হাৰত সৰল সুঁদ দাবী কৰিবলৈ ৰাজ্য চৰকাৰক ক্ষমতা দিয়া হৈছে। অসম চৰকাৰৰ অধিসূচনা (22 জুলাই 1988)মতেও পূৰ্বৰ মাহত উৎপাদিত খনিজৰ ওপৰত প্ৰতিমাহৰ 10 তাৰিখৰ ভিতৰত ৰয়েল্টী আদায় দিয়াটো প্ৰয়োজন।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে কোম্পানীয়ে 'অনুমোদিত গ্ৰাহক'ৰ পৰা কয়লা বিক্ৰীৰ বিপৰীতে ৰয়েল্টী আদায় কৰিছিল। যাহওঁক, কোম্পানীৰ ৰয়েল্টীৰ ধন কম আদায়/ চূণশিল প্ৰকল্পৰ বাবে অকৰ্তৃত্বশীল ভাৱে হস্তান্তৰ কৰা নিৰ্ধাৰিত সময়-সীমাৰ ভিতৰত বিক্ৰী হোৱা কয়লাৰ মূল্যৰ ওপৰত ৰয়েল্টী আদায় দিয়াত ব্যৰ্থ হয়। ৰয়েল্টী আৰু সুঁদ আদায়ৰ সৰিশেষ ***সাৰণী-2.4.4*** ত দেখুওৱা হৈছে।

---

[113] কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনা নং 2/2016/ST (13 এপ্ৰিল 2016) আৰু কেন্দ্ৰীয় আৱকাৰী আৰু সীমাশুল্ক বিভাগৰ অধিসূচনা নং 192/02/2016/ST (13 এপ্ৰিল 2016)।

[114] ৰাষ্ট্ৰীয় খনিজ উদ্‌ঘাটন ন্যাস কেন্দ্ৰীয় চৰকাৰে খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰক) সংশোধনী আইন 2015 ৰ অনুচ্ছেদ 9C(1) ত ন্যস্ত ক্ষমতাৰ আধাৰত (আগষ্ট 2015) জমা হৈ থকা খনিজসমূহ চিনাক্তকৰণ, অনুসন্ধান কৰা, নিষ্কাষন কৰা, লাভ আৰু গভীৰতাত জমা হৈ থকা খনিজ শোধন কৰা, খনিজৰ উন্নয়নৰ বাবে অধ্যয়ন, গ্ৰহণযোগ্য খনিকাৰ্য, খনিজ উদ্‌ঘাটন আৰু উন্নত বৈজ্ঞানিক আৰু কাৰিকৰী কৌশল অৱলম্বন আদি।

সাৰণী 2.4.4: ৰাজিক ৰাজকোষলৈ ৰয়েল্টী/প্ৰেৰণ আৰু সুদ আদায়ৰ সৰিশেষ

আদায় দিব লগা ৰয়েল্টীৰ সময়	ৰয়েল্টীৰ আদায়ৰ পৰিমাণ	আদায় দিব লগা তাৰিখ	প্ৰকৃততে আদায় দিয়া তাৰিখ	যি তাৰিখৰ পৰা সুদ আদায় দিব লাগে	জৰিমনা সুদ আদায়	জৰিমনা সুদ আদায় দিয়া তাৰিখ
অক্টোবৰ 1994 ৰ পৰা জানুৱাৰী 2003	19,10,419	10.11.1994 পৰা 10.02.2003	16.02.2018	10.01.1995 পৰা 10.04.2003	97,33,824	19.09.2021
ফেব্রুৱাৰী 2005 ৰ পৰা ডিচেম্বৰ 2006	1,10,51,942	10.03.05 পৰা 10.01.07	26.12.07 পৰা 30.03.11	10.05.05 পৰা 12.03.07	1,67,09,715	18.09.2021

এই ক্ষেত্ৰত ***সাৰণী 2.44*** ৰ পৰা দেখা যায় যে কোম্পানীয়ে ৰয়েল্টীৰ পৰিমাণ 0.19 কোটি টকা (অক্টোবৰ 1994 ৰ পৰা জানুৱাৰী 2003 লৈ) ৰাজ্যিক ৰাজকোষলৈ (জি অ' এ) প্ৰেৰণ কৰাত পলম কৰিছিল। হিচাপ পৰীক্ষাত দেখা যায় যে এই পলমৰ মূল কাৰণ আছিল এই সময়ছোৱাত 'অনুমোদিত গ্ৰাহক'ৰ পৰা ৰয়েল্টী সংশোধনীৰ পূৰ্বৰ নিৰিখত আদায় কৰা। যিহেতু কোম্পানীয়ে 'অনুমোদিত গ্ৰাহক'ৰ পৰা ঘাটি হোৱা ৰয়েল্টী আদায়ত ব্যৰ্থ হ'ল; ই জৰিমনাৰ সুদ (0.19 কোটি টকা) সহ 0.97 কোটি টকাৰ দায়িত্ব ল'ব লাগিছিল।

পুনৰ হিচাপ পৰীক্ষাত দৃষ্টি গোচৰ হয় যে সঞ্চালক মণ্ডলীৰ অনুমোদন অবিহনে ৰয়েল্টীৰ ধন অকৰ্তৃত্বশীল ভাৱে চূণশিল খনন প্ৰকল্পলৈ হস্তান্তৰ কৰাত 1.10 কোটি টকা পৰিমাণ ৰয়েল্টী (ফেব্রুৱাৰী 2005 ৰ পৰা ডিচেম্বৰ 2006 লৈ) ৰাজ্যৰ হিচাপৰ শিতানত জমা কৰা নহ'ল। ফলস্বৰূপে, কোম্পানীয়ে 1.67 কোটি টকা সুদৰ বোজা ল'ব লগা হ'ল যি কোম্পানীৰ নিজা উৎসৰ পৰা দিলে।

এইদৰে, নিৰ্ধাৰিত সময়সূচী মতে ৰয়েল্টীৰ ধন ৰাজ্যিক হিচাপত জমা নকৰাত কোম্পানীয়ে পৰিহাৰযোগ্য সুদ 2.64 কোটি টকাৰ দায়িত্ব ল'ব লগা হ'ল।

কোম্পানীয়ে উল্লেখ কৰিছিল (ফেব্রুৱাৰী 2023) যে আৰ্থিক সংকটৰ বাবে সময়মতে ৰয়েল্টি জমা দিব পৰা নাছিল।

উত্তৰটো গ্ৰহণযোগ্য নহয় কাৰণ ৰয়েল্টি এটা বিধিগত বাধ্যবাধকতা আৰু কোম্পানীয়ে প্ৰযোজ্য হাৰ অনুসৰি অনুমোদিত গ্ৰাহকৰ পৰা ৰয়েল্টি ধন আদায় কৰিব লাগিছিল আৰু অন্য কামত পৰিবৰ্তন নকৰাকৈ তৎক্ষণাত একেখিনি কৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব লাগিছিল।

অসম চৰকাৰ/ কোম্পানীয়ে বিধিসন্মত দেনাসমূহ সময়মতে আদায় নকৰা আৰু তাক ৰাজ্যৰ শিতানত জমা নকৰা দোষী কৰ্মচাৰীৰ দায়বদ্ধতা নিৰ্দিষ্ট কৰা উচিত, যাতে ভৰিষ্যতে তেনে ত্ৰুটি সংঘটিত নহয়।

2.4.6 চূণশিল খনিৰ পৰিচালনা

কোম্পানীক 'উমৰাংচু'ত পাঁচটা 861 হেক্টৰ এলেকাৰ চূণশিল খনি খণ্ড আৱণ্টন দিয়া হৈছিল (আগষ্ট 2022 পৰ্যন্ত)। যাহওঁক, পাঁচটা খণ্ডৰ ভিতৰত চাৰিটাৰ (694 হেক্টৰ) আৱণ্টন দিয়াৰ পিছৰ পৰা 10 ৰ পৰা 38 বছৰ পৰ্যন্ত কাৰ্যকৰী হোৱা নাছিল। খনন কাৰ্যৰ বাবে পৰিকল্পনা প্ৰস্তুত (এম পি) কৰিবলৈ পৰামৰ্শদাতা নিয়োগ আৰু পৰিৱেশ অনুমোদনৰ (ই চি)প্ৰস্তাৱ, এম আৰু ই চি ইণ্ডিয়ান ব্যুৰ' অৱ মাইনচ (আই বি এম), ভাৰত চৰকাৰ / পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (এম অ' ই এফ চি চি) লৈ প্ৰেৰণ আৰু এম পি/ ই চি-ৰ আই বি এম/ এম অ' ই এফ চি চি-ৰ অনুমোদন আদি ***সাৰণী 2.4.5*** ত দেখুওৱা হৈছে।

সাৰণী 2.4.5: খনন কাৰ্যৰ পৰিকল্পনা (এম পি) আৰু পৰিৱেশ অনুমোদন দাখিল (ই চি)ৰ সবিশেষ

ক্ৰমিক নং	বিৱৰণ	খণ্ড-1 (33 হেক্টৰ) + খণ্ড 2(167 হেক্টৰ)[115]	খণ্ড-3 (31 হেক্টৰ)	খণ্ড-4(200 হেক্টৰ)	খণ্ড-5 (430 হেক্টৰ)
1	আৱণ্টনৰ তাৰিখ/ পূৰ্বৰ লীজৰ ম্যাদ উকলা	আগষ্ট 2012	মে' 2010	মে' 2010	জুলাই 2012
2	পৰামৰ্শ দাতা নিয়োগৰ তাৰিখ	জুন 2012	জানুৱাৰী 2012	অক্টোবৰ 2014	অক্টোবৰ 2013
3	ওপৰৰ (1) ৰ সন্দৰ্ভত এ এম ডি চি এল-ৰ দ্বাৰা পৰামৰ্শদাতা নিয়োগত বিলম্ব	পালন হোৱা নাই	20 মাহ	53 মাহ	15 মাহ
4	পৰামৰ্শদাতাৰ দ্বাৰা এম পি আৰু ই চি দাখিলৰ নিৰ্দ্ধাৰিত তাৰিখ	আগষ্ট 2012	মাৰ্চ 2012	ডিচেম্বৰ 2014	ডিচেম্বৰ 2013
5	পৰামৰ্শদাতাৰ দ্বাৰা এম পি আৰু ই চি দাখিলৰ প্ৰকৃত তাৰিখ	অক্টোবৰ 2012	অক্টোবৰ 2012	অক্টোবৰ 2016 (এম পি) আৰু অক্টোবৰ 2016 (ই চি)	আগষ্ট 2014 (এম পি) অক্টোবৰ 2014 (ই চি)
6	ওপৰৰ (4)ৰ সন্দৰ্ভত এম পি আৰু ই চি দাখিলত বিলম্ব	2 মাহ	7 মাহ	22 মাহ (এম পি) 10 (ই চি)	8 মাহ আৰু 10 মাহ (ই চি)
7	আই বি এম-ৰ দ্বাৰা এম পি-ত ঘাটি উনুকিয়া	মে 2015 আৰু নৱেম্বৰ 2016	ডিচেম্বৰ 2012 চেপ্তেম্বৰ 2013 নৱেম্বৰ 2016	নৱেম্বৰ 2016	নৱেম্বৰ 2016
8	ওপৰৰ (5) ৰ সন্দৰ্ভত এম পিত স্পষ্টীকৰণ বিচাৰি আই বি এম এ লোৱা সময়	49 মাহ (অক্টোবৰ 2012 ৰ পৰা নৱেম্বৰ 2016)	49 মাহ (অক্টোবৰ 2012 ৰ পৰা নৱেম্বৰ 2016)	1 মাহ (অক্টোবৰ 2016 ৰ পৰা নৱেম্বৰ 2016)	27 মাহ আগষ্ট 2014 নৱেম্বৰ 2016
9	আই বি এমক স্পষ্টীকৰণ দিয়া/ পৰিকল্পনা পুনৰ দাখিল	আগষ্ট 2015 অক্টোবৰ 2016 আৰু নৱেম্বৰ 2016	জানুৱাৰী 2013 আগষ্ট 2015 অক্টোবৰ 2016 আৰু নৱেম্বৰ 2016	নৱেম্বৰ 2016	নৱেম্বৰ 2016
10	ওপৰৰ (7) ৰ সন্দৰ্ভত এম পি পুনৰ দাখিল কৰিবলৈ এ এম ডি চি এল এ লোৱা সময়	18 মাহ (মে 2015 ৰ পৰা নৱেম্বৰ 2016)	47 মাহ (ডিচেম্বৰ 2012 ৰ পৰা নৱেম্বৰ 2016)	এমাহতকৈ কম	এমাহতকৈ কম
11	আই বি এম-ৰ দ্বাৰা খনি কাৰ্যৰ পৰিকল্পনাত অনুমোদনৰ তাৰিখ	ডিচেম্বৰ 2016	ডিচেম্বৰ 2016	ডিচেম্বৰ 2016	ডিচেম্বৰ 2016
12	এ এম ডি চি এলৰ দ্বাৰা স্পষ্টীকৰণ দিয়াৰ পিছত আই বি এম-ৰ দ্বাৰা এম পি অনুমোদনত লোৱা সময় (ওপৰৰ ক্ৰমিক নং 9 চাওক)	এমাহ	এমাহ	এমাহ	এমাহ
13	এফ চিত এম অ' ই এফ চি চি ভাৰত চৰকাৰে বিচৰা স্পষ্টীকৰণ	এপ্ৰিল 2013, ডিচেম্বৰ 2013, এপ্ৰিল 2017, ছেপ্তেম্বৰ 2020 আৰু জুলাই 2021	মাৰ্চ 2013, আগষ্ট 2013 আৰু জানুৱাৰী 2015	জানুৱাৰী 2016 আৰু অক্টোবৰ 2020	ফেব্ৰুৱাৰী 2015, ছেপ্তেম্বৰ 2020 আৰু অক্টোবৰ 2020
14	ওপৰৰ (5) ৰ সন্দৰ্ভত এম এ' ই এফ চি চি য়ে লোৱা সময়	105 মাহ (অক্টোবৰ 2012 ৰ পৰা জুলাই 2021)	27 মাহ (অক্টোবৰ 2012 ৰ পৰা জানুৱাৰী 2015)	60 মাহ (অক্টোবৰ 2015 ৰ পৰা অক্টোবৰ 2020)	72 মাহ (অক্টোবৰ ৰ পৰা জুলাই 2021)
15	এম অ' এফ চি চি-ক, ভাৰত চৰকাৰ স্পষ্টীকৰণ দিয়া/ এফ চি প্ৰস্তাৱ পুনৰ দাখিল কৰা	মে 2013, জানুৱাৰী 2021 আৰু এপ্ৰিল 2022	মাৰ্চ 2013, জুলাই 2014, ডিচেম্বৰ 2019 আৰু মাৰ্চ 2022	জুলাই 2020 আৰু জুলাই 2022	জুন 2020

[115] আগষ্ট 2012 লৈ দুটা খনন কাৰ্য এলেকা (33 হেক্টৰ আৰু 167 হেক্টৰ) আগষ্ট 2012 লৈ সুকীয়া খণ্ড আছিল যেতিয়া দুয়োটা খণ্ড সংলগ্ন কৰা হৈছিল।

ক্ৰমিক নং	বিৱৰণ	খণ্ড-1 (33 হেক্টৰ) + খণ্ড 2(167 হেক্টৰ)[115]	খণ্ড-3 (31 হেক্টৰ)	খণ্ড-4(200 হেক্টৰ)	খণ্ড-5 (430 হেক্টৰ)
16	ওপৰৰ (13) প্ৰসঙ্গত এফ চি পুনৰ দাখিল কৰিবলৈ এ এম ডি চি এল এ লোৱা সময়	108 মাহ (এপ্ৰিল 2013 ৰ পৰা এপ্ৰিল 2022 লৈ)	108 মাহ (মার্চ 2013 ৰ পৰা মার্চ 2022 লৈ)	78 মাহ (জানুৱাৰী 2016 ৰ পৰা জুলাই 2022)	64 মাহ (জানুৱাৰী 2015 ৰ পৰা জুন 2020
17	চেপ্তেম্বৰ 2022 ত এফ চিৰ অনুমোদনৰ স্থিতি	বাকী আছে (5 মাহ)	বাকী আছে (6 মাহ)	বাকী আছে (2 মাহ)	বাকী আছে (27 মাহ)

কোম্পানীৰ নথি আৰু ওপৰৰ ***সাৰণী 2.4.5*** ত দিয়া বাখ্যাৰ পৰা তলত উল্লেখ কৰা সমূহ দৃষ্টিগোচৰ হয়:

2.4.6.1 এম পি আৰু এফ চি দাখিল আৰু কার্য প্ৰণালীত অতি বিলম্ব

চূণশিল খনিৰ সকলো পাঁচটা খণ্ডৰ এম পি আৰু এফ চি প্ৰস্তুতৰ বাবে দুমাহৰ সময়সূচী দি কোম্পানীয়ে একক পৰামৰ্শদাতা (মেচার্চ উদয়পুৰ মিন-টেক প্ৰাইভেট লিমিটেড) ক নিয়োগ কৰিছিল (জানুৱাৰী 2012 ৰ পৰা অক্টোবৰ 2014 ৰ ভিতৰত)। যাহওঁক, খনিৰ পাঁচটাৰ ভিতৰত তিনিটা খণ্ডৰ পূৰ্বৰ লীজৰ আৱণ্টন/ ম্যাদ উকলি যোৱাৰ পিছত পৰামৰ্শদাতা নিয়োগত 15 মাহৰ পৰা 53 মাহ পর্যন্ত অস্বাভাৱিক পলম হয়। পৰামৰ্শদাতাইও প্ৰাৰম্ভিক পৰিকল্পনা (এম আৰু এফ চি) দাখিল আৰু প্ৰস্তুত কৰোতে 2 মাহৰ পৰা 22 মাহ পর্যন্ত ভাৰত চৰকাৰৰ (আই বি এম/এম অ' ই এফ চি চি) অনুমোদনৰ বাবে সময় লয় যাৰ ফলত এই পৰিকল্পনাসমূহত ভাৰত চৰকাৰৰ অনুমোদন লাভত বিৰূপ প্ৰভাৱ পৰে।

পর্যায় অনুসৰি কার্য ক্ৰমনিকাৰ ব্যাখ্যা কৰোতে দৃষ্টিগোচৰ হয় অস্বাভাৱিক বিলম্ব যথা (i) প্ৰাৰম্ভিক এম পি আৰু এফচিত আই বি এম/ এম অ' ই এফ চি চি-ৰ দ্বাৰা স্পষ্টীকৰণ বিচৰাত, (ii) কোম্পানীৰ দ্বাৰা স্পষ্টীকৰণ সংশোধিত এম পি আৰু এ ফ চি দাখিলত আৰু (iii) আই বি এম/ এম অ' ই এফ চি চি-ৰ দ্বাৰা এম পি আৰু এফ চি-ত চূড়ান্ত অনুমোদন দিয়াত।

সাৰণী 2.4.5 ৰ পৰা দেখা যায় যে এম অ' ই এফ চি চিৰ দ্বাৰা উত্থাপন কৰা প্ৰশ্ন সমূহৰ প্ৰয়োজনীয় স্পষ্টীকৰণ এ এম ডি চি এল-ৰ দ্বাৰা দাখিল কৰাৰ 2 মাহৰ পৰা 27 মাহ পিছতো চূণশিল খনিৰ সকলোবোৰ পাঁচটা খণ্ডৰ অনুমোদন ভাৰত চৰকাৰ/(এম অ' ই এফ চি চি)ৰ দ্বাৰা নোহোৱাকৈ থাকিল (ছেপ্তেম্বৰ, 2022)। ফলস্বৰূপে, কোম্পানীয়ে পাঁচটাৰ কোনো এটা চূণশিল খণ্ডৰো লীজ ভাৰত চৰকাৰৰ দ্বাৰা এফ চি-ৰ অনুমোদন অবিহনে লাভ নকৰাকৈ থাকিল (ছেপ্তেম্বৰ 2022)।

2.4.6.2 পৰামৰ্শদাতাৰ দুর্বল কার্য-সম্পাদন

কোম্পানীৰ এম পি/ ই চি প্ৰস্তাৱৰ ওপৰত আই বি এম আৰু এম অ' ই এফ চি চি-ৰ দ্বাৰা সময়ে সময়ে উত্থাপন কৰা প্ৰশ্নসমূহৰ ব্যাখ্যা কৰিলে পাঁচোটাৰ আটাইকেইটা খণ্ডতেই একেধৰণৰ ত্ৰুটি দেখা যায়। এম পিৰ ওপৰত দেখা সাধাৰণ ত্ৰুটিৰ ভিতৰত আনুমানিক বনাঞ্চলৰ অভাৱ, ভূ-তাত্ত্বিক পৰিকল্পনাৰ অভাৱ, ত্ৰটিপূর্ণ বেংক জামিন ইত্যাদি। আনহাতে ই চি-ৰ ক্ষেত্ৰত দেখা ত্ৰুটি সমূহৰ ভিতৰত উৎপাদনৰ সৰিশেষ বিৱৰণ, মালিকীস্বত্ত্বৰ সৰিশেষ, ভূ-তত্ব বিষয়ক মানচিত্ৰ, ৰাজ্যিক বন অনুমোদন, সংৰক্ষণ পৰিকল্পনা, পৰিৱেশ পৰিচালন পৰিকল্পনা খননকার্যৰ পৰিকল্পনা আদিৰ অভাৱ।

ওপৰত উল্লেখ কৰা পাঁচোটা খনিৰ সাধাৰণ ত্ৰুটিসমূহে পাঁচোটাৰ আটাইকেইটা খনিৰ ক্ষেত্ৰতেই এম পি/ ই চি-ৰ দ্বাৰা প্ৰস্তাৱসমূহ প্ৰস্তুত কৰাত পৰামৰ্শদাতাৰ দুর্বল কার্য সম্পাদনৰেই ইংগিত দিছিল। যাহওঁক,

পৰামৰ্শদাতাক কামৰ আদেশ দিওতে কোনো শাস্তিমূলক ব্যৱস্থাৰ উল্লেখ নথকাত, কোম্পানীয়ে ত্ৰুটিপূৰ্ণ কাম অথবা এম পি আৰু এফ চি আদি চূণশিলৰ আটাইবোৰৰ পাঁচোটা খণ্ডৰ প্ৰস্তাৱসমূহ দাখিলত বিলম্ব হলে কোনো ৰূঢ় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে।

এইদৰে, পৰামৰ্শদাতাৰ কামৰ গুণাগুণ বিচাৰ কৰাৰ ক্ষেত্ৰত কোম্পানীৰ নিৰীক্ষণৰ অভাৱৰ হেতু আৰু তৎকালীন ভাৱে খনিৰ পৰিকল্পনা আৰু ই চি আদি পৰামৰ্শদাতাই দাখিল কৰিলেনে নাই তাক নিশ্চিত কৰাৰ বাবে যোগাযোগৰ অভাৱত কোম্পানীয়ে আটাইবোৰ আৱণ্টিত চূণশিল খনিৰ কাম ডিচেম্বৰ 2011 ৰ পিছত নিয়াৰিকৈ কৰিব নোৱাৰিলে।

2.4.6.3 খণ্ড 1 (33 হেক্টৰ) আৰু খণ্ড-2 (167 হেক্টৰ) ত জমা খনি উদ্‌ঘাটন

কোম্পানীয়ে সুকিয়াকৈ মেচার্চ জয় প্ৰকাশ এচ'চিয়েটচ লিমিটেড (জে এ এল) আৰু মেচার্চ বিৰলা কৰ্পোৰেচন লিমিটেড (বি চি এল)ৰ সৈতে প্ৰতিবছৰ 20 লাখ মেট্ৰিক টন (জে এ এল) আৰু 10 লাখ মেট্ৰিক টন (বি চি এল) চিমেন্ট উৎপাদনৰ বাবে দুটা চিমেন্ট কাৰখানা স্থাপন যুটীয়াভাৱে প্ৰবৃত্ত হৈ চুক্তিত স্বাক্ষৰ কৰে (জুলাই 2009/ জানুৱাৰী 2011)। বুজাবুজি চুক্তিৰ চর্ত অনুসৰি দুয়োটা চিমেন্ট কাৰখানা যথাক্ৰমে ডিচেম্বৰ 2011 আৰু এপ্ৰিল 2013ত কমিচন হ'ব লাগিছিল। যুটীয়া কামত প্ৰবৃত্ত/ বুজাবুজি চুক্তিত পুনৰ কোৱা হৈছিল (প্ৰসংগ-দফা-6) যাতে কোম্পানীক উৎপাদিত চিমেন্টৰ প্ৰতি মেট্ৰিক টনত বছৰি 125 টকা (জে এ এল-ৰ পৰা) আৰু 100 টকা (বি চি এল-ৰ পৰা) বাৰ্ষিক 'ফেচিলিটেচন ফি 'হিচাপে আদায় দিয়াৰ কথা। কিন্তু যুটীয়াভাৱে কামত প্ৰবৃত্ত দুয়োটাৰ কোনো এটাই দুটা খণ্ডৰ (খণ্ড 1 আৰু 2) খনি কাৰ্যৰ লীজত পূৰ্বৰ দফাসমূহত আলোচনা কৰাৰ দৰে ভাৰত চৰকাৰ (এম অ' ই এফ চি চি)ৰ পৰা বিভিন্ন ত্ৰুটি বাবে আৰু বিভিন্ন পর্যায়ত বিলম্বৰ হেতু অনুমোদন নোপোৱাত তাক আদায় দিয়াৰ পৰা বিৰত থাকে। শেষত কোম্পানী যথাক্ৰমে জে এল আৰু বি চি এলৰ পৰা 'ফেচিলিটেচন ফি' হিচাপে বাৰ্ষিক 11.25 কোটি টকা[116] আৰু 5 কোটি টকা[117] পোৱাৰ পৰা বঞ্চিত হয় যেন চিমেন্ট কাৰখানাটো সংস্থাপিত সামর্থ্যৰ[118] 50 শতাংশতহে অ'পাৰেচন হৈ থাকিল।

যদিও অসম চৰকাৰে খণ্ড 1 (33 হেক্টৰ) আৰু খণ্ড-2 (167 হেক্টৰ) ৰ লীজ কোম্পানীক মঞ্জুৰ কৰিছিল (ছেপ্তেম্বৰ 1985/ জুন 1992) খণ্ড-1 খনি আৱণ্টন দিয়া (ছেপ্তেম্বৰ 1985) অবধিৰ পৰা বর্তমানলৈ (ছেপ্তেম্বৰ 2022) অপাৰেচন নোহোৱাকৈ আছিল যাৰ কোনো তথ্য ভিত্তিক যুক্তি নাই।

কোম্পানীয়ে আনটো খনি (খণ্ড-2) জুন 1992 ৰ পৰা পৰিচালনা কৰি আছিল আৰু ইয়াৰ পৰিচালনা ডিচেম্বৰ 2011 ত বন্ধ ৰাখিছিল আৰু আই বি এম-এ বৈধ এম পি নোহোৱা বাবে ইয়াক নিলম্বিত কৰিছিল। অ'পাৰেচন বন্ধ হোৱাৰ আগলৈকে (ডিচেম্বৰ 2011) খণ্ড-2 ৰ দৈনিক গড় উৎপাদন আছিল 163 মেট্ৰিক টন[119] যাৰ বিপৰীতে 0.63 কোটি টকাৰ ৰয়েল্টী ৰাজ্যিক পুঁজিলৈ প্ৰেৰণ কৰাৰ উপৰিও কোম্পানীয়ে 2007-08 ৰ পৰা 2011-12 লৈ সময়ছোৱাত বার্ষিক গড় ৰাজহ 1.14 কোটি টকা উপার্জন কৰিছিল।

---

[116] 125 টকা X 20,00,000 মেট্ৰিক টন X 50 শতাংশ।
[117] 100 টকা x 10,00,000 মেট্ৰিক টন x 50 শতাংশ।
[118] ৰক্ষণশীল ভিত্তিত গণনা কৰা হৈছে।
[119] 1994-95 ৰ পৰা 2011-12 ৰ ভিতৰত।

ভাৰত চৰকাৰলৈ এম পি আৰু ই চি-ৰ প্ৰস্তুতি/ দাখিল কৰণত বাৰে বাৰে ত্ৰুটি হোৱাত আৰু অত্যাধিক সময় লোৱাত কোম্পানীয়ে খনন কাৰ্যৰ লীজ ল'ব নোৱাৰিলে যাৰ ফলস্বৰূপে দুয়োটা খণ্ডৰ কাম-কাজ চলাই যাব নোৱাৰাত খনি ৰাজহৰ উপাৰ্জন হেৰুৱাব লগা হ'ল যিটো ৰয়েল্টী, কৰ হিচাপে এই দুটা খণ্ডৰ পৰা ৰাজ্যৰ পুঁজিত বৰঙণি হিচাপে জমা হোৱাৰ থল আছিল। যাহওঁক, অসম চৰকাৰৰ কোনো কৌশল নাছিল যাৰ দ্বাৰা এম আৰু ই চি-ৰ আপত্তিহীন পত্ৰ লোৱাৰ ক্ষেত্ৰত বিলম্ব হোৱাটো সময়মতে ৰোধ কৰিব পৰা গ'লহেঁতেন।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে ই চি লোৱাৰ ক্ষেত্ৰত বিলম্ব হোৱাৰ মূলতে আছিল চিমেন্ট কোম্পানীৰ ক্ষুদ্ৰ স্বাৰ্থ যাৰ বাবে জিলা প্ৰশাসনে ৰাজহুৱা শুনানি লোৱাত বিলম্ব হৈছিল। উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে বিলম্ব ঘটিছিল ঘাইকৈ খনি পৰিকল্পনাৰ কিছুমান ঘাটিৰ বাবে যথা অনুমান কৰা সংৰক্ষণ, ভূতাত্ত্বিক পৰিকল্পনাৰ অভাৱ, ত্ৰুটিপূৰ্ণ বেংক জামিন আদি আৰু ই চি-ৰ ক্ষেত্ৰত ঘাটি আছিল উৎপাদনৰ সবিশেষ মালিকীস্বত্ত্বৰ সবিশেষ, ভূ-তাত্ত্বিক মানচিত্ৰ, ৰাজ্যিক বন বিভাগৰ আপত্তিহীন পত্ৰ, সংৰক্ষণ পৰিকল্পনা, খনি কাৰ্যৰ পৰিকল্পনাৰ অভাৱ আদি আৰু লগতে ওপৰৰ নিৰীক্ষণসমূহত কোৱাৰ দৰে সময়ে সময়ে স্পষ্টীকৰণ দিয়া ইত্যাদি।

2.4.6.4 ডেডৰেন্ট আদায়

'ডেডৰেন্ট' মানে হ'ল কোনো এক খননকাৰ্যৰ লীজত নিম্নতম ৰয়েল্টী হিচাপে প্ৰতিবছৰ আইন আৰু চুক্তিমতে আদায় দিব লগা ধনৰ পৰিমান। এম এম ডি আৰ আইন, 1957 ৰ দফা 9A অনুসৰি এগৰাকী লীজ লওঁতাই সময়ে সময়ে নিৰ্ধাৰণ কৰা নিৰিখত 'ডেডৰেন্ট' আদায় দিব লাগে। উমৰাংচুৰ চূণশিল খনিৰ পাঁচটা খণ্ডৰ ক্ষেত্ৰত আৱণ্টন দিয়া দিনৰ পৰা কোম্পানীক দিব লগা 'ডেডৰেন্ট'ৰ সৰিশেষ; দিব লগা 'ডেডৰেন্ট' আৰু দিবলৈ বাকী থকা পৰিমাণ ***সাৰণী-2.4.6*** ত দেখুওৱা হ'ল।

সাৰণী 2.4.6: ডেডৰেন্টৰ সবিশেষ

এলেকা (হেক্টৰত)	দাবী কৰা আৰু আদায় দিয়া পৰিমাণ		দাবী নকৰা আৰু দিবলৈ বাকী থকা পৰিমান	
	সময়	পৰিমান (টকাত)	সময়	পৰিমান (টকাত)
33	ছেপ্তেম্বৰ 1990- ছেপ্তেম্বৰ 2020	6,86,051	অক্টোবৰ 2020-চেপ্তেম্বৰ 2022	1,32,002[120]
167	এপ্ৰিল 2014- মার্চ 2021	21,19,539	জানুৱাৰী 2012 - মার্চ 2014	7,51,515[121]
167	--	--	এপ্ৰিল 2021-চেপ্তেম্বৰ 2022	5,01,010[122]
661	--	--	ডিচেম্বৰ 2016-চেপ্তেম্বৰ 2022	77,11,820[123]
মুঠ		**28,05,590**		**90,96,347**

সাৰণী 2.4.6 ৰ পৰা দেখা যায় যে কোম্পানীয়ে চূণশিল খনিৰ বিপৰীতে অতিৰিক্ত বোজা 0.91 কোটি টকা সহ 0.28 কোটি টকা 'ডেডৰেন্ট' হিচাপে উমৰাংচুৰ চূণশিল খনিত আদায় দিয়ে।

জনশক্তি

কোম্পানীয়ে চলি নথকা চূণশিল খনিসমূহত নিয়োজিত মানৱশক্তিৰ সঠিক ব্যৱহাৰ কৰিব নোৱাৰিলে। মানৱশক্তি নিয়োজনৰ সবিশেষ ***সাৰণী 2.4.7*** উল্লেখ কৰা হ'ল।

[120] 166.67 টকা প্ৰতি মাহত x 33 হেক্টৰ x 24 মাহ।
[121] 166.67 টকা প্ৰতি মাহত x 167 হেক্টৰ x 27 মাহ।
[122] 166.67 টকা প্ৰতি মাহত x 167 হেক্টৰ x 18 মাহ।
[123] 166.67 টকা প্ৰতি মাহত x 661 হেক্টৰ x 70 মাহ।

সাৰণী 2.4.7

পদৰী	2015-16	2016-17	2017-18	2018-19	2019-20	2020-21	2021-22
সহায়ক (সংখ্যা) দৰমহা (কোটি টকাত)	15 0.34	14 0.33	14 0.39	11 0.27	7 0.21	5 0.16	3 0.13
ড্রিলাৰ, ব্লাষ্টাৰ, মাইনচ ফ'ৰমেন, ইলেক্ট্রিচিয়ান, মেকানিক (সংখ্যা) দৰমহা (কোটি টকাত)	6 0.17	5 0.15	5 0.16	5 0.15	3 0.09	2 0.10	2 0.10
ড্রাইভাৰ, হেণ্ডিমেন (সংখ্যা) দৰমহা (কোটি টকাত)	5 0.15	5 0.16	5 0.14	6 0.16	3 0.12	2 0.13	2 0.11
কার্যালয় কর্মচাৰী, ক্ষেত্র সহায়ক (সংখ্যা) দৰমহা (কোটি টকাত)	5 0.15	3 0.10	3 0.10	2 0.06	2 0.08	3 0.11	1 0.02
মুঠ (সংখ্যা) **দৰমহা** (কোটি টকাত)	**31** **0.81**	**27** **0.74**	**27** **0.79**	**24** **0.64**	**15** **0.50**	**12** **0.50**	**8** **0.36**
সুৰক্ষা পহৰাদাৰী, চকীদাৰ (সংখ্যা) দৰমহা (কোটি টকাত)	5 0.11	5 0.12	5 0.12	4 0.10	4 0.12	3 0.13	3 0.13

সাৰণী 2.4.7 ৰ পৰা দেখা যায় যে কোম্পানীৰ 31 পৰা 8 জন স্থায়ী কর্মী (সুৰক্ষা পহৰাদাৰী আৰু চকীদাৰক বাদ দি) আছিল যিসকল অকামিলা চূণশিল খনিত 2015-22 সময়ছোৱাত নিয়োজিত আছিল। যিহেতে চূণশিল প্রকল্প চলি থকা নাছিল, প্রকল্পত নিয়োজিত কর্মচাৰীসকলক অন্যান্য চলি থকা প্রকল্পলৈ বদলি কৰা উচিত আছিল মাথো সুৰক্ষা পহৰাদাৰী আৰু চকীদাৰসকলৰ বাহিৰে যিসকলে প্রকল্প স্থান চোৱাচিতা কৰিব পাৰে। কোম্পানীয়ে চলি নথকা খনিত অকামিলা কর্মচাৰীৰ দৰমহা বাবদ 2015-22 সময়ছোৱাত 4.32 কোটি টকা[124] নিস্ফল ব্যয় কৰিলে।

কোম্পানীয়ে কৈছিল (ফেব্রুৱাৰী 2023) যে অসম চৰকাৰে উত্থাপন কৰা দাবী অনুসৰি বিধিসন্মত ব্যৱস্থাত 'ডেডৰেন্ট' আদায় দিয়া হৈছিল। তদুপৰি কোৱা হৈছিল যে কোম্পানীয়ে সুৰক্ষা পহৰাদাৰী আৰু IV শ্রেণীৰ কর্মচাৰীসকলৰ বাহিৰে অচল চূণশিল খনিৰ কর্মচাৰীসকলক জি চি ই পি আৰু মুখ্য কার্যালয়লৈ স্থানান্তৰ কৰা হৈছিল।

উত্তৰটো গ্রহণযোগ্য নহয় এই কাৰণেই যে যদিহে আইনমতে খনি কার্য চলাই যোৱা হ'লে কোম্পানীয়ে 'ডেডৰেন্ট'ৰ বিপৰীতে আদায় দিয়াটো ৰোধ কৰিব পাৰিলেহেঁতেন। তাৰোপৰি, আঠগৰাকী লোক (সুৰক্ষা পহৰাদাৰী/ চকীদাৰৰ বাহিৰে) কোনো উৎপাদনশীল কাম নকৰাকৈ 31 মার্চ 2022 পর্যন্ত নিয়োজিত হৈ থাকিল।

2.4.6.5 পৰিৱেশ অনুমোদন অবিহনে খনি পৰিচালনা

এম এম ডি আৰ আইন, 1957 ৰ অনুচ্ছেদ 18(1) অনুসৰি ভাৰত চৰকাৰে ভাৰত বর্ষত খনিজৰ প্রয়োজনীয় সংৰক্ষণ আৰু শৃংখলাবদ্ধ উন্নয়নৰ বাবে আৰু তেনে কার্যৰ দ্বাৰা উদ্ভৱ হ'ব পৰা প্রদূষণ নিয়ন্ত্রণৰ দ্বাৰা পৰিৱেশ সুৰক্ষাৰ ক্ষেত্রত প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব লাগে। তাৰোপৰি, উপৰোক্ত আইনৰ দফা 18(2) অনুসৰি ভাৰতৰ কোনো এলেকাত খনিজ সম্পদৰ উন্নয়নৰ বাবে খনিজৰ সংৰক্ষণ আৰু তাৰ জমা, কোনো খনিৰ পৰা উৎপন্ন বর্জ্য পদার্থ দিহা লগাই থোৱা বা মুক্ত কৰা আদি সঠিক ভাৱে পালন কৰিব লাগে।

[124] অচল খনিৰ নিৰাপত্তা/ৰক্ষণাবেক্ষণৰ বাবে প্রয়োজনীয় নিৰাপত্তাৰক্ষী/চকীদাৰৰ দৰমহা (0.83 কোটি টকা) বাদ দি।

তাৰোপৰি, ভাৰত চৰকাৰৰ দ্বাৰা জাৰী কৰা পৰিৱেশৰ প্ৰভাৱ নিৰ্ধাৰণ অধিসূচনা (জানুৱাৰী 1994) অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰিৱেশ অনুমোদন প্ৰমাণপত্ৰ অবিহনে ভাৰতবৰ্ষৰ কোনো ঠাইত খননকাৰ্যৰ প্ৰকল্প স্থাপন কৰিব নালাগে।

হিচাৰ পৰীক্ষাত দেখা গৈছিল যে উমৰাংচুৰ চূণশিল খনিৰ খণ্ড-2 (167 হেক্টৰ) পৰিৱেশ অনুমোদন অবিহনে জুন 1992 ৰ পৰা চলি আছিল, যোগ্য এম পি নোহোৱাত আই বি এম এ সেই খণ্ডটো নিলম্বন নকৰা দিন পৰ্যন্ত (ডিচেম্বৰ 2011)। সেই অনুসাৰে, এম অ' ই এফ চি চি এ কোম্পানীক জুন 1992 ৰ পৰা ডিচেম্বৰ 2011 লৈ সময়ছোৱাত অকৰ্তৃত্বশীল ভাৱে চলাই থকা-খনি (খণ্ড-2) ৰ পৰা হ'ব পৰা ক্ষতিৰ আৰু প্ৰতিকাৰৰ বাবে আদায় দিব লগা টকাৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ নিৰ্দেশ দিছিল। কোম্পানীয়ে পৰিৱেশজনিত প্ৰতিকাৰৰ বাবে ক্ষতিৰ মূল্য 2.16 কোটি টকা নিৰ্ধাৰন কৰে (নৱেম্বৰ 2020) যাৰ অনুমোদন এম অ' ই এফ চি চি-ৰ পৰা লাভ কৰা নাই (জুলাই 2022)।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে ই চি নোহোৱা বাবে খনি কাৰ্য চলোৱাটো জানুৱাৰী 2012 ৰ পৰা বন্ধ ৰাখিব লগা হৈছিল। যাহওঁক, দুটা খণ্ডৰ বাবে ই চি পোৱা গৈছে আৰু অন্য দুটা খণ্ডৰ বাবে পাবলৈ বাকী আছে।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে কোম্পানীয়ে বৈধ ই চি অবিহনে খনি কাৰ্য চলাই যাব নালাগিছিল যিটো কাম জৈৱ পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ পৰিপন্থী আছিল।

2.4.7 বাধ্যতামূলক খনি বন্ধ জমা/ বেংক জামিন নোহোৱা

A. কয়লা

ভাৰত চৰকাৰৰ কয়লা মন্ত্ৰালয়ে জাৰি কৰা খনি বন্ধ পৰিকল্পনা (জানুৱাৰী 2013) প্ৰস্তুতৰ সংশোধিত নিৰ্দেশনা মতে সকলো কয়লা খনিৰ গৰাকীয়ে যি সকলে 'খনি বন্ধ পৰিকল্পনা'ৰ অনুমোদন নোহোৱাকৈ কয়লা খনি চলাই আহিছে তেওঁলোকে সেই নিৰ্দেশনা মতে এবছৰৰ ভিতৰত (জানুৱাৰী 2014 ৰ ভিতৰত) খনি বন্ধ পৰিকল্পনাৰ অনুমোদন ল'ব লাগে। তাৰোপৰি, মুকলি খনিৰ ক্ষেত্ৰত প্ৰতি হেক্টৰত 6 লাখকৈ টকা খনি বন্ধ জমা (এম চি ডি) হিচাপে 'এচ ক্ৰো একাউন্ট'ত জমা কৰিব লাগে যি খনি চলি থকা পৰ্যন্ত বাহাল থাকিব আৰু বছৰি পাঁচ শতাংশ নিৰিখ সুতৰ হাৰৰ সৈতে বছৰেকীয়া হিচাপে জমা কৰিব লাগিব।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে জি চি ই পি-ৰ খনি বন্ধ পৰিকল্পনা খনন কাৰ্যৰ পৰিকল্পনাসহ আগষ্ট 2020 ত দাখিল কৰিছিল। যদিও ভাৰত চৰকাৰে এম পি-ত ভালেমান ত্ৰুটি (আৱণ্টন আদেশ হেৰুৱা, ভূমি ব্যৱহাৰ পৰিকল্পনা, উৎপাদন সূচী আদি) আঙুলিয়াই দিছিল (ছেপ্তেম্বৰ 2020-জানুৱাৰী 2021) কোম্পানীয়ে সংশোধিত/ সাল-সলনি ঘটোৱা খনি কাৰ্যৰ পৰিকল্পনা/ খনি বন্ধৰ পৰিকল্পনা দাখিল কৰা নাছিল। তাৰোপৰি, কোম্পানীয়ে অন্য (কে এ চি ই পি) কয়লা খনিৰ ক্ষেত্ৰত আৱণ্টন পোৱা দিনৰ পৰা (মাৰ্চ 1994) কোনো খনি বন্ধ পৰিকল্পনা কেতিয়াও প্ৰস্তুত বা দাখিল কৰা নাছিল। যাহওঁক, কোম্পানীয়ে ওপৰত উল্লেখ কৰা নিৰ্দেশনাৰ পৰিপন্থী হিচাপে এম চি ডি-ৰ এছ ক্ৰ' একাউন্ট'ত 33.78 কোটি টকা[125] বাধ্যতা মূলক জমা নকৰি 2013-14 ৰ পৰা 2020-21 লৈ সময়ছোৱাত জি চি ই পি আৰু কে এ চি ই পি-ত খনন কাৰ্য চলাই গৈছিল।

[125] জি চি ই পি: 6,00,000 টকা x 500 হেক্টৰ + কে এ চি ই পি: 6,00,000 টকা x 63 হেক্টৰ।

কোম্পানীয়ে কৈছিল (ফেব্রুৱাৰী 2023) যে অছ ক্রু' একাউন্ট খুলিব পাৰি মাথো খনন কার্য আৰু খনি বন্ধ পৰিকল্পনাৰ অনুমোদন লাভৰ পিছতহে। উত্তৰটো গ্রহণযোগ্য নহয় এইকাৰণেই যে কোম্পানীয়ে আনকি খনি কার্য পৰিকল্পনা আৰু খনি বন্ধ পৰিকল্পনা অবিহনে খনি কার্য চলাই গৈছিল আৰু সেয়েহে বাধ্যতামূলক জমাৰ কাম কৰিব লাগিছিল যাতে আন্তঃগাথনিৰ কমিছন উঠাই লোৱা, খনিলৈ যোৱা প্ৰৱেশ পথ বন্ধ ৰখা, চূড়ান্ত শূণ্যতা গছ-গছনি/ বন-ৰ উদ্ধাৰ আদিৰ ক্ষেত্রত বিত্তীয় আশ্বাসৰ ক্ষেত্রত নিশ্চিত হ'ব পৰা যায়।

B. চূণশিল

সেইদৰে, খনিজ সংৰক্ষণ আৰু উন্নয়ন আইন, 2017 (*প্রসংগ দফা 23*) ত কোৱা হৈছে যে চূণশিল খনি কার্য চলোৱা গৰাকীয়ে খনি কার্যৰ আনুসংগিক পৰিকল্পনা হিচাপে কর্তৃত্বশীল কর্তপক্ষক এক ক্রম বর্দ্ধমান খনি বন্ধ পৰিকল্পনা দাখিল কৰিব আৰু দাখিল কৰা সময়ত খনি কার্যৰ সাল-সলনি আৰু খনি কার্যৰ পৰিকল্পনাৰ পুনৰীক্ষণো দাখিল কৰিব। তাৰোপৰি, উপৰোক্ত আইনত ধাৰা 27 (1) অনুসৰি বিত্তীয় নিশ্চিতি 'ক' শ্রেণীৰ খনিৰ[126] ক্ষেত্রত নিম্নতম 3 লাখ টকা বেংক (বি জি) গ্যাৰান্টি হিচাপে দিব লাগিব। তাৰোপৰি, আইনৰ ধাৰা 62 অনুসৰি এই আইনৰ ব্যৱস্থাৱলী যিয়ে অমান্য কৰিব তেওঁ দুবছৰ পর্যন্ত জেল হাজোতত থাকিব লাগিব অথবা পাঁচলাখ টকা পর্যন্ত জৰিমনা ভৰিব লাগিব, অথবা দুয়োটাই ভোগ কৰিব লাগিব আৰু আইন ভঙ্গ অবিৰত থাকিলে এনে বিৰোধৰ বাবে প্রথম পর্যায়ৰ শাস্তি ভোগ কৰাৰ পিছত এনে বিৰোধ অব্যাহ ৰখা দিন পর্যন্ত অতিৰিক্ত পঞ্চাশ হাজাৰ টকাকৈ প্রতিদিনে জৰিমনা ভৰিব লাগিব।

ভাৰত চৰকাৰে উমৰাংচুত পাঁচটা চূণশিল খণ্ডৰ খনি বন্ধ পৰিকল্পনাত অনুমোদন জনাইছিল (ডিচেম্বৰ 2016)। হিচাপ পৰীক্ষাত দেখা গৈছিল যে আই বি এম এ খনি কার্য বন্ধ কৰাৰ লগতে উপৰোক্ত আইনৰ আধাৰত জৰিমনা বিহা হ'ব বুলি বাৰে বাৰে সাৱধান কৰি দিয়া (নৱেম্বৰ 2017 আৰু জানুৱাৰী 2018) পিছতো এই খণ্ডসমূহৰ বাবে কোম্পানীয়ে বেংক গ্যাৰান্টি জমা কৰা নাই। কোম্পানীয়ে চলাই থকা খণ্ড 1 আৰু 2 খনন কার্যৰ (200 হেক্টৰ) বিপৰীতে 1.51 কোটি টকাৰ বেংক গ্যাৰান্টি দাখিল কৰে (অক্টোবৰ 2018) যাৰ ম্যাদ অক্টোবৰ 2021 ত শেষ হয়, কিন্তু তাক উপৰোক্ত নিয়ম অমান্য কৰি নৱীকৰণ কৰা নাই।

কোম্পানীয়ে কৈছিল (ফেব্রুৱাৰী 2023) যে পাঁচটা চূণশিল খনিৰ পৰিকল্পনা আই বি এম-ৰ দ্বাৰা 2016 চনত অনুমোদন/ নবীকৰণ কৰা হৈছে, কিন্তু খনি ক্ষেত্রত এতিয়াও কাম আৰম্ভ হোৱা নাই। এইটোও কোৱা হৈছিল যে প্রয়োজনীয় বেংক গ্যাৰান্টি খনন কার্যৰ লীজৰ কাম কৰা সময়ত দাখিল কৰা হ'ব।

উত্তৰটো গ্রহণযোগ্য নহয় এই কাৰণেই যে বেংক গ্যাৰান্টি এক বিধিসম্মত প্রয়োজন আনকি খনন কার্য নিলম্বিত হৈ থাকিলেও যিটো নৱেম্বৰ 2017 আৰু জানুৱাৰী 2018ত আই বি এ ম-এ জাৰি কৰা সতর্কতা বাণীত পৰিলক্ষিত হৈছিল।

2.4.8 অচল সামগ্রী

কোম্পানীৰ সামগ্রী তালিকাত ঘাইকৈ কয়লা আৰু চূণশিলৰ মজুত অন্তর্ভুক্ত আছিল। কয়লা আৰু চূণশিলৰ উৎপাদন, বিক্রী আৰু সামৰণী উদ্বত্ত 2017-22 সময়ছোৱাৰ বাবে ***সাৰণী 2.4.8*** ত দেখুওৱা হ'ল।

[126] 'ক' শ্রেণীৰ খনিসমূহৰ অর্থ হ'ল: (i) এনে সম্পূর্ণ যান্ত্রিক খনি য'ত গভীৰ গাঁত খনন, খনন, বোজা আৰু পৰিবহণৰ বাবে গধুৰ খনন যন্ত্রপাতি নিয়োগ কৰি কাম কৰা হৈছে, ***বা*** (ii) এনে খনি য'ত গড় নিয়োগৰ সংখ্যা সকলো ক্ষেত্রত 150তকৈ অধিক হয় বা মাটিৰ তলত কাম কৰিবৰ বাবে 75 হয়, বা খনি য'ত গভীৰ গাঁত খনন, খনন, বোজা আৰু পৰিবহণৰ দৰে যিকোনো খনন কার্য্য গধুৰ যন্ত্রৰ সহায়ত কৰা হয়।

সাৰণী 2.4.8: সামগ্ৰীৰ বিৱৰণ

বছৰ	2017-18	2018-19	2019-20	2020-21	2021-22
কয়লা - জি চি ই পি (মেট্ৰিক টনত)					
আৰম্ভণী মজুত	241	59	46	87	38,838
উৎপাদন	2,45,832	3,00,238	2,89,100	2,06,468	81,224[127]
বিক্ৰী	2,46,014	3,00,251	2,89,059	1,67,717	60,411
সামৰণি মজুত	59	46	87	38,838	59,651
নিৰিখ (টকাত)					4,214.84
সামৰণি মজুত মূল্য (কোটি টকাত)					**25.14**
কয়লা-কে এ চি ই পি (মেট্ৰিক টন)					
আৰম্ভণি মজুত	38	31	9	59	--
উৎপাদন	2786	3700	3920	4182	24,246[128]
বিক্ৰী	2793	3722	3870	4241	17,043
সামৰণি মজুত	31	9	59	--	7,203
নিৰিখ (টকাত)					3,667.47
সামৰণি মজুতৰ মূল্য (কোটি টকাত)					**2.64**
কয়লা-কে এ চি ই পি (মেট্ৰিক টন)					
আৰম্ভণি মজুত	3,350.85	3,350.85	3,350.85	3,350.85	3,350.85
উৎপাদন	--	--	--	--	--
বিক্ৰী	--	--	--	--	--
সামৰণি মজুত	3,350.85	3,350.85	3,350.85	3,350.85	3,350.85
নিৰিখ (টকাত)					455.15
সামৰণী মজুত মূল্য (কোটি টকাত)					**0.15**

সাৰণী 2.4.8 ৰ পৰা দেখা যায় যে কয়লা আৰু চূণশিলৰ সামৰণি মজুত মার্চ 2022 ৰ শেষত আছিল যথাক্ৰমে 66,854 মেঃ টঃ (কয়লা) আৰু 3,350.85 মেঃ টঃ (চূণশিল) আৰু যাৰ বৰ্তমান বজাৰ মূল্য আছিল যথাক্ৰমে 27.78 কোটি টকা আৰু 0.15 কোটি টকা। পুনৰ এইটো দেখা যায় যে পূৰ্বৰ দুটা বছৰত, জি চি ই পিৰ অধীনত কয়লাৰ সামৰনি জমা তাৎপৰ্যপূৰ্ণভাৱে 87 মেঃ টঃ (2019-20) ৰ পৰা 38,838 মেঃ টঃ (2020-21) আৰু 59,651 মেঃ টঃ (2021-22) লৈ বৃদ্ধি হৈছিল। সেইদৰে, কে এ চি ই পিতো 2021-22 বৰ্ষত কয়লাৰ সামৰণী মজুতৰ শূণ্য (2020-21)ৰ পৰা উল্লেখযোগ্যভাৱে 7,203 মেঃ টঃ লৈ (2021-22) বৃদ্ধি দেখা পোৱা গৈছে। কয়লাৰ মজুত 2020-21 আৰু 2021-22 ত অস্বাভাৱিক ভাৱে বৃদ্ধি হোৱাৰ মূলতে আছিল 2021 ৰ জানুৱাৰীত কয়লাৰ বিক্ৰী চলি নথকাটো যাক পুনৰ নৱেম্বৰ 2021 তহে আৰম্ভ কৰা হৈছিল। প্ৰকল্প স্থানত বৃহৎ পৰিমান কয়লা জমা হৈ থকাটো চুৰি কার্য বা আভ্যন্তৰীণ তাপৰ বাবে কয়লাত জুই লগাৰ দৰে দুর্ঘটনা হোৱাৰ আশংকা থাকে যিটো প্ৰজেক্ট-ইন-চার্জ গৰাকীয়ে জনাইছিল (ছেপ্তেম্বৰ 2021)।

তাৰোপৰি, জি চি ই পি-ত হিচাপ পৰীক্ষাত বিক্ৰী নোহোৱাকৈ থকা মজুত কয়লাৰ পৰিমাণত ব্যৱধান (4,613 মেঃ টঃ) লক্ষ্য কৰা হৈছিল যিটো খনন বন্ধ ৰখা সময়ত (জানুৱাৰী 2021) নথিভুক্ত হোৱা পৰিমাণ

[127] যদিও 2021 চনৰ জানুৱাৰী মাহত উৎপাদন বন্ধ কৰা হৈছিল, প্ৰকল্পৰ দায়িত্বত থকা (নৱেম্বৰ 2021) আৰু কোম্পানীয়ে ইয়াৰ উত্তৰত (নৱেম্বৰ 2022) জনাইছিল যে তেওঁলোকে উৎপাদন বন্ধ কৰাৰ পূৰ্বে ইতিমধ্যে উলিওৱা কিছু কয়লা পোৱা গৈছে যিটো আগতে ৰেকর্ডত অনা হোৱা নাছিল।

[128] যদিও 2021 চনৰ জানুৱাৰী মাহত উৎপাদন বন্ধ কৰা হৈছিল, প্ৰকল্পৰ দায়িত্বত থকা (নৱেম্বৰ 2021) লোকসকলে জনাইছিল যে তেওঁলোকে উৎপাদন বন্ধ কৰাৰ পূৰ্বে ইতিমধ্যে উলিওৱা কিছু কয়লা পাইছে যিটো পূৰ্বে ৰেকর্ডত অনা হোৱা নাছিল।

(38,838 মেঃ টঃ) আৰু খনি বিভাগৰ সঞ্চালক প্ৰধানে কয়লাৰ চৰজমিন পৰীক্ষা কৰোতে (জুলাই 2021) নিৰ্ধাৰণ কৰা পৰিমাণ (34,225 মেঃ টঃ) ৰ মাজত। মজুত ঘাটি কয়লাৰ পৰিমাণ (4,613 মেঃ টঃ)ৰ আদায়যোগ্য চলিত বজাৰ মূল্য (4,214.84 টকা প্ৰতি মেঃ টঃ) 1.94 কোটি টকা হিচাপ কৰি উলিওৱা হয়। বৃহৎ পৰিমানৰ কয়লা মজুত হোৱাৰ লগতে হৰণ ভগনৰ আশংকা জড়িত হৈ থকা হেতু কোম্পানীয়ে অনতিপলমে মজুত কয়লাৰ নিষ্পত্তি কৰা উচিত যাতে সেইসমূহৰ হোৱা বা হৰণ ভগন হোৱাৰ আশংকা দূৰ কৰিব পৰা যায়।

কোম্পানীয়ে কৈছিল (ফেব্ৰুৱাৰী 2023) যে মজুত থকা 59,651 মেট্ৰিক টনৰ পৰা, জমা 38,838 মেট্ৰিক টন উদ্ধাৰ কৰা আৰু নিষ্পত্তি কৰা হৈছে। দাবীৰ নায্যতাৰ সমৰ্থনত কোনো তথ্য প্ৰমাণ দাখিল কৰিব পৰা নাই।

উত্তৰটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে কোম্পানীৰ এতিয়াও 20,813 মেট্ৰিক টন কয়লা জমা আছে যিবোৰ অতি সোণকালে নিষ্পত্তি কৰিব লাগে।

2.4.9 কৰ্প'ৰেট সামাজিক দায়বদ্ধতা সম্পৰ্কীয় বাধ্যবাধকতাসমূহ

কৰ্প'ৰেট সামাজিক দায়িত্ব (চি এচ আৰ) হ'ল কোম্পানীৰ এক প্ৰতিশ্ৰুতি যাতে তাক অৰ্থনৈতিক, সামাজিক আৰু পৰিৱেশিক দিশত গ্ৰহণযোগ্য ভাৱে চলোৱা হয়। কোম্পানীয়ে বছৰি 5 কোটি টকাৰো অধিক প্ৰকৃত লাভ অৰ্জন কৰি আহিছে আৰু সেয়েহে চি এচ আৰ প্ৰতিশ্ৰুতিৰ লগত জড়িত কোম্পানী আইন, 2013 ৰ ধাৰা 135 ৰ ব্যৱস্থাৱলীয়ে সামৰি লয়। কোম্পানী আইন 2013 ৰ ধাৰা 135 (5) অনুসৰি কোম্পানীয়ে ইয়াৰ চি এছ আৰ কৌশল মানি চি এচ আৰ সম্পৰ্কীয় কাৰ্যত বিগত ঠিক আগৰ তিনিটা বিত্তীয় বৰ্ষৰ অন্ততঃ গড় দুই শতাংশ প্ৰকৃত লাভৰ ধন খৰছ কৰিব লাগে।

কোম্পানীৰ আইন, 2013 কাৰ্যকৰী হোৱাৰ পিছত সঞ্চালক ব'ৰ্ডে এফ চি এচ আৰ কমিটি গঠন কৰে (ফেব্ৰুৱাৰী 2016)। কোম্পানীটোৰ চি এচ আৰ নীতিয়ে পূৰ্বৰ তিনিটা চি এচ আৰ সম্পৰ্কীত কামত বছৰি গড় মুঠ লাভৰ (এ এন পি) নূন্যতম দুই শতাংশ আৰু সৰ্বাধিক পাঁচ শতাংশ ব্যয়ৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। 2016-17 ৰ পৰা 2019-20[129] লৈ সময়ছোৱাৰ এ এন পি আৰু চি এচ আৰ ব্যয় কৰিছিল ***সাৰণী-2.4.9*** ত দেখুওৱা হ'ল।

সাৰণী 2.4.9: চি এচ আৰ কাৰ্যকলাপৰ সবিশেষ

(কোটি টকাত)

বছৰ	গড় প্ৰকৃত লাভ (এ এন পি)	এ এন পি 2 শতাংশ	চি এচ আৰ-ত হোৱা খৰছ	খৰছ নকৰাকৈ জমা হৈ থকা পৰিমান
2016-17	5.21	0.10	--	0.10
2017-18	8.72	0.17	--	0.27
2018-19	17.32	0.35	--	0.52
2019-20	নাই	নাই	0.44	0.08

সাৰণী 2.4.9 ৰ পৰা দেখা যায় যে কোম্পানীয়ে চি এছ আৰ-ৰ লগত জড়িত কাৰ্যত 2018-19 বৰ্ষ পৰ্যন্ত কোনো ধন খৰছ কৰা নাছিল ফলস্বৰূপে 31 মাৰ্চ 2019 পৰ্যন্ত 0.52 কোটি টকাৰ চি এচ আৰ সম্পৰ্কীয়

[129] কোম্পানীয়ে 2019-20 বিত্তীয় বৰ্ষলৈকে নিজৰ হিচাপ চূড়ান্ত কৰিছে।

বাধ্যতা মূলক জমা হৈছিল। যাহওঁক, কোম্পানীয়ে জুলাই 2019 ৰ পৰা চি এচ আৰ সম্পৰ্কিয় কৰ্মত ব্যয় কৰিবলৈ আৰম্ভ কৰে আৰু আগষ্ট 2022 পৰ্যন্ত মুঠ 0.44 কোটি টকা চি এচ আৰ সম্পৰ্কিত কৰ্মত ব্যয় কৰা বুলি হিচাপত ধৰে। হিচাপ পৰীক্ষাত পুনৰ দৃষ্টি গোচৰ হয় যে কোম্পানীয়ে ব্যয় কৰা বুলি দেখুওৱা 0.44 কোটি টকাৰ 0.24 কোটি টকা (বৰঙণি আৰু বিজ্ঞাপন ব্যয়) ভাৰত চৰকাৰৰ কৰ্পৰেট এফেয়ার্ছ মন্ত্রালয়ৰ নির্দেশনা মতে চি এচ আৰ সম্পৰ্কিত কামৰ সংজ্ঞাৰ ভিতৰত নপৰে। এতেকে, এই ক্ষেত্রত কোম্পানী অনুচ্ছেদ 454 (8) ৰ আধাৰত শাস্তিমূলক ব্যৱস্থাৰ আওতাত পৰে যিটোৰ সিদ্ধান্ত ভাৰত চৰকাৰে নিয়োগ কৰা বিচাৰৰ নিষ্পত্তিকাৰী বিষয়াই গ্রহণ কৰিব।

কোম্পানীয়ে উল্লেখ কৰিছে (ফেব্রুৱাৰী 2023) যে চি এচ আৰ মানি চলা আৰম্ভ কৰা হৈছে আৰু ব্যয় নকৰা চি এচ আৰ পুঁজি ক্লিয়াৰ কৰা হৈছে আৰু কোম্পানী আইন, 2013ৰ বিধান মানি চলি নিয়মিতভাৱে ব্যয় কৰা হৈছে উত্তৰটো গ্রহণযোগ্য নাছিল চি এচ আৰৰ নির্দেশনা উলংঘা কৰি চি এচ আৰৰ অধীনত অন্তর্ভুক্ত নোহোৱা কার্য্যকলাপত ধন ব্যৱহাৰ কৰা হৈছে।

সামৰণি

কোম্পানীয়ে গৰমপানী কয়লা খনন প্রকল্প (জি চি ই পি) আৰু খোটা অর্দ্ধ কয়লা খনন প্রকল্প (কে এ চি ই পি) দুটা কয়লা খনিৰ কাম চলায়। কোম্পানীক পাঁচটা চূণশিল খনি খণ্ডৰ কাম (861 হেক্টৰ) চলাবৰ বাবে (জুন 1992 ৰ পৰা জুলাই 2012) আৱন্টন দিয়ে, যাৰ ভিতৰত চাৰিটাৰ (694 হেক্টৰ) অ'পাৰেচন আৱণ্টন দিয়া দিনৰ পৰা হোৱা নাছিল।

ভাৰত চৰকাৰৰ পৰা খনন কার্যৰ পৰিকল্পনা/ লীজৰ অনুমোদন নোপোৱা বা পৰিৱেশ প্রমাণপত্র লাভ নকৰা স্বত্তেও কোম্পানীয়ে দুটা কয়লা খনি আৰু এটা চূণশিল খনিৰ কার্য চলাই গ'ল। যদিও ভাৰত চৰকাৰ অথবা অসম চৰকাৰ ত্রুটি সমূহৰ ক্ষেত্রত অৱগত আছিল আৰু কোম্পানীৰ এই অপাৰেচন অবৈধ বুলি অভিহিত কৰিও অবৈধ খনি কার্য প্রতিৰোধক জৰিমনা লগাই তাক বন্ধ কৰাৰ কোনো পদক্ষেপ গ্রহণ নকৰিলে। এইদৰে খনন ক্ষেত্রসমূহ সম্ভাব্য পৰিৱেশ বিনষ্ট হোৱাৰ আশংকাৰ সন্মুখীন হৈছিল আৰু ফলস্বৰূপে চাৰিওফালৰ জনসাধাৰন স্বাস্থ্য জনিত বিপদৰ সন্মুখীন হৈছিল।

পৰামর্শসমূহ

অসম চৰকাৰ/ কোম্পানী এই ক্ষেত্রত নিশ্চিত হ'ব:

- *সময়মতে খনন কার্যৰ পৰিকল্পনা প্রস্তুত আৰু দাখিল কৰা; আৰু*
- *খনন কার্যৰ পৰিকল্পনা/ লীজ/ ই চি-ৰ অনুমোদন অবিহনে খনন কার্য কৰিলে তাৰ দায়বদ্ধতা নির্ধাৰণ কৰা।*

অসম পেট্ৰ'কেমিকেলচ লিমিটেড

2.5 অপচয়মূলক ব্যয়

মিথানল ব্যৱহাৰৰ ক্ষেত্ৰত বিকল্প ইন্ধন হিচাপে প্ৰথম পাইলট অধ্যয়নৰ প্ৰতিবেদনলৈ অপেক্ষা নকৰি একেসময়তে দুটাকৈ পাইলট প্ৰজেক্টৰ কাম হাতত ল'বলৈ কোম্পানীয়ে লোৱা অযুক্তিৰ সিদ্ধান্তৰ ফলত 1.36 কোটি টকা অপচয়মূলক ব্যয় হয়।

ব্যৱসায় সম্প্ৰসাৰণৰ বাবে অসম পেট্ৰ'কেমিকেলচ লিমিটেড (কোম্পানী)ৰ সঞ্চালক ব'ৰ্ডে (বি অ' ডি) ৰন্ধনৰ বিকল্প ইন্ধন হিচাপে মিথানল ব্যৱহাৰ কৰিবলৈ নামৰূপত এটা পাইলট প্ৰজেক্ট'ৰ কাম হাতত লয় (নৱেম্বৰ 2017)। কোম্পানীয়ে মেচার্চ ক্লীন কুক চুইডেন এবি'ৰ পৰা মিথানল ষ্ট'ভ আৰু কেনিষ্টাৰ (মূল্যঃ 59.91 লাখ টকা) ক্ৰয় কৰে (মার্চ 2018)। কোম্পানীয়ে মিথানল ষ্টভৰ কার্যফল, গ্ৰাহকৰ সঁহাৰিৰ পৰিমান চোৱা আৰু অন্যান্য কামৰ বাবে মেচার্চ প্ৰজেক্ট জি এ আই এ এনার্জী ৰিভোলুচন, ইউ এচ এ (পৰামৰ্শদাতা) ক আৱণ্টন দিছিল (ছেপ্তেম্বৰ 2018)। তাৰ পাছত কোম্পানীয়ে প্ৰথম পাইলট প্ৰজেক্ট'ৰ কাম হাতত লয় (05 অক্টোবৰ 2018)।

কোম্পানীয়ে প্ৰথম পাইলট প্ৰজেক্ট'ৰ গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰত পৰামৰ্শদাতাৰ প্ৰতিবেদনলৈ অপেক্ষা নকৰি; চাহ উৎপাদন কেন্দ্ৰত মিথানল বিকল্প ইন্ধন হিচাপে ব্যবহাৰ কৰিবলৈ দ্বিতীয় পাইলট প্ৰজেক্ট'ৰ পৰিকল্পনা কৰে (20 অক্টোবৰ 2018)। সেই অনুসাৰে কোম্পানীয়ে চাহ উৎপাদন ফেক্ট'ৰীৰ কামত চাহপাত শুকাই শুকান অৱস্থালৈ নিবৰ বাবে প্ৰচলিত কয়লা/ গেছ বার্নাৰৰ সলনি মেচার্চ ওৱেচম্যান থার্মেল ইঞ্জিনিয়াৰিং প্ৰচেচ প্ৰাইভেট লিমিটেড (মেচার্চ ডব্লিউ টি ই পি পি এল) এ উন্নত আৰু প্ৰস্তুত কৰা মিথানল বার্নাৰ চাহ উৎপাদন উদ্যোগত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে টি ৰিচার্চ এছ'চিয়েচন টোকলাই (টি আৰ এ) ৰ সৈতে এক চুক্তি সম্পাদন কৰে (ডিচেম্বৰ 2018)। প্ৰকল্পটো টি আৰ এ মডেল ফেক্ট'ৰী আৰু বিভিন্ন চাহ বাগিচাত আৰম্ভ কৰিব লাগিব। কোম্পানীয়ে মেচার্চ ডব্লিউ টি ই পি পি এলৰ পৰা দুটা বার্নাৰ (মূল্য 16.20 লাখ টকা) ক্ৰয় কৰিছিল (ডিচেম্বৰ 2018) যিবোৰ গুদামত অকামিলা হৈ পৰি থাকিল (ফেব্ৰুৱাৰী 2023)। টি আৰ এ প্ৰতিবেদন দাখিল কৰি কৈছিল (ফেব্ৰুৱাৰী 2020) যে এল পি জি আৰু কয়লাৰ মূল্য বিবেচনা কৰিলে মিথানলৰ ব্যৱহাৰ আর্থিকভাৱে সুবিধাজনক নাছিল।

ইতিমধ্যে, পৰামৰ্শদাতাই প্ৰথম পাইলট প্ৰজেক্ট'ৰ প্ৰতিবেদন দাখিল কৰিছিল (নৱেম্বৰ 2019)। তাৰ ওপৰত ভিত্তি কৰি পৰিচালন সঞ্চালকে (এম ডি) পৰামর্শ দাতাৰ প্ৰতিবেদনত উল্লেখ কৰা বক্তব্য অনুসৰি কোম্পানীৰ অধ্যক্ষলৈ এক বিস্তাৰিত প্ৰতিবেদন দাখিল কৰে (জুলাই 2020)। পৰামৰ্শদাতাৰ এল পি জি আৰু মিথানলৰ শক্তিৰ স্থিতিৰ প্ৰতিবেদনত কোৱা হৈছিল যে নির্দিষ্ট মানৰ ৰন্ধনত এল পি জিৰ প্ৰয়োজন 168.30 গ্ৰাম যি স্থলত মিথানলৰ প্ৰয়োজন 371.25 গ্ৰাম। এতেকে, মিথানল আৰু এল পি জিশক্তি স্থিতিৰ অনুপাত 1:2.20 হিচাপ কৰি উলিওৱা হৈছিল। পৰামর্শদাতাই কৈছিল যে, সেই সময়ত ব্যৱহাৰ কৰা এল পি জি 168.30 গ্ৰামৰ মূল্য 6.51 টকাৰ বিপৰীতে 371.25 গ্ৰাম মিথানলৰ মূল্য 8.91 টকা। এতেকে, পৰিচালন সঞ্চালকে মন্তব্য দিছিল (জুলাই 2020) যে প্ৰকল্পটো বিচৰা মতে সুবিধাজনক নহ'ব।

দুয়োটা পাইলট প্ৰজেক্ট'ৰ সৰিশেষ খৰছ ***সাৰণী 2.5.1*** ত দিয়া হ'ল।

সাৰণী 2.5.1: পাইলট প্ৰজেক্ট'ৰ সবিশেষ

ক্ৰমিক নং.	কামৰ নাম	কাম দিয়াৰ তাৰিখ	কাম কৰাৰ বাবে জড়িত সংস্থাৰ নাম	খৰছ কৰা ধন (টকাত)
বিকল্প ৰন্ধন ইন্ধন				
1.	ৰন্ধা ষ্টোভ আৰু কেনিষ্টাৰ ক্ৰয় মূল্য	মার্চ 2018	মেচার্চ ক্লীন কুক	0.60
2.	উদ্বোধন আৰু প্ৰদৰ্শনত খৰছ	অক্টোবৰ 2018-মার্চ 2020	অসম পেট্ৰ'কেমিকেলচ লিমিটেড	0.23
3.	মিথানলৰ মূল্য	অক্টোবৰ 2018-মার্চ 2020	অসম পেট্ৰ'কেমিকেলচ লিমিটেড	0.18
চাহ উৎপাদন উদ্যোগ				
